# জীৱনৰ বাটত

## চিন্তাৰ এক সুঁতি

খালী পৃষ্ঠা

# জীৱনৰ বাটত

## চিন্তাৰ এক সুঁতি

গোপাল জালান

**চন্দ্ৰ প্ৰকাশ**
পাণবজাৰ, গুৱাহাটী- ১

**Jeevanar Batat : Chintar Ek Suti**
A collection of Assamese articles
written by Gopal Jalan and published by
Rajendra Mohan Sarma and Dr. Rabindra Mohan Sarma on
behalf of Chandra Prakash, Panbazar, Guwahati-1.
First Edition : Jan, 2013, Price : Rs. 140/- only

---

**ISBN :**
978-93-244-0071-0

**জীৱনৰ বাটত চিন্তাৰ এক সুঁতি**

প্ৰকাশক
**ৰাজেন্দ্ৰ মোহন শৰ্মা**
**ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মা**
**চন্দ্ৰ প্ৰকাশ,** পাণবজাৰ, গুৱাহাটী- ৩
দূৰভাষ ঃ ০৩৬১-২৫১১৯৪৬

গ্ৰন্থস্বত্ব
© প্ৰকাশকৰদ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

প্ৰথম প্ৰকাশ
**জানুৱাৰী, ২০১৩**

মূল্য ঃ **১৪০ টকা**

বেটুপাত
**মনজিৎ মালাকৰ**

অলংকৰণ
**অমৰেন্দ্ৰ কলিতা**

মুদ্ৰণ
**ডেষ্টিনী প্ৰিন্টিং প্ৰেছ**
ৰাজগড় ৰোড, উপপথ নং- ১১, গুৱাহাটী- ৩

## উচৰ্গা

*শ্ৰদ্ধাৰ প্ৰয়াত বাসুদেৱ জালান*
*আৰু শ্ৰদ্ধেয়া পুষ্পাদেৱী জালানৰ*
*পৱিত্ৰ স্মৃতিত*
*এই গ্ৰন্থখন উচৰ্গা কৰিলো।*

***—গোপাল জালান***

খালী পৃষ্ঠা

# লেখকৰ একাষাৰ

জীৱনৰ বাটত সংঘটিত ঘটনাপ্ৰবাহে প্ৰত্যেকৰ জীৱনত প্ৰভাৱ পেলায়। কেতিয়াবা কিছুমান সৰু সৰু কথাই জীৱনৰ গতিপথ সলনি কৰে। প্ৰাত্যহিক জীৱনত সংঘটিত সৰু-বৰ ঘটনাৰাজিৰ সমষ্টিয়ে হ'ল জীৱনৰ অভিজ্ঞতা। মানুহে যিমানেই সন্মুখৰ ফালে ধাৰমান হয় সিমানেই অভিজ্ঞতাৰ গ্ৰাফডাল হয় ঊৰ্দ্ধমুখী। দৰাচলতে সমাজ-জীৱনক বাদ দি কোনোৰে গতি কৰিব নোৱাৰা বাবেই মানুহ ঘাত-প্ৰতিঘাতৰ সন্মুখীন হয়। যিজনে সাহসেৰে সন্মুখত দেখা দিয়া প্ৰত্যাহ্বানসমূহৰ স'তে মোকাবিলা কৰিব পাৰিছে তেৱেঁই জীৱনৰ বাটত এখোজ আগুৱাব পাৰিছে। অপ্ৰত্যাশিত ঘটনাৰ স'তে কোনো মানুহে সন্মুখীন হ'ব নোখোজে। কিন্তু কোনো ঘটনাই মানুহৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে। এটা খোজ দি আনটো খোজ দিবলৈ যাওঁতেও বহুতে উজুটি খায়। কেতিয়াবা জীৱনৰ পিচল বাটত খোপনি পুতিব নোৱাৰি পৰি যায়।

প্ৰাত্যহিক জীৱনৰ প্ৰতিটো কথাই মনত ৰখা সম্ভৱ নহয়। দিনটোৰ সেইবোৰ কথাহে দীৰ্ঘদিন মনত থাকে— যিবোৰ ব্যতিক্ৰমী বৈশিষ্ট্যসম্পন্ন। জীৱন চক্ৰৰ গতিপথ কোন দিশে গতি কৰিব সেয়া ভাগ্য-নিয়ন্তাৰ বাহিৰে আন কোনোৱে নাজানে। তথাপি মানুহে পাছলৈ উভতি চাব নোখোজে। পাছলৈ উভতি যাবলগীয়া হোৱাটোৱে পলায়নবাদী মানসিকতাৰহে প্ৰতিফলন ঘটায়। দৈনন্দিন জীৱনত যিবোৰ ঘটনাই মনত প্ৰভাৱ বিস্তাৰ কৰে সেইবোৰৰ স্কেচ্চ্ অংকন কৰিব পাৰিলে সেয়া পৰৱৰ্তী সময়ত আনৰ বাবে চৰ্চাৰ উৎস হৈ পৰে। তেনে এখন ছবিয়ে ‘জীৱনৰ বাটত ঃ চিন্তাৰ এক সুঁতি’ সংকলনটিত প্ৰকাশ কৰিব বিচাৰিছো। সংকলটি প্ৰকাশ কৰাত সহায় কৰা বাবে চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰ ৰাজেন্দ্ৰ মোহন শৰ্মা আৰু ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰিছো। পাঠকে সংকলনটি আদৰি ল’লে সেয়া মোৰ বাবে হ’ব প্ৰেৰণাৰ উৎস। আশা কৰিছো এইক্ষেত্ৰত পাঠকে মোক উৎসাহ যোগাব।

**—গোপাল জালান**

# পাতনি

উদীয়মান লেখক গোপাল জালানৰ নিবন্ধ সংকল 'জীৱনৰ বাটত ঃ চিন্তাৰ এক সুঁতি' দৈনন্দিন জীৱনত লাভ কৰা অভিজ্ঞতাৰ স্কেচচৰ সমষ্টি। কেনভাচত আঁকা একোটা স্কেচচৰ দৰেই দক্ষতাৰে তেওঁ সুন্দৰকৈ প্ৰতিটো নিবন্ধ অংকন কৰা হেতুকে পঢ়ি সোৱাদ লগা হৈছে। এই শৰৎ, ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ জন্ম দিৱস, আকৌ এবাৰ বাজি উঠক ৰণৰ পাঞ্চজন্য, ধৰ্ম আমাৰ এক সাংস্কৃতিক উপাদানৰ পৰা শেষৰ নিবন্ধটোলৈকে প্ৰতিটোতে জীৱনৰ বাটত তেওঁ লাভ কৰা অভিজ্ঞতাৰ স্কেচ আঁকা হৈছে। জীৱনৰ বাটত উজুটি খাই লাভ কৰা তিক্ত অভিজ্ঞতাও কেতবোৰ নিবন্ধত সন্নিৱিষ্ট কৰা হৈছে। তাহানিৰে পৰা শৰৎ কাল মানেই উৎসৱৰ সময়। বৈষ্ণৱসকলেও ৰাস উৎসৱেৰে শৰতক আদৰিছিল। সেই শৰততে উগ্ৰপন্থীয়ে নিৰ্বিচাৰে বিস্ফোৰণ ঘটোৱা বোমাৰ আঘাতত ক্ষত-বিক্ষত হ'ল হেজাৰজন। ক্ষন্তেকতে তেজৰ সোঁত বৈ গ'ল। অন্ধকাৰ নামি আহিল হেজাৰটা পৰিয়াললৈ। নিবন্ধকাৰে প্ৰশ্ন তুলিছে— সন্ত্ৰাসবাদীৰ এনে কাপুৰুষালিয়ে মানুহক ৰাস উৎসৱৰ আনন্দৰ পৰা যদিহে আঁতৰাই নিয়ে, তেন্তে সেয়া হ'ব পশুত্বৰ ওচৰত মনুষ্যত্বৰ পৰাজয়। গতিকে অধিক উলাহেৰে ৰাস

উৎসৱ পালন কৰি সন্ত্ৰাসবাদীসকলক দেখুৱাব লাগিব যে সিহঁতৰ দুষ্কাৰ্যৰ ওচৰত মানৱতাই সেও নামানে সংকলনটোৰ প্ৰায়বোৰ নিবন্ধতে ইতিবাচক, গঠনমূলক দৃষ্টিভংগী দাঙি ধৰিছে। লেখকে আকৌ এবাৰ পাঞ্চজন্য বজাবলৈ সংস্কৃতিৰ মূৰ্ত প্ৰতীক শ্ৰীকৃষ্ণক আহ্বান জনাইছে। সৰহসংখ্যক ভাৰতীয়ই কৃষ্ণ সংস্কৃতিৰ পূজাৰী। কুৰুক্ষেত্ৰ ৰণত যিদৰে অন্যায়ৰ বিৰুদ্ধে যুঁজ কৰি ন্যায় প্ৰতিষ্ঠা কৰা হৈছিল, তেনেদৰে ন্যায় প্ৰতিষ্ঠা কৰিবলৈ আজিৰ সমাজক তেওঁ আহ্বান জনাইছে। ভাৰতীয় ধৰ্ম যে সুন্দৰ সংস্কৃতিৰ এটি উপাদান, তাকো তেওঁ এটি নিবন্ধত উল্লেখ কৰিছে। 'মাৰোৱাৰী মানেই ব্যৱসায়ী নহয়' শীৰ্ষক নিবন্ধত যদিও তেওঁ সৰ্বসাধাৰণৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰিছে, ব্যৱসায়ী হোৱাটো নিশ্চয় জগৰৰ কথা নহয়। কৃষি অবিহনে যিদৰে সমাজ চলাব নোৱাৰে, ঠিক সেইদৰে ব্যৱসায়-বাণিজ্য অবিহনেও সমাজ চলিব নোৱাৰে। ইংৰাজসকল ব্যৱসায় কৰা জাতি হিচাপে বিখ্যাত; কিন্তু যি সম্প্ৰদায়ৰে নহওক, ব্যৱসায়ীসকল নীতি-নিষ্ঠ হোৱাটো বাঞ্ছনীয় ।'ভ্ৰাম্যমাণ ৫০ ঃ কৃষ্ণ ৰয় ৫০' শীৰ্ষক নিবন্ধটোৰে তেওঁ সংকলনটিৰ সামৰণি মাৰিছে। ভ্ৰাতৃপ্ৰতিম কৃষ্ণ ৰয় ভ্ৰাম্যমাণ নাট্যজগতৰ এক নক্ষত্ৰস্বৰূপ হ'বলৈ সক্ষম হৈছে মাত্ৰ ৫০ বছৰতে। এয়া আমাৰ সকলোৰে বাবে গৌৰৱৰ কথা। গোপাল জালানৰ সংকলনটিৰ পাতে পাতে আছে আত্মবিশ্বাসৰ চানেকি— সেয়ে পঢ়িলে নিশ্চয় পাঠক সমাজ উপকৃত হ'ব। জালানৰ কলম অবিৰতভাৱে চলি থাকিব বুলি আশা কৰিলোঁ।

অগ্ৰদূত ভৱন **কনকসেন ডেকা**

দিছপুৰ, গুৱাহাটী, ১০ আগষ্ট, ২০১২

# সূচী-পত্ৰ


- এই শৰৎ, সেই শৰৎ ১৫
- ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ জন্ম দিৱস ১৭
- আকৌ এবাৰ বাজি উঠক ৰণৰ পাঞ্চজন্য ২০
- ধৰ্ম আমাৰ এক সাংস্কৃতিক উপাদান ২৩
- অপেছাদাৰী নাট্যগোষ্ঠী আৰু আমাৰ সমাজ ২৫
- গ্ৰন্থমেলা আন্দোলন সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তা ২৮
- যুগসন্ধিৰ জটিল ক্ষণত ৰঙালী বিহু ৩১
- গণতন্ত্ৰৰ আনুষ্ঠানিকতা ৩৪
- হাতে হাত ধৰি আগুৱাওক মাৰোৱাৰীসকল ৩৪
- নৱবৰ্ষৰ অনুভৱ ঃ বিশ্বাস আৰু কৰণীয় ৩৬
- নৱবৰ্ষৰ সংকল্প আৰু কিছু প্ৰাসংগিক চিন্তা ৩৮
- গ্ৰন্থমেলাৰো আছে জাতীয় দায়িত্ব ৪০
- প্ৰেছ ফ্ৰীডম ঃ ভৱিষ্যৎ কি? ৪৩

■ বিতৰ্কিত বি. ডি. আৰ. ৪৬
■ বজালী হাইস্কুল ঃ এক স্মৃতি ৫০
■ বজালী কলেজ ঃ এক স্মৃতি ৫৩
■ সাহিত্য সভাই মুকলি কৰিব নতুন দুৱাৰ ৫৬
■ অগ্নিগৰ্ভ ইংলেণ্ডত টীম ইণ্ডিয়াৰ সুৰক্ষা ৫৯
■ ফেচ্‌বুকৰ কবলত যুৱ-প্ৰজন্ম ৬২
■ ড° ভূপেন হাজৰিকা আৰু ফেশ্বন ৬৪
■ ভোগালীৰ পিঠা আৰু ব্যৱসায়ৰ বিশাল ভাণ্ডাৰ ৬৬
■ গণতন্ত্ৰ য'ত মুখ্য ৬৮
■ মেডাম টুছোত স্থান নাপাব কিয় সুধাকণ্ঠই? ৭১
■ চিঠিৰ বোজা কঢ়িওৱা পিয়নসকল ক'লৈ গ'ল? ৭৩
■ এগৰাকী নীৰৱ মানৱসেৱীৰ কাহিনী ৭৫
■ ৰামেশ্বৰ পাঠক বঁটা লোকশিল্পী গোকুল পাঠকলৈ ৭৮
■ মামণি বাইদেউ ঃ মানৱী মানুহজনী ৮০
■ প্ৰসংগ ঃ ডাইনী হত্যা ৮৩
■ এশ বিশ বছৰে ছোৱালীৰ বিয়া নোহোৱা এখন গাঁও ৮৬
■ স্খলিত যুৱ-মানসিকতা আৰু অলপ চিন্তা-দুশ্চিন্তা ৮৯
■ সন্মোহনী শক্তি আৰু ড° ভূপেন হাজৰিকা ৯২
■ বিশ্বাস হেৰাল বিশ্বাসৰ ঃ ভাস্কৰ্য শিল্পীৰ অব্যক্ত বেদনা ৯৫
■ পাঠশালা সাহিত্য সভা আৰু অলপ চিন্তা-দুশ্চিন্তা ৯৮
■ কৃষি, প্ৰকৃতি, পশুধন আৰু বিহুৰ চিন্তা-দুশ্চিন্তা ১০২
■ ড° হাজৰিকাৰ কণ্ঠ, বিহুগীত ইত্যাদি ১০৬
■ সাতভনীৰ সম্প্ৰীতিৰ এনাজৰী
সুদৃঢ় কৰোঁতা ড° ভূপেন হাজৰিকা ১০৮
■ বিপন্ন সময় ১১১
■ প্ৰতিবন্ধীৰ আৰু কিছু ধাৰণা ১১৩
■ এজন অচিন বন্ধুৰ কথাৰে ১১৫
■ বৃদ্ধ দম্পতীৰ কথাৰে ১১৮
■ জেচমিনৰ কথাৰে মানৱতাৰ গান ১২০

■ বৈদ্যুতিন সংবাদ মাধ্যমৰ সাংবাদিক আৰু প্ৰত্যাহ্বান ১২২
■ সন্তানৰ ওপৰত অতিৰিক্ত চাপ ঃ দায়ী কোন? ১২৫
■ বিহুগীত আৰু কিছু প্ৰাসংগিক চিন্তা ১২৮
■ চুম্বকীয় গুণসম্পন্ন এগৰাকী কবিৰ কথাৰে ১৩১
■ ড° ভূপেন হাজৰিকা এটি মহান অনুষ্ঠান, ব্যক্তি নহয় ১৩৩
■ অম্লান হাঁহিৰ মহিলাগৰাকী ১৩৫
■ জ্ঞান উৎসৰ মেলা ঃ ড° ভূপেন হাজৰিকাৰ সংগ্ৰহালয় ১৩৭
■ দিল্লীত এখন অসমীয়া বিয়াৰ অনুভৱ ১৩৯
■ কামৰূপীয়া ঢোলৰ মহীৰূহ কৰুণাকান্ত দাস ১৪১
■ মানৱতা ক'ত হেৰাল! ১৪৩
■ শিল্পী পেঞ্চন লাগে পেটৰ বাবে, স্বীকৃতিৰ বাবে নহয় ১৪৬
■ শতাব্দীৰ সাক্ষী পাঠশালাৰ মজলীয়া বিদ্যালয় ১৪৮
■ কাম কৰা ছোৱালী আৰু নাৰী দিৱস ১৫০
■ য়েছে দৰজে ঠংচিক অসম সাহিত্য সভাৰ সভাপতি পাতক ১৫৩
■ শৰ্মিষ্ঠা প্ৰীতম আৰু এক অনুভৱ ১৫৬
■ এখন ফটোৰ মূল্য ঊনত্ৰিশ কোটি ১৫৮
■ নেপোলিয়ন বোনাপাৰ্টৰ বিশ্বস্ত সেনানায়কজনক মনত পৰেনে? ১৬০
■ সমন্বয়ৰ সেতু হৃদয়ানন্দ আগৰৱালা ১৬৩
■ ভ্ৰাম্যমাণ জগতৰ পৰা আহিছে এটা ভাল খবৰ ১৬৮
■ ভাল নাটকেহে স্থায়ী কৰিব ভ্ৰাম্যমাণৰ অস্তিত্ব ১৭১
■ পাঠশালাৰ ভ্ৰাম্যমাণ থিয়েটাৰ ১৭৪
■ মাৰোৱাৰী মানেই ব্যৱসায়ী নহয় ১৭৮
■ ভ্ৰাম্যমাণ ৫০ ঃ কৃষ্ণ ৰয় ৫০ ১৮২

খালী পৃষ্ঠা

# এই শৰৎ, সেই শৰৎ

তেজে ধোৱা এই অসমত এইবাৰ ৰাস মহোৎসৱ আহিছে। ধূলি আৰু ধোঁৱাৰে ধূসৰিত আকাশ, তেজৰ চেকুৰা, বঙহৰ মঙহৰ পোৰা গোন্ধ, আৰ্তজনৰ হিয়া ভাঙি নিয়া চিৎকাৰ, এইবোৰৰ মাজতেই মন-মগজু-হৃদয়ত এইবোৰৰ স্মৃতি লৈয়েই এইবাৰ অসমৰ মানুহে ৰাস পাতিছে। ২০০৮ চনৰ ৩০ অক্টোবৰত ৰাজ্যৰ চাৰি ঠাইত সংঘটিত প্ৰায় দহটা বোমাৰ ভয়াৱহ বিস্ফোৰণে যি অভূতপূৰ্বভাৱে নাৰকীয় দৃশ্যৰ অৱতাৰণা কৰিলে, অকল্পনীয়ভাৱে করুণ পৰিস্থিতিৰ সৃষ্টি কৰিলে, তাৰ পাছত উৎসৱ পতাৰ কিবা পৰিৱেশ বা কাৰোবাৰ উৎসাহ থকা বুলি ভাবিব নোৱাৰি। তথাপি আমি ৰাস পাতিবই লাগিব। কাৰণ এই ৰাস আমাৰ এক অন্যতম জাতীয় পৰিচয়। ৰাস আমাৰ অসমীয়া জাতিৰ এক অন্যতম সাংস্কৃতিক সম্পদ। সন্ত্ৰাসবাদীয়ে যদি নিজৰ পৈশাচিক কাৰ্যকলাপৰ জোৰত আমাক নিজৰ সাংস্কৃতিক সম্পদ ৰক্ষা কৰাৰ পৰা বিৰত ৰাখিব পাৰে, আমাৰ জাতীয় পৰিচয় অক্ষুণ্ণ ৰখাৰ পৰা আমাক বিৰত ৰাখিব পাৰে, তেনেহ'লে সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদীকহে আমি সফল হোৱা বুলি ক'ব লাগিব। সেয়ে সন্ত্ৰাসবাদীৰ বোমা বিস্ফোৰণত বিতত হৈ, দুঃখিত হৈ, আতংকিত হৈ হাত সাবটি বহি নাথাকি আমি স্বাভাৱিক জীৱনলৈ উভতি যাবই লাগিব, আমাৰ জাতীয় পৰিচয় বহন কৰা সাংস্কৃতিক সম্পদস্বৰূপ উৎসৱ-পাৰ্বণসমূহ পালন কৰি থাকিবই লাগিব। হয়তো পৰিৱেশ-পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি বাহ্যিক আড়ম্বৰতা কিছু কমাই দিব পাৰো। আমাৰ কৰ্মৰ দ্বাৰা আমি সন্ত্ৰাসবাদীক ওলোটাই সকীয়াই দিব লাগিব— কাপুৰুষৰ দৰে গোপনে কেইটামান বোমা স্থাপন কৰি, কেইশমান মানুহ হত্যা কৰি তোমালোকে অসমীয়া জাতিক ভয় খুৱাব নোৱাৰা। অসমীয়া

জাতিয়ে অতীতত বহু ডাঙৰ শত্ৰুৰ বিৰুদ্ধে যুঁজি জয়লাভ কৰি নিজৰ অস্তিত্ব ৰক্ষা কৰি আহিছে আৰু ভৱিষ্যতলৈকো জয়লাভ কৰি আহিব। এইখিনিতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ এটা ঘটনাৰ কথা মনত পৰিছে। সেয়া আছিল দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰথমাৰ্ধৰ কথা। চৌদিশে হিটলাৰৰ জাৰ্মানৰ জয়জয়-ময়ময় । জাৰ্মান বিমান বাহিনীৰ বোমাবৰ্ষণত লণ্ডন মহানগৰী বিধ্বস্তপ্ৰায়। তেনে দিনবোৰৰে কোনোবা এদিন আবেলি ৰয়েল ইংলিছ আৰ্মিৰ কেইজনমান জেনেৰেল আহিল তদানীন্তন বিটিছ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলক সাক্ষাৎ কৰিবলৈ— যুদ্ধ সংক্ৰান্তীয় কেতবোৰ অতি গুৰুত্বপূৰ্ণ কথা আলোচনাৰ বাবে। কিন্তু জেনেৰেলসকলে তৎক্ষণাত চাৰ্চিলক দেখা কৰাৰ অনুমতি নাপালে। কাৰণ? কাৰণ চাৰ্চিল তেতিয়া ব্যস্ত অন্য কেইজনমান মানুহৰ লগত। কোননো তেওঁলোক— যিসকলৰ লগত কথা পাতি থকাৰ কাৰণেই দ্বিতীয় বিশ্বযুদ্ধকালীন বিটিছ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলে তেওঁৰ সেনাবাহিনীৰ বিষয়া কেইজনমানকো অপেক্ষা কৰাই থৈছে? পিছত জনা গ'ল তেওঁলোক কৃষি বিজ্ঞানী। জেনেৰেলকেইজন আচৰিত হ'ল। দ্বিতীয় বিশ্বযুদ্ধৰ এই ভৰপকৰ সময়ত উচ্চপদস্থ সেনা বিষয়াক অপেক্ষা কৰাই থৈ চাৰ্চিলে কৃষিবিজ্ঞানীসকলৰ লগত কি বিষয়ে কথা পাতিছে? চাৰ্চিলে কথা পাতিছে আলু খেতিৰ উন্নয়নৰ বিষয়ে। আশ্চৰ্য, চাৰ্চিলৰ মূৰৰ বিকৃতি ঘটিল নেকি? নাই ঘটা । চাৰ্চিলৰ ভৱিষ্যদৃষ্টিৰহে আৰু অধিক সম্প্ৰাসৰণ ঘটিছে। তেওঁ জানিছে— দ্বিতীয় বিশ্বযুদ্ধৰ এদিন অন্ত পৰিব। এই অভিশপ্ত দিনবোৰো এদিন নোহোৱা হৈ যাব। কিন্তু মানুহৰ খাদ্যৰ প্ৰয়োজন সদায় থাকি যাব। এই সাময়িক বিপদৰ সময়ত যদি বিচুৰ্ত হৈ চিৰস্থায়ী প্ৰয়োজনৰ কথা পাহৰি যোৱা যায়, তেনেহ'লে ভৱিষ্যতটো অন্ধকাৰাচ্ছন্ন হৈ পৰিব। সেয়ে দ্বিতীয় বিশ্বযুদ্ধকালীন বিটিছ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলে সেই বিশ্বযুদ্ধত ইংলেণ্ডক জয়যুক্ত কৰোৱাৰ কথা ভবাৰ লগতে সমান গুৰুত্বৰে ভাবিছিল আলু খেতিৰ উন্নয়নৰ কথাও। আমিও এইক্ষেত্ৰত চাৰ্চিলৰ আদৰ্শই গ্ৰহণ কৰিব লাগিব। আমি বিশ্বাস ৰাখিব লাগিব যে অসমৰ ওপৰত সন্ত্ৰাসবাদীৰ আক্ৰমণ এক সাময়িক অভিশাপ। এই আক্ৰমণ অসমৰ মানুহে এদিন নহয় এদিন প্ৰতিহত কৰিবই। কিন্তু সন্ত্ৰাসবাদীৰ এই আক্ৰমণৰ সময়ত আমি যদি বিতত হৈ আমাৰ পৰম্পৰা, আমাৰ সংস্কৃতি এৰি পেলাওঁ, তেনেহ'লে ভৱিষ্যতে আমাৰ পৰিচয়েই বিলুপ্ত হৈ যাব।

# ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ জন্ম দিৱস

২০০২ চনৰ ২০ ফেব্ৰুৱাৰী। 'আৰোহণ'ৰ আধাৰশিলা স্থাপন কৰা হয়। ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ জন্মদিন এই ২০ ফেব্ৰুৱাৰী। ২০০৩ চনৰ ১৩ আগষ্টত চিৰ বিদায় ল'লে শইকীয়াই। সেই ২০০২ চনৰ ২০ ফেব্ৰুৱাৰীৰ দিনটো আৰু ২০০৩ চনৰ ১৩ আগষ্টৰ দুয়োটা দিনৰে কথা মনত আছে। উপলব্ধি কৰিছো আৰু তাৎপৰ্য বিচাৰি এই মুহূৰ্তত অনুভৱ কৰিছো— Great minds have purposes, others have wishes. Little minds are tamed and subduced by misfortune; but great minds rise above them. 'আৰোহণ' শিশুহঁতৰ বৌদ্ধিক, শাৰীৰিক আৰু মানসিক বিকাশৰ মুক্তাংগন। সেই মুক্তাংগনৰ চোতালত ভৰি দি বাৰে বাৰে মনত পৰিছে তেওঁলৈ। ধনাত্মক মানুহৰ কাষত সদায় বিচাৰি পোৱা বস্তুটোৱেই হৈছে আন্তৰিকতা। সেই আন্তৰিক পটভূমিত বাস কৰাৰ সুযোগ পাই বাৰে বাৰে মনলৈ আহিছে এই ২০ ফেব্ৰুৱাৰী দিনটোত পৃথিৱীৰ যিমান শিশু আছে, যিমান শিশু-মনৰ মানুহ আছে, সকলোৱে ইয়াতে বিচাৰি পোৱাৰ যত্ন কৰক জীৱনৰ গভীৰ তাৎপৰ্য অথচ সৰলভাৱে, আন্তৰিকভাৱে। বয়সৰ হাতত আমি বছৰে বছৰে বয়সিয়াল হৈ পৰাতকৈ, প্ৰতিটো দিনৰ কাষত নতুন

হোৱাৰ হাবিয়াস কৰা বেছি ভাল। সেইদৰে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ আজি কোনো বয়স নাই। আছে মাত্ৰ পূৰ্ণ পয়োভৰ যৌৱনৰ টগবগ সৃষ্টিশীলতা। তেওঁৰ কাষলৈ যেতিয়াই গৈছো তেতিয়াই গম পাইছো সময়নিষ্ঠ আৰু সময়ৰ প্ৰতি থকা গভীৰ আন্তৰিকতাই একোজন মানুহক কিমান চহকী কৰিব পাৰে। জীৱনৰ পৰিকল্পনাৰো খুব সাৱধানে কৰিব লাগে। ঘণ্টাৰ পাছত ঘণ্টা ধৰি, দিনৰ পাছত দিন ধৰি, মাহৰ পাছত মাহ ধৰি সাৱধানতাৰে গঢ়িব লাগে, সেই কথা তেওঁৰ পৰাই শিকিছো। সৌ পাঠশালাৰ পৰা বাটকুৰি বাই বাই তেওঁৰ কাষলৈ অহা প্ৰতিটো দিনেই মোৰ বাবে চিৰ নতুন হৈ আছে। মিতব্যয়ী, সকলোধৰণৰ হিচাপ-পত্ৰ সযতনে ৰাখি ভাল পোৱা মানুহ এই ব্যক্তিজনৰ পৰা বহুতৰ দৰে যিমান পাইছো তাৰ তুলনাত একোৱেই দিয়া হোৱা নাই।

সম্পূৰ্ণ ব্যক্তিগত জীৱনত জীৱনৰ বাণিজ্যিক ক্ষেত্ৰ এখনৰ প্ৰশস্ত নেওতা এখনেই বিচাৰি পোৱাটোৱেই লক্ষ্য বুলি ধৰি ল'লেও তেওঁৰ সান্নিধ্যত দেখিছো দেশৰ বাবে, সমাজৰ বাবে কিবা কৰাৰ সদিচ্ছা নাথাকিলেও সময়ে কোনো মানুহকে মনত নাৰাখে। মনত ৰাখিবৰ বাবে সৃষ্টিকৰ্মক আপোন কৰি ল'বই লাগিব। সেই সৃষ্টিকৰ্ম যদি আনৰ মংগলৰ হয়, তেন্তে আৰু ভাল কথা। জীৱনৰ নিশ্চিত আৰু শুদ্ধ পথটো হৈছে পৃথিৱীত সৎভাৱে জীয়াই থকাৰ যত্ন কৰা আৰু তাৰ বাবে মান-সন্মান লাভ কৰিবলৈ বাস্তৱৰ লগত মুখামুখি হ'বই লাগিব। তেওঁৰ সেই বাস্তৱৰ লগতে শৈশৱৰে পৰা মুখামুখি হৈ প্ৰাত্যহিক সমস্যাক কেনেদৰে অতিক্ৰম কৰি আজি 'আৰোহণ'ৰ পথত প্ৰৱেশ কৰিছে সেই দৃষ্টান্ত সকলো শিল্পকৰ্মতে প্ৰতিভাসিত হৈ আছে।

শইকীয়াদেৱে আমাক এৰি যোৱাৰ পাছত ২০ ফেব্ৰুৱাৰীৰ দিনটোত তেওঁৰ জন্মদিন পালন কৰাৰ বাবে সমগ্ৰ ৰাজ্যতে এক বিশেষ উৎসাহ পৰিলক্ষিত হৈ আহিছে। কেৱল ৰাজ্যৰে নহয়, সমগ্ৰ ভাৰতবৰ্ষৰে কলা-সংস্কৃতি তথা চিন্তা জগতৰ আগশাৰীৰ সাধক, অসমীয়া সংস্কৃতিৰ মুকুটবিহীন সম্ৰাট ড° শইকীয়া জীয়াই থকা সময়ছোৱাত এনে উৎসাহ পৰিলক্ষিত হোৱা নাছিল, তেনে উৎসাহক সমৰ্থনো কৰা নাছিল। জীৱনকালত যদিও তেওঁৰ গুণমুগ্ধই তেওঁৰ জন্মদিন পালন কৰিছিল তেওঁৰ সময় আৰু আদৰ্শৰ লগত সংগতি ৰাখি অৰ্থপূৰ্ণভাৱে। সেয়া এতিয়া এই মুহূৰ্তত প্ৰশ্ন উত্থাপিত হৈছে এই ব্যক্তিগৰাকী অবিহনে তেওঁৰ

জন্মদিনটো কিদৰে পালন কৰা হ'ব! কিদৰে স্বীকৃতি দিয়া হ'ব শইকীয়াৰ জন্মৰ সাৰ্থকতাক! ২০ ফেব্ৰুৱাৰীৰ দিনটো সমগ্ৰ অসমবাসী, অসমীয়া সাহিত্য-সংস্কৃতিৰ বাবে এটি উল্লেখনীয় দিন— এই দিনটোত জন্ম হৈছিল ড° শইকীয়াৰ দৰে অসমীয়া সাহিত্য-কলা-সংস্কৃতিৰ এগৰাকী সাধকৰ। আমি ভাবো তেনে ঐতিহাসিক পটভূমিৰ বাবে শইকীয়াৰ জন্মদিনটোক অসমবাসীয়ে 'কলা-সংস্কৃতি দিৱস' হিচাপে পালন কৰিব লাগে। অসম চৰকাৰ আৰু অসম সাহিত্য সভাই আমাৰ এই প্ৰস্তাৱক গুৰুত্বসহকাৰে লৈ ২০ ফেব্ৰুৱাৰীৰ দিনটোতে আনুষ্ঠানিকভাৱে এই ঘোষণা কৰে তেনেহ'লে জন্মদিনটোৱে এক সংগঠিত আৰু অৰ্থপূৰ্ণ ৰূপ গ্ৰহণ কৰিব। আমি উল্লিখিত দুই কৰ্তৃপক্ষকে এই বিষয়ত আগ-ভাগ ল'বলৈ মুকলিকৈ আহ্বান জনাইছো।

# আকৌ এবাৰ বাজি উঠক ৰণৰ পাঞ্চজন্য

ভাৰতৰ ইতিহাসত ভগৱান শ্ৰীকৃষ্ণ এক অপূৰ্ব চৰিত্ৰ। এই চৰিত্ৰ এক ঐতিহাসিক মানসিক চৰিত্ৰ, মহাকাব্যৰ কবিৰ কল্পনা নে ভগৱানৰ অৱতাৰী সত্তা তাক লৈ পণ্ডিত সমাজৰ মাজত মতভেদ থাকিলেও ভাৰত তথা সমগ্ৰ বিশ্বৰেই কোটি কোটি লোকে শ্ৰীকৃষ্ণক সৃষ্টিকৰ্তা ভগৱান বিষ্ণু বা নাৰায়ণৰ অৱতাৰ বুলিয়েই মানে আৰু সেয়েহে তেওঁক ভগৱান শ্ৰীকৃষ্ণ বুলি উল্লেখ কৰে। কোটি কোটি মানুহৰ এই বিশ্বাসক একেবাৰে উলাই কৰি পেলাব নিশ্চয় নোৱাৰি। আনহাতে, শ্ৰীকৃষ্ণই নিজেও 'যেতিয়াই ভাৰতত ধৰ্মৰ গ্লানি হয়, তেতিয়াই দুষ্কৃতিকাৰীক বিনাশ কৰি আৰু সাধুজনক পৰিত্ৰাণ কৰি ধৰ্মৰ পুনৰ সংস্থাপনৰ বাবে যুগে যুগে আৱিৰ্ভাৱ হওঁ' বুলি কৈ বাস্তৱিকতে তেওঁ যেন ভগৱানৰেই অৱতাৰ সেই কথাৰ অকাট্য প্ৰমাণ দি থৈছে।

দ্বাপৰ যুগৰ শেষৰফালে, মহাভাৰতৰ যুদ্ধৰ আগে-পিছে যেতিয়া পুণ্যভূমি ভাৰতবৰ্ষত দুৰ্জনৰ প্ৰকোপ বৃদ্ধি পাইছিল, ধৰ্ম আৰু ধাৰ্মিকৰ পীঠস্থান ভাৰতবৰ্ষত ধৰ্মৰ গ্লানি হৈছিল তেতিয়াই তেওঁ নিজেই কোৱাৰ দৰে ভগৱান শ্ৰীকৃষ্ণৰ আৱিৰ্ভাৱ হৈছিল। তেওঁৰ জন্ম হৈছিল কাৰাগাৰৰ অন্ধকাৰ কুঠৰীত আৰু তেওঁ লালিত-পালিত হৈছিল তদানীন্তন মথুৰা ৰাজ্যৰ অধিপতি মহাৰাজ ধীৰাজ কংসৰ অধীনস্থ এগৰাকী সাধাৰণ সামন্ত নন্দৰ ঘৰত। গকুলত নন্দৰ ঘৰত ডাঙৰ-দীঘল হৈ থকা অৱস্থাত ভগৱানৰ পূৰ্ণ অৱতাৰ হৈও তেওঁ সকলোবোৰ মানসিক কাৰ্যই কৰিছিল। লগ-সমনীয়াৰ লগত তেওঁ গৰু চৰাইছিল, বিদ্যা-শিক্ষাৰ বাবে ঋষিৰ

আশ্ৰমত ভৰ্তি হৈ সেই যুগৰ পৰম্পৰা অনুসৰি মানুহৰ ঘৰে ঘৰে ভিক্ষা মাগিছিল, বন্ধু-বান্ধৱৰ লগত খেল-ধেমালি কৰিছিল আৰু কেতিয়াবা অঘাইটং আচৰণো কৰিছিল। কিন্তু ইয়াৰ সমান্তৰালকৈ তেওঁ জন্মৰ পিছমুহূৰ্তৰ পৰাই অধৰ্মৰ বিনাশ কৰি ধৰ্মৰ পুনৰ সংস্থাপন প্ৰক্ৰিয়াও আৰম্ভ কৰিছিল। শ্ৰীকৃষ্ণৰ জন্মৰ মুহূৰ্তত হোৱা বসুদেৱ-দৈৱকীৰ স্বয়ংক্ৰিয় বন্ধনমুক্তি যেন সাধুজনক পৰিত্ৰাণ কৰা পৰ্বৰেই প্ৰতীকি আৰম্ভণি। তাৰ পাছৰ পৰাই শিশু আৰু কিশোৰ কৃষ্ণৰ হাতত ভালেসংখ্যক অসুৰ, ৰাক্ষস আৰু ৰাক্ষসী নিহত হৈছে। অহংকাৰ আচৰণ কাৰোৰেই গ্ৰহণযোগ্য নহয়, তেওঁ লাগিলে মানৱেই হওক বা দানৱেই হওক বা দেৱতাই হওক। আনকি দেৱৰাজ ইন্দ্ৰ আৰু স্বয়ং সৃষ্টিকৰ্তা প্ৰজাপিতা ব্ৰহ্মাৰ অহংকাৰো ভগৱান শ্ৰীকৃষ্ণই ধ্বংস কৰিছে নিজৰ দৈৱিক কৰ্মৰদ্বাৰা।

গোপিনীৰ বস্ত্ৰহৰণ, ৰাসলীলা আৰু ১৬ হেজাৰ ৰমণীৰ পাণি গ্ৰহণ ভগৱান শ্ৰীকৃষ্ণৰ জীৱনৰ কেইটিমান তাৎপৰ্যপূৰ্ণ ঘটনা। তেওঁৰ কৰ্মৰাজি মানসিক দৃষ্টিভংগী আৰু বিশ্লেষণেৰে চাব বা ব্যাখ্যা কৰিব নোৱাৰি। শ্ৰীকৃষ্ণৰ সময়ত গোকুলৰ ৰমণীসকলে দল বান্ধি যমুনা নদীলৈ গা ধুবলৈ গৈছিল আৰু নদীখনৰ এক নিভৃত স্থানত তেওঁলোকে সম্পূৰ্ণ উলংগ হৈ একেলগে গা ধুইছিল। যদিও কদম গছেৰে আগুৰা যমুনাৰ নিভৃত স্থানত এই ৰমণীসকলৰ এনে নগ্ন স্নানৰ দৃশ্য কাৰোবাৰ চকুত পৰাৰ সম্ভাৱনা খুবেই কম আছিল, তথাপি একেবাৰে অসম্ভৱো নাছিল। শ্ৰীকৃষ্ণই নিজে কদম গছৰ পাতৰ আঁৰত লুকাই থাকি আৰু ৰমণীসকলে গা ধোৱাৰ আগতে খুলি থোৱা গাৰ কাপোৰসমূহ লুকুৱাই থৈ এই কথাৰেই প্ৰমাণ দিছে। তদুপৰি তেওঁ ৰমণীসকলক সকীয়াই দিছিল যে এনেদৰে নদী এখনত সম্পূৰ্ণ উলংগ হৈ গা ধুই তেওঁলোকে নদী মাতৃকেই অপমান কৰিছে। বাস্তৱিকতে এই ঘটনাৰ দ্বাৰা ভগৱান শ্ৰীকৃষ্ণই ৰাজহুৱা স্থানত নগ্নতাৰ বিৰুদ্ধে আৰু সামাজিক সুৰুচি ৰক্ষাৰ সপক্ষে এক কঠোৰ সকীয়নি দিছে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে আজি আমাৰ ভাৰতবৰ্ষতেই একাংশ মহিলাই ষ্টাইল বা ফেশ্বনৰ নামত নগ্নতাক আঁকোৱালি লোৱাহে দেখা গৈছে। তেওঁলোকে নিজৰ চহকী ঐতিহ্য পৰম্পৰাক পাহৰি গৈ পশ্চিমৰ উপৰুৱা ৰংচঙীয়া সেই খোলাখনক সাবটি লৈছে যিখন খোলা ভাৰতীয় মাটি-পানী-বায়ুৰ লগত খাপ নাখায়। এই শিক্ষা ভগৱান শ্ৰীকৃষ্ণই বহুদিন আগতেই আমাক দি গৈছে আৰু আজি পৱিত্ৰ

জন্মাষ্টমীৰ এই পুণ্যক্ষণত আমি সেই শিক্ষাৰ কথাকে পুনৰ স্মৰণ কৰিছো। তেনেদৰে ৰাসলীলা আৰু ১৬ হেজাৰ মহিলাৰ পাণি গ্ৰহণৰ ঘটনাৰো গূঢ়াৰ্থ আছে। বিপুল ভক্তি আৰু আধ্যাত্মিক অন্বেষণ অবিহনে সেই গূঢ়াৰ্থৰ মৰ্ম উপলব্ধি কৰা টান।

মহাভাৰতৰ যুদ্ধ অৰ্থাৎ কুৰুক্ষেত্ৰ মহাসমৰেই হৈছে ভগৱান শ্ৰীকৃষ্ণৰ অধৰ্ম বিনাশ প্ৰক্ৰিয়াৰ চূড়ান্ত ৰূপ। তেওঁৰ হাতত থকা পাঞ্চজন্য শংখৰ শংখধ্বনিৰে এই মহাসমৰ আৰম্ভ হৈছিল। কাৰ্যতঃ পাঞ্চজন্যৰ শংখধ্বনিয়েই যেন আছিল সমাজৰ শত্ৰু অন্যায় আৰু অন্যায়কাৰীৰ বিৰুদ্ধে এক চূড়ান্ত ধ্বংসধ্বনি। কুৰুক্ষেত্ৰৰ ধৰ্মযুদ্ধৰ পাছত নিজৰ মদগৰ্বিতাৰ বাবে শ্ৰীকৃষ্ণৰ আপোন যদুবংশটোও ধ্বংস হৈ গ'ল। ধৰ্ম ৰক্ষাৰ স্বাৰ্থতে ভগৱান শ্ৰীকৃষ্ণই আপোন বংশটোক ৰক্ষা কৰাৰ চেষ্টা নকৰিলে। বৰং তাৰ কিছুদিন পাছতে তেওঁ নিজেই মানৱদেহ ত্যাগ কৰি বৈকুণ্ঠধামলৈ গতি কৰিলে। কাৰণ দ্বাপৰ যুগৰ ভাৰতবৰ্ষত ধৰ্মসংস্থাপনৰ কাম তেওঁৰ ইতিমধ্যে শেষ হৈছিল। শ্ৰীকৃষ্ণৰ অন্তৰ্ধানৰ লগে লগে দ্বাপৰ যুগেও মেলানি মাগিলে। লগে লগে প্ৰৱেশ ঘটিল ঘোৰ কলিকালৰ। কলিযুগৰ এই ভয়াৱহ দিনবোৰত আমি সমাজৰ চৌপাশে আজি অজস্ৰ কংস, শিশুপাল, দুৰ্যোধন, দুঃশাসন, ৰাক্ষস, অসুৰ দৈত্য-দানৱৰ দপদপনি দেখিবলৈ পাইছো। আজি চৌদিশে ধৰ্মৰ গ্লানি, অধৰ্মৰ জয়জয়কাৰ। সৎ, সাধু, নিৰ্জু মানুহৰ জীৱন দুৰ্বিষহ। সেয়ে সৰ্বসাধাৰণে আজি কাতৰভাৱে প্ৰাৰ্থনা জনাইছে— অধৰ্মৰ বিনাশ ঘটাবলৈ, ধৰ্মৰ পুনৰ সংস্থাপন কৰিবলৈ, দুষ্কৃতিকাৰীক বিনাশ কৰিবলৈ, সন্তক পালন কৰিবলৈ আকৌ এবাৰ ভগৱান শ্ৰীকৃষ্ণৰ ধৰাতলত আৱিৰ্ভাৱ ঘটক, আকৌ এখন কুৰুক্ষেত্ৰ ৰণক্ষেত্ৰত বিনাশক এক ধৰ্মযুদ্ধ অনুষ্ঠিত হওক, আকৌ এবাৰ সজোৰে বাজি উঠক ৰণৰ পাঞ্চজন্য।

# ধৰ্ম আমাৰ এক সাংস্কৃতিক উপাদান

ধৰ্মৰ উৎপত্তি, বিকাশ আৰু প্ৰয়োজনীয়তাৰ ওপৰত পৃথিৱীৰ প্ৰান্তে প্ৰান্তে সুদীৰ্ঘকাল ধৰি অন্তহীন বিতৰ্ক চলি আছে। আস্তিকসকলে ধৰ্মক ঈশ্বৰ বা ঈশ্বৰ প্ৰেৰিত দূতৰদ্বাৰা পৃথিৱীত ভাল জীৱন যাপনৰ বাবে প্ৰয়োজনীয় কেতবোৰ ব্যৱস্থা বুলি বিশ্বাস কৰাৰ বিপৰীতে নাস্তিকসকলে ইয়াক সমাজৰ বিশেষ এক শ্ৰেণীয়ে সৰ্বসাধাৰণৰ ওপৰত নিৰ্বিবাদে শাসন-শোষণ চলোৱাৰ সুবিধা হোৱাকৈ সৃষ্টি কৰি লোৱা কিছুমান পথ বুলি দাবী কৰে। অৱশ্যে এই ক্ষেত্ৰত আস্তিকসকলেও নিজৰ বিশ্বাসৰ সপক্ষে কোনো অকাট্য আৰু সকলোৰে গ্ৰহণযোগ্য প্ৰমাণ আজিলৈকে দাঙি ধৰিব পৰা নাই আৰু নাস্তিকসকলেও নিজৰ দাবী প্ৰতিষ্ঠিত কৰিব পৰাকৈ কোনো বিশেষ যুক্তি আজিলৈকে আগবঢ়াব পৰা নাই। সেয়ে আমাৰ অসম মুলুকত আমি 'বিশ্বাসে মিলয় হৰি তৰ্কে বহুদূৰ' বুলি মানি লৈ ধৰ্ম বা ইশ্বৰ যে মানুহৰ সাধাৰণ যুক্তি-তৰ্কই ঢুকি নোপোৱা এক অস্তিত্ব, সেই কথা মানি আহিছো। আনহাতে এই মান্যতা বা স্বীকৃতি আমাৰ জাতীয় বা ৰাষ্ট্ৰীয় জীৱনৰো তত্ত্ব হৈ আছে। খ্ৰীষ্টান বা ইছলাম ধৰ্মই কেৱল তেওঁলোকৰ পথেৰেহে মানুহৰ মুক্তি সম্ভৱ বুলি একধৰণৰ গোৰা মতবাদ পোষণ কৰাৰ বিপৰীতে আমাৰ ভাৰতীয় হিন্দু ধৰ্মই সকলো পথেই শুদ্ধ আৰু সকলো প্ৰকাৰৰ

উপাসনা পদ্ধতিৰ দ্বাৰাই ঈশ্বৰক পাব পাৰি বুলি বিশ্বাস কৰে। সেইবাবেই খ্ৰীষ্টান মৌলবাদ আৰু ইছলাম মৌলবাদে পৃথিৱী উত্তপ্ত কৰি ৰখাৰ সময়তো হিন্দু ধৰ্ম বা হিন্দু সংস্কৃতি শান্ত সমাহিত হৈ থাকে। কাৰণ যিহেতু হিন্দু ধৰ্মই নিজৰটোৰ বাহিৰে আনৰ পথ, মতবাদো সত্য শুদ্ধ বুলি বিশ্বাস কৰে, গতিকে হিন্দুত্বৰ নামত মৌলবাদ সৃষ্টি হ'ব নোৱাৰে। সেয়ে আজিকালি কিছুমান পক্ষই ব্যৱহাৰ কৰা হিন্দু মৌলবাদী পৰিভাষাটো সম্পূৰ্ণৰূপে এক ভুল পৰিভাষা বা অৱধাৰণা বুলি ক'ব পাৰি।

সি যি নহওক, এটা কথা ঠিক যে ভাৰতত আমি অন্ততঃ হিন্দু ধৰ্মক অন্ধবিশ্বাস বা শাসন-শোষণৰ আহিলা বুলি বাদ দিব বা এৰাই চলিব নোৱাৰো। কিয়নো ভাৰতবৰ্ষত হিন্দুধৰ্ম এই দেশৰ ৰাষ্ট্ৰীয় জীৱনৰ এক সাংস্কৃতিক উপাদানত পৰিণত হৈছে। আমাৰ ইয়াত হিন্দু ধৰ্ম কেৱলমাত্ৰ এক উপাসনা পদ্ধতিয়েই নহয়, বৰঞ্চ হিন্দুত্বই ৰাষ্ট্ৰীয়তা বা ভাৰতীয়ত্ব হিচাপে গঢ় লৈছে। কাৰণ পূৰ্বতে আমি কোৱাৰ দৰে হিন্দু ধৰ্মৰ ধৰ্মীয় উপাদানসমূহৰ অজস্ৰ উপাদান এতিয়া আমাৰ ৰাষ্ট্ৰীয় সাংস্কৃতিক জীৱনত সোমাই পৰিছে। সকলো পথ, সকলো উপাসনা পদ্ধতিয়েই শুদ্ধ, হিন্দু ধৰ্মৰ এই ধৰ্মীয় সহনশীলতাৰ আদৰ্শ আজি সমগ্ৰ ভাৰতীয় সংস্কৃতিৰেই আদৰ্শ। এই আদৰ্শৰ বাবেই ইশ্বৰ অবিশ্বাসী হৈও চাভাৰকাৰৰ নিচিনা মানুহে ভাৰতীয় হিন্দু সমাজৰ অন্যতম নেতা হ'ব পাৰিছিল। হিন্দু ধৰ্মৰ আদৰ্শ 'যত জীৱ তত শিৱ' এক ভাৰতীয় সংস্কৃতিক আদৰ্শত পৰিণত হৈছে। হিন্দু ধৰ্মৰ বীৰপুৰুষ শ্ৰীৰামচন্দ্ৰ সমগ্ৰ ভাৰতবৰ্ষৰেই আদৰ্শ বীৰপুৰুষ। সমগ্ৰ ভাৰত আৰু ভাৰতীয়ৰ আদৰ্শ ৰাজনীতিবিদ ভগৱান শ্ৰীকৃষ্ণ হিন্দু ধৰ্মীয় বিশ্বাসৰ এক যুগপুৰুষ। হিন্দু ধৰ্মীয় বৈদিক সাহিত্য, মহাকাব্য, ভাগৱত, গীতা আদি সমগ্ৰ ভাৰতৰেই সাংস্কৃতিক জীৱনৰ এৰাব নোৱাৰা চহকী অংগ। সম্প্ৰতি বিশ্বৰ অন্যান্য ঠাইৰ লগতে ভাৰতবৰ্ষতো কিছু পৰিমাণে ধৰ্মীয় উন্মাদনাই দেখা দিছে। মূলতঃ ভাৰতীয় হিন্দু সংস্কৃতিক নিজৰ সংস্কৃতি বুলি কিছুমানে গণ্য বা গ্ৰহণ নকৰাৰ বাবেই ধৰ্মীয় অসহিষ্ণুতা আৰু ধৰ্মীয় সংঘাতে এই দেশৰ মাটিত গা কৰি উঠিব পাৰিছে। এনে অৱস্থাত ভাৰতীয় সভ্যতাৰ মূল চালিকা শক্তি হিন্দু ধৰ্মইহে এই দেশখনক ৰক্ষা কৰিব পাৰিব, যিহেতু হিন্দু ধৰ্ম আমাৰ এক সাংস্কৃতিক উপাদান।

# অপেছাদাৰী নাট্যগোষ্ঠী আৰু আমাৰ সমাজ

পৃথিৱীৰ বিভিন্ন দেশ আৰু সমাজত বিভিন্ন উপাদানে গণমাধ্যমৰ ভূমিকা পালন কৰে। ইয়াৰ ভিতৰত কোনো এটা উপাদান আটাইতকৈ শক্তিশালী গণমাধ্যমৰূপে বিকশিত হয়। কোনোবা দেশ বা সমাজত যদি সাহিত্যই সৰ্বাধিক শক্তিশালী গণমাধ্যমৰ ভূমিকা গ্ৰহণ কৰিছে, কোনোবা দেশ বা সমাজত হয়তো চলচ্চিত্ৰই সৰ্বাধিক শক্তিশালী গণমাধ্যমৰ ভূমিকা গ্ৰহণ কৰিছে। ক'ৰবাত হয়তো সৰ্বাধিক শক্তিশালী গণমাধ্যম হৈ পৰিছে সাংবাদিকতা আৰু তেনে দেশ বা সমাজত বাতৰিকাকত-আলোচনীয়েই হৈ পৰিছে সমাজৰ ভাব-আদৰ্শৰ মূল বাহক। আমাৰ অসমীয়া সমাজত গণমাধ্যমৰ স্বৰূপ সময়ৰ লগে লগে পৰিৱৰ্তিত হৈ আহিছে। বাস্তৱিকতে ইংৰাজসকলৰ আগমনৰ আগলৈকে অসমত আধুনিক ধৰণৰ গণমাধ্যমৰ ধাৰণাই গা কৰি উঠা নাছিল। কিন্তু মধ্যযুগীয় অসমত মহাপুৰুষ শংকৰদেৱে বৈষ্ণৱী সাহিত্য আৰু বৰগীত, ভাওনাৰ নিচিনা বৈষ্ণৱধৰ্মীৰ সাংস্কৃতিক উপাদানসমূহক শক্তিশালী গণমাধ্যমৰূপে প্ৰতিষ্ঠিত কৰিব পাৰিছিল সমাজত তেওঁৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে। আধুনিক যুগত,

অৰ্থাৎ আহোমৰ শাসনকালৰ পৰৱৰ্তী যুগত যেতিয়া ইংৰাজ আমোলত মিছনেৰীসকলৰ প্ৰচেষ্টাত অসমত 'অৰুণোদয়' আলোচনীয়ে জন্মলাভ কৰিলে, তেতিয়াহে অসমীয়া শিক্ষিত সমাজে প্ৰকৃত আধুনিক গণমাধ্যমৰ সোৱাদ পালে। সেই তেতিয়াৰে পৰা 'আৱাহন' আলোচনীৰ যুগলৈকে আলোচনীয়েই অসমত মুখ্য ভূমিকা গ্ৰহণ কৰি থাকিল। 'আৱাহন' আলোচনীৰ মৃত্যুৰ পিছত কাৰ্যতঃ অসমত এক শক্তিশালী গণমাধ্যমৰ অভাৱে দেখা দিলে। ছবছৰীয়া অসম আন্দোলনৰ পৰাই অসমত বাতৰি কাকতে এক শক্তিশালী গণমাধ্যমৰ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ল। অৱশ্যে বাতৰি কাকতে তেনেদৰে শক্তিশালী গণমাধ্যমৰ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'লেও বা বাতৰি কাকতৰ সংখ্যা যথেষ্ট বৃদ্ধি পালেও ই অসমত এতিয়াও ইমান এক শক্তিশালী গণমাধ্যম হৈ উঠা নাই, যিমান শক্তিশালী গণমাধ্যম হৈ উঠিছে ৰাজ্যৰ ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠীসমূহ। হয়তো অসমত আজি ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠীসমূহ যিমান শক্তিশালী বা জনপ্ৰিয়, সিমান শক্তিশালী বা জনপ্ৰিয় পৃথিৱীৰ ক'তোৱেই নহয়। সঁচাকৈয়ে ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰেক্ষাগৃহলৈ মানুহৰ যি গতিত সোঁত বয়, সেই গতিৰ কথা কল্পনা কৰিবলৈকো টান। হয়তো মহাপুৰুষ শংকৰদেৱে অসমীয়া জাতিৰ মাজত যি এক সাংস্কৃতিক মন আৰু প্ৰাণ প্ৰতিষ্ঠা কৰি থৈ গৈছে সেই মন আৰু প্ৰাণ এতিয়াও সক্ৰিয় হৈ আছে বাবে অসমীয়া মানুহে আজিও বাতৰি কাকতকৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চখনৰ প্ৰতি অধিক আকৰ্ষণ অনুভৱ কৰে। নিঃসন্দেহে একোখন সমাজৰ বাবে ই এক ইতিবাচক পৰিঘটনা। কিন্তু পৰিতাপৰ কথা যে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰসমূহে সমাজৰ সমস্যা, হতাশা, প্ৰত্যাশা, ইতিহাস আদিৰ প্ৰতিফলনত যিদৰে নিজৰ জনপ্ৰিয়তাক কামত খটুৱাব লাগিছিল, সেইদৰে নিজৰ জনপ্ৰিয়তাক কামত খুটওৱা নাই। বিশেষকৈ বিগত কেইবছৰমানৰ পৰা দেখা গৈছে যে ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠীসমূহে নিজৰ জনপ্ৰিয়তাক নিজে নিজেই সস্তীয়া জনপ্ৰিয়তালৈ পৰিৱৰ্তিত কৰিছে। গতিকে ৰাজ্যৰ বা অসমীয়া সমাজৰ সৰ্বাধিক শক্তিশালী গণমাধ্যম হৈয়ো যেন অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠীসমূহে নিজৰ ভূমিকা সঠিকভাৱে পালন কৰিব পৰা নাই। সেয়ে এনে এক প্ৰেক্ষাপটত অসমত অপেছাদাৰী নাট্যগোষ্ঠীৰ প্ৰসংগটো পুনৰ আহি পৰিছে। কোৱা বাহুল্য যে অসমত যিদৰে শক্তিশালী ভ্ৰাম্যমাণ থিয়েটাৰৰ পৰম্পৰা আছে,

তেনেদৰে অপেছাদাৰী নাট্যগোষ্ঠীৰো এক শক্তিশালী পৰম্পৰা আছিল। বিপ্লৱী শিল্পী ব্ৰজ শৰ্মা আদিৰ নিচিনা লোকসকলে সমাজ আৰু সময়ৰ চাহিদা পূৰণ কৰিবলৈ এনে এক পৰম্পৰাৰ জন্ম দিছিল। কিন্তু গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ধামখুমীয়াৰ মাজত পৰি এই পৰম্পৰা প্ৰায় হেৰাই গ'ল। এইখিনিতে উনুকিয়াব পাৰি যে পেছাদাৰী নাট্যগোষ্ঠী বা ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠীসমূহে নিজৰ পেছাদাৰিত্ব বা বাণিজ্যিক দিশটোৰ কথা মনত ৰাখি সমাজৰ পৰা বিভিন্ন উপায়ে আহৰণ কৰে। এই ক্ষেত্ৰত তেওঁলোকৰ বাবে সামাজিক দায়বদ্ধতা গৌণ হৈ পৰে, বাণিজ্যিক লাভালাভ মুখ্য হৈ পৰে। কিন্তু অপেছাদাৰী নাট্যগোষ্ঠীসমূহে সমাজৰ আশা-আকাংক্ষাৰ প্ৰতিফলন ঘটোৱা বা সামাজিক সমস্যাৱলীৰ চিত্ৰায়ণ কৰাতহে প্ৰাথমিক গুৰুত্ব আৰোপ কৰে। তেওঁলোকে সমাজৰেই কাম কৰে; কিন্তু সমাজৰ পৰা লাভ আহৰণ কৰাটো তেওঁলোকৰ বাবে মুখ্য উদ্দেশ্য হৈ নাথাকে। এনে নাট্যগোষ্ঠীবোৰৰ লগত জড়িত মানুহবোৰৰ শিল্প বা সমাজ সচেতন মন একোটাহে থাকে, বাণিজ্যিক পেছাদাৰিত্ব নাথাকে। গতিকে এনে নাট্যগোষ্ঠীবোৰক জীয়াই ৰখাৰ ক্ষেত্ৰত সমাজৰহে এক নিজাববীয়া দায়িত্ব থাকে। কিন্তু দুৰ্ভাগ্যবশতঃ অসমীয়া সমাজে যেন নিজৰ সেই দায়িত্ব পালনৰ ইচ্ছা হেৰুৱাই পেলাইছে। ব্লেকত ডেৰশ-দুশ টকাত টিকট কিনিও ভ্ৰাম্যমাণ থিয়েটাৰৰ অৰ্থহীন নাটক একোখন চাবলৈ হেতা-ওপৰা লগোৱা অসমীয়া দৰ্শকে কিন্তু অপেছাদাৰী নাট্যগোষ্ঠীয়ে মঞ্চস্থ কৰা নাটক একোখনৰ টিকটৰ বাবদ বিশ টকা দিবলৈ টান পায়; যাৰ পৰিণতিত আজি অসমৰ অপেছাদাৰী নাট্য আন্দোলন সম্পূৰ্ণৰূপে মৰিমূৰ হৈ গৈছে। আমি লক্ষ্য কৰা ভাল যে অসমত চলচ্চিত্ৰ উদ্যোগটোৱেও বিভিন্ন কাৰণত ভালদৰে গা কৰি উঠিব পৰা নাই। সেয়ে এইখন ৰাজ্যত যদি অপেছাদাৰী নাট্য আন্দোলনটোক ভালদৰে থিয় কৰাব পৰা নাযায়, তেনেহ'লে জনসংস্কৃতি বুলিবলৈ ইয়াত একোৱেই নাথাকিবগৈ।

# গ্ৰন্থমেলা আন্দোলন সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তা

অসমত গ্ৰীষ্মকাল মানেই এক দীঘলীয়া, দুৰ্যোগৰ ঋতু। সূৰ্যৰ প্ৰখৰ ৰ'দ, প্ৰচণ্ড উষ্ণতা, অসহনীয় আৰ্দ্ৰতা, এক ডেই-পুৰি নিয়া পৰিৱেশ আৰু গ্ৰীষ্মৰ উষ্ণতা কমাবলৈ বৰ্ষা ঋতু আৰম্ভ হোৱাৰ লগে লগেই আৰম্ভ হয় বানপানী আৰু গৰাখহনীয়াৰ তাণ্ডৱ, গুৱাহাটী মহানগৰীকে ধৰি অসমৰ প্ৰায়ভাগ নগৰাঞ্চলকে কোবাই যায় আবদ্ধ পানী তথা বৰষুণ সৃষ্ট কৃত্ৰিম বানপানীৰ বীভৎসতাই। চৌপাশে লেতেৰা পৰিৱেশ, নাৰকীয় পৰিস্থিতি।

কিন্তু শীতৰ আগমনৰ লগে লগে পৰিস্থিতিৰ হঠাৎ যেন অভূতপূৰ্ব পৰিৱৰ্তন ঘটে। গ্ৰীষ্ম আৰু বৰ্ষা উভয়ে বিদায় লোৱাৰ লগে লগে অসমত গৰম, বানপানী আৰু বৰষুণ, আটাইকেইটাই কমি যায়, ৰাস্তা-ঘাট শুকায়, খেতিয়ক ৰাইজে শস্য চপায়, গ্ৰামীণ অসমত দেখা যায় সমৃদ্ধিৰ পৰিৱেশ। মানুহৰ চৌহদে চৌহদে খৰালিকালৰ বিবিধ ফুলসমূহ ফুলি উঠে, বজাৰ ভৰি পৰে নানাৰঙী

শাক-পাচলিৰে নিয়ৰ আৰু কুঁৱলীয়ে এক মায়াময় পৰিৱেশৰ সৃষ্টি কৰে। আৰু সৰ্বোপৰি এই শীতকালতেই অসমত আৰম্ভ হয় গ্ৰন্থমেলাৰো বতৰ। মুকলি প্ৰাংগণত, বিস্তৃত পৰিসৰত, সহস্ৰজনৰ ভিৰৰ মাজত অসমত আয়োজিত এনে গ্ৰন্থমেলাসমূহে যি এক মাদকতাময় পৰিৱেশৰ সৃষ্টি কৰে সেয়া নেদেখিলে কল্পনা কৰিব নোৱাৰি।

জাৰ্মানীৰ ফ্ৰেংকপুৰ্টত বিশ্ব গ্ৰন্থমেলাৰ পৰিৱেশ দেখি অসমতো গ্ৰন্থমেলা আন্দোলনৰ সূত্ৰপাত ঘটাইছিল চন্দ্ৰ প্ৰসাদ শইকীয়াই। অসম প্ৰকাশন পৰিষদৰ জৰিয়তে তেওঁ আৰম্ভ কৰিছিল গুৱাহাটী গ্ৰন্থমেলা। সেয়া আছিল যোৱা শতিকাৰ ৮০ৰ দশকৰ মাজভাগ তাৰ পাছত বিগত প্ৰায় আঢ়ৈ দশক উকলি গ'ল আৰু এই সময়ছোৱাত অসমত গ্ৰন্থমেলা আন্দোলনে বিশেষ এক গতি লাভ কৰিলে। এইছোৱা সময়ৰ ভিতৰতে জাকজমকতাৰে উত্তৰ-পূব গ্ৰন্থমেলাও আৰম্ভ হ'ল। অসমলৈ গ্ৰন্থমেলাত যোগদানৰ বাবে ভাৰতৰ বাহিৰৰ প্ৰতিষ্ঠান আহিবলৈও আৰম্ভ কৰিলে আৰু এনেদৰেই ৰাজ্যত এক নতুন বিপ্লৱ, নতুন এক বৌদ্ধিক বিপ্লৱ, চিন্তাৰ বিপ্লৱ চলিবলৈ ল'লে।

কিন্তু ইমানখিনিৰ পাছতো যেন অসমত গ্ৰন্থমেলা আন্দোলন মূলতঃ গুৱাহাটীকেন্দ্ৰিক হৈয়েই ৰৈ গ'ল। সন্দেহ নাই, যোৱা কিছুবছৰৰ পৰা অসমৰ অন্য বিভিন্ন জিলা সদৰ, মহকুমা সদৰ আৰু অন্য সৰু-বৰ নগৰ-চহৰসমূহতো বিভিন্নজনৰ উদ্যোগত গ্ৰন্থমেলা অনুষ্ঠিত হৈ আহিছে। অন্বেষাৰ দৰে অনুষ্ঠানসমূহে এনেবোৰ গ্ৰন্থমেলা আয়োজনত আগ-ভাগ লৈছে। এইবোৰে বিপুল জনপ্ৰিয়তাও লাভ কৰিছে। তৎসত্ত্বেও পৰিসৰৰ ফালৰ পৰা গুৱাহাটী গ্ৰন্থমেলা বা উত্তৰ-পূব গ্ৰন্থমেলাৰ দৰে বৃহৎ গ্ৰন্থমেলা কেৱল গুৱাহাটীতেই আবদ্ধ হৈ থকা দেখা গৈছে। কিন্তু গুৱাহাটীৰ বাহিৰত কিতাপ পঢ়া মানুহৰ সংখ্যা কম বুলি ক'ব নোৱাৰি। বৰঞ্চ ওলোটাটোহে সত্য। গুৱাহাটী গ্ৰন্থমেলা বা পূৰ্বোত্তৰ গ্ৰন্থমেলালৈ অহা দৰ্শক-ক্ৰেতাসকলৰো এক বৃহৎ অংশ গুৱাহাটীৰ বাহিৰৰ। জেপৰ ধন ভাঙি, ৰে'লযাত্ৰা-মটৰযাত্ৰাৰ কষ্ট সহ্য কৰি তেওঁলোকে এই গ্ৰন্থমেলা দুখনলৈ আহে একমাত্ৰ কিতাপৰ আকৰ্ষণতেই। গতিকে সেইচাম গ্ৰন্থপ্ৰেমীৰ কথাও অসম প্ৰকাশন পৰিষদ, গ্ৰন্থ বিক্ৰেতা আৰু প্ৰকাশন সংস্থাসমূহে নিশ্চয় ভাবিব লাগিব।

আজি অসমৰ সমাজ-জীৱন অতিকে অশান্তিময়। সামাজিক অশান্তি, অস্থিৰতা, অসূয়া আদিয়ে জনজীৱন গ্ৰাস কৰি পেলাইছে। ভোগবাদৰ আধিক্যই নোহোৱা কৰি দিছে মূল্যবোধৰ প্ৰাসংগিকতা। এনে অৱস্থাত মূল্যবোধক জীয়াই ৰাখি এক সুস্থিৰ, শান্তিপূৰ্ণ সামাজিক বাতাৱৰণ সৃষ্টিত আগ-ভাগ ল'ব পাৰে গ্ৰন্থমেলা আন্দোলনে। সেই দৃষ্টিভংগীৰেও গ্ৰন্থমেলা আন্দোলন ৰাজ্যৰ দূৰ-দূৰণিৰ বিভিন্ন প্ৰান্তলৈ সম্প্ৰসাৰিত হোৱাটো যথেষ্ট প্ৰয়োজনীয়। কিয়নো অসমৰ বিভিন্ন সৰু-বৰ নগৰ অঞ্চল, গ্ৰামাঞ্চল আদি সমাজবিৰোধী শক্তিৰ ঘাটি হৈ উঠিছে আৰু পৰিণতিত সেইবোৰ ঠাই হৈ উঠিছে সামাজিক অস্থিৰতাৰ অভিকেন্দ্ৰ। ৰাজ্যৰ মহানগৰীয় অঞ্চলতকৈও তেনেবোৰ অঞ্চলৰ পৰাই বেছিকৈ হতাশগ্ৰস্ত যুৱকে হাতত অস্ত্ৰ তুলি লৈছে। গতিকে তেনেবোৰ ঠাইত আমাক বৌদ্ধিক আন্দোলন বা চিন্তাৰ বিপ্লৱ লাগে। বাৰ্নাৰ্ড লেভিনৰ মতে কিতাপেই হেনো মানৱ জাতিয়ে এতিয়ালৈকে উচ্চাৰণ কৰা মহত্তম শব্দ। তেওঁৰ কথা যে আখৰে আখৰে সঁচা, সেই বিষয়ে কাৰো নিশ্চয় দ্বিমত নাথাকিব আৰু যদি সেয়াই হয়, তেনেহ'লে সেই মহত্তম শব্দ ৰাজ্যৰ চৌপাশে সমানে ধ্বনিত হ'ব লাগে, এই কথাটোত কাৰো দ্বিমত থকা উচিত নহয়।

# যুগসন্ধিৰ জটিল ক্ষণত ৰঙালী বিহু

পৰিৱৰ্তন এক অপৰিৱৰ্তনীয় পৰিঘটনা। এই সমগ্ৰ বিশ্ব চৰাচৰ পৰিবৰ্তনশীল। প্ৰকৃতি পৰিৱৰ্তনশীল। পৰিৱৰ্তনশীল মানুহৰ সমাজ, সংস্কৃতি আৰু সভ্যতা। পৰিৱৰ্তনৰ বোকোচাত উঠিয়েই প্ৰগতি আহে, আগবাঢ়ে মানুহ। অৰ্থাৎ পৰিৱৰ্তনৰ মেলা দুৱাৰখনেৰেই বিকাশ আহে। সকলো পৰিৱৰ্তনেই বিকাশমুখী নহয়। কেতিয়াবা পৰিৱৰ্তন হৈ পৰে বিনাশমুখীও। পৰিৱৰ্তনৰ মাজেৰে তেতিয়া বিকাশ নাহে, আহে বিনাশ। তেনে পৰিৱৰ্তন মানুহৰ বাবে, সমাজৰ বাবে সম্পূৰ্ণ অবাঞ্ছিত। আজি এনেবোৰ কথা প্ৰাসংগিক হৈ উঠিছে ৰঙালী বিহুৰ বতৰত, বিহুৰ মাজলৈ অহা পৰিৱৰ্তনৰ প্ৰসংগত।

অসমৰ বাপটি-সাহোন, জাতীয় উৎসৱ, অসম আৰু অসমীয়াৰ স্বকীয় পৰিচয় ৰক্ষাৰ অন্যতম আহিলা বিহুৰ মাজলৈ অহা পৰিৱৰ্তন আহিছে। পৰিৱৰ্তনৰ এই ঢৌৱে বেছিকৈ স্পৰ্শ কৰিছে ৰঙালী বিহুক। হয়তো ডাঙৰ গছত সোনকালে বতাহ লগাৰ নিচিনাকৈ সাতদিনীয়াকৈ উদ্‌যাপিত, সৰ্বাধিক ৰং-ৰহইচেৰে পূৰ্ণ ৰঙালী বিহুৰ গাতো পৰিৱৰ্তনৰ বতাহ বেছিকৈ লাগিছে। সেয়ে এই পৰিৱৰ্তন হৈছে চকুত লগা।

পথাৰৰ বিহু আজি মঞ্চ পালেহি। এসময়ত আঁহত গছৰ তল কঁপোৱা ঢোলৰ ছেওৱে আজি মঞ্চ আৰু প্ৰেক্ষাগৃহ কঁপায়। আগৰ ডেকা-গাভৰুৰ স্বতঃস্ফূৰ্ত বিহু নৃত্য-গীতে এতিয়া প্ৰতিযোগিতাৰ যুগত প্ৰৱেশ কৰিলে। বিহুৰ লগত সনা-পোটোকা হৈ গ'ল কৰ্পʼৰেট ৱৰ্ল্ড। গতিকে বিহুৰ মাজলৈ Proffessionalismৰ লগতে Commercialismৰো প্ৰৱেশ বা অনুপ্ৰৱেশ ঘটিল। বিহু প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰৰ মূল্য অভাৱনীয় ৰূপত বৃদ্ধি পালে। আনহাতে বৃত্তিগত গায়ক-গায়িকা মাতি বিহু অনুষ্ঠানত গীত পৰিৱেশন কৰা নতুন বা সমান্তৰাল এক পৰম্পৰাও আৰম্ভ হ'ল। এই গায়ক-গায়িকাসকলে কি গাব তাৰ ওপৰত একো নিয়ন্ত্ৰণ নথকা নিয়ম হ'ল। কেতিয়াবা বিহু মঞ্চত বিজতৰীয়া গীত-মাতৰ পয়োভৰো দেখা যায়। কোৱা বাহুল্য, এইবোৰ বিহুৰ মাজলৈ অহা অনুপেক্ষণীয় পৰিৱৰ্তন।

একেদৰে পৰিৱৰ্তন আহিছে বিহুৰ অন্যান্য পৰম্পৰাসমূহলৈও। এসময়ত অসমৰ ঘৰে ঘৰে তাঁতশালৰ ব্যস্ততাই দিছিল ব'হাগ বিহুৰ আগমনৰ বতৰা। সেই ব্যস্ততা আজি এক অচিনাকি দৃশ্য। এতিয়া বজাৰৰ গামোচাৰেই চলে বিহুৱান আদান-প্ৰদানৰ পৰম্পৰা। আজিৰ অসমীয়া গাভৰু-বোৱাৰীৰ সৰহসংখ্যকৰেই তাঁতশালৰ লগত সম্পৰ্ক নাই বা পৰিৱৰ্তিত জীৱন যাত্ৰাৰ বাবে তেওঁলোকে নিজেও তাঁতশালৰ লগত সম্পৰ্ক ৰাখিব পৰা নাই। অসমৰ সৰহসংখ্যক ঘৰতেই আজি তাঁতঘৰৰো অভাৱ। সেয়ে বজাৰৰ বিহুৱানখনো আজি আহিবলগা হৈছে অসমৰ বাহিৰৰ পৰাহে।

পিছে অকল গামোচাখনেইনে? সিদিনা এটা টেলিভিছন চেনেলৰ বাতৰিত দেখিলো- ঢোল, পেঁপা, গগনাও হেনো এতিয়া অসমৰ বাহিৰৰ পৰাহে আমদানী হয়। অসমত যিখিনি উৎপাদিত হয়, সেইখিনিৰ আঁৰতো আছে অনা-অসমীয়া কাৰিকৰ।

একেদৰে বিহুৰ লাডু-পিঠাও আজি আহে পেকেটত দোকানৰ শ্ব'কেছৰ পৰা। বিহুগান, বিহুনৃত্যৰ কেছেট, চিডিৰ পয়োভৰ।

সকলোতকৈ ভয়াৱহ কথা বা চিন্তা উদ্দীপক কথা হৈছে নাচনীৰ কেশবিন্যাসৰ বাবে অপৰিহাৰ্য কপৌফুলপাহো আজি অদৃশ্য। তাৰ ঠাই লৈছে আমদানিকৃত প্লাষ্টিকৰ কপৌফুলে।

এই সকলোবোৰ নিঃসন্দেহে একো একোটা পৰিৱৰ্তনৰ লক্ষণ। এনে পৰিৱৰ্তনবোৰ একেসময়তে চিন্তনীয় আৰু চিন্তা উদ্রেককাৰীও। আমি আগতেই কৈছো যে পৰিৱৰ্তন এক এৰাব নোৱৰা পৰিঘটনা। যি সময়ত এই বিশ্ব চৰাচৰ পৰিৱৰ্তনমুখী, সেই সময়ত বিহুক পৰিৱৰ্তনৰ বতাহে স্পৰ্শ নকৰাকৈ থাকিব নোৱাৰে। এই সন্দৰ্ভত আমি ইয়াকেই কৈছো যে সকলো পৰিৱৰ্তনেই স্বাস্থ্যকৰ, গ্ৰহণীয় বা বাঞ্ছনীয় নহয়।

আজিৰ অসমীয়াৰ জীৱনযাত্ৰা এশ বছৰ আগৰ অসমীয়া জীৱনযাত্ৰাৰ লগত একে নহয়। সলনি হৈছে পূৰ্বৰ অসমীয়া সমাজ ব্যৱস্থা আজিৰ অসমীয়া গাভৰু-বোৱাৰীয়ে ঘৰত সোমাই নেথাকে বা সোমাই থাকিলে তেওঁলোকৰ নচলে। এসময়ত সম্পূৰ্ণৰূপে কৃষিভিত্তিক অসমীয়া সমাজ ব্যৱস্থাত আজি উদ্যোগ আৰু সেৱাখণ্ডই ব্যাপকভাৱে প্ৰৱেশ কৰিছে। এনে অৱস্থাত অসমীয়া গাভৰু-বোৱাৰীয়ে বৰ্তমান বিহু বুলি তাঁতশালত গামোচা বৈ উলিয়াব নোৱাৰিব পাৰে। একেদৰে নোৱাৰিব পাৰে ৰান্ধনীশালত সোমাই বিহুৰ পিঠা তৈয়াৰ কৰিবলৈ। এনেবোৰ ক্ষেত্ৰত বজাৰৰ আশ্ৰয় লোৱাটো নিশ্চয় দোষণীয় কথা হ'ব নোৱাৰে। পিছে এইক্ষেত্ৰত বজাৰৰ এই সামগ্ৰীসমূহো থলুৱাভাৱে, থলুৱা উদ্যোগীৰ দ্বাৰা তৈয়াৰী হ'লে আৰু বিহুৰ নামত জাতীয় পুঁজিৰ বহিৰ্গমন নঘটিলে নিশ্চয় ভাল হয়। বিহু নৃত্য মঞ্চ পোৱাটো, বিহুগানৰ বাবে কেছেট, চিডিৰ আশ্ৰয় ল'বলগীয়া হোৱাটোও দোষণীয় কথা নহ'ব পাৰে, যদিহে এইবোৰৰ বিকৃতি ঘটোৱা নহয়। কিন্তু অসমৰ কপৌফুল নোহোৱা হৈ যোৱাটো আৰু পৰিণতিত আমদানীকৃত প্লাষ্টিকৰ কপৌফুলেৰে বিহু নাচনীৰ খোপা শুৱনি কৰিব লগা হোৱাটো অতি বেদনাদায়ক আৰু লজ্জাজনক ঘটনা। এইটো পৰিৱৰ্তন নিশ্চয় গ্ৰহণযোগ্য হ'ব নোৱাৰে। যিখন অসমৰ জলবায়ু অৰ্কিডৰ বাবে সৰ্বাধিক উপযোগী, য'ত সামান্য যত্নৰেই সৃষ্টি কৰিব পাৰি ধুনীয়া এপাহ কপৌফুল, তাত কপৌফুলৰ এনে অভাৱে আমাৰ জাতীয় মানসিকতাৰ অৱক্ষয়কে সূচীত কৰে বুলি আমি অনুভৱ কৰো আৰু একে আপাহতে কেতিয়াবা কেতিয়াবা বিহুৰ ভৱিষ্যতলৈও আমাক সন্দিহান কৰি তোলে।

# গণতন্ত্ৰৰ আনুষ্ঠানিকতা

আকৌ এবাৰ অতি জাকজমকতাৰ মাজেৰে ভাৰতৰ গণৰাজ্য দিৱস উদ্‌যাপন কৰা হ'ল। আকৌ এবাৰ নতুন দিল্লীৰ ৰাজপথ উজলি উঠিল দেশৰ সামৰিক শক্তি আৰু বৈচিত্ৰ্যময় সাংস্কৃতিক সমৃদ্ধিৰে। কোটি কোটি মানুহে বিশ্বৰ চৌপাশৰ পৰা এই দৃষ্টিনন্দন দৃশ্যসমূহ প্ৰত্যক্ষ কৰি নয়ন সাৰ্থক কৰিলে, ভাৰতীয় গণতন্ত্ৰৰ শক্তি আৰু সাৰ্থকতাৰ কথা পুনৰ স্বীকাৰ কৰিলে। সঁচাকৈয়ে অসীম শক্তি আমাৰ এই গণতন্ত্ৰৰ! প্ৰায় এশ দহকোটি মানুহৰ এখন দেশ। ইয়াৰে প্ৰায় আধাতকৈও অধিক মানুহ অশিক্ষাৰ অন্ধকাৰত আচ্ছন্ন। আধাতকৈও অধিক মানুহ দুৰ্ভিক্ষৰ গৰাহত নিমজ্জিত। তথাপি বিগত প্ৰায় ষাঠি বছৰ ধৰি এই দেশত গণতন্ত্ৰ বৰ্তি আছে। কিন্তু ওপৰে ওপৰে চালে এনেকুৱা লাগে যেন এই দেশত কাহানিবাই সামৰিক অভ্যুত্থান ঘটিব লাগিছিল বা তেনেধৰণৰ অন্য কিবা ঘটনাক্ৰমেৰে ভাৰতত গণতন্ত্ৰ ব্যৰ্থ হৈ যাব লাগিছিল। বাস্তৱিকতে ভাৰতৰ সমসাময়িকভাৱে এছিয়া, আফ্ৰিকাৰ যিকেইখন ইউৰোপীয় ঔপনিৱেশে স্বাধীনতা

লাভ কৰি স্বাধীন ৰাষ্ট্ৰৰূপে আত্মপ্ৰকাশ কৰিছিল, সেই কেইখন ৰাষ্ট্ৰৰ প্ৰায়কেইখনেই নিজৰ বাবে গণতন্ত্ৰকেই শাসন পদ্ধতি হিচাপে গ্ৰহণ কৰিছিল। কিন্তু সেই দেশসমূহৰ সৰহভাগেই পৰৱৰ্তী দিনবোৰত হয় সামৰিক অভ্যুত্থানৰ কবলত পৰিছিল, নহয় অন্তহীন গৃহযুদ্ধৰ মাজলৈ সোমাই গৈছিল। কিন্তু ইয়াৰ মাজতো ভাৰতীয় গণতন্ত্ৰ সফলতাৰ ধ্বজা উৰুৱাই থাকিবলৈ সক্ষম হৈছে। ইয়াৰ একমাত্ৰ কাৰণ হ'ল আমাৰ গণতান্ত্ৰিক ঐতিহ্য। বৈদিক যুগৰ পৰাই হিন্দু সভ্যতা-সংস্কৃতিয়ে ভাৰতভূমিত একধৰণৰ গণতান্ত্ৰিক প্ৰমূল্য জীয়াই ৰাখিছিল। যিসময়ত ইউৰোপীয় মানুহৰ সভ্যতাৰ বিষয়ে যে কোনো জ্ঞান নাছিল, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি আদি আছিল সম্পূৰ্ণ অপৰিচিত শব্দ, সেই সময়তেই আমাৰ হিন্দু ঋষি-মুনিসকলে একধৰণৰ গণতান্ত্ৰিক পৰিকাঠামোৰ বীজ এই দেশৰ মাটিত ৰোপণ কৰিছিল। তাৰেই আলম লৈ ভাৰতবৰ্ষত অতি প্ৰতিকূল অৱস্থাৰ মাজতো আজি গণতন্ত্ৰ জীয়াই আছে। কিন্তু সঁচাকৈয়ে আছেনে? নে গণতন্ত্ৰৰ আনুষ্ঠানিকতাখিনিহে জীয়াই আছে? অকল পাঁচ বছৰ বা তাৰো কম সময়ৰ মূৰে মূৰে দেশখনৰ প্ৰাপ্তবয়স্ক নাগৰিকসকলে ভোট দিবলৈ পোৱাটোৱেই গণতন্ত্ৰ নহয়। দেশত প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠিত হ'বলৈ হ'লে দেশখনৰ গৰিষ্ঠসংখ্যক মানুহ দৰিদ্ৰতা আৰু অশিক্ষা-কুশিক্ষাৰ পৰা মুক্ত হ'ব লাগিব। পিছে স্বাধীনতাৰ ষাঠি বছৰ পাছতো এই কাম হৈ উঠা নাই। হৈ উঠা নাই চৰকাৰী-বেচৰকাৰী স্তৰত চলা ব্যাপক দুৰ্নীতিৰ কাৰণে। হৈ উঠা নাই দেশ শাসনৰ বৰমূৰীয়াসকলৰ দেশপ্ৰেমৰ অভাৱৰ বাবে। সেয়ে গণতন্ত্ৰ প্ৰতিষ্ঠাৰ অৰ্ধশতাব্দীৰ পাছতো ভাৰতত প্ৰকৃত ৰূপ লোৱা নাই; মাত্ৰ গণতন্ত্ৰ আনুষ্ঠানিকতাখিনিহে বৰ্তি আছে; গণতন্ত্ৰ দিৱসৰ জাকজমকীয়া পেৰেডৰ মাজেদি।

# নৱবৰ্ষৰ অনুভৱ ঃ বিশ্বাস আৰু কৰণীয়

সময় নিষ্ঠুৰ। কাৰণ ই কাৰো বাবে বৈ নাথাকে। গতিময় সময়ে কেৱল সন্মুখৰ ফালেহে গতি কৰে। পাছলৈ উভতি চাবৰ সময় নাই। অনাদি অনন্ত কালৰ পৰাই মানুহে এই সোঁতত মিলি আহিছে। এই সোঁতৰ বিপৰীতে যোৱাৰ সাহস কাৰোৰেই নাই। সময়ৰ নতুনত্বও নাই। অতীত হৈ যোৱা সময়ো পুৰণি নহয় আৰু ভৱিষ্যতৰ সময়ছোৱাতো নতুনত্ব নাই। তেন্তে বিশ্বৰ প্ৰতিটো কোণতে নৱবৰ্ষক আদৰাৰ বাবে সকলো উদগগ্ৰীৱ কিয় ? এটা বিশেষ মুহূৰ্তৰ বাবে সমগ্ৰ বিশ্বতে উগুল-থুগুল পৰিৱেশ। নতুন বছৰটোক লৈ কত আশা। নৱবৰ্ষই জীৱনলৈ সুখ, শান্তি কঢ়িয়াই অনাটোৱে সকলোৰে কাম্য। অথচ এই বিশেষ মুহূৰ্তটো পাৰ হৈ যোৱাৰ পাছত আমি পাহৰি যাওঁ সংকল্পৰ কথা। এনেকৈয়ে এটা বছৰ পাৰ হয়। আকৌ সকলো ব্যস্ত হৈ পৰে আন এটা বৰ্ষৰ বিশেষ সময়খিনিক আদৰিবলৈ এই প্ৰক্ৰিয়া পৰম্পৰাগতভাৱেই চলি আহিছে আৰু ই ভৱিষ্যতেও চলি থাকিব।

পুৰণা বছৰ আৰু নৱবৰ্ষৰ মাজৰ সময়খিনিৰ মাজত কিবা ব্যৱধান আছেনে? ই সকলোৰে বাবেই এক জটিল প্ৰশ্ন। কাৰণ সময়ৰ ব্যৱধান নিৰ্ণয় কৰাটো কঠিন কাৰ্য। যিহেতু সময়ৰ ব্যৱধান নিৰূপণ কৰাটো দুৰূহ কাৰ্য, সেয়েহে পুৰণা বছৰ ভাবিছো— সময় জানো কোনো এটা সন্ধিক্ষণত স্তব্ধ হয়। বিষয়টো নতুন বটলত পুৰণি মদ ভৰোৱাৰ লেখিয়া।

নৱবৰ্ষৰ আনন্দ-উল্লাসত মতলীয়া হৈ বহুতে নকৰিবলগীয়া কামো কৰে। তেওঁলোকৰ জানো বছৰটো তেনেদৰে পাৰ হ'ব। যিকোনো কাম নিৰ্দিষ্ট সময়ৰ ভিতৰত সমাপ্ত কৰিব লাগে। নহ'লে উন্নতি অসম্ভৱ। সেয়েহে মানুহে বছৰটোৰ নিৰ্দিষ্ট সময় লক্ষ্য কৰি লয়। বিশ্ব ঘটনা প্ৰবাহো তেনেকৈয়েই চলি আছে। ইতিবাচক চিন্তা-চৰ্চাৰে সময়ক আদৰিব লাগিব। উদ্দাম নৃত্য, বিকট শব্দৰে সংগীত পৰিৱেশন কৰা, দামী দামী উপহাৰ দিয়া আদিয়ে নৱবৰ্ষক আদৰাৰ উৎস হ'ব নোৱাৰে। সেয়েহে নৱবৰ্ষক আদৰাত জাকজমকতাৰ সৃষ্টি কৰাতকৈ সময়ৰ প্ৰমূল্যবোধকহে গুৰুত্ব প্ৰদান কৰা উচিত। আমি সকলোৱে সময়ক সন্মান জনাবলৈ শিকিব লাগিব, এটা বিশেষ মুহূৰ্তৰ আনন্দ-উছাহক নহয়।

# নৱবৰ্ষৰ সংকল্প আৰু কিছু প্ৰাসংগিক চিন্তা

নৱবৰ্ষৰ পহিলা দিনটোতে অৰ্থাৎ জানুৱাৰীৰ প্ৰথমটো দিনত সংকল্প লোৱাটো একপ্ৰকাৰ পৰম্পৰাত পৰিণত হৈছে। এই দিনটোতে সংকল্প গ্ৰহণ কৰাৰ সময়ত সকলোৰে মনত ভাব হয় যেন বছৰটোৰ আনকেইটা দিনত সেইবোৰ কাৰ্যকৰী হ'ব। কিন্তু সময়ত এইবোৰ কাৰ্যকৰী হয় নে নহয় সেয়া বিচাৰ কৰিবলৈ বছৰটোৰ আন কোনো দিনত ভাবি চাই জানো? নিশ্চয় নাচায়। এয়া এক প্ৰহেলিকা বুলিয়ে ক'ব পাৰো। চৰকাৰে কয় নতুন বছৰত ৰাইজৰ উন্নতি হ'ব। গাঁৱে-ভূঞে ৰাস্তা-পদূলি হ'ব। খেতিয়কৰ দুখ মোচন হ'ব। চৌদিশ পোহৰ হৈ উঠিব। চাৰিওফালে শান্তিৰ বাতাৱৰণৰ সৃষ্টি হ'ব। সকলোৱে তেনে এক পৰিৱেশেই আশা কৰে। এতিয়া ৰামৰাজ্য স্থাপন কৰাৰ অলীক স্বপ্ন কোনোৱে নেদেখে যদিও এক শান্ত বাতাৱৰণৰ মাজত বছৰটো পাৰ হোৱাটো কামনা কৰে। নতুনক আদৰি লোৱাটো প্ৰকৃতিৰ নিয়ম। গছে পাত সলায় নতুন বছৰত। চৰাই-চিৰিকটিয়েও বছৰৰ যিকোনো সময়তে জাক পাতি এঠাইৰ পৰা আন এঠাইলৈ যোৱাৰ পৰিৱৰ্তে এক নিৰ্দিষ্ট সময়তহে গমন কৰে। ইয়াৰ আঁৰতো নতুন পৰিৱেশ বিচৰা বিষয়টো জড়িত হৈ নাইনে? অৱশ্যে বিশ্বৰ বিভিন্ন অঞ্চলত

প্ৰকৃতিগতভাৱেই বেলেগ বেলেগ সময়তহে প্ৰকৃতিৰ ভিন্ন ৰূপ ধাৰণ কৰে। এছিয়া মহাদেশৰ দেশসমূহত যেতিয়া প্ৰচণ্ড শীত হয় তেতিয়া আফ্ৰিকা মহাদেশবোৰত আকৌ এনে হাড় কঁপোৱা শীত অনুভৱ নহয়। ক'ৰবাত পানী শুকালে আন ঠাইত বৰফ গলিবলৈ ধৰে। এয়া প্ৰকৃতিৰ নিয়ম। প্ৰকৃতিৰ নিয়মৰ কোনো সাল-সলনি হোৱা নাই। কিন্তু মানৱসৃষ্ট নিয়মৰ বেলিকা এনে এখন ছবি দেখিবলৈ নাপাওঁ।

পহিলা জানুৱাৰীত সকলোৱে সংকল্প লয় কিবা এটা কৰিবলৈ। যদি আমি সূক্ষ্ম দৃষ্টিৰে বিশ্লেষণ কৰো তেন্তে এটা কথা স্পষ্ট হৈ পৰে যে বছৰটোৰ কোনো এটা দিনত এটা বিশেষ পৰিৱৰ্তন আশা কৰিব নোৱাৰি। এনে পৰিৱৰ্তন বছৰটোৰ এটা বিশেষ মুহূৰ্তত আশা কৰাটো বিজ্ঞজনৰ আশা বুলি ক'ব পাৰো জানো? ইতিবাচক দৃষ্টিভংগী অথবা মানসিকতাৰ বাবে এটা বিশেষ দিনৰ পৰা পৰিৱৰ্তন আশা কৰিলে তাৰ ফলাফল কিমান আশাব্যঞ্জক হ'ব সেয়া নিশ্চয়কৈ ক'ব নোৱাৰি। আমি সকলোৱে ৩১ ডিচেম্বৰৰ নিশা ১২ বজাৰ লগে লগে আনক নতুন বছৰৰ শুভেচ্ছা জনাওঁ। নতুন বৰ্ষক আদৰাৰ নামত নিশা উজাগৰে থকা, সাগৰৰ তীৰত নীলিম সলিল ৰাশিৰ মনোমুগ্ধকৰ দৃশ্য উপভোগ কৰা, পাৰ্কত পহিলা দিনটো উপভোগ কৰা, নতুন ঠাইলৈ ফুৰিবলৈ যোৱা, হোটেল, ৰেস্তোৰাঁ আদিত পাৰ্টি খোৱা ইত্যাদি ইত্যাদি আৰম্ভ হয়। নতুন আশা বুকুত বান্ধি লৈ নৱবৰ্ষক আদৰাৰ আনন্দৰ মুহূৰ্ততে কাৰোবাৰ বাবে আৰম্ভ হয় বিষাদ। পথ দুৰ্ঘটনা, হত্যা, ধৰ্ষণ, অপহৰণ, বোমা বিস্ফোৰণ, নিৰাপত্তাৰক্ষীৰ প্ৰহাৰ আদি ঘটনাও সংঘটিত হয়। এনে ধৰণৰ ঘটনা বিগত বৰ্ষটোত সংঘটিত হৈ আহিছে। গতিকে নতুন বৰ্ষৰ পহিলা দিনটোত সংঘটিত নহ'বৰ বাবে যিমানেই সংকল্প নলওঁ কিয়, যদিহে নিজকে সংশোধন কৰা নহয় তেন্তে এনে পৰিৱৰ্তন অসম্ভৱ। সেয়ে কওঁ— পহিলা জানুৱাৰী এটা বিশেষ দিন হ'লেও এই দিনটোতে সকলোৰে পৰিৱৰ্তন সম্পূৰ্ণৰূপে হ'ব বুলি আশা কৰাৰ পৰিৱৰ্তে বছৰটোৰ প্ৰতিটো দিনকে নতুন ৰূপত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা উচিত। সূৰ্যাস্তৰ পাছত সূৰ্যোদয়। একেই নিয়ম নৱবৰ্ষক আদৰাৰ ক্ষেত্ৰতো। এটা বিশেষ দিনত সময়ক পৰিৱৰ্তন কৰিব নোৱাৰি। কাৰণ সময়ৰ ৰণুৱা ঘোঁৰাৰ পিঠিত উঠিবলৈ হ'লে সময়ক সন্মান কৰিব জানিব লাগিব।

# গ্ৰন্থমেলাৰো আছে জাতীয় দায়িত্ব

গ্ৰন্থ আৰু মেলা; বাচিক দৃষ্টিত এই শব্দ দুটাকেই পৰস্পৰৰ মাজত খাপ নোখোৱা যেন লাগে। গ্ৰন্থ শব্দই আমাৰ মনলৈ লৈ আহে এক গহীন-গম্ভীৰ অধ্যয়নৰ পৰিৱেশৰ কথা। আনহাতে মেলা শব্দই আমাৰ মনলৈ আনে এক উৎসৱমুখৰ হুলস্থূলীয়া পৰিৱেশৰ কথা। তথাপি মানুহে গ্ৰন্থৰ মেলা, গ্ৰন্থক কেন্দ্ৰ কৰি মেলা, গ্ৰন্থমেলা পাতে। কাৰণ মেলামুখিতা বা উৎসৱমুখৰতাই সহজাতভাৱে মানুহক আকৰ্ষিত কৰে। ই মানুহক এক নতুনত্ব প্ৰদান কৰে, বিৰক্তিকৰ প্ৰাত্যহিকতাৰপৰা মানুহক এক অতিক্ৰমী পৰিৱেশ দিয়ে। সাধাৰণতে অন্য দ্ৰব্যৰ বিপৰীতে গ্ৰন্থ এক বৌদ্ধিক সামগ্ৰী হোৱা বাবে অন্য পন্য দ্ৰব্যৰ তুলনাত গ্ৰন্থৰ প্ৰতি মানুহৰ আকৰ্ষণ, বিশেষকৈ সৰ্বসাধাৰণ মানুহৰ আকৰ্ষণ কিছু কম হৈ থাকে। গ্ৰন্থমেলাই, গ্ৰন্থমেলাৰ উৎসৱমুখৰতাই সেই কম হৈ থকা আকৰ্ষণখিনি পূৰাই দিয়ে।

বিগত কিছুবছৰৰ ভিতৰত আমাৰ অসমতো গ্ৰন্থমেলাৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। জাৰ্মানীৰ ফ্ৰেংকফুৰ্টত বিশ্ব গ্ৰন্থমেলা চাই আহি

চন্দ্ৰপ্ৰসাদ শইকীয়াই অসমতো গ্ৰন্থমেলা আৰম্ভ কৰাৰ পাছত অসমৰ ৰাইজে গ্ৰন্থমেলাক অতি ব্যাপক ৰূপত আদৰি লোৱা পৰিলক্ষিত হৈছে। বানপানী, খৰাং, আইন শৃংখলাজনিত পৰিস্থিতিৰ জটিলতা আদিয়ে অসমৰ অৰ্থনীতি বিধ্বস্ত আৰু অসমবাসীক আৰ্থিকভাৱে জুৰুলা কৰিলেও প্ৰতিখন গ্ৰন্থমেলাতে ন্যূনতম দৰ্শক ক্ৰেতাৰ সঁহাৰি পৰিলক্ষিত হয়। হয়তো প্ৰথমতে গুৱাহাটীত আৰম্ভ হোৱা গ্ৰন্থমেলাৰ এই সফলতাত উৎসাহিত হৈয়েই আজিকালি বিভিন্ন সংগঠনে সৰু সৰু নগৰ-চহৰসমূহৰ লগতে অসমৰ গাঁৱে-ভূঞেও গ্ৰন্থমেলা পাতিবলৈ লৈছে আৰু তেনে গ্ৰন্থমেলাসমূহেও দৰ্শক ক্ৰেতাৰ পৰা যথেষ্ট সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে।

উত্তৰ-পূব গ্ৰন্থমেলাই অসমৰ গ্ৰন্থমেলা অৱধাৰণালৈকেই এক নতুন মাত্ৰা আনি দিছে। তদুপৰি ই অসমৰ গ্ৰন্থমেলাক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈকো লৈ গৈছে। অসমবাসী গ্ৰন্থপ্ৰেমীৰ বাবে এয়া এক নতুনত্ব। এই নতুনত্ব আনি দিয়া বাবে উত্তৰ-পূব গ্ৰন্থমেলা নিঃসন্দেহে ধন্যবাদৰ পাত্ৰ।

কিন্তু এইখিনিতে আমি অন্য এটা কথাও নিশ্চয় লক্ষ্য ৰাখিব লাগিব। গ্ৰন্থমেলা হ'ল গ্ৰন্থ আন্দোলনৰে এটা ৰূপ। অন্য আন্দোলনৰ নিচিনাকৈ এই গ্ৰন্থমেলা আন্দোলনৰো এক নিশ্চিত জাতীয় দায়িত্ব আছে। অসমৰ ক্ষেত্ৰত ইয়াৰ দায়িত্ব হ'ল অসমীয়া গ্ৰন্থৰ বিক্ৰী বঢ়োৱা, অসমীয়া গ্ৰন্থ উদ্যোগৰ বিকাশ ঘটোৱা। পিছে অসমত এতিয়ালৈকে যিকেইখন মুখ্য গ্ৰন্থমেলা অনুষ্ঠিত হৈ আছে, সেইকেইখনে এই দায়িত্ব পালন কৰিবলৈ সম্পূৰ্ণভাৱে সক্ষম হোৱা পৰিলক্ষিত হোৱা নাই। কিয়নো, অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আয়োজিত গুৱাহাটী গ্ৰন্থমেলাই হওক বা পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰদ্বাৰা আয়োজিত উত্তৰ-পূব গ্ৰন্থমেলাই হওক, এই দুয়োখন গ্ৰন্থমেলাৰ সেইবোৰ বিপণীতহে দৰ্শক-ক্ৰেতাৰ অধিক ভিৰ পৰিলক্ষিত হয়, যিবোৰ বিপণীত কম্পিউটাৰ শিক্ষাৰ লগত জড়িত ইংৰাজী ভাষাৰ কিতাপ, অন্যান্য উচ্চ মূল্যৰ ইংৰাজী ভাষাৰ পাঠ্যক্ৰম সম্পৰ্কীয় উচ্চ শিক্ষাৰ কিতাপ, হেৰী প'টাৰ জাতীয় কিতাপ বা ৰঙচঙীয়া কমিকচ্‌জাতীয় কিতাপ উভৈনদী হৈ থাকে। ইয়াৰ বিপৰীতে বিশুদ্ধ অসমীয়া সাহিত্য সংস্কৃতি ভিত্তিক কিতাপ, অসমীয়া গল্প-উপন্যাস কবিতা আদিৰ কিতাপ বা অসমীয়া ভাষাত লিখা বিভিন্ন বিষয়ৰ কিতাপ আদি যিবোৰ

বিপণীত পোৱা যায়, সেই বিপণীসমূহত দৰ্শক-ক্ৰেতাৰ সমাগমো যথেষ্ট সেৰেঙা হোৱা পৰিলক্ষিত হয়। ফলত ইমান ডাঙৰ ডাঙৰ গ্ৰন্থমেলাসমূহৰ পৰা অসমৰ গ্ৰন্থ উদ্যোগ বা অসমীয়া গ্ৰন্থ উদ্যোগ যিধৰণে লাভৱান বা বিকশিত হৈ উঠিব লাগিছিল তেনেধৰণে ই বিকশিত বা লাভৱান হোৱা নাই।

এই সমস্যাৰ সমাধান কি? মোৰ দৃষ্টিভংগীমতে এই ক্ষেত্ৰত উদ্যোক্তাসকলৰো এক গধুৰ দায়িত্ব আছে। মই ভাবো অসমত অনুষ্ঠিত বা গ্ৰন্থমেলাসমূহত অসমীয়া গ্ৰন্থ বা অসমৰ খিলঞ্জীয়া জনগোষ্ঠীয় ভাষাৰ গ্ৰন্থসমূহৰ ক্ষেত্ৰত এক বিশেষ ৰেহাইৰ ব্যৱস্থা কৰিব লাগে। সকলো গ্ৰন্থৰ ক্ষেত্ৰত দহ শতাংশ ৰেহাইৰে গ্ৰন্থমেলা অনুষ্ঠিত কৰি আহিলে অসমীয়া গ্ৰন্থ উদ্যোগ যে বিশেষ লাভৱান নহ'ব সেই কথা ইতিমধ্যে প্ৰমাণ হৈ গৈছে। আমাৰ মতে অন্যান্য গ্ৰন্থৰ ক্ষেত্ৰত দহ শতাংশ ৰেহাইৰে বিক্ৰীৰ ব্যৱস্থা হ'লে অসমীয়া ভাষাৰ গ্ৰন্থৰ ক্ষেত্ৰত এই ৰেহাই কমপক্ষেও কুৰি শতাংশ হ'ব লাগে। ইয়াৰ অন্যথাই গ্ৰন্থমেলাৰ সামগ্ৰিক উদ্দেশ্য সফল হ'লেও ইয়াৰ মূল উদ্দেশ্য ব্যৰ্থ হ'ব।

# প্ৰেছ ফ্ৰীডম ঃ
# ভৱিষ্যৎ কি ?

সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি সমগ্ৰ বিশ্বতে স্বীকৃতি দিয়া হয়। গণতন্ত্ৰৰ অন্য তিনিটা স্তম্ভ ক্ৰমে কাৰ্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকাৰ পাছতেই গণতান্ত্ৰিক সমাজত সংবাদমাধ্যমৰ স্থান। গণতন্ত্ৰৰ বাকী তিনিটা স্তম্ভৰ ভিতৰত বিধানমণ্ডলে আইন প্ৰণয়ন কৰে, কাৰ্যপালিকাই আইন প্ৰয়োগ কৰে আৰু ন্যায়পালিকাই আইন ৰক্ষা কৰে। গণতন্ত্ৰৰ এই তিনিটা স্তম্ভৰ এয়া ধৰা-বন্ধা দায়িত্ব আৰু কৰ্তব্য। আনহাতে, এই তিনিটা স্তম্ভই নিজৰ নিজৰ ক্ষেত্ৰত নিজৰ নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছেনে নাই সেয়া লক্ষ কৰাটোৱেই হ'ল চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমৰ কৰ্তব্য। সেইফালৰ পৰা চাবলৈ গ'লে সংবাদ মাধ্যমক গণতন্ত্ৰৰ প্ৰকৃত ৰক্ষক বুলি কব পাৰি।

কিন্তু এইখিনিতে এটা কথা মন কৰিব লাগিব যে কৰ্তব্য পালনৰ বাবে ক্ষমতা বা অধিকাৰৰো প্ৰয়োজন। নিৰ্দিষ্ট কৰ্তব্য পালনৰ বাবে নিৰ্দিষ্ট শক্তি, ক্ষমতা বা অধিকাৰ নাথাকিলে কোনেও ঢাল-তৰোৱাল নোহোৱা নিধিৰাম

চৰ্দাৰ হৈ কৰ্তব্য পালন কৰিব নোৱাৰে। এই সত্য উপলব্ধি কৰা বাবেই পৃথিৱীৰ সকলোবোৰ গণতান্ত্ৰিক দেশতে সংবাদমাধ্যমক যথেষ্ট স্বাধীনতা বা অধিকাৰো প্ৰদান কৰা হৈছে।

ভাৰতবৰ্ষতো ইয়াৰ ব্যতিক্ৰম ঘটা নাই। ভাৰতত ছপা মাধ্যমৰ যুগ আৰম্ভ হৈছিল প্ৰাক্ স্বাধীনতা কালতে, ইংৰাজৰ অধীনত দেশ পৰাধীন হৈ থকা অৱস্থাত। সেয়ে সেই সময়ত ভাৰতীয় ছপামাধ্যমৰ সন্মুখত এটা বিৰাট ইছ্যু আছিল আৰু সেয়া আছিল দেশৰ স্বাধীনতা। জাতীয়তাবাদী ভাবধাৰাৰে উদ্বুদ্ধ স্বদেশী ছপামাধ্যমে এই ইছ্যুটোক আগত লৈ ভাৰত শাসন কৰি থকা তদানীন্তন ঔপনিৱেশিক ইংৰাজ শক্তিক তীব্ৰভাৱে আক্ৰমণ কৰিছিল। আনহাতে ইংৰাজ শাসক গোষ্ঠীয়েও প্ৰাণপণে চেষ্টা চলাইছিল দেশপ্ৰেমিক সংবাদমাধ্যমক টেটুচেপা দিবলৈ। বিভিন্ন আইন-কানুনেৰে সংবাদ মাধ্যমৰ স্বাধীনতা খৰ্ব কৰিবলৈ শাসকপক্ষই অপচেষ্টা চলাইছিল। অৱশ্যে নিজৰ স্বাধীনতা ৰক্ষাৰ যুঁজত সেই সময়ত ভাৰতীয় সংবাদ মাধ্যম জয়ী হৈছিল, সংবাদ মাধ্যমে অগ্নি পৰীক্ষাত সফল হৈছিল। ।

এনে এক অৱস্থাৰ মাজেৰে দেশে স্বাধীনতা লাভ কৰিছিল। ভাৰত হৈ পৰিছিল বিশ্বৰ বৃহত্তম গণতন্ত্ৰ। সংশ্লিষ্ট সকলোৱে আশা ৰাখিছিল— স্বাধীন গণতান্ত্ৰিক ভাৰতত সংবাদ মাধ্যমে এইবাৰ বাধাহীনভাৱে বিকাশ লাভ কৰিব পাৰিব। কিন্তু বহুজনৰ সেই আশা আশা হৈয়েই থাকিল। দেখা গ'ল যে স্বাধীনতা তথা দেশত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ পৰৱৰ্তী পাঁচটা দশকত ভাৰতবৰ্ষৰ সাংবাদিক আৰু সংবাদ মাধ্যম বিভিন্ন চৰকাৰী-বেচৰকাৰী শক্তিৰ দ্বাৰা বেছিকৈহে আক্ৰান্ত হ'ব লগা হ'ল। শেহতীয়া চেন্নাইৰ ঘটনাই ইয়াৰ উদাহৰণ। এয়াই হৈছে ভাৰতবৰ্ষত আজি সংবাদ মাধ্যমৰ সন্মুখত দেখা দিয়া বৃহত্তম প্ৰত্যাহ্বান।

তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ১৯৭৫ চনত দেশত জৰুৰীকালীন অৱস্থা জাৰি কৰি তাৰ লগতে প্ৰেছ চেন্সৰ শ্বিপৰো ব্যৱস্থা কৰাটোৰেই আছিল বোধহয় স্বাধীন ভাৰতবৰ্ষত সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত প্ৰথমটো আনুষ্ঠানিক ব্যাপক তথা নগ্ন আক্ৰমণ। সেই জঘন্য দিনবোৰৰ দুৰ্বিষহ স্মৃতিয়ে গণতন্ত্ৰ আৰু মানৱ অধিকাৰ বিচৰা প্ৰতিগৰাকী ব্যক্তিকে আজিও নিশ্চয় আমনি কৰে।

জৰুৰীকালীন অৱস্থা, প্ৰেছ চেন্সৰশ্বিপ এটা সময়ত উঠি গ'ল। কিন্তু সংবাদমাধ্যম সুৰক্ষিত নহ'ল। জৰুৰীকালীন অৱস্থা বা প্ৰেছ চেন্সৰশ্বিপ উঠি যোৱাৰ পাছতো বিগত বছৰকেইটাত ভাৰতৰ প্ৰান্তে প্ৰান্তে সংবাদ মাধ্যমৰ স্বাধীনতা কিদৰে খৰ্ব হৈ আহিছে তাৰ বিৱৰণ আমি ইয়াত দিবলৈ নাযাওঁ, এইবোৰ সকলোৰে জ্ঞাত। কেৱল ইয়াত এটা কথা মনত পেলোৱা প্ৰাসংগিক হ'ব যে ৰাজনৈতিক নেতাকলৈ কাৰ্টুন অঁকাৰ বাবেই এইখন দেশত সংশ্লিষ্ট কাৰ্টুনিষ্টে জেলৰ ভাত খাব লগা হৈছে। 'দ্য হিন্দু'ৰ নিচিনা কাকতৰ সম্পাদক, কাৰ্যবাহী সম্পাদকক তামিলনাডু বিধানসভাই কাৰাদণ্ডৰ আদেশ শুনাইছে। এনে এক পৰিস্থিতিত ভাৰতীয় গণতন্ত্ৰৰ স্বৰূপটোৱেই আজি বিশ্ববাসীৰ আগত সন্দেহজনক হৈ উঠিছে।

অসমৰ ক্ষেত্ৰত অৱস্থাটো আৰু ভয়াবহ। ইয়াত সাংবাদিকে গণতন্ত্ৰ ৰক্ষাৰ বাবে যুঁজি অকল কাৰাবাস খাব লগাই হোৱা নাই, নিজৰ জীৱনো বলি দিবলগা হৈছে। কমলা শইকীয়াৰ পৰা পৰাগ দাসলৈকে ৰাজ্যখনৰ সংবাদমাধ্যমৰ ইতিহাসত এনে উদাহৰণ বহু আছে। সৌ সিদিনাও খোদ জনতা ভৱনৰ চৌহদত তিনি গৰাকীকৈ সাংবাদিক স্বয়ং চৰকাৰী কৰ্মচাৰীৰ দ্বাৰা আক্ৰান্ত হোৱাৰ নিচিনা দুৰ্ভাগ্যজনক অৱস্থাৰো সৃষ্টি হৈছে। এনেবোৰ ঘটনা-দুৰ্ঘটনা আৰু অৱস্থাৰ পৰিপ্ৰেক্ষিততে ভাৰত, বিশেষকৈ অসমত সংবাদ মাধ্যমৰ স্বাধীনতা বাস্তৱিকতে কোন পথে গৈছে সেয়াও সন্দেহৰ বিষয় হৈ উঠিছে।

# বিতৰ্কিত বি. ডি. আৰ.

এই বছৰৰ ফেব্ৰুৱাৰী মাহত এক ভয়াৱহ আৰু অভূতপূৰ্ব বিদ্ৰোহৰ জৰিয়তে সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰা বাংলাদেশ ৰাইফলছ বা চমুকৈ 'বি. ডি. আৰ.'ৰ বাহিনীটো বাস্তৱিকতে কি? কিমান ইয়াৰ শক্তি, কিমান ইয়াৰ প্ৰভাৱ? বা কি ইয়াৰ ইতিহাস। আহকচোন আমি এবাৰ আলোকপাত কৰোঁ এই বিতৰ্কিত 'বি. ডি. আৰ'ৰ ওপৰত।

**দুশ বছৰৰো অধিক পুৰণি বাংলাদেশ ৰাইফলছৰ ইতিহাস ঃ**

সমগ্ৰ দক্ষিণ এছিয়া অঞ্চলৰে অন্যতম ভাৰতবিৰোধী শক্তি হিচাপে কুখ্যাতি অৰ্জা বাংলাদেশ ৰাইফলছ নামৰ বাহিনীটো প্ৰায় দুশ চৌধ্য বছৰ পুৰণি। বৃটিছ শাসনৰ একেবাৰে আৰম্ভণিৰ সময়ছোৱাতে ১৭৯৯ চনত বাংলাদেশ ৰাইফলছ গঠন কৰা হৈছিল; অৱশ্যে বাংলাদেশ ৰাইফলছ নামেৰে নহয়। এই বাহিনীটো তেতিয়া গঠিত হৈছিল ৰামগড় লোকেল বেটেলিয়ন নামেৰে। সেই ৰামগড় লোকেল বেটেলিয়নৰ পৰা বাংলাদেশ ৰাইফলছ হোৱালৈকে ১৯৭ বছৰ ধৰি

এক দীঘলীয়া, যুদ্ধজৰ্জৰিত পথ অতিক্ৰম কৰি আহিছে এই বিশেষ বাহিনীটোৱে। গঠনৰ চাৰিবছৰ পাছত ১৭৯৯ চনত ৰামগড় লোকেল বেটেলিয়নৰ প্ৰথমটো চাউনী স্থাপন কৰা হয়। পীলখানা অঞ্চলৰ সেউজ ভূমিৰ মাজত এই ছাউনীটো স্থাপন কৰাৰ পাছত ই নাম পায় স্পেচিয়েল ৰিজাৰ্ভ কোম্পানী। ১৮৬১ চনত ৰামগড় লোকে বেটেলিয়নৰ নামকৰণ কৰা হয় ফ্ৰণ্টিয়াৰ গাৰ্ডছ্ হিচাপে। প্ৰায় ত্ৰিশবছৰ ধৰি এনেদৰে চলাৰ পাছত ১৮৯১ চনত ফ্ৰণ্টিয়াৰ গাৰ্ডছৰ পুনঃবিন্যাস আৰু আধুনিকীকৰণ কৰা হয়। ইয়াৰ লগতে পুনৰ সলনি হয় ইয়াৰ নাম। এইবাৰ বেংগল মিলিটেৰী পুলিচ। ঢাকা, ধুম্‌কা আৰু গেংটকত স্থাপন কৰা হয় বি. এম. পি.ৰ ছাউনী। ১৯২০ চনত আকৌ নাম সলনি কৰি বেংগল মিলিটেৰী পুলিচক কৰা হয় ইষ্টাৰ্ন ফ্ৰণ্টিয়াৰ ৰাইফলছ। মূলতঃ সীমান্ত পহৰা আৰু সীমান্ত অঞ্চলৰ অসামাজিক কাম-কাজ ৰোধৰ প্ৰচেষ্টাত ইষ্টাৰ্ন ফ্ৰণ্টিয়াৰ ৰাইফলছ নিয়োজিত হয়। ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আৰু দেশ বিভাজনৰ পাছত বৰ্তমানৰ বাংলাদেশৰ ভূমিখণ্ড পূব পাকিস্তান হয়গৈ। ইয়াৰ লগে লগে ইষ্টাৰ্ন ফ্ৰণ্টিয়াৰ ৰাইফলছৰে নতুন নাম হয় ইষ্ট পাকিস্তান ৰাইফলছ, ই পি আৰ। এই ই পি আৰেই বি ডি আৰ হৈ পৰে পশ্চিম পাকিস্তানৰ কৱলৰ পৰা পূব পাকিস্তান মুক্ত হৈ স্বাধীন বাংলাদেশ গঠনৰ পাছত। ১৯৭২ চনৰ ৩ মাৰ্চত ইষ্টাৰ্ন পাকিস্তান ৰাইফলছৰ চিতাৰ পৰা বাংলাদেশ ৰাইফলছ বা বি ডি আৰৰ জন্ম দিয়া হয়।

**ভাৰতৰ শত্ৰুৰূপে বাৰে বাৰে অৱতীৰ্ণ হৈ আহিছে বি ডি আৰ ঃ**

এটা অৰ্ধসামৰিক বাহিনীৰূপে গঠিত হ'লেও বাংলাদেশ ৰাইফলছে অংশগ্ৰহণ কৰিছে বহুকেইখন গুৰুত্বপূৰ্ণ যুদ্ধত। ৰামগড় ৰাইফলছৰূপে ১৮২৪ চনৰ পৰা ১৮২৬ চনলৈ ই অংশগ্ৰহণ কৰিছিল প্ৰথম এংলো-বাৰ্মা যুদ্ধত। ১৮৫২ চনৰ পৰা ১৮৫৩ চনলৈ ৰামগড় লোকেল ৰাইফলছে অংশগ্ৰহণ কৰিছিল দ্বিতীয় এংলো-বাৰ্মা যুদ্ধত। তাৎপৰ্যপূৰ্ণভাৱে এংলো-বাৰ্মা যুদ্ধৰ মাজেদিয়েই অসমৰ স্বাধীনতাৰ বেলি চিৰদিনৰ কাৰণে মাৰ গৈছিল; স্বাক্ষৰিত হৈছিল ইয়াণ্ডাবু সন্ধি। ইয়াৰ পাছত ফ্ৰণ্টিয়াৰ গাৰ্ডছ নামত বাহিনীটোৱে অংশগ্ৰহণ কৰিছিল তৃতীয় এংলো-বাৰ্মা যুদ্ধত। সেয়া আছিল ১৮৮৫-৮৬ চনৰ কাহিনী। বেংগল মিলিটেৰী পুলিচৰ ৰূপত এই বাহিনী উত্তৰ-পূৰ্বাঞ্চললৈকে আহিছিল ১৮৯১ চনত। ইংৰাজৰ হকে মণিপুৰৰ ওপৰত শাসন চলাবলৈ বেংগল মিলিটেৰী পুলিচৰ পৰৱৰ্তী ৰূপ

ইষ্টাৰ্ন ফ্ৰণ্টিয়াৰ ৰাইফলছে দ্বিতীয় বিশ্বযুদ্ধত অংশগ্ৰহণ কৰিছিল পূব এছিয়াৰ ৰণাংগনত। ভাৰতৰ স্বাধীনতা আৰু দেশ বিভাজনৰ পাছত ১৯৪৮ চনত প্ৰথমখন ভাৰত-পাকিস্তান যুদ্ধতেই ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছিল ইষ্ট পাকিস্তান ৰাইফলছ। ১৯৬৫ চনতো ঘটিছিল একেই ঘটনা। কিন্তু ১৯৭১ চনৰ বাংলাদেশৰ মুক্তি যুদ্ধত সামগ্ৰিকভাৱে ভাৰতীয় সেনাবাহিনীৰ লগত লগ হৈ উমৈহতীয়া শত্ৰু পশ্চিম পাকিস্তানী সেনাৰ বিৰুদ্ধে যুঁজিছিল বি ডি আৰে। কিন্তু তাৰ পাছত বি ডি আৰৰ ইতিহাস কেৱল ভাৰতৰ বিৰুদ্ধে শত্ৰুতা আৰু ভাৰতীয় সীমান্তৰক্ষী বাহিনী বি এছ এফৰ লগত সংঘাতৰ ইতিহাস। ভাৰতীয় সেনা জোৱানে নিজৰ তেজ দি গঢ়ি তোলা অকৃতজ্ঞ ৰাষ্ট্ৰ বাংলাদেশে পৰৱৰ্তী দিনবোৰত যেনেদৰে ভাৰত বিৰোধী ভূমিকাত অৱতীৰ্ণ হৈ আহিছে— তেনেদৰে বি ডি আৰো ভাৰত বিৰোধী ভূমিকাত অৱতীৰ্ণ হৈ আহিছে। ভাৰত-বাংলা সীমান্তত অপ্ৰৰোচিত গুলীবৰ্ষণ, ভাৰতৰ মাটি বেদখল, বাংলাদেশী অনুপ্ৰৱেশকাৰীক ভাৰতলৈ প্ৰেৰণৰ নিচিনা ঘটনা নিত্য-নৈমিত্তিক হৈ আহিছে বি ডি আৰৰ বাবে।

**পিৰদিয়া বৰইবাৰী ঃ বি ডি আৰৰ উদ্ধতালিৰ চূড়ান্ত নিদৰ্শন ?**

ভাৰতৰ বিৰুদ্ধে বাংলাদেশ ৰাইফলছৰ উদ্ধতালিৰ চূড়ান্ত নিদৰ্শন দেখিবলৈ পোৱা যায় ২০০১ চনত ভাৰত-বাংলা সীমান্তত সংঘটিত ঘটনাৱলীত। সেইবাৰ বি ডি আৰে মেঘালয়ৰ পিৰদিয়া গাঁও হঠাৎ দখল কৰি লোৱাৰ উপৰি অসম-বাংলাদেশ সীমান্তৰ মানকাচাৰ-বৰইবাৰী খণ্ডত আক্ৰমণ চলাই অতি নৃশংসভাৱে হত্যা কৰিছিল যোল্লজনকৈ বি এছ এফ জোৱানক। বি এছ এফৰ জোৱানসকলৰ জীৱন ওভোতাই অনা সম্ভৱপৰ নাছিল। এই ঘটনাৰ বিৰুদ্ধে বি এছ এফে ইণ্টাৰনেচনেল ৱাৰ ক্ৰাইম ট্ৰিবিউনেলত গোচৰো তৰিছিল। কিন্তু বি ডি আৰৰ ভাৰত বিৰোধিতাৰ অন্ত পৰা নাই। বিগত ২০০৫ চনতো ত্ৰিপুৰাখণ্ডত বি এছ এফ আৰু বি ডি আৰৰ মাজত আয়োজিত এক ফ্লেগ মিটিঙৰ পৰা এজন বি এছ এফ জোৱানক অপহৰণ কৰি নি হত্যা কৰিছিল বি ডি আৰে। বাস্তৱিকতে ঢাকা মহল বা উচ্চ ৰাজনৈতিক নেতৃত্বৰ সিদ্ধান্ত বা নীতিৰ বিপৰীতে গৈ ভাৰতবিৰোধী স্থিতি গ্ৰহণ আৰু কাৰ্যকলাপ চলোৱাত সিদ্ধহস্ত বি ডি আৰ। বাহিনীটো বহুক্ষেত্ৰত ইছলামিক মৌলবাদী ভাবধাৰাৰেও আক্ৰান্ত।

**আধুনিকীকৰণৰ পথত বি ডি আৰ ঃ ভাৰতৰ বাবে অশনি সংকেত ঃ**

বৰ্তমান ৬৭ হেজাৰ জোৱান বিষয়াৰে সু-সজ্জিত বি ডি আৰ এটা কেন্দ্ৰীয় কমাণ্ড হেডকোৱাৰ্টাৰ, এফাকি চেক্টৰ, বেটেলিয়ন আৰু বোৰ্ডাৰ আউটপোষ্টেৰে সমৃদ্ধ। মূলতঃ ভাৰত-বাংলাদেশ আৰু ভাৰত-ম্যানমাৰ সীমান্তত নিয়োজিত বি ডি আৰৰ হাতত আছে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ আৰু যান-বাহন। ষ্টাৰলিং চাবমেচিনগানৰ পৰা এম ফৰটি ৰিকইললেচ ৰাইফললৈকে, এণ্টি টেংক গাইডেড মিছাইলৰ পৰা ৰকেট লাঞ্চাৰলৈকে, এক অত্যাধুনিক ইনফ্ৰেণ্ট্ৰি বাহিনীৰ হাতত থাকিব পৰা প্ৰায় সকলো অস্ত্ৰ-শস্ত্ৰই আছে বাংলাদেশ ৰাইফলছৰ হাতত। তদুপৰি ইয়াৰ হাতত আছে ভালেসংখ্যক আমাৰ্ড কেৰিয়াৰ। একেবাৰে শেহতীয়াভাৱে তুৰস্কৰ পৰা ভালেসংখ্যক অত্যাধুনিক আমাৰ্ড কেৰিয়াৰ ক্ৰয় কৰি বি ডি আৰ হৈ উঠিছে অধিক শক্তিশালী আৰু বিপজ্জনক; যাৰ বাবেই হয়তো আজি বি ডি আৰে এনেদৰে মুকলি বিদ্ৰোহ কৰি দেশখনৰ সেনাবাহিনীকো প্ৰত্যাহ্বান জনাব পাৰিছে। বি ডি আৰৰ এই বৰ্ধিত শক্তি আৰু সাহসৰ পৰিচয় নিঃসন্দেহে ভাৰতৰ বাবে হৈ ৰৈছে এক অশনি সংকেত।

# বজালী হাইস্কুল ঃ এক স্মৃতি

জীৱনৰ বাটত গৈ থাকোঁতে কেতিয়াবা যদি উভতি চাই, স্মৃতিৰ দুৱাৰ মেলি নিজকে সোধোঁ মোৰ জীৱনৰ আটাইতকৈ আনন্দপূৰ্ণ সময় কোনখিনি আছিল— তেতিয়া নিজৰ ভিতৰৰপৰা নিশ্চিতভাৱে উত্তৰ আহিব বজালী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত পঢ়া বছৰকেইটা বুলিয়েই। বজালী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়, যিটো অনুষ্ঠান অঞ্চলটোত ল'ৰা-বুঢ়া সকলোৰে মাজত অধিক জনপ্ৰিয় বজালী হাইস্কুল বুলিহে। সঁচা অৰ্থতে আছিল মোৰ জীৱনৰ আটাইতকৈ আনন্দময় দিনবোৰৰ উৎস। স্কুলখনত পঢ়া বছৰকেইটাই মোৰ জীৱন ভৰাই ৰাখিছিল কেইবাটাও দিশেৰে। সেই দিনবোৰলৈ উভতি চালে আজিও মনৰ মাজত নতুন সঞ্জীৱনী লাভ কৰোঁ, জীৱনত যুঁজিবলৈ নতুন সাহস লাভ কৰোঁ।

মনত পৰে অধ্যক্ষ শচীন দাস ছাৰৰ শাসন মিহলি মৰম আৰু উপাধ্যক্ষ দ্বিজেন গোস্বামী ছাৰৰ মৰম মিহলি শাসনলৈ। এই দুগৰাকী ব্যক্তিৰ বিৰল ব্যক্তিত্বই আজিও অনুপ্ৰাণিত কৰি ৰাখিছে মোক আৰু মোৰ দৰে শ শ জনক।

মনত পৰে প্ৰবীণ পাঠক ছাৰৰ লগত থকা একেবাৰে বন্ধুৰ নিচিনা সম্পৰ্কটোৰ কথা। প্ৰবীণ পাঠক ছাৰৰ বন্ধুত্বপূৰ্ণ ব্যৱহাৰ আৰু আমাৰ লগত পতা তেওঁৰ বন্ধুত্বপূৰ্ণ কথা-বতৰাই জীৱনৰ নতুন নতুন দিশ আমাৰ আগত উন্মোচিত কৰিছিল। অসমৰ এগৰাকী বিশিষ্ট সাহিত্য সেৱক, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক পদত যিজন অধিষ্ঠিত হৈছিল, সেইজন ব্যক্তি সতীশ চন্দ্ৰ চৌধুৰীদেৱক আমাৰ শিক্ষক হিচাপে পাই গৌৰৱান্বিত হৈছিলো। সাহিত্যৰ বৈচিত্ৰ্যময় জগতখনৰ লগত তেওঁ আমাক পৰিচিত কৰাই দিছিল।

বজালী হাইস্কুলৰ খ্যাতিয়ে সকলোৰে পৰাই আকৰ্ষিত কৰি আহিছিল। শিক্ষাৰ ক্ষেত্ৰত এই অনুষ্ঠানটোৰ অসমৰ ভিতৰতেই যি এক নাম আছে সেই নামৰ ওপৰত নিৰ্ভৰ কৰিয়েই বহুত আশা লৈ স্কুলখনত নামভৰ্তি কৰিছিলো। এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ডঃ জয়ন্ত কুমাৰ শৰ্মা, ডাঃ ভৃংগেশ্বৰ শৰ্মা, কল্যাণ কাকতি আদিয়ে দেশ-বিদেশত লাভ কৰা প্ৰতিষ্ঠাই কওঁ যে, মোৰ আশা এশ শতাংশই পূৰণ হৈছে। বজালী হাইস্কুলে দিয়া শিক্ষাই মোৰ জীৱনত আলোড়িত কৰিছে, জীৱন আলোকিত কৰিছে। প্ৰকৃতাৰ্থত পাঠশালা মজলীয়া বিদ্যালয় আৰু বজালী হাইস্কুলে মোক জীৱনৰ বাটত যিখিনি পোহৰ দেখুৱালে, পৰৱৰ্তী দিনবোৰত বৃহত্তৰ শিক্ষানুষ্ঠানসমূহে তাৰ উপৰঞ্চি একো নতুন পোহৰ দেখুৱাব পৰা নাই।

বজালী হাইস্কুলে মোক ভালেমান স্মৰণীয় বন্ধুত্বও উপহাৰ দিছে। সেই বন্ধুত্ববোৰ আছিল সঁচা অৰ্থৰ বন্ধুত্ব, কোনো স্বাৰ্থজড়িত বন্ধুত্ব নহয়। ৰূপম, মুকুলহঁতৰ লগত হোৱা সেই বন্ধুত্বই আজিও মোক আপ্লুত কৰে। কিন্তু বজালী হাইস্কুলত পঢ়া পাঁচটা বছৰৰ ভিতৰত স্কুলখনে মোক উপহাৰ দিয়া আটাইতকৈ ডাঙৰ বন্ধুজন হ'ল অচিন্ত্য শৰ্মা। বৰ্তমান দৈনিক 'আজি' কাকতত কৰ্মৰত, সাহসী সাংবাদিক অচিন্ত্যৰ লগত সেই ১৯৮৭ চনতে গঢ়ি উঠা বন্ধত্ব আজিও অব্যাহত আছে একেই মাত্ৰাত; বৰঞ্চ ই দিনক দিনে অধিক গাঢ়হে হৈ গৈছে। এতিয়া আমি পৰস্পৰক কৰা সহায়ৰ মাজেৰে আগবাঢ়ি যোৱা যি এক জীৱনৰ অনুশীলন চলাই আছো সেই অনুশীলন আৰম্ভ হৈছিল বজালী হাইস্কুলতেই।

কিন্তু বজালী হাইস্কুল যিটো কাৰণত মোৰ বাবে আটাইতকৈ ৰমৰমীয়া হৈ ৰ'ব সেইটো হ'ল এটা বছৰৰ বাবে মই স্কুলখনৰ আলোচনী সম্পাদক হৈছিলো। এক মাৰোৱাৰী সম্প্ৰদায়ৰ পৰিয়ালত জন্মগ্ৰহণ কৰিলেও অসমীয়া ভাষা-

সংস্কৃতিৰ সেৱাৰ প্ৰতি থকা আগ্ৰহ পূৰণৰ সুযোগ দিছিল বজালী হাইস্কুলে। স্কুলখনৰ আলোচনী সম্পাদকৰূপে মই নিজৰ দায়িত্বত আলোচনীখন প্ৰকাশ কৰাৰ উপৰিও মোৰ পূৰ্বৱৰ্তী সম্পাদকজনৰ দিনত অপ্ৰকাশিত হৈ থকা আলোচনীখনো প্ৰকাশ কৰোঁ। এই দুয়োখন আলোচনী প্ৰকাশৰ ক্ষেত্ৰত ছাৰ-বাইদেউসকলৰ পৰা লাভ কৰা সহায়-সহযোগিতা আছিল অভূতপূৰ্ব।

লিখিলে আৰু বহুতেই লিখি থাকিব পাৰি। কিন্তু এনেদৰে লিখোতেই ভাৰাক্ৰান্ত হৈ উঠে মন। আৰৱি ধৰে নষ্টালজিয়াই। পাঠশালালৈ গ'লে এতিয়াও মাজে মাজে বজালী হাইস্কুললৈ যাওঁ। চিনাকি ছাৰ-বাইদেউ বহুতকে দেখা নাপাওঁ। বেছিভাগেই অৱসৰ ল'লে; দুই-এজন আঁতৰি গ'ল পৃথিৱীৰ পৰাই। সেইসকলৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়েই এই চমু লেখা সামৰিব খুজিছোঁ। সেইসকলক উদ্দেশ্য কৰি ক'ব খুজিছো— আপোনালোকৰ আদৰ্শ আমি নিজৰ জীৱনত বহন কৰিম প্ৰতিক্ষণতে— প্ৰতিটো দিনতে।

জয়তু বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়।।

# বজালী কলেজ ঃ এক স্মৃতি

আজি বৃহত্তৰ বজালীৰ ভিন্ন প্ৰান্তৰ উপৰি পাঠশালা চহৰতে কেইবাখনো আগশাৰীৰ বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠান। অসমৰ বিভিন্ন প্ৰান্তৰ মেধাৱী শিক্ষাৰ্থী ইয়াত আহি পাঠ গ্ৰহণ কৰি আছে। পাঠশালাত শৈক্ষিক ক্ষেত্ৰত এনে সমুজ্জ্বল ৰূপ প্ৰত্যক্ষ কৰিও আমাৰ মনত বজালী কলেজৰ স্মৃতিয়ে এতিয়াও অনুৰণিত হৈ থাকে। এটা সময় আছিল— যিটো সময়ত বজালী কলেজ বুলি ক'লে এক অন্যতম শৈক্ষিক অনুষ্ঠানৰ কথা প্ৰত্যক্ষভাৱে মনলৈ আহিছিল। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক মানচিত্ৰত, শৈক্ষিক ক্ষেত্ৰৰ মানচিত্ৰত বজালী কলেজে এক সুকীয়া স্থান দখল কৰিছিল। এইখন কলেজত শিক্ষা লাভ কৰি যোৱা অসংখ্য মেধাৱী, তীক্ষ্ণ শিক্ষাৰ্থীয়ে আজি ৰাজ্যৰ লগতে দেশমাতৃক উচ্চ পদমৰ্যাদাত অধিষ্ঠিত হৈ সেৱা কৰি আহিছে। বহুতে হয়তো পদবীৰ পৰা অৱসৰো গ্ৰহণ কৰিছে। বজালী কলেজ বুলি ক'লে মনলৈ এটা প্ৰশান্তিৰ ভাব আহে। এইখন কলেজৰ ছাত্ৰ বুলি ক'বলৈ পাই মনত গৌৰৱৰ ভাব উদয় হয়। মনত উদয় হোৱা মোৰ অহংকাৰ অথবা গৌৰৱৰ থলী বজালী কলেজখন আজিও কিছুবছৰ আগৰ দৰে হৈ আছেনে বুলি মোৰ মনত আপোনা-আপুনি প্ৰশ্নৰ অৱতাৰণা হয়। ১৯৯১-৯২ বৰ্ষতে আমি বজালী কলেজত অধ্যয়ন কৰিছিলো।

শিক্ষক-ছাত্ৰৰ কিমান শ্ৰদ্ধাসিক্ত মধুৰ সম্পৰ্ক, শিক্ষাৰ্থীৰ মাজত ভাতৃত্ববোধৰ আদান-প্ৰদান, বিদ্যায়তনিক-অবিদ্যায়তনিক দিশৰ জয়-জয়কাৰ ৰূপ পৰিগ্ৰহ, সন্মুখৰ নীলাভ জলৰাশিৰে পৰিপূৰ্ণ পুখুৰীৰ নয়নাভিৰাম দৃশ্যসহিতে বজালী কলেজৰ অপূৰ্ব দৃশ্য মনত পৰিলেই আজিও এনে ভাব হয় যেন মই বজালী কলেজখনৰ সেই দিনবোৰৰ মাজত এতিয়াও একাকাৰ হৈ আছো। বজালী কলেজ বুলি ক'লেই সৌ-সিদিনালৈ বৌদ্ধিক মহলত এটা নাম আছিল। সেই নাম অথবা গৰিমা আজিও আছে। অলপতে মই অসম চৰকাৰৰ এজন বিশেষ পদমৰ্যাদাৰ আমোলাৰ স'তে পাঠশালাৰ মাজেৰে এখন ঠাইলৈ গৈছিলো। গুৱাহাটীৰ পৰা আহি পাঠশালা চহৰত প্ৰৱেশ কৰাৰ সময়ত পুৰা ৯ মান বাজিছিল। মৰ্যাদাসম্পন্ন পদবীৰ গৰাকী আমোলাজনে ক'লে— ‘গোপাল, বজালী কলেজখন দেখিবলৈ পামনে? মই ক'লো— ছাৰ, পাঁচ মিনিটমানৰ ভিতৰতে বজালী কলেজখনৰ সন্মুখ পাম। এটা সময়ত কলেজখনৰ সন্মুখ পালো। কাষৰ ব্যৱসায়িক প্ৰতিষ্ঠানবোৰত তেতিয়া ব্যস্ততা। ছাৰক ক'লো— ছাৰ, এইখনেই বজালী কলেজ। যাক লৈ মই অহংকাৰ কৰো, শত-সহস্ৰজনে গৌৰৱ কৰে। অসংখ্য প্ৰতিভাধৰক দেশমাতৃক সেৱা কৰিবলৈ, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশ্বক সেৱা কৰিবলৈ যিয়ে উচ্চ শিক্ষিত কৰি উলিয়াই দি গৰ্বিত হৈছে। ছাৰে ইফালে-সিফালে চালে। তীক্ষ্ণ মেধাসম্পন্ন মানুহ। ভাৰতীয় প্ৰশাসনীয় সেৱাৰ দক্ষ আমোলা তেওঁ। কম কথা কয়। ছাৰে মাথোঁ ক'লে— ‘ইয়াৰ সৌন্দৰ্য আৰু বঢ়াব পাৰি। বঢ়াব পৰা যথেষ্ট থল আছে।’ ছাৰে তেতিয়া কি ভাবিছিল মই নাজানো। কিন্তু বজালী কলেজৰ বাহ্যিক ৰূপ প্ৰত্যক্ষ কৰি মই হতাশ হৈছিলো। কলেজখনৰ মূল প্ৰৱেশ পথেৰে ভিতৰলৈ সোমাই যোৱা পথটোত শুকান, পচিবলৈ ধৰা গছৰ পাতৰ লেথেৰি, ঠায়ে ঠায়ে বন-জংঘল, বাঢ়ি অহা গছৰ অসংলগ্ন ডাল, অনুজ্জ্বল ঘৰবোৰৰ দৃশ্যই বাস্তৱিকতেই মোক বিমূঢ় কৰি তুলিছিল। এটা সময়ৰ চিক্‌চিকীয়া নীলাভ জলৰাশিৰে পূৰ্ণ সন্মুখৰ সেই পুখুৰীটোৰ অপূৰ্ব সৌন্দৰ্যও আজি যেন সুদূৰ পৰাহত। এটা সময়ত এই পুখুৰীপাৰৰ বাগিচা আৰু ন শিকাৰুৱে নিজে নিজে সাঁতোৰৰ অভ্যাস কৰা মুহূৰ্ত কিমান দৃষ্টিনন্দন আছিল। অৱশ্যে জানিব পৰামতে এতিয়া এই পুখুৰীত সাঁতোৰৰ প্ৰশিক্ষণ চলে। এইটো বৰ ভাল প্ৰশংসনীয় কাম হৈছে। আন এক উল্লেখযোগ্য কথা এয়ে যে অনেক প্ৰতিভাধৰক

ক্ৰীড়াক্ষেত্ৰত গঢ়িবলৈ সক্ষম হোৱা বজালী কলেজৰ খেলপথাৰখনো আজি স্তব্ধপ্ৰায়। অনুশীলনৰ উপযুক্ত থলীয়েই যদি নাথাকে তেনেহ'লে প্ৰতিভাৰ বিকাশ কিদৰে হ'ব? কথাবোৰ সৰু যদিও ইয়াৰ গুৰুত্ব নিশ্চয় নোহোৱা নহয়। কথাবোৰ ভাবি-গুণি মনতে মই পঢ়া সময়ৰ বজালী কলেজ আৰু আজিৰ বজালী কলেজখনক এবাৰ জুকিয়াই চালো। মই পঢ়ি থাকোঁতেই এইখন শিক্ষানুষ্ঠানলৈ ইয়াৰ কেইবাটাও অনুষ্ঠানত অসমৰ স্বনামধন্য কেইবাগৰাকী পুৰোধা ব্যক্তিক আমন্ত্ৰণ কৰি অনা হৈছিল। সেইবোৰ কথাও আজি বৰকৈ মনত পৰিছে। কথাবোৰ ভাবি থাকোঁতে ছাৰে ক'লে— 'গোপাল, অনুষ্ঠানবোৰৰ সামগ্ৰিক দিশৰ মৰ্যাদা সকলো সময়তেই অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা আৰু মনৰ বৰ প্ৰয়োজন তুমি কথাষাৰ ভাবানে?' মই মাথোঁ ছাৰক শলাগিলো। ছাৰে কিয় কথাষাৰ ক'লে মই বুজি নাপালো। নিঃসন্দেহে বজালী কলেজৰ শৈক্ষিক ক্ষেত্ৰৰ মান আজিও তেতিয়াৰ দৰেই অক্ষুণ্ণ আছে। কলেজৰ শ্ৰদ্ধেয় প্ৰবক্তাসকলে এই দিশত কষ্ট স্বীকাৰ কৰি আহিছে। এই বিষয়ত আমাৰ ক'বলগীয়া নাই। কিন্তু বাহ্যিক ৰূপটোৰে যিহেতু এটা বিষয়ৰ ধাৰণা মনত পোষণ কৰাত অগ্ৰণী ভূমিকা লয় সেয়েহে বজালী কলেজৰ বাহ্যিক ৰূপটো পৰিচ্ছন্ন কৰি ৰাখিবলৈ কৰ্তৃপক্ষ যত্নপৰ হওক। আগতকৈ এতিয়া কলেজলৈ ৰাজ-সাহায্য অধিক আহে। ছাৰে কোৱাৰ দৰে ইয়াৰ সৌন্দৰ্যবৰ্ধনৰ অনেক উপায় আছে। পৰিষ্কাৰ-পৰিচ্ছন্নতায়োতো সৌন্দৰ্যৰ সৃষ্টি কৰে। গভীৰ প্ৰত্যয়েৰে আশা কৰিম আমি যেন বজালী কলেজক আমাৰ অহংকাৰৰ উৎস কৰি ৰাখিব পাৰো। এইখিনি কথা যে উল্লেখ কৰিলো এয়া সমালোচনা নহয়; নিতান্তই মোৰ অনুভৱৰ একলমহে। কৰ্তৃপক্ষ সজাগ হওক। বজালী কলেজ ৰাইজৰ। বজালীৰ ৰাইজৰ ইয়াতে প্ৰাণ আছে। আমি মাথোঁ বিচাৰো, আশা কৰো বজালী কলেজৰ উত্তৰণৰ গতিপ্ৰবাহ অপ্ৰতিৰোধ্য হওক।

# সাহিত্য সভাই
# মুকলি কৰিব নতুন দুৱাৰ

অসমৰ যি মুষ্টিমেয়সংখ্যক অনুষ্ঠানে অসমবাসীৰ অকল মন বা মগজুতেই নহয়, হৃদয়তো স্থান পাবলৈ সক্ষম হৈছে, সেইকেইটাৰ ভিতৰত অসম সাহিত্য সভা নিঃসন্দেহে অগ্ৰণী অনুষ্ঠান। এইটো অনুষ্ঠানৰ লগত অসমবাসীয়ে যেনেদৰে গভীৰ আত্মিক সম্পৰ্ক অনুভৱ কৰে, এইটো অনুষ্ঠানৰ লগত অসমবাসীয়ে যেনেদৰে আৱেগ প্ৰকাশ কৰে, সেয়া যথাৰ্থতেই বিৰল। খুব বেছি ভাল পায় বাবেই অসমৰ সচেতন ৰাইজে খুব চোকা নজৰ ৰাখে এইটো অনুষ্ঠানৰ ওপৰত। তীব্ৰ ভাষাৰে ইয়াক সমালোচনা কৰে, স্পষ্টভাৱে ইয়াৰ ভুল-ত্ৰুটি আঙুলিয়াই দিয়ে। ৰাজ্যৰ বিভিন্ন ঠাইত অনুষ্ঠিত হৈ অসম সাহিত্য সভাৰ অধিৱেশনসমূহত হোৱা জনসমাগমসমূহেই প্ৰমাণ দিয়ে, বাস্তৱিকতে অসম সাহিত্য সভাক অসমবাসীয়ে কিমান ভাল পায়।

প্ৰাক্ স্বাধীনতা কালতেই, বিগত শতাব্দীৰ প্ৰথমৰ ফালে যেতিয়া প্ৰায় সমগ্ৰ বিশ্বই প্ৰথম মহাসমৰৰ জুইৰ দ্বাৰা আক্ৰান্ত হৈ আছিল, সেই সময়তে পৃথিৱীৰ এচুকত; অসমৰ বুকুত জন্মলাভ কৰিছিল অসম সাহিত্য সভাই। যি সময়ত প্ৰায় সমগ্ৰ বিশ্বই যুদ্ধ আৰু ধ্বংসত উন্মত্ত হৈ আছিল, সেই সময়তে এমুঠি অসমীয়া মানুহে সপোন দেখিছিল সৃষ্টিশীলতাৰ। তাৰেই পৰিণতিত পদ্মনাথ গোহাঞি বৰুৱাৰ নেতৃত্বত জন্মলাভ কৰিছিল অসম সাহিত্য সভাই। সেইছোৱা সময় আছিল অসমীয়া জাতীয়তাবাদৰো পুনৰুত্থানৰ সময়। স্বাধীনতা লাভৰ প্ৰচেষ্টাত সমগ্ৰ ভাৰতবাসী বৰ্তি হৈ পৰা সেই মাদকতাময় দিনবোৰতে দূৰদৰ্শী এচাম অসমীয়াই চিন্তা কৰিছিল সাহিত্য সাধনাৰ মাজেৰে অসমীয়াৰ স্বকীয় পৰিচয়

অক্ষুণ্ণ ৰখাৰ কথাও। এজন এজনকৈ অসমৰ সাহিত্য জগতৰ কাণ্ডাৰী আহি থিয় হৈছিল অসম সাহিত্য সভাৰ পতাকাৰ তলত। এজন এজনকৈ অসমৰ জাতীয় জীৱনৰ পুৰোধা ব্যক্তিসকল আহি সমৱেত হৈছিল অসম সাহিত্য সভাৰ মঞ্চত।

লক্ষণীয়ভাৱে পৃথিৱীৰ অন্য প্ৰায়বোৰ জাতিয়ে একোটা ৰাজনৈতিক আন্দোলনৰ মাজেৰে নিজৰ পৰিচয় স্থাপন কৰিবলৈ প্ৰয়াস চলাই অহাৰ বিপৰীতে অসমীয়া জাতিয়ে সদায় বৌদ্ধিক কাৰ্যাৱলীৰ মাজেৰেহে স্বকীয় পৰিচয় স্থাপনৰ প্ৰয়াস চলাই আহিছে। চুকাফাই গঠন কৰা অসমীয়া জাতিক শ্ৰীমন্ত শংকৰদেৱে এনে কামৰ জৰিয়তে প্ৰাণ আৰু পৰিচয় দিছিল। তাৰ পিচতো যেতিয়াই জাতিটোৰ বাবে কেতিয়াবা কিবা অস্তিত্ব বা পৰিচয়ৰ সংকট আহি উপস্থিত হৈছে, তেতিয়াই আৰম্ভ হৈছে এক সাহিত্যিক, সাংস্কৃতিক বা বৌদ্ধিক অনুশীলন। তেনে অনুশীলনৰ অংশ হিচাপেই অৰুণোদয়, জোনাকী, বাঁহী, আৱাহন আদি আলোচনীৰ জন্ম হৈছিল, অসমৰ প্ৰান্তে বিভিন্ন নাট্যদলৰ সৃষ্টি হৈছিল, অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠান গঠন হৈছিল আৰু আমি গৌৰৱেৰে ক'ব পাৰো যে এক বিশেষ জাতীয় জাগৰণৰ সৃষ্টি কৰাত অসম সাহিত্য সভা সম্পূৰ্ণ সফল হৈছিল। সফল হৈছিল সাহিত্যিকক সৰ্বসাধাৰণৰ ওচৰলৈ লৈ যোৱাত, গ্ৰন্থক ৰাইজৰ ওচৰলৈ লৈ যোৱাত, মানুহৰ মাজত জাতীয় দায়িত্ববোধৰ এক বাতাবৰণ সৃষ্টি কৰাত। এনেদৰেই নিজেই বিশেষ এক চহকী পৰম্পৰাৰ অধিকাৰী হৈ উঠিছিল অসম সাহিত্য সভা। কিন্তু এক চহকী ঐতিহ্য পৰম্পৰাৰ অধিকাৰী হ'লেও অসম সাহিত্য সভা দুৰ্ভাগ্যজনকভাবে বিতৰ্কৰো সন্মুখীন হ'বলগা হৈছে। বিশেষকৈ যোৱা শতিকাৰ নৱম দশকত অসম সাহিত্য সভা ইমান বেছি বিতৰ্কৰ সন্মুখীন হ'ল যে অসমবাসী আতংকিত হৈ উঠিল। কি হ'ব এই জাতীয় অনুষ্ঠানটোৰ। পাৰিবনে ই সকলো সংকট অতিক্ৰম কৰি, সকলো বিতৰ্কৰ উৰ্দ্ধলৈ গৈ আকৌ স্বমহিমাৰে প্ৰতিষ্ঠিত হ'বলৈ ? জীয়াই থাকিবনে অসম সাহিত্য সভা ? এনেধৰণৰ প্ৰশ্নই ভুমুকি মাৰিলে অসমৰ ৰাইজৰ মাজত। কিন্তু অসম সাহিত্য সভাৰ প্ৰতি আছে অসমৰ ৰাইজৰ আশীৰ্বাদ আৰু শুভেচ্ছা এই আশীৰ্বাদ আৰু শুভেচ্ছাই অসম সাহিত্য সভাক দিছে বিপুল জীৱনীশক্তি। সেই জীৱন শক্তিৰ বলতেই অসম সাহিত্য সভাই অতিক্ৰম কৰিবলৈ সক্ষম হৈছে প্ৰতিটো সংকট।

এইবাৰো তাৰ ব্যতিক্ৰম নঘটিল। নতুন শতিকাই নতুন আশাৰ বাণী লৈ আহিল অসম সাহিত্য সভাৰ বাবে। একবিংশ শতাব্দীৰ আৰম্ভণিৰ পৰাই অসম সাহিত্য সভাই লাভ কৰিলে হোমেন বৰগোহাঞি, বীৰেন্দ্ৰ নাথ দত্ত, কনকসেন ডেকা আৰু শেহতীয়াভাৱে ৰংবং তেৰাং আদিৰ নিচিনা লোকৰ নেতৃত্ব। এইসকলৰ নেতৃত্বই অসম সাহিত্য সভাক নতুন এক জীৱনীশক্তি, নতুন এক গতিশীলতা প্ৰদান কৰিলে। হোমেন বৰগোহাঞিৰ পৰিকল্পিত অসমীয়া বিশ্বকোষ প্ৰকল্পই অসমজুৰি কাৰ্যতঃ এক নতুন বৌদ্ধিক সচেতনতাৰ সৃষ্টি কৰিলে। কনকসেন ডেকাৰ নেতৃত্বত অসম সাহিত্য সভাই এনে কিছুমান বিষয়তো হাত দিলে, যিবোৰ বিষয়ত পূৰ্বে কেতিয়াও সাহিত্য সভাই মনোনিৱেশ কৰা নাছিল। আৰু শেহতীয়াভাৱে ৰংবং তেৰাঙৰ নিৰ্বাচনে অসম সাহিত্য সভাক উত্তৰণত এক নতুন গতি দিলে।

বাস্তৱিকতে ৰংবং তেৰাঙৰ নাম অসম সাহিত্য সভাৰ সভাপতি হিচাপে ঘোষিত হোৱাৰ লগে লগে অসমজুৰি এক উদ্দীপনাময় পৰিৱেশৰ সৃষ্টি হৈছিল। ধাৰণা কৰা হৈছিল— পাহাৰ-ভৈয়ামৰ পূৰ্বৰ সেই সম্প্ৰীতিৰ এনাজৰীডাল আকৌ এবাৰ কটকটীয়া কৰি তুলিব তেৰাঙৰ নিৰ্বাচনে। এই ধাৰণা বা আশা মিছা বুলি প্ৰমাণিত হোৱা নাই। সঁচাকৈয়ে পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ ক্ষেত্ৰত বহুদিনৰ মূৰত এক ইতিবাচক পৰিৱেশ আনিবলৈ সক্ষম হৈছে ৰংবং তেৰাঙে। অসম সাহিত্য সভাৰ বৈথালাংছ' অধিৱেশনেই স্পষ্টভাৱে প্ৰতিফলিত হৈছে এই পৰিৱেশ। আমাৰ পাহাৰী ভাইসকলেও যেন বহুদিনৰ মূৰত নিজৰ হেৰোৱা বিশ্বাস আৰু আস্থা ঘূৰাই পাইছে। তেৰাঙেও বুজি পাইছে সময়ৰ আহ্বান আৰু প্ৰয়োজনীয়তা। সেয়ে তেওঁ জোৰ দিছে স্থবিৰ হৈ পৰা অসমীয়া জাতি গঠন প্ৰক্ৰিয়া পুনৰ আৰম্ভ কৰাত, জোৰ দিছে বৰ অসমৰ উৰলি যোৱা ভেটিটো পুনৰ নিৰ্মাণ কৰাত। আমি দেখিছো ইতিমধ্যে তেওঁ অসমৰ ভিতৰতে আবদ্ধ থকা নাই; সাতভনীৰ অন্তৰ্গত অন্যান্য ৰাজ্যলৈও সদিচ্ছামূলক ভ্ৰমণত গৈছে আৰু সেইবোৰ ৰাজ্যত অসম সাহিত্য সভাৰ প্ৰতিনিধি দলে বিপুল আদৰণি লাভ কৰিছে। ত্ৰিপুৰা চৰকাৰে আনকি শেহতীয়াভাৱে আগৰতলাত অসম সাহিত্য সভাৰ শাখা কাৰ্যালয় খোলাৰ বাবে ভূমি আৱণ্টন দিবলৈকো সিদ্ধান্ত গ্ৰহণ কৰিছে। এনে সিদ্ধান্তই নিঃসন্দেহে এক নতুন যুগৰ দুৱাৰেই মুকলি কৰিছে।

# অগ্নিগৰ্ভ ইংলেণ্ডত টীম ইণ্ডিয়াৰ সুৰক্ষা

লণ্ডন চহৰ এতিয়া দাউ দাউকৈ জ্বলিছে গোষ্ঠীসংঘৰ্ষত। এগৰাকী কৃষ্ণাংগক হত্যাৰ প্ৰতিশোধকল্পে হেজাৰ হেজাৰ দুষ্কৃতিকাৰীয়ে লণ্ডনৰ লগতে কেবাখনো চহৰত আৰম্ভ কৰিছে লুটৰাজ। হেজাৰ হেজাৰ নিৰাপত্তাৰক্ষীয়েও প্ৰতিৰোধ কৰিব পৰা নাই লুণ্ঠনকাৰীক। এখনৰ পাছত আন এখন চহৰলৈ বিয়পিছে প্ৰতিশোধৰ দাবানল। চৌদিশে কেৱল লুটৰাজ আৰু অগ্নিসংযোগ। প্ৰতিশোধ! হয়, এয়া কৃষ্ণাংগৰ অধিকাৰৰ প্ৰতি কৰা ক্ষোভৰ উদ্‌গিৰণ। এই উদ্‌গিৰণৰ মাজতো কিন্তু নিৰ্বিঘ্নে চলিছে ইংলেণ্ড— ভাৰতৰ টেষ্ট শৃংখলা। ইংলেণ্ডত অনুষ্ঠিত হ'বলগীয়া প্ৰায়বোৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলৰ সূচী বাতিল কৰা হৈছে। আনকি দেশখনৰ সৰ্বাধিক জনপ্ৰিয় 'ৰাগবি' খেলো বাতিল কৰিবলৈ বাধ্য হৈছে। অথচ নৰ্দাম্পটনত ঘৰুৱা দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে তৃতীয় টেষ্টত। যি সময়ত সমগ্ৰ বিশ্বতে ইংলেণ্ডত চলি থকা লুটৰাজ, অগ্নিসংযোগৰ ঘটনাক লৈ বিশ্ববাসীয়ে উদ্বেগ প্ৰকাশ কৰিছে সেই সময়ত ভাৰতে টেষ্ট মেচত অৱতীৰ্ণ হোৱাটো কিমান সমীচীন হৈছে সেয়া সময়েহে উত্তৰ দিব। ভাৰতীয় ক্ৰিকেট

ব’র্ডে নির্ভয়ে খেলুৱৈসকলক খেলত অৱতীর্ণ হ’বলৈ নির্দেশ দিছে। ইংলেণ্ডৰ চৰকাৰৰ আশ্বাসতে বি চি চি আয়ে সন্মতি প্রদান কৰিছে। অথচ ২০০৮ৰ নৱেম্বৰত সংঘটিত মুম্বাই কাণ্ডৰ সময়ত ইংলেণ্ডৰ ক্রিকেট ব’র্ডে নিৰাপত্তাৰ অজুহাতত আধাতে ভ্রমণসূচী এৰি স্বদেশলৈ ৰাওনা হ’বলৈ নির্দেশ দিছিল খেলুৱৈসকলক। সাতখনীয়া এদিনাৰ শৃংখলাটোত ভাৰতে ৫-০ অগ্রগতি লাভ কৰা সময়তে ইংলেণ্ডৰ দলটোৱে স্বদেশলৈ উভতি গৈছিল। ভাৰত চৰকাৰে অভয়দানৰ পাছতো ইংলেণ্ডৰ দলটোৱে স্বদেশলৈ উভতি যোৱা কার্যই ভাৰতীয় নিৰাপত্তা ব্যৱস্থাক উপলুঙা কৰিছিল। সেই সময়ত বি চি চি আয়ে ইংলেণ্ডৰ ব’র্ডক সৈমান কৰাব পৰা নাছিল। ভাৰতে কেবা কোটি টকাৰ লোকচান ভৰিবলগীয়া হৈছিল। অথচ সেইখন ব’র্ডেই আজি ইংলেণ্ডত সংঘটিত লুটৰাজ, হিংসাৰ সময়তো ভাৰতীয় খেলুৱৈক অভয় দি খেলিবলৈ নির্দেশ দিয়ে।

বি চি চি আইৰ ভূমিকাত সন্দেহৰ অৱকাশ থাকি যায়। ২০০৯ ৰ আই পি এল দক্ষিণ আফ্রিকালৈ স্থানান্তৰিত কৰাৰ মূলতে আছিল নিৰাপত্তাহীনতাৰ শংকা জয়পুৰৰ ষ্টেডিয়ামৰ ওচৰত বোমা বিস্ফোৰণৰ লগে লগে সমগ্র বিশ্বতে নিৰাপত্তা বিষয়ক কেন্দ্র কৰি চর্চিত হৈছিল। আই পি এলৰ তৃতীয় সংস্কৰণটো বাতিল হোৱাৰ শংকাতে দক্ষিণ আফ্রিকালৈ স্থানান্তৰিত কৰিবলগীয়া হৈছিল। এই স্থানান্তৰেও ভাৰতীয় নিৰাপত্তা ব্যৱস্থাক উপলুঙা কৰিছিল।

বিশ্বৰ সর্বাধিক অর্থ উপার্জনকাৰী ব’র্ডখনেই হ’ল বি চি চি আই। আন্তর্জাতিক ক্রিকেট পৰিষদ (আই চি চি)ক বি চি চি আয়ে যিমান পৰিমাণৰ ৰাজহ আগবঢ়ায় তাৰ বিপৰীতে ইংলেণ্ড, অষ্ট্রেলিয়া, নিউজিলেণ্ড, শ্রীলংকা, পাকিস্তান আৰু বাংলাদেশ মিলি তাতকৈ কম ৰাজহ দিয়ে। সেইবাবে আই চি চিৰ দৰে শক্তিশালী পৰিষদ এখনেও বি চি চি আইৰ আঙুলিৰ নির্দেশতে উঠা বহা কৰে। সেইবাবে বি চি চি আইক নাকী লগাবলৈ কোনো নাই। এনে ক্ষমতাৰ পূর্ণ সুযোগ গ্রহণ কৰিছে। নিৰাপত্তাজনিত কাৰণত ভাৰতত খেল বাতিল হ’লেও দক্ষিণ আফ্রিকাত অনুষ্ঠিত কৰি প্রমাণ কৰিছে নিজ শক্তিৰ কথা। কিন্তু এতিয়া কথা হ’ল যদি ভাৰতত সংঘটিত বোমা বিস্ফোৰণৰ বাবে ইংলেণ্ডে ভ্রমণসূচী আধাতে সামৰি স্বদেশলৈ উভতিব পাৰে অথবা আই পি এলত বিদেশী খেলুৱৈসকলে একে কাৰণতে খেলিবলৈ আগ্রহী হোৱা নাছিল তেন্তে একেই পৰিস্থিতি লণ্ডনত

সৃষ্টি হোৱাৰ পাছতো বি চি চি আয়ে কেনেকৈ ভাৰতীয় দলটোক তৃতীয় টেষ্টত অংশগ্ৰহণৰ বাবে সন্মতি প্ৰদান কৰিছে? যিহেতু বি চি চি আইৰ লক্ষ্য অৰ্থ সংগ্ৰহ সেয়েহে ব'ৰ্ডে যিকোনো শৃংখলা বাতিল কৰিবলৈ আগ্ৰহী নহয়।

লণ্ডনৰ লগতে আন চাৰিখন চহৰত ২০ হেজাৰ নিৰাপত্তা কৰ্মী নিয়োগ কৰাৰ পাছতো বি চি চি আয়ে কিন্তু চকু মুদা কুলিৰ ভাও ধৰি খেলত অংশগ্ৰহণৰ বাবে ভাৰতীয় দলটোক নিৰ্দেশনা জাৰি কৰিছে। ঠিকেই আছে ভাৰতীয় খেলুৱৈসকল সুৰক্ষিত। অথচ একেই সুৰক্ষা ভাৰত চৰকাৰে প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছতো ২০০৯ত ইংলেণ্ডৰ ক্ৰিকেট ব'ৰ্ডে কিন্তু খেলুৱৈসকলক স্বদেশলৈ ওভতাই নিছিল। সেই কথা বি চি চি আয়ে পাহৰিলে কিয়?

বি চি চি আইৰ এনে সিদ্ধান্তৰ আঁৰত বহুজাতিক কোম্পানীসমূহৰো হাত নোহোৱা নহয়। যিহেতু পেপচি, কোকাকোলা, হিৰোহোণ্ডা, এল জি, বিভিন্ন ম'বাইল ফোন প্ৰস্তুতকাৰী কোম্পানীয়ে কোটি কোটি টকা স্পনছ'ৰৰ নামত ব্যয় কৰে। কেনেবাকৈ শৃংখলা অথবা প্ৰতিযোগিতা বাতিল হ'লে এই কোম্পানীসমূহে কে'বাশ কোটি টকা লোকচান ভৰিবলগীয়া হয়। ক্ৰিকেট খেলা দেশসমূহৰ ব'অৰ্ডৰ লগতে খেলুৱৈসকলৰ স্পনছ'ৰ কোম্পানীসমূহে যিকোনো প্ৰকাৰে খেল অনুষ্ঠিত কৰিবলৈ। বিভিন্ন প্ৰকাৰে হেঁচা প্ৰয়োগ কৰে। উল্লেখ্য যে সম্প্ৰতি বি চি চি আই আৰু ভাৰতীয় খেলুৱৈসকলৰ স'তে কে'বাটাও বহুজাতিক কোম্পানী জড়িত হৈ আছে। বৰ্তমান বিশ্বৰ সৰ্বাধিক বিজ্ঞাপনৰদ্বাৰা ধন উপাৰ্জনকাৰী ক্ৰিকেটাৰৰ তালিকাত শীৰ্ষস্থান দখল কৰা তেণ্ডুলকাৰ, ছেৱাগ, দ্ৰাবিড়, যুৱৰাজ, হৰভজন, ৰাইনা, গম্ভীৰ আদি খেলুৱৈৰ পোছাকত লাগি আছে কে'বাটাও কোম্পানীৰ ষ্টিকাৰ। সেয়েহে পৰোক্ষভাৱে ইয়াৰ হেঁচা পৰে বি চি চি আইৰ ওপৰত। খেলুৱৈসকলৰ বিশ্ৰামৰ বিষয়টোও এতিয়া গৌণ হৈ পৰিছে। বি চি চি আইৰ শেহতীয়া সিদ্ধান্তক ইংলেণ্ডৰ ক্ৰিকেট ব'ৰ্ডে আদৰণি জনালেও ভাৰতীয় ব'ৰ্ডখনৰ ভূমিকাক লৈ কোটি কোটি ক্ৰিকেট অনুৰাগীৰ মনত বিভিন্ন প্ৰশ্নৰ উদ্ৰেক ঘটাইছে। খেলুৱৈৰ নিৰাপত্তা নে ধন— এই প্ৰশ্নৰ সমিধান দিব পাৰিবনে বি চি চি আয়ে?

# ফেচবুকৰ কবলত যুৱ-প্ৰজন্ম

প্ৰত্যেক বিষয়ৰে একোটা নিৰ্দিষ্ট পৰিসীমা থাকে। এই পৰিসীমাৰ ভিতৰত বিষয়টো কোনো দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিব পাৰি। কেতিয়াবা ইয়াৰ পৰিসৰ বৃদ্ধি পায় বিষয়টোৰ গুৰুত্বৰ খাতিৰত। অৱশ্যে পৰিসৰ বৃদ্ধিৰ বাবে চাহিদা থাকিব লাগিব। প্ৰতিটো বস্তুৰে গুৰুত্ব নিৰূপণ কৰা হয় চাহিদাৰ ওপৰত ভিত্তি কৰি। এই চাহিদা আকৌ সময়ৰ পৰিৱৰ্তনৰ লগে লগে সলনি হৈ থাকে। সেয়েহে বিষয়টোৰ পৰিসৰো হ্ৰাস বৃদ্ধি হৈ আছে। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ লগে লগে সকলো ক্ষেত্ৰৰে পৰিৱৰ্তন হ'বলৈ ধৰিলে। হোৱাটো স্বাভাৱিক। অভাৱেই আৱিষ্কাৰৰ মূল কথাষাৰ সাৰোগত কৰিয়ে বস্তু আৱিষ্কাৰ হ'ল। সেয়েহে আধুনিক জীৱন যাপনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে ফেচবুক। বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় চ'ছিয়েল নেটৱৰ্কিঙটোৱেই হ'ল ফেচবুক। ২০০৪ চনত মাৰ্ক জুকাৰ বাৰ্গে এই চ'ছিয়েল নেটৱৰ্কিঙৰ সূচনা কৰাৰ লগে লগে বিশ্বৰ ইজনে-সিজনৰ বিষয়ে জনাৰ ক্ষেত্ৰত উজু হৈ পৰিল। ইমান দিনে ফোনকে যোগাযোগৰ অন্যতম মাধ্যম হিচাপে গণ্য কৰি আহিলেও শেহতীয়াভাৱে এই ক্ষেত্ৰত সংযোজিত হ'ল ফেচবুক।

আগতেই উল্লেখ কৰিছো যে প্ৰতিটো ক্ষেত্ৰৰে একোটা নিৰ্দিষ্ট পৰিসৰ থাকে। ইয়াৰ পৰিসৰ নিৰ্ভৰ কৰে ব্যৱহাৰৰ ওপৰত। কিন্তু ব্যৱহাৰ কৰোঁতাৰ ওপৰত বিষয়টো ভালেখিনি নিৰ্ভৰ কৰে। ফেচবুক ছ'চিয়েল নেটৱৰ্কিঙৰ মাধ্যম হিচাপে গ্ৰহণ কৰিলেও যুৱ-প্ৰজন্মই কিন্তু ইয়াৰ ব্যৱহাৰ সঠিকভাৱে কৰাৰ পৰিৱৰ্তে অপব্যৱহাৰ কৰাহে পৰিলক্ষিত হৈছে। যুৱ-প্ৰজন্মৰ মাজতেই সৰ্বাধিক জনপ্ৰিয় মাধ্যমটোৱে যিদৰে সামাজিক ক্ষেত্ৰত উপকাৰ কৰিছে, সমানেই ক্ষতিও কৰিছে। নৱ-প্ৰজন্ম নিচাগ্ৰস্ত হৈছে ফেচবুকৰ প্ৰতি। কিন্তু দিনটোৰ অধিকাংশ সময় ফেচবুকত অতিবাহিত কৰা যুৱক-যুৱতীসকলে ইয়াক অশ্লীল ভাব বিনিময়ৰ মাধ্যম হিচাপেহে ব্যৱহাৰ কৰিব ধৰিছে। ব্লেকমেইলিঙৰ অন্যতম উৎস হিচাপে ব্যৱহাৰ কৰাৰ ফলত বহুতৰে জীৱন ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। কেৱল সেয়াই নহয় বিভিন্ন শোষণৰো উৎস হৈ পৰিছে। এই শোষণৰ ভিতৰত যৌন শোষণ অন্যতম। অপপ্ৰচাৰ চলোৱাৰো মাধ্যম হৈছে ফেচ্বুক। এজনে আন এজনৰ নামত লিখি ব্লেকমেইলিং বা অপপ্ৰচাৰ চলোৱাটো তেনেই সহজ হৈ পৰিছে। শেহতীয়াভাৱে অসমতো তেনে ঘটনা সংঘটিত হৈছে। কেবাটাও ঘটনাই ইতিমধ্যে প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছে। যুৱ-প্ৰজন্মৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'লেও ই কিন্তু ভৱিষ্যতে এই প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিব পাৰে বুলি শংকা প্ৰকাশ কৰিছে সচেতন মহলে। যি ষ্টাইলত ফেচ্বুক ব্যৱহাৰ হ'বলৈ ধৰিছে সেই গতিত চলি থাকিলে ভৱিষ্যৎ প্ৰজন্মৰ বাবে ই নিশ্চয় শংকাৰ কাৰণ হৈ পৰাটো নিশ্চিত। গতিকে ইয়াৰ ব্যৱহাৰ সীমিত হোৱাটো বাঞ্ছনীয়। এইক্ষেত্ৰত সকলোৰে দায়িত্ব আছে। এটা ছ'চিয়েল নেটৱৰ্কক পণ্য সামগ্ৰীলৈ যাতে পৰ্যবসিত কৰিব নোৱাৰে তাৰ বাবে সময় থাকোতেই ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ফেচবুকৰ নেতিবাচক দিশটোত যুৱ-প্ৰজন্মই অধিক গুৰুত্ব দিয়া বাবেই এই শংকাৰ সৃষ্টি হৈছে। ম'বাইল ফোনৰ ব্যৱহাৰে যোগাযোগ খৰতকীয়া কৰিলেও যুৱ-প্ৰজন্মৰ মাজত অপৰাধপ্ৰৱণতা সৃষ্টিতো ইন্ধন যোগোৱা উৎস হিচাপে চিহ্নিত হৈছে। প্ৰাথমিক বিদ্যালয়ত পঢ়া শিশুৰ হাতত ম'বাইল সহজলভ্য হোৱাত যিদৰে যুৱ-প্ৰজন্মৰ মাজত অপৰাধীৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিলে, তেনে ভয়াৱহ ছবি এখন স্পষ্ট হৈ পৰিছে ফেচ্বুকৰ ক্ষেত্ৰতো। জোঁৰ পুৰি হাত পালেহি। সকলোৰে সতৰ্ক হ'বৰ হ'ল।

# ড° ভূপেন হাজৰিকা আৰু ফেশ্বন

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক অসমৰ ফেশ্বন আইকন বুলি ক'লে অত্যুক্তি কৰা নহ'ব। কোনো ফেশ্বন ৰেম্পত খোজ নিদিয়াকৈ তেওঁ বিশ্ববাসীৰ সন্মুখত নিজকে ফেশ্বন আইকন হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। সম্ভৱতঃ তেৱেঁই প্ৰথমগৰাকী শিল্পী— যিয়ে অসমৰ জনজাতীয় সাজপাৰক বিশ্ববাসীৰ সন্মুখত নতুন ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে। জনজাতীয় পোছাকক নতুন ৰূপত দাঙি ধৰাৰ পাছতে অসমত ইয়াৰ চাহিদা বৃদ্ধি পালে। এতিয়া যুৱ-প্ৰজন্মৰ গাত দেখা পোৱা এই পোছাকৰ চাহিদা বৃদ্ধিৰ লগে লগে ইয়াৰ বজাৰখনো ভাল হ'ল। ৰঙা-নীলা বৰণৰ ফুটুকা-ফুটুকী চাৰ্ট আৰু টি-চাৰ্ট পিন্ধি ভাল পোৱা ড° হাজৰিকাই কিন্তু পোছাকৰ ক্ষেত্ৰত সদায় সতৰ্ক আছিল। ফেশ্বনৰ নামত বিকৃত সংস্কৃতিৰ বীজ সিঁচি দিয়া নাছিল। সেইবাবে তেওঁৰ ছাঁটো কোনোৱে আজিলৈকে স্পৰ্শ কৰিব পৰা নাই।

জনজাতীয় পোছাকসমূহৰ প্ৰতি তেওঁৰ আকৰ্ষণ বৃদ্ধি পালে সেয়াও এক চৰ্চাৰ বিষয়। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ এনে এটি জনজাতীয় লোকৰ বাসভূমিলৈ বা অঞ্চললৈ নোযোৱাকৈ আছিল য'ৰ পৰা শিল্পীগৰাকীয়ে সৃষ্টিৰ সমল নোগোটোৱাকৈ আছিল। দিচাংমুখত বহি গীত ৰচনা কৰাৰ সময়তো

তেওঁ কেৱল গীতেই ৰচনা কৰা নাছিল, সমান্তৰালভাৱে পোছাক-পৰিচ্ছদ সম্পৰ্কেও অধ্যয়ন কৰিছিল। সেয়েহে তেওঁৰ গাত সততে দেখা পোৱা জনজাতীয় পোছাকসমূহত পৰম্পৰাগত ফেশ্বনহে ফুটি উঠিছিল। বিশেষকৈ যিবোৰ হাফ বা ফুল কোট পৰিধান কৰিছিল তাতেই বিচাৰি পোৱা যায় এক সমন্বয়ৰ ক্ষেত্ৰ।

ড° হাজৰিকাৰ টুপীটো! তেওঁৰ ব্যক্তিত্বৰ ক্ষেত্ৰত টুপীটোৰ ভূমিকা আছিল অনন্য। টুপীটো নোহোৱাকৈ ক'লৈকো নোলাইছিল। সভা-সমিতিৰ কথা বাদেই ঘৰত থাকিলেও মূৰত অনবৰতে লাগি আছিল ক'লা ৰঙৰ টুপীটো। ভিন ভিন ডিজাইনৰ টুপী পিন্ধিলেও মূলতঃ ক'লা বৰণৰ ওপৰতহে তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰিছিল। টুপীটো নিপিন্ধা সময়ৰ ফটো আৰু পৰিধান কৰি উঠা ফটোৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখা যায়। আগৰ ফটোবোৰ চালে কোনো মিল পোৱা নাযায়। মানুহৰ ব্যক্তিত্বৰ স'তে সাজ-পোছাকৰ সম্পৰ্ক থাকে। কিছুমান সাজ-পৰিধান কৰিলে মানুহজনক ভাল লাগে, কিছুমান পৰিধান কৰিলে কিন্তু মনত প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰে। ড° হাজৰিকাৰ ক্ষেত্ৰতো একেই ধৰণৰ প্ৰতিচ্ছবি এখন ফুটি উঠে। আমি তেওঁক যিটো ৰূপত দেখিছো তাৰ বাহিৰে আন অৱস্থাত দেখিলে মনটোৱে সেয়া মানি ল'ব নোখোজে ভূপেন হাজৰিকা মানেই মূৰৰ টুপীটো আৰু আকৰ্ষণীয় ৰংচঙীয়া পোছাক। আন ৰূপত কোনোৱে গ্ৰহণ কৰাটো অসম্ভৱ। তেওঁৰ অনন্য বেশ-ভূষাই কেৱল তেওঁৰ ব্যক্তিত্বতে প্ৰভাৱ পেলোৱা নাই, তাৰ সমান্তৰালভাৱে আনকো এইক্ষেত্ৰত অনুপ্ৰাণিত কৰিছিল। অসমীয়া সাজ-পোছাকক এক নতুন মাত্ৰা দিছিল। বিশ্বৰ আন ঠাইৰ লোকতকৈ আমিও কোনোগুণে কম নহয়, তাকেই ড° হাজৰিকাই প্ৰমাণ কৰি দেখুৱাইছিল।

ড° হাজৰিকাৰ কেৱল সাজ-পোছাকতেই যে ফেশ্বন প্ৰকাশ পাইছিল তেনে নহয়, তেওঁৰ চহীটোৱো এক সুকীয়া বৈশিষ্ট্য আছিল। চহীটো দেখিলেই সকলোৱে চকু ফুৰায়। এক যাদুকৰী শক্তি আছিল চহীটোত। অস্বাভাৱিক নহয়, অথচ আকৰ্ষণীয়। এটা চহীও যে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব পাৰে সেয়া প্ৰমাণ কৰি দেখুৱালে ড° হাজৰিকাই। অসমৰ ইতিহাসৰ সোণালী অধ্যায়ত লিপিবদ্ধ হৈ ৰ'ব সুধাকণ্ঠৰ সকলো কথা। এই সকলো কথাৰ মাজতেই থাকিব তেওঁৰ ফেশ্বন।

# ভোগালীৰ পিঠা আৰু ব্যৱসায়ৰ বিশাল ভাণ্ডাৰ

ভোগালী বিহুৰ আনন্দ মানেই বিভিন্ন ধৰণৰ পিঠা-পনা, চিৰা-দৈ ইত্যাদি। পৰম্পৰাগতভাৱেই এই বিহুটিত সকলোৱে ভিন্ন ধৰণৰ পিঠা বনায়। নাৰিকল পিঠা, তিলপিঠা, তিলৰ লাডু, নাৰিকলৰ লাডু, মাহকৰাই আদি খোৱাৰ আনন্দই বেলেগ। কিন্তু পৰম্পৰাগতভাৱে প্ৰস্তুত কৰা পিঠা-লাডুৰ বাবে প্ৰয়োজনীয় উপকৰণৰ পৰিমাণ লাহে লাহে হ্ৰাস পাবলৈ ধৰিছে। চাহিদা অনুযায়ী উৎপাদন আশাব্যঞ্জক নহয়। সেয়েহে অভাৱনীয়ভাৱে বৃদ্ধি পাইছে এই উপকৰণসমূহৰ মূল্য। এনে এক সন্ধিক্ষণৰ মাজতে কিন্তু পিঠা, চিৰা-দৈ প্ৰস্তুত কৰা কাৰ্য লাহে লাহে উদ্যোগলৈ পৰ্যবসিত হোৱাটো কিন্তু নিবনুৱাৰে ভৰি থকা ৰাজ্যখনৰ বাবে এক ইতিবাচক দিশ। বিশেষকৈ চহৰাঞ্চলত বৃদ্ধি পোৱা পিঠা-লাডু, আদিৰ চাহিদাক কেন্দ্ৰ কৰিয়েই ক্ষুদ্ৰ উদ্যোগটো গঢ় ল'বলৈ ধৰিছে। ইতিমধ্যে কেবাজনো উদ্যমী যুৱকে এনেধৰণৰ খাদ্য-সম্ভাৰ প্ৰস্তুত কৰি সাফল্যও অৰ্জন কৰিবলৈ সক্ষম হৈছে।

প্লেটত সুন্দৰকৈ সজাই ৰখা পিঠা-লাডুৰ বিক্ৰী আশাপ্ৰদ হোৱা বাবে সম্প্ৰতি ৰাজ্যখনৰ বিভিন্ন ঠাইত আত্মসহায়ক গোটসমূহে আগ বাঢ়ি আহিছে। ন-উদ্যমেৰে এই উদ্যোগটোৰ পৰিসৰ বৃদ্ধি কৰাত ব্যস্ত হৈছে।

সুস্বাদু খাদ্য-সম্ভাৰখিনি যে প্লাষ্টিকৰ পেকেটত সোমোৱাৰ লগে লগে ইমান চাহিদা বৃদ্ধি পাব সেয়া আগতে কোনোৱে হয়তো ভাবিবই পৰা নাছিল, ইয়াৰ যে এনে এখন প্ৰচুৰ সম্ভাৱনাপূৰ্ণ বজাৰ আছে। আন্তৰ্জাতিক বজাৰত যিবোৰ 'কেক'ৰ চাহিদা আছে তাৰ তুলনাত কোনোগুণেই কম নহয় অসমীয়াৰ পিঠা-পনা। ইমান সুস্বাদু খাদ্য-সম্ভাৰ খুব কমেইহে বিচাৰি পোৱা যায়।

অসমত নিবনুৱাই ঠাহ খাই আছে। সকলোৰে বাবে চাকৰি সম্ভৱ নহয়। সেয়েহে এনেধৰণৰ উদ্যোগত মনোনিৱেশ কৰি আত্মসংস্থাপনৰ পথ বাছি লোৱাৰো সুযোগ পাইছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে আগতে এনে পিঠা-লাডুৰ চাহিদা বিহুৰ সময়তে বেছি আছিল। কিন্তু আজিকালি বছৰৰ বাৰ মাহতেই পিঠা-লাডু, সমানেই বিক্ৰী হয়। উৎসৱ-পাৰ্বণৰ সময়ত এইবোৰ ক্ৰয় কৰা গ্ৰাহকৰ অভাৱ নাই। সবাতোকৈ গুৰুত্বপূৰ্ণ দিশ এইটোৱেই যে কেৱল অসমীয়াৰ মাজতেই নহয় আন সম্প্ৰদায়ৰ লোকৰ মাজতো ই সমানেই জনপ্ৰিয়।

পিঠা-লাডু, আদিত কোনোধৰণৰ ৰং আদি ব্যৱহাৰ কৰা নহয়। সেয়েহে প্ৰাকৃতিক গুণেৰে ই সমৃদ্ধ হৈ থাকে। অৱশ্যে সংৰক্ষণৰ বাবে কোনোধৰণৰ ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰা নহয় বাবে বেছিদিন ভালে নাথাকে। কম সময়ৰ ভিতৰতেই ভেঁকুৰ লাগে। চুঙা পিঠা, তিল পিঠা আদিত এসপ্তাহমান পাছত ভেঁকুৰ লাগে। সেয়েহে উপযুক্তভাৱে সংৰক্ষণৰ বাবে যদি বিজ্ঞানসন্মত পদ্ধতি অৱলম্বন কৰে তেন্তে ই অধিক ফলদায়ক হ'ব। বিশ্ব স্বাস্থ্য সংস্থাই কিছুমান দ্ৰব্য স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত সীমিত পৰিমাণে ব্যৱহাৰ কৰিলে শংকাৰ কাৰণ নাথাকে বুলি ইতিমধ্যে স্পষ্টভাৱে ঘোষণা কৰিছে। সেইবোৰ নীতি-নিৰ্দেশনা মানি লৈ আমি যদি বজাৰত বেছিদিন সংৰক্ষণ কৰি বিক্ৰী কৰিব পাৰো তেন্তে বজাৰখন আৰু অধিক সম্প্ৰসাৰিত কৰিব পৰা যাব।

এই বজাৰখন আন ৰাজ্যলৈ সম্প্ৰসাৰিত কৰিবলৈকো সম্ভৱ হ'ব। তদুপৰি আন্তৰ্জাতিক পৰ্যায়ত প্ৰতিষ্ঠা কৰিবলৈ হ'লে ইয়াক আৰু অধিক আকৰ্ষণীয় কৰি তুলিব লাগিব। আৰু এটা কথা ঠিক যে ইয়াৰ স্বত্বত যাতে বহিঃব্যৱসায়ীৰ হাতোৱা নপৰে সেই ক্ষেত্ৰতো সতৰ্ক হ'বই লাগিব। শুৱালকুছিৰ পাট-মুগাৰ কাপোৰৰ ব্যৱসায়ৰ দৰে যাতে আনৰ হাতলৈ যাব নোৱাৰে তাৰ বাবে এতিয়াৰে পৰাই আমি সতৰ্ক হোৱা উচিত।

# গণতন্ত্ৰ য'ত মুখ্য

সাফল্য আৰু ব্যৰ্থতাৰ এক দোদুল্যমান স্থানত অৱস্থিত ভাৰতীয় গণতন্ত্ৰ। এফালে যেনেকৈ এই গণতন্ত্ৰৰ জিন্দাবাদ ধ্বনি শুনা যায়, আনফালে তেনেকৈ শুনা যায় ইয়াৰ নিন্দাবাদ ধ্বনি। সুদীৰ্ঘ ছটা দশকৰো অধিক কাল ধৰি বৰ্তাৰ পিছত আজিও ভিন্ন মত শুনা যায় ভাৰতীয় গণতন্ত্ৰ সন্দৰ্ভত;— এই গণতন্ত্ৰ সফল নে ব্যৰ্থ? নিজৰ নিজৰ মতৰ সপক্ষে উভয়পন্থীয়ে আগ বঢ়ায় সবল যুক্তিও।

জনসংখ্যাৰ ফালৰ পৰা বিশ্বৰ বৃহত্তম গণতন্ত্ৰ আমাৰ এই ভাৰতীয় গণতন্ত্ৰ। বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰই সন্মানৰ দৃষ্টিৰে চায় ভাৰতীয় গণতন্ত্ৰক। প্ৰশংসাৰে ওপচাই দিয়ে আমাৰ দেশৰ গণতন্ত্ৰক সঁচাকৈয়ে, এশ বিশ কোটিৰো অধিক মানুহৰ এখন দেশ। অথচ বিশেষ কোনো বিশৃংখলতা নোহোৱাকৈ চলি আহিছে এই দেশৰ শাসন পদ্ধতি। সময় অনুসৰি নিৰ্বাচন অনুষ্ঠিত হৈছে। মধ্যৱৰ্তী নিৰ্বাচন অনুষ্ঠিত হ'ব লাগিলেও শৃংখলাবদ্ধভাৱেই হৈছে। নিৰ্বাচন অনুষ্ঠিত কৰা সংস্থা— ভাৰতৰ নিৰ্বাচন আয়োগেও যথেষ্ট স্বতন্ত্ৰীয়াভাৱেই কাম কৰাৰ সুযোগ বা

ক্ষমতা পাইছে। ৰাইজে হিল-দ'ল ভাঙি আহি ভোট দিছে। পছন্দৰ প্ৰাৰ্থীক বিজয়ী কৰাইছে, অপছন্দৰ প্ৰাৰ্থীক দলিয়াই দিছে। পূৰ্বৰ শক্তিশালী বিজয়ী প্ৰাৰ্থীয়েও পৰৱৰ্তী দিনবোৰত দেখিছে শোচনীয় পৰাজয়ৰ মুখ। আনহাতে পূৰ্বতে শোচনীয়ভাৱে পৰাজিত প্ৰাৰ্থীয়েও কেতিয়াবা কেতিয়াবা দেখিছে বিপুল বিজয়ৰ মুখ। সকলো ঘটিছে জনগণৰ ইচ্ছাত। সকলো সম্ভৱ হৈছে ভাৰতীয় গণতন্ত্ৰৰ সৌজন্য বা বদান্যতাত। এই দেশত ৰাইজে নিজৰ ইচ্ছানুসৰি ধৰ্ম চৰ্চা, সংস্কৃতি চৰ্চা, সাহিত্য চৰ্চা, বিজ্ঞান চৰ্চা, ৰাজনীতি চৰ্চাৰ অধিকাৰ পাইছে। পাইছে সংগঠন কৰাৰ, আন্দোলন কৰাৰ, শাসক পক্ষৰ বিৰোধিতা কৰাৰ অধিকাৰ। তেনেহ'লে ভাৰতীয় গণতন্ত্ৰ নিশ্চয় সফল হৈছে।

পিছে এয়াই যথেষ্টনে? নে এইবোৰ ভাৰতীয় গণতন্ত্ৰ কেৱল বাহিৰৰ চাকচিক্যপূৰ্ণ আৱৰণ এখন? এনেবোৰ প্ৰশ্নও একেবাৰে অমূলক নহয়। কিয়নো যিখন দেশত আধাতকৈ অধিক নাগৰিক দৰিদ্ৰতা আৰু নিৰক্ষৰতাৰ গ্ৰাসত সোমাই আছে, যিখন দেশত বিভিন্ন ক'লা-আইনে অনবৰত জনগণৰ টেঁটুত চেপা মাৰি ধৰি আছে, যিখন দেশত জনসাধাৰণে নিতৌ আৰক্ষী, অৰ্ধসামৰিক বাহিনী, সেনাবাহিনীৰ দুৰ্ব্যৱহাৰৰ সন্মুখীন হ'ব লাগে, যিখন দেশত বিনা বাধাৰে তথাকথিত 'জননেতা'ই জনগণৰ ধন লুটি-পুতি খাই শাস্তিৰ সন্মুখীন নোহোৱাকৈ থাকিব পাৰে, সেইখন দেশৰ গণতন্ত্ৰক নিশ্চয় সফল গণতন্ত্ৰ বুলি ক'ব নোৱাৰি।

কিন্তু উভয় পক্ষৰ এনেবোৰ যুক্তি মানি লৈও আমি এটা কথা লক্ষ্য কৰিব লাগিব যে— ভাৰতৰ সমসাময়িকভাৱে বিশ্বৰ যিবোৰ দেশে বৃটিছ বা অন্য ঔপনিৱেশিক শক্তিৰ হাতৰ পৰা স্বাধীনতা লাভ কৰিছে সেই দেশবোৰৰ অৱস্থা কি হৈছে? বেছি দূৰলৈ নগৈ আমি যদি আফগানিস্তান, পাকিস্তান, বাংলাদেশ, শ্ৰীলংকা, ম্যানমাৰ আদি দক্ষিণ এছিয়াৰ দেশসমূহলৈকো লক্ষ্য কৰো, তেনেহ'লে দেখিবলৈ পাওঁ যে এই দেশসমূহৰ কোনোখন দেশ যদি অন্তহীন গৃহযুদ্ধৰ মাজলৈ সোমাই গৈছে, কোনোখন দেশত সামৰিক অভ্যুত্থান ঘটি গণতন্ত্ৰ কবৰস্থ হৈছে। কোনোখন দেশ আকৌ সোমাই পৰিছে ধৰ্মীয় মৌলবাদৰ কঢ়াল গ্ৰাসত। অথচ এনে অৱস্থাতো ভাৰতত ন্যূনতম গণতান্ত্ৰিক ব্যৱস্থা আৰু প্ৰমূল্যসমূহ বৰ্তি আছে। এয়া নিশ্চয় একেবাৰে উলাই বা উপেক্ষা কৰিব পৰা কথা নহয়।

কিন্তু এইখিনিতে অন্য এটা প্ৰশ্নও উত্থাপিত নহয়। এইখন দেশ গণৰাজ্যত

পৰিণত হোৱাৰ ৬২ বছৰ পাৰ হৈ যোৱাৰ পিছত কেৱল ন্যূনতম গণতান্ত্রিক ব্যৱস্থা আৰু প্ৰমূল্যখিনিক লৈয়েই আমি সন্তুষ্ট থাকিব পাৰোনে? বা আমি সন্তুষ্ট থকা উচিতনে? নিশ্চয় নহয়। আমি নিশ্চয় প্ৰত্যাশা কৰা উচিত আমাৰ দেশখনো আমেৰিকা, ইংলেণ্ড বা অন্য বিভিন্ন ৰাষ্ট্ৰ নিচিনা প্ৰাপ্তবয়স্ক গণতান্ত্রিক ৰাষ্ট্ৰ হৈ উঠাটো; যিখন ৰাষ্ট্ৰত সকলো নাগৰিকৰ অধিকাৰ সুৰক্ষিত হৈ থাকিব, সকলোধৰণৰ বৈষম্য লোপ পাব, দৰিদ্ৰতা, দুৰ্নীতি, অশিক্ষা নাথাকিব আৰু সকলো নাগৰিকে গণতন্ত্ৰৰ মূল্য উপলব্ধি কৰি সুখী হ'ব পাৰিব।

পিছে এনে প্ৰত্যাশা কৰিয়েই আমি হাত সাবটি বহি থাকিলে নহ'ব। এই প্ৰত্যাশী যিদৰে আমাৰ অধিকাৰ, ঠিক তেনেদৰে এনেকুৱা এক গণতন্ত্ৰৰ বিকাশত সহায় কৰাটো বা অৱদান যোগোৱাটো আমাৰ কৰ্তব্যও। গণতন্ত্ৰ জনগণৰ দ্বাৰা, জনগণৰ বাবে জনগণৰ চৰকাৰ। সেয়ে ইয়াত জনগণেই মুখ্য। ভাৰতৰ জনগণেও নিজৰ এই গুৰুত্ব উপলব্ধি কৰি অধিকাৰৰ লগতে কৰ্তব্যৰ প্ৰতি সচেতন হ'লেও আমাৰ গণতন্ত্ৰ পূৰ্ণ ৰূপত বিকশিত হ'ব আৰু ই বিশ্বৰ চকুত হৈ উঠিব অধিক সন্মানীয়। আমি মনত ৰাখিব লাগিব যে ইউৰোপৰ মানুহে কাপোৰ পিন্ধিবলৈ শিকাৰ আগতেই ভাৰতত গণতান্ত্রিক প্ৰমূল্যৰ বিকাশ ঘটিছিল। এই অতীত ঐতিহ্যৰ প্ৰতিও আমি নিশ্চয় শ্ৰদ্ধাশীল হ'ব লাগিব।

# মেডাম টুছোত স্থান নাপাব কিয় সুধাকণ্ঠই ?

ড° ভূপেন হাজৰিকাৰ সৃষ্টিসমূহ সংৰক্ষণৰ দায়িত্ব সকলোৰে। শিল্পীগৰাকীৰ প্ৰতিটো শব্দ, প্ৰতিটো কথাই বিশ্ববাসীৰ বাবে অনুকৰণীয়। চিৰদিনৰ বাবে অক্ষত হৈ থাকক সৃষ্টিৰাজি। অ'ত-ত'ত সিঁচৰতি হৈ থকা মহান শিল্পীগৰাকীৰ স্মৃতি বিজড়িত সকলোবোৰ সম্পদ সংৰক্ষণ কৰাৰ দায়িত্ব প্ৰতিগৰাকী অনুৰাগীৰেই। কোনো ঠাইত যদি ড° হাজৰিকাৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে আন ঠাইত আকৌ উদ্যান মুকলি কৰা হৈছে। বিভিন্ন ঠাইত সংগীত বিদ্যালয়, সংঘ, ক্লাব আদিৰো নামকৰণ কৰা হৈছে। অসমগৌৰৱ শিল্পীগৰাকীৰ নামত প্ৰতিষ্ঠিত পুথিভঁৰাল, সংগঠন আদি যাতে সংৰক্ষণৰ অভাৱত জহি-খহি নাযায়, তাৰ প্ৰতি সতৰ্ক হ'অব লাগিব সকলোৰে। যদি আমি কেৱল আৱেগৰ বশৱৰ্তী হৈ এইবোৰ নিৰ্মাণ কৰো তেন্তে তাৰদ্বাৰা শিল্পীগৰাকীৰ স্মৃতি বিজড়িত অনুষ্ঠানসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত প্ৰশ্ন উত্থাপন হ'ব। আৱেগৰ বশৱৰ্তী হৈ যিকোনো কাম কৰিলে তাৰ পৰিণতি যে স্থায়ী হ'ব নোৱাৰে সেই বিষয়ে নিশ্চয় দোহৰাৰ প্ৰয়োজন নাই। এনেধৰণৰ স্মৃতি কেৱল মানসপটতহে থাকি যায়, বাস্তৱত নহয়।

সুধাকণ্ঠৰ মৃত্যুৰ সময়ত সমগ্ৰ ৰাজ্যতে যি শোকৰ বন্যা বৈছিল আৰু ঠায়ে ঠায়ে স্মৃতিসৌধ নিৰ্মাণ, অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপন, নামকৰণৰ ঢৌ উঠিছিল নিঃসন্দেহে তেনে ঢৌ সমগ্ৰ বিশ্বতেই বিৰল। পপ্ সংগীতৰ তাৰকা মাইকেল জেকছনৰ মৃত্যুৰ সময়তো এনেধৰণৰ ঢৌৰ সৃষ্টি হোৱা নাছিল। কিন্তু জেকছনে স্থান পালে মেডাম টুছোত। ড° হাজৰিকাৰো সৃষ্টিৰাজিৰ যদি আমি ভালদৰে মূল্যায়ন কৰিব পাৰো তেনেহ'লে মেডাম টুছোত স্থান লাভ নকৰাৰ কোনো

কাৰণ থাকিব নোৱাৰে। ড° হাজৰিকা কি নাছিল— গায়ক, গীতিকাৰ, সংগীত পৰিচালক, চলচ্চিত্ৰ পৰিচালক, চিত্ৰকৰ ইত্যাদি ইত্যাদি। প্ৰতিবছৰে বিশ্বৰ দহগৰাকী ব্যক্তিক নিৰ্বাচন কৰা হয় মেডাম টুছোত স্থান দিয়াৰ বাবে। বিশ্ববাসীৰ বাবে কিবা এটা কৰি থৈ যোৱা লোকক এই সংগ্ৰহালয়টোত স্থান দিয়াৰ বাবে সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ থাকে। সেয়েহে আমি যদি ড° হাজৰিকাৰ কৰ্মৰাজি সঠিক ৰূপত উপস্থাপন বা মূল্যায়ন কৰিব পাৰো তেন্তে নিশ্চয় এইটো সংগ্ৰহালয়ত স্থান লাভ কৰিব। ড° হাজৰিকা আন্তৰ্জাতিক খ্যাতিসম্পন্ন আছিল যদিও আমি কিন্তু মৃত্যুৰ আগলৈকে এক নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰতহে ৰাখিলো। এইগৰাকী মহান শিল্পীৰ গীতসমূহ যদি ইংৰাজী ভাষালৈ অনুবাদ কৰো তেন্তে বিশ্বৰ আন প্ৰান্তৰ লোকে জানিব পাৰিব গীতসমূহৰ গভীৰতা। যিমানেই প্ৰচাৰ হ'ব সিমানেই পৰিসৰো নিশ্চয় বৃদ্ধি পাব। তেনেদৰে সমানে চৰ্চাও হ'ব। হেজাৰ হেজাৰ গীত ৰচনা কৰা আৰু সুৰ দিয়া শিল্পী খুব কমেই ওলাব। নিজৰ গীতত ছবি আঁকিব পৰা শিল্পী আছিল তেওঁ। সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ অন্তদৃষ্টিৰে চাব পৰা শিল্পী আছিল। মানুহৰ অনুভূতি বুজিব পাৰিছিল তেওঁ। হেৰুওৱাজনক সান্ত্বনা দিব পাৰিছিল। নোপোৱাজনক প্ৰেৰণা দিছিল পোৱাৰ পথত খোজ পেলাবলৈ। দেশবাসীক উদ্বুদ্ধ কৰিছিল দেশ সেৱাৰ বাবে। স্বজাতিৰ বাবে কিবা কৰিবলৈ ওলাই আহিবলৈ আহ্বান জনাইছিল। হাতে-কামে লাগিবলৈ তৰুণ-তৰুণীসকলক শ্ৰমৰ মৰ্যাদা সম্পৰ্কে আদিপাঠ দিছিল গীতৰ মাজেদি, কৰ্মৰদ্বাৰা। তেনে এগৰাকী মহান শিল্পীক আমি এতিয়াও জানো সঠিক মূল্যায়ন কৰিব পাৰিছো। কেৱল জজ খেলপথাৰত মৃতদেহ ৰাখি লক্ষ লক্ষ জনতাই শ্ৰদ্ধা জনোৱাটোতে জানো আমাৰ কৰ্তব্য শেষ হ'ল?

এতিয়া আমাৰ কৰণীয় ড° হাজৰিকাৰ কৰ্মৰাজিক সদায় সজীৱ কৰি ৰখাটো। তেওঁৰ মৃত্যুৰ পাছত আৱেগপ্ৰৱণ আমি সকলোৰে বহু কথা ক'লো। দাবীও তুলিলো বহুতো— শিল্পীগৰাকীৰ গীত ৰাজহুৱা স্থানত সদায় আধাঘণ্টাৰ বাবে হ'লেও বজাব লাগে। কিন্তু লাহে লাহে আমি এইবোৰ পাহৰিব ধৰিলো। হয়তো কিছুদিন পাছত এইকণো নোহোৱা কৰি আকৌ এবছৰৰ বাবে পাহৰিম। এনেদৰে চলি থাকিব এক প্ৰক্ৰিয়া— কিছুদিন, কিছু বছৰ, কেবা দশক। এনেকৈয়ে আমিও পাহৰিম। নৱ-প্ৰজন্মক মাথোঁ ক'ব পাৰিম তেওঁ এজন গায়ক আছিল।

# চিঠিৰ বোজা কঢ়িওৱা পিয়নসকল ক'লৈ গ'ল?

পিয়নবোৰ ক'লৈ গ'ল? আপোনজনৰ চিঠিখন পিয়নে লৈ আহিব বুলি পদূলিৰ মূৰত দীৰ্ঘদিন অপেক্ষা কৰাৰ দিন আজি আৰু নাই। এতিয়া ম'বাইলৰ যুগ। ইয়াত মাৰিলে টিপা গড়গাঁও পালেগৈ শিপা। বিশ্বায়নৰ যুগত পৃথিৱীখন সৰু হৈ গ'ল। ইণ্টাৰনেটৰ সংযোগে পৃথিৱীৰ ইটো মূৰক আনটো মূৰৰ স'তে সংযোগ কৰাত বিশ্বখনেই হৈ পৰিল এখন বৃহৎ গাঁও। এই বৃহৎ গাঁওখনত পিয়নৰ প্ৰয়োজনো নোহোৱা হ'ল। সেয়েহে হয়তো এতিয়া খগেন মহন্তৰো গানটো নুশুনা হ'লো—

‘কাউৰী পৰে কলৰে পাততে কাউৰী পৰে
অ' অ' জেউতি তোলৈ মোৰ মনত পৰে।
... আছোহি পিয়নৰ চাকৰিতে ।’

আনৰ সংবাদ কঢ়িয়াই ফুৰা পিয়নজনে প্ৰেয়সীৰ সংবাদ নাপায় এতিয়া আৰু দুখৰ বোজা কঢ়িয়াব নালাগে।

পিয়নবোৰ গ'ল মানে চিঠিৰ আদান-প্ৰদানো কমিল। আপোনজনক শুভেচ্ছা জনাবলৈ চিঠি অথবা শুভেচ্ছাপত্ৰবোৰ এলাগী হ'ল। এছ.এম.এছ- এই শব্দটোৱে চিঠিৰ প্ৰয়োজনীয়তা নাইকিয়া কৰিলে। চিঠিখন বহু দিনৰ মূৰত হাতত পৰাৰ লগে লগে মনত যি অনুভূতিৰ সৃষ্টি হয়, যি অবুজ ভাবৰ ঢৌবোৱে খুন্দা মাৰে সেয়া কিন্তু এছ. এম.এছত পোৱা নাযায়। অজান অনুভূতিৰ পৰিৱৰ্তে যান্ত্ৰিকতাই স্থান ল'লে। এতিয়া কাৰো বুকুখন ঢপ্ ঢপ্ নকৰে। ঢেঁকীৰ ধান বনা শব্দৰ দৰে অনুৰূপ শব্দৰ সৃষ্টি নহয়। কাৰণ খুলি চাবলৈ চিঠিখন নাহে। পিয়নেও পদূলিৰ মূৰত চাইকেলৰ বেলটো বজাই মাতিবলৈ নাহে। পৰিয়ালৰ আন সদস্যৰ

চকুত ধূলি মাৰি চেগ বুজি পিয়নৰ হাতৰ পৰা চিঠিখন আলফুলে বুকুৰ মাজত ল'বলৈ কোনোৱে মেকুৰীৰ দৰে চুপি থাকিব নালাগে।

পিয়নে চিঠিখন কঢ়িয়ালেও তেওঁ নাজানে সেই চিঠিখনে কি সংবাদ কঢ়িয়াই আনিছে। জন্ম, বিবাহ, মৃত্যু নে চাকৰিৰ সংবাদ! পিয়ন নাই মানে লেফাফাবোৰো নাইকিয়া হ'বলৈ ধৰিলে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে কিমান পৰিৱৰ্তন হ'ল এইখন পৃথিৱীৰ।

সাত সাগৰ তেৰ নদী পাৰ হৈ অহা চিঠিখন কোনে কঢ়িয়াই আনিব? কোনে খুলি চাব? আঁৰে আঁৰে চিঠি পঢ়াৰ মাদকতা আজি জানো কোনোবাই বিচাৰি পাব। নাই নাপায়। পাব নোৱাৰে। নোৱাৰে মানে নোৱাৰেই। কাৰণ সকলোৰে চিনাকি পিয়নজনক দেখিবলৈকে নাই। ছাঁটোকে দেখিব নাপাওঁ। এতিয়া আৰু তাৰ বাবে কোনোৱেই বৈ নাথাকে। কেতিয়াবা ভাবিলে এইবোৰ কথা পিয়নজনৰো সাঁথৰ সাঁথৰ লগা হ'ল। সি এতিয়া নিশা ভালদৰে শুব নোৱাৰে। কাৰণ তাৰ হাতত কোনো কামেই নাই। আনৰ মৰম, ভালপোৱা, সুখৰ বোজা কঢ়িওৱা চিঠিবোৰ ডাকঘৰলৈ নহা হ'ল। আগতে তাৰ বাবে সকলোৱে পদূলিৰ মূৰত উপস্থিত হৈছিল। কিমান সময় অপেক্ষা কৰিছিল চিঠিখনৰ বাবে। তাকে লৈ সিও গৌৰৱবোধ কৰিছিল। অ' কেতিয়াবা আকৌ তাৰ মনটোৱেও উচুপি উঠিছিল। চকুলো বাগৰি আহিছিল আনৰ দুখ দেখি। কিন্তু এতিয়া আৰু সি এইবোৰ সহ্য কৰিবলগীয়া নহয়। কাৰণ তাৰ কাম বুলিবলৈ একোৱেই নাই। আজিকালি ডাকঘৰটোলৈ যাবলৈ তাৰ মন নাযায়। নোযোৱাটোৱে স্বাভাৱিক। কাৰণ ডাকঘৰটো উকা উকা লাগে। ক'ৰো পৰা এখন চিঠিও নাহে। ঘৰটো এতিয়া উকা উকা লাগে বাবে সি বেছি সময় বহি থাকিব নোৱাৰে। এটা দশক আগলৈকে তাক লৈ অঞ্চলটোৰ ৰাইজ ব্যস্ত আছিল। ডাকঘৰৰ সন্মুখেদি গ'লেই সকলোৱে তাক মাত লগাব গৈছিল। সেইবাবে সি নিজকে অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ব্যক্তি বুলি ভাবিছিল। কিন্তু এতিয়া! ৰাস্তাৰে গাড়ীবোৰ পাৰ হৈ যায়। ধূলিৰে ডাকঘৰটো ভৰি পৰিছে। কোনোৱে তালৈ কেৰাহিকৈয়ে নাচায়। কেতিয়াবা সি মনৰ বেজাৰতে প্ৰেয়সীৰ ওচৰলৈ যায়। কিন্তু গ'লেও তাৰ ঘৰত মনটো নবহে। কাৰোবাক চিঠিখন দিব লাগিব। এতিয়া পিছে তাৰ হাতত পৰ্যাপ্ত সময়। কাৰণ সি এতিয়া এলাগী পিয়ন।

# এগৰাকী নীৰৱ মানৱসেৱীৰ কাহিনী

শ্ৰীমতী দেৱী। এগৰাকী ৭৬ বছৰীয়া বৃদ্ধা। প্ৰকৃতিৰ নিয়ম অনুসৰিয়ে বাৰ্ধক্য নামি আহিছে। জীৱনৰ ৭৬টা বসন্ত অতিবাহিত কৰা নলবাৰী জিলাৰ বেলশৰ নামৰ গাঁওখনৰ এইগৰাকী মহিলাই কিন্তু এতিয়াও দুৰন্ত তৰুণীৰ দৰেই সম্পাদন কৰি আছে নিজ কৰ্তব্য। এটা বৃহৎ পৰিয়ালৰ ল'ৰা-ছোৱালীৰ শুশ্ৰূষাত সদা ব্যস্ত এইগৰাকী মহিলাক কিন্তু এতিয়াও বয়সে চাপ দিব পৰা নাই। পুৱা পাঁচ বজাত বিছনা ত্যাগ কৰিয়েই ল'ৰা-ছোৱালীৰ শুশ্ৰূষাত ব্যস্ত হয়। ৩২ গৰাকী ল'ৰা-ছোৱালীৰ শুশ্ৰূষাত ব্যস্ত শ্ৰীমতী দেৱীক কিছুদিন পূৰ্বে লগ পোৱাৰ পাছত মহিলাগৰাকীৰ কৰ্মোদ্যমৰ বিষয়ে জানিব পাৰি তবধ নামানি নোৱাৰিলো।

গুৱাহাটী মহানগৰীৰ নিকটৱৰ্তী জালুকবাৰীৰ সুন্দৰবৰীত অৱস্থিত অসম শিশু কল্যাণ সদনত যোৱা পাঁচ দশক নীৰৱে সেৱা আগবঢ়োৱা শ্ৰীমতী দেৱীয়ে আশ্ৰমখন জীয়াই ৰাখিবলৈ কি কৰা নাই। শিশুসকলৰ বাবে কেতিয়াবা যদি ভিক্ষাৰ পাত্ৰ লৈ বিভিন্ন ঠাইত টলৌ টলৌকৈ ঘূৰিছে, কেতিয়াবা আকৌ

বনভোজলৈ ওলাই কেৱল আশ্ৰমখনৰ বাসিন্দাক লৈ। ১৯৬৯ চনৰ পৰা কৰ্মজীৱনৰ পাতনি মেলা মহিলাগৰাকীৰ চকুৰ আগতে যি পৰিৱৰ্তন ঘটিল তাৰ নীৰৱ সাক্ষী হৈ ৰ'ল তেওঁ। পোৱা-নোপোৱাক লৈ তেওঁৰ কোনো খেদ নাই। ইশ্বৰৰ ইচ্ছা— তেওঁ যি কৰে সেয়াই পৰম সত্য হিচাপে মানি লৈ আজিও শ্ৰীমতী দেৱীয়ে কৰ্ম কৰি আছে। তেওঁৰ বাবে কৰ্মই ধৰ্ম। ঈশ্বৰে আমাক এই পৃথিৱীত মানৱসেৱা কৰিবলৈ পঠিয়াইছে। তাৰ বাবে তেওঁ সদায় সাজু। বিগত চাৰিটা দশক অনাথ শিশুসকলৰ প্ৰতিপালনৰ বাবে দিন-ৰাতি একাকাৰ কৰিছে। তথাপি হোৱা নাই ক্লান্ত।

অসম শিশু কল্যাণ সদনৰ এক ব্যতিক্ৰমী চৰিত্ৰ শ্ৰীমতী দেৱী। ব্ৰাহ্মণ্য-বিধি ব্যৱস্থাৰে বাল্য বিবাহত আবদ্ধ হোৱাৰ পাছত তেওঁ মাত্ৰ দুদিনেই স্বামীগৃহত আছিল। কইনাৰ সাজেৰে শিৰত সেন্দূৰ লৈ স্বামীগৃহত এখন সুখৰ সংসাৰ ৰচা নহ'ল তেওঁৰ। শ্ৰীমতী দেৱীয়ে সেয়াও জীৱনৰেই অংগ বুলি মানি লৈছে। তেওঁক জীৱনৰ ঘাত-প্ৰতিঘাত সম্পৰ্কে সোধোতে ক'লে— 'এয়া ভগৱানৰ ইচ্ছা। তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে আমি কাম কৰিব পাৰো জানো? বিয়াৰ পাছত মাত্ৰ দুটা দিন আছিলো স্বামীগৃহত। যিহেতু একেবাৰে সৰুতেই বিয়া হৈছিল সেয়েহে সংসাৰৰ সুখ-দুখ সম্পৰ্কে একোৱেই ধৰিব নোৱাৰিলো। যেতিয়া বিবাহ কি সেই সম্পৰ্কে বুজিব পাৰিলো তেতিয়া কিন্তু জীৱনৰ আধাখিনি সময় ইতিমধ্যে পাৰ হ'ল। সুখৰ সংসাৰ ৰচা নহ'ল। সেয়েহে ঠিক কৰিছিলো মানৱসেৱাৰে সকলোকে এটা পৰিয়ালৰ দৰে ৰাখিবলৈ। ঘটনাক্ৰমে এদিন মোক ডাঃ নলিনী শৰ্মাই গুৱাহাটীলৈ আনিলে। তাৰ পাছত গুৱাহাটীৰ মহিলা সমিতি এখনত ৰাখিলে। উষা দাস, অমলপ্ৰভা দাস, সমীৰণ দাস আদিৰ লগত কাম কৰিছিলো। পাছত মালতী বৰুৱা, ৰমা দেৱীয়ে মোক শিশু সদনলৈ লৈ আহে।'

তেওঁ পুনৰ ক'লে— '১৯৬৯ চনত মই যেতিয়া এই আশ্ৰমখনলৈ আহিছিলো তেতিয়া ইয়াত ল'ৰা-ছোৱালী আছিল মাত্ৰ ১২ গৰাকী। টিনপাটৰ ঘৰ আছিল। দ্বীপৰ মাজত থকাৰ দৰে চাৰিওফালে পানী। বৰষুণ দিলেতো কথাই নাই। বানপানীত আশ্ৰমখনলৈ আহিবলৈ কোনো ৰাস্তা নাছিল। ভুৰ (ভেল)ত উঠিয়ে ল'ৰা-ছোৱালীক স্কুললৈ অনা-নিয়া কৰিব লাগে। কি দুৰ্বিষহ ছবি। তেতিয়া হেম ভৰালী, হেম কাকতি আদিয়ে ভুৰত উঠিয়ে সদায় আশ্ৰমখনলৈ

আহি চোৰা-চিতা কৰিছিল। পথাৰৰ মাজত থকা আশ্ৰমখনত আছিল চাৰিটা কোঠা। সেই সময়ত অনাথ আশ্ৰমলৈ দান-বৰঙনি আগবঢ়োৱা লোকৰ সংখ্যা আজিৰ দৰে নাছিল। দুবছৰ ভিক্ষা কৰিয়ে ১২ গৰাকী ল'ৰা-ছোৱালীক পোহ-পাল দিছিলো। পুৱা ভিক্ষা খুজিবলৈ ওলাই যাওঁ। কোনোবাই কিবা দিয়ে। আন কোনোবাই আকৌ ভিক্ষা খোজা বাবে ককৰ্থনা কৰে। কিছুমানে লেই-লেই, ছেই-ছেইকৈ খেদি দিয়ে। তথাপি নীৰৱে সকলো সহি যাওঁ একমাত্ৰ অনাথ শিশুকেইটিৰ বাবে। কাৰণ সিহঁতৰ শেষ আশ্ৰয়স্থল এই মন্দিৰসদৃশ গৃহটো।'

আনৰ সন্তানক বুকুৰ মাজত আঁকোৱালি লৈ চাৰি দশক আশ্ৰমখনত নীৰৱে সেৱা আগ বঢ়োৱা শ্ৰীমতী দেৱীৰ কিন্তু খবৰ লওঁতা কোনো নাই। তালৈ তেওঁৰ ভ্ৰূক্ষেপো নাই। তেওঁৰ বাবে প্ৰচাৰ উদ্দেশ্য নহয়, লক্ষ্য মাথোঁ মানৱসেৱা। এইগৰাকী মহিলাৰ বুকুৰ উমাল পৰশ পাই কত শিশু এতিয়া উচ্চপদস্থ বিষয়া হ'ল। বহুজনে সংসাৰ পাতি সুখেৰে বাস কৰিছে। সঁচা অৰ্থত মানুহ কৰি আশ্ৰমৰ পৰা বিদায় দিছে। শিশুকালৰ মাতৃৰ দৰে খুৱাইছে-ধুৱাইছে। কেতিয়াবা প্ৰয়োজনত কঠোৰ হৈছে। এচাৰিৰে কোবাইছে— কেৱল শাসন কৰিবলৈ মৰমেৰে। এতিয়া সদস্যৰ সংখ্যা ৩২লৈ বৃদ্ধি পালে। সকলোৰে চোৰা-চিতা কৰিবলৈ শ্ৰীমতী দেৱীয়ে পুৱা পাঁচ বজাতে উঠি কামত ব্যস্ত হৈ পৰে। ল'ৰা-ছোৱালীৰ শুশ্ৰূষাৰ বাবে ব্যস্ত হয়। ঠিক নিজৰ ঘৰখনৰ দৰেই। আপোন পৰিয়াল। একেবাৰে আপোন।

# ৰামেশ্বৰ পাঠক বঁটা লোকশিল্পী গোকুল পাঠকলৈ

কামৰূপীয়া লোকগীতৰ শিল্পী গোকুল পাঠকক কেৱল এজন গায়ক বুলি ক'লে ভুল হ'ব। তেওঁ একাধাৰে গায়ক, গীতিকাৰ, নাট্যকাৰ, অভিনেতা, কবি, সংবাদিক, সাংস্কৃতিক ইতিহাস প্ৰণেতা, কথক আৰু সমাজসেৱক বহুমুখী প্ৰতিভাধৰ ব্যক্তি। কিন্তু এইজন শিল্পী সদায় প্ৰচাৰ মাধ্যমৰ আঁতৰত। তেওঁৰ বাবে প্ৰচাৰ নহয়, শিল্পী হিচাপে সমাজৰ উন্নয়নত অৰিহণা যোগোৱাটোহে মূল উদ্দেশ্য। কামৰূপীয়া লেকগীতৰ সাধক গোকুল পাঠকে শৈশৱৰে পৰাই নিৰৱচ্ছিন্নভাৱে সংগীত সাধনাত ব্ৰতী হৈ আহিছে। চাৰিকুৰিৰ ডেওনা অতিক্ৰমাৰ পাছতো থমকি ৰোৱা নাই সৃষ্টিৰ বাবে। সৃষ্টিৰ ক্ষেত্ৰত তেওঁ সদায় আপোচবিহীন স্থিতি গ্ৰহণ কৰিছে। লোকসংগীতৰ বিশিষ্ট ধাৰাটোক জীয়াই ৰাখিবলৈ সক্ষম হৈছে পাঠক। এই প্ৰসঙ্গত হেমাংগ বিশ্বাসে লোকগীতৰ শিল্পীজনৰ প্ৰসঙ্গত এনেদৰে উল্লেখ কৰিছে— কামৰূপীয়া গীতত ওজাপালিৰ লগত ভাটিয়ালি আৰু ভাৱাইয়াৰ মধুৰ সমন্বয় ঘটিছে আৰু কেতিয়াবা বিহুগীতৰ অস্পষ্ট লহৰ আহি স্পৰ্শ কৰিছে।— পাঠকৰ কেইটিমান গীতে আজি কামৰূপী লোকসংগীতৰ ধাৰাক চহকী কৰিছে। তেখেতৰ সাৰ্থকতাৰ প্ৰমাণ হ'ল যে

তেখেতৰ কেইটিমান গীত গোটেই অসমত কামৰূপী লোকগীত হিচাপেই অতি জনপ্ৰিয়।'

জীৱনৰ গতানুগতিকতা অস্বীকাৰ কৰি পৰম্পৰ আৰু শৃংখলিত জীৱনৰ প্ৰতি অনাস্থা প্ৰকাশ কৰি নিজৰ ৰুচি আৰু অহমিকাৰে কাঁইটীয়া জীৱনৰ সুৰ আৰু ৰচনাৰ কমল ফুলাই এক সুকীয়া ধাৰাৰে জীৱন যাপন কৰা পাঠকে সমাজৰ প্ৰতিটো স্তৰতে অৱদান আগবঢ়াইছে। কিন্তু সেইবোৰৰ যথাযথ মূল্যায়ন হোৱা নাই। আৰ্থিক দৈন্যতাৰ মাজত থাকিও সৃষ্টিৰ বাবে পিছ-হোঁহকা নাই। কেৱল সৃষ্টি।

সাংবাদিক হিচাপে পাঠক মানুহজনৰ সম্পৰ্কে প্ৰবীণ সাংবাদিক ৰাধিকা মোহন ভাগৱতীয়ে এনেদৰে মন্তব্য কৰিছে— 'সাংবাদিক পাঠকৰ সামাজিক দায়বদ্ধতা অনন্য ৰূপ 'আমাৰ দেশ' যদিও লোকশিল্পী, সাহিত্যিক নিবন্ধকাৰ হিচাপেও পাঠকৰ সুনাম আছে। সেই গুণে সকলো মিলি গোকুল পাঠকৰ সামাজিক মূল্যৰ আৰু দৃষ্টিভংগীৰ বহল ভিত্তিৰ বিশ্লেষণ হোৱাৰ দৰকাৰ বুলি এইবিলাক সকলো সামৰি মোৰ ক'বলৈ মন গৈছে— পাঠকে বহলভাৱেই জাতীয় স্বীকৃতি পোৱা উচিত। স্বীকৃতিৰ কথা ভাবি তেখেতে নিশ্চয় কাৰ্যব্ৰতী বা কৰ্ম তৎপৰ হোৱা নাই, কিন্তু এই ক্ষেত্ৰত সমাজৰো দায়িত্ব আছে নিশ্চয়। অসমীয়া সমাজখনলৈ পাঠকৰ বৰঙণি অকল বৰপেটাৰ স্থানিকতাই সীমায়িত কৰি ৰাখিব নোৱাৰে। অনাতাঁৰ কেন্দ্ৰৰ লগত ১৪ বছৰৰ ওপৰ কাল জড়িত থাকি তেখেতে লোকগীতেৰে অসমীয়া শ্ৰোতাৰ মাজত অতি পৰিচিত হৈ পৰিছে। সেইটোও পাঠকৰ ব্যক্তিত্বৰ সম্প্ৰসাৰণ মাথোন। তেখেতৰ 'বৰপেটা সত্ৰৰ ইতিহাস' অসমীয়া সাহিত্যৰ ভঁড়াললৈ অমূল্য অৱদান।

পাঠক বহল মনৰ মানুহ। কাৰো প্ৰতি তেওঁৰ অভিযোগ নাই, নাই কোনো বিদ্বেষ। কোনোবাই তেওঁক বিদ্ৰূপ কৰিলেও সেয়া নিমিষতেই পাহৰি যায়। সেইবাবে তেওঁৰ ওচৰত শত্ৰুপক্ষও শিৰনত হয়। আনৰ সৃষ্টিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো তেওঁৰ ব্যতিক্ৰমী বৈশিষ্ট্য। এজন শিল্পীয়ে আন এজন শিল্পীৰ সৃষ্টিক স্বীকৃতি প্ৰদান নকৰিলে নিজৰ সৃষ্টি কেতিয়াও সুন্দৰ হ'ব নোৱাৰে। পাঠক যদিও বাওঁপন্থী চিন্তাধাৰাৰ লোক তথাপি তেওঁ আনৰ দ্বাৰা অৱহেলিত নহয়। এজন গণশিল্পী হিচাপে পাঠকে সদায় কণ্ঠ আৰু কলম সমানেই চলাই আহিছে।

# মামণি বাইদেউ ঃ মানৱী মানুহজনী

ড° ইন্দিৰা গোস্বামী— এটা বিৰলভাৱে উচ্চাৰিত নাম। অথচ একেগৰাকী মানুহৰে বিশ্বপ্ৰসিদ্ধ আৰু সৰ্বাত্মকভাৱে উচ্চাৰিত নাম— মামণি ৰয়ছম গোস্বামী। যিগৰাকী ব্যক্তি সৌ সিদিনা আমাৰ মাজৰপৰা চিৰদিনৰ বাবে হেৰাই গ'ল। পিছে ইন্দিৰা গোস্বামী বা মামণি ৰয়ছম গোস্বামীতকৈও মানুহগৰাকী প্ৰসিদ্ধ 'বাইদেউ' নামেৰেহে ড° ভবেন্দ্ৰনাথ শইকীয়া যেনেদৰে সৰ্বজনীন 'ছাৰ' হৈ গৈছিল, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা যেনেদৰে জীৱনৰ সকলো বয়সতে, সকলো প্ৰজন্মৰ লোকৰ বাবে 'ভূপেনদা' হৈ ৰ'ল, মামণি ৰয়ছম গোস্বামী সদায় সকলোৰে বাবে সাৰ্বজনীন 'বাইদেউ' হৈ উঠিছিল। কিন্তু বহুতেই হয়তো নাজানে মামণি ৰয়ছম গোস্বামী সঁচা অৰ্থতেই সকলোৰে বাবে আছিল এগৰাকী অতি মৰমিয়াল বাইদেউ— যিসকলে কেৱল সম্ভ্ৰম বা সামাজিক মৰ্যাদাৰ প্ৰয়োজনত তেওঁক 'বাইদেউ' বুলি সম্বোধন কৰিছিল, সেইসকলকো তেওঁ আপোন ভ্ৰাতৃবৎ বা ভগ্নীবৎ জ্ঞান কৰিছিল। ইয়াৰ উদাহৰণ মই নিজে।

বাইদেউৰ লগত মোৰ চিনাকি প্ৰায় দশক পুৰণি। গুৱাহাটীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত লগ পোৱাৰ পিছত চিনাকি হৈছিলো। পিছত পাঠশালা সাহিত্য সভাৰ অধিবেশনলৈ যেতিয়া মই তেওঁক লৈ গৈছিলো, তেতিয়া বাইদেউক অধিক ওচৰৰপৰা পোৱাৰ সুযোগ লাভ কৰিছিলো। ঘনিষ্ঠ হ'ব পাৰিছিলো তেওঁৰ লগত। পৰিচয় পাইছিলো তেওঁৰ মনোজগতৰ পৰিধিৰ। গম পাইছিলো— সেই বিশাল ব্যক্তিত্ব, প্ৰজ্ঞা আৰু খ্যাতিৰ আঁৰত কি এক শিশুসুলভ মন লুকাই আছে। পাঠশালালৈ অহা-যোৱাৰ পথত তেওঁৰ অনেক প্ৰশ্ন, মূলতঃ পাঠশালাৰ বিষয়ে

এই সৰু ঠাইখনৰ অতীত ইতিহাস, অৰ্থনৈতিক অৱস্থা, সামাজিক পৰিবেশ, শৈক্ষিক অগ্ৰগতি, সাংস্কৃতিক অনুশীলন— সকলোবোৰৰ বিষয়ে তেওঁৰ কি যে শিশুসুলভ কৌতূহল। পিছত উপলব্ধি কৰিছিলো সেই শিশুসুলভ কৌতূহলেই আছিল মামণি ৰয়চম গোস্বামীৰ বিশাল প্ৰজ্ঞাৰ অন্যতম উৎস। তেনে কৌতূহলৰ ফলশ্ৰুতিতেই তেওঁৰ মন মগজু হৃদয়ত সংগৃহীত হৈছিল বিপুল বিষয়বস্তু।

মামণি বাইদেউৰ সহৃদয়তা, আনক সহায় কৰাৰ মানসিকতাৰ বিষয়ে তেওঁৰ মৃত্যুৰ আগে-পিচে বহু চৰ্চাই চলিছে। কিন্তু মই নিজেই তেনে এজন সৌভাগ্যৱান, যিয়ে মামণি বাইদেউৰ প্ৰত্যক্ষ সহায় লাভ কৰিছিলো। ময়ো সামান্য লেখা-মেলা কৰো বুলি গম পাই বাইদেৱে বিভিন্ন কিতাপ পত্ৰ মোক দিছিল পঢ়িবলৈ তদুপৰি কিছুমান কিতাপৰ নাম দিছিল— সংগ্ৰহ কৰি পঢ়িবলৈ। বাইদেৱে সদায় কৈছিল যে ভাল লিখিবলৈ হ'লে ভাল পঢ়িব লাগিব। গভীৰ অধ্যয়ন অবিহনে ভাল লেখক হোৱা অসম্ভৱ বুলি তেওঁ ন দি কৈছিল। তদুপৰি বাইউদেৱে জোৰ দিছিল অধ্যয়নৰ ক্ষেত্ৰত বিচিত্ৰ বিষয়বস্তু সামৰি ল'বলৈ। বাইদেৱে কৈছিল— বিচিত্ৰ অভিজ্ঞতাই মানুহৰ মনোজগত সমৃদ্ধ কৰে। মনোজগতৰ সেই সমৃদ্ধিয়ে সমৃদ্ধ কৰে লেখক জীৱনক। বাইদেউৰ মতে পশ্চিমীয়া বিশ্বৰ গৰিষ্ঠসংখ্যক প্ৰখ্যাত লেখকে নিজৰ বিচিত্ৰ কৰ্মজীৱনেৰে মনোজগতক সমৃদ্ধ কৰিছিল বা এতিয়াও কৰি আছে। কিন্তু আমাৰ ইয়াৰ পৰিৱেশ পৰিস্থিতি, সমাজ ব্যৱস্থা, অৰ্থনৈতিক অৱস্থা আদিৰ পৰিপ্ৰেক্ষিতত যিহেতু মধ্যবিত্ত শ্ৰেণীৰ মাজৰপৰাহে প্ৰায়ে লেখক বুদ্ধিজীৱি শ্ৰেণীটো উঠি আহে, সেয়ে পঢ়া-শুনাৰ জৰিয়তেই আমি আমাৰ অভিজ্ঞতাৰ জগতখন সমৃদ্ধ কৰিব লাগে। এইখিনি উপদেশ দিয়েই বাইদেউ ক্ষান্ত থকা নাছিল। য'তেই লগ পায়, তাতেই সদায় খবৰ লৈছিল লেখা-মেলাৰ। কেতবোৰ বিষয়বস্তুৰ কথাও কৈছিল। বহুদিন ক'তো একো নেলেখা বুলি জানিব পাৰিলে মৰমেৰে গালিও পাৰিছিল। আনকি একাধিকবাৰ বাইদেৱে নিজে ফোন কৰিও মোৰ লেখা মেলাৰ খবৰ লৈছিল।

মই আৱাহন থিয়েটাৰৰ লগত কিছু পৰিমাণে জড়িত বুলি গম পোৱাৰ পিছত বাইদেৱে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ সাম্প্ৰতিক অৱস্থাক লৈও মোৰ সৈতে কেতিয়াবা কথা পাতিছিল। সেই কথা-বাৰ্তাৰ মাজেৰেই মই বাইদেউৰ নাটকৰ ওপৰত থকা সুগভীৰ জ্ঞানৰ প্ৰমাণ পাইছিলো। মই এশ শতাংশই

নিশ্চিত— ভবেন্দ্ৰ নাথ শইকীয়া ছাৰৰ নিচিনাকৈ যদি মামণি বাইদেৱেও সচেতনভাৱে নাটক লিখিবলৈ ল'লেহেঁতেন, তেনেহ'লে অসম আৰু অসমীয়াই এলানি মৌলিক, সমাজ সচেতনমূলক, অত্যন্ত উচ্চ মানৰ নাটক উপহাৰ পালেহেঁতেন।

মই 'দীনবন্ধু' চলচ্চিত্ৰখন কৰাৰ আগে পিচেও বাইদেউৰ সৈতে কথা পাতিছিলো। তেনে এক বিষয়বস্তুক লৈ চলচ্চিত্ৰ এখন কৰিবলৈ আগ বঢ়াবাবে বাইদেৱে বৰ ভাল পাইছিল। সেই সময়তে অসমীয়া চলচ্চিত্ৰৰ শেহতীয়া ধাৰা বা গতিবিধিকলৈ বাইদেউক কিছু হতাশ আৰু উদ্বিগ্ন হৈ পৰাও দেখিছিলো। অসমীয়া নাটক আৰু চলচ্চিত্ৰ সন্দৰ্ভত বাইদেৱে কৈছিল— 'আমাৰ সংস্কৃতিৰ দুটা শক্তিশালী তথা অতি গুৰত্বপূৰ্ণ অংগ নাটক আৰু চলচ্চিত্ৰ। এই দুই ক্ষেত্ৰত আৰু কিছু সংস্কৃতিৱান; মানুহৰ প্ৰৱেশ ঘটাৰ প্ৰয়োজনীয়তা আহি পৰিছে।' কথা প্ৰসংগত বাইদেৱে বিভিন্ন বিদেশী চলচ্চিত্ৰৰ কাহিনী, নিৰ্মাণ কৌশল আদিৰ বিষয়ে কৈছিল। কৈছিল সেই চলচ্চিত্ৰসমূহ চাই তেওঁৰ মনোজগতত কি প্ৰতিক্ৰিয়া হৈছিল সেই কথাও বাস্তৱিকতে লেখা-মেলাৰ জগতখনৰ যিমান কথা মই বাইদেউৰ পৰা শিকিছো, নাটক আৰু চলচ্চিত্ৰ জগতৰো সিমান কথাই মই তেওঁৰ পৰা শিকিছো।

বাইদেউৰ চৰিত্ৰৰ অন্য এক বিশেষ দিশ মই লক্ষ্য কৰিছিলো। বাস্তৱ অৰ্থতেই তেওঁ আছিল এগৰাকী সম্পূৰ্ণ মানৱী। কলাৰ, বিশুদ্ধ কলাজগতৰ মানুহ হ'লেও তেওঁ আধুনিক ফেশ্বন জগতৰপৰা ৰাজনৈতিক জগতখনলৈকে, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ জগতখনৰ পৰা অৰ্থনীতিৰ উঠা-নমালৈকে সকলোৰে খবৰ তেওঁ ৰাখিছিল। হয়তো সেইবাবেই প্ৰথমবাৰলৈ তেওঁ আলফা-চৰকাৰৰ শান্তি আলোচনা সফলতাৰে আৰম্ভ কৰাব পাৰিছিল।

মামণি বাইদেউ অকল পূৰ্ণ মানৱীয়েই নহয়, তেওঁ আছিল প্ৰকৃতাৰ্থত এগৰাকী গণমুখী ব্যক্তি। সমাজৰ সকলো শ্ৰেণীৰ, সকলো মানুহৰ বাবে সদায়েই তেওঁ আছিল অতি ওচৰৰ ব্যক্তি। মানুহে সহজে লগ পাব নোৱাৰা ডাঙৰ মানুহ তেওঁ নাছিল। ঘনিষ্ঠই হওক বা দূৰৈৰ মানুহেই হওক— সকলোৱে তেওঁৰপৰা সমান সহৃদয়তা লাভ কৰিছিল। মই ভাবো এইটো গুণেই তেওঁক মানুহৰ মাজত আটাইতকৈ বেছিদিন জীয়াই ৰাখিব।

# প্ৰসংগ ঃ ডাইনী হত্যা

সম্প্ৰতি ৰাজ্যবাসীৰ বাবে যিকেইটা ঘটনা চৰ্চাৰ বিষয় হৈ পৰিছে সেইকেইটাৰ ভিতৰত অন্যতম হ'ল ডাইনী হত্যা। বিগত তিনিটা বৰ্ষত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সংঘটিত কেবাটাও ডাইনী হত্যাৰ ঘটনাই শিহৰণৰ সৃষ্টি কৰিছে। জীৱন্তে জ্বলাই দিয়া হ'ল বৃদ্ধাক। ৰাইজে খেদি খেদি নি লাঠীৰে নিৰ্মমভাৱে হত্যা কৰিলে নব্বৈ বছৰীয়া বৃদ্ধ-বৃদ্ধাক। গছত বান্ধি অত্যাচাৰ চলালে। পৰিয়ালৰ আন সদস্যৰ সন্মুখতে হানি-খুঁচি হত্যা কৰিছে কেৱল ডাইনী সন্দেহত। এখন সভ্য সমাজত ইয়াতকৈ জঘন্য কাণ্ড কি হ'ব পাৰে বাৰু? প্ৰতিটো হত্যাকাণ্ডই নিৰ্মম। একেদৰে প্ৰতিটো কাৰ্যৰে একোটা প্ৰতিক্ৰিয়া থাকে। কিন্তু এনে প্ৰতিক্ৰিয়াৰ মাজতো কেনেকৈ সংঘটিত হৈ আছে এটাৰ পাছত আন এটা হত্যাকাণ্ড। কেৱল ডাইনী সজাই হত্যা কৰা হৈছে। কিন্তু সঁচাকৈয়ে তেওঁলোক ডাইনীনে? যদি ডাইনী হয়ো তথা ৰাইজে জানো আইন হাতত তুলি ল'ব পাৰে। এনেদৰে সংঘটিত লোমহৰ্যক হত্যাকাণ্ড নিশ্চয় এখন সুস্থ সমাজৰ পৰিচায়ক হ'ব নোৱাৰে।

শেহতীয়া ঘটনাৰাজি বিশ্লেষণ কৰিলে দেখা যায় যে অধিকাংশ ঘটনাই সংঘটিত হৈছে জনজাতীয় লোক অধ্যুষিত অঞ্চলত। এনেবোৰ অঞ্চলত সাধাৰণতে শিক্ষিতৰ হাৰ কম। সেই বাবে কুসংস্কাৰেৰে পৰিপূৰ্ণ হৈ আছে সমাজখন। তেওঁলোকে যুক্তিক প্ৰাধান্য নিদিয়ে। এনে অঞ্চলৰ লোকৰ বাবে আৱেগৰ স্থান সকলোৰে আগত। এনে সমাজৰ লোকৰ বাবে যুক্তি নহয়, কুসংস্কাৰহে গ্ৰহণ যোগ্য। আধুনিক চিকিৎসাই য'ত স্থান লাভ কৰা নাই তাত জৰা-ফুকা কৰা লোকক অগ্ৰাধিকাৰ দিয়াটোৱে স্বাভাৱিক। গছ নোহোৱা ঠাইত এৰাই বিৰিখৰ দৰে— তেনে অনগ্ৰসৰ অঞ্চলত কবিৰাজ বা সাধক, আই আদিয়ে খোপনি পুতিবই। তেওঁলোকে যি কয় সেয়াই সকলোৰে শিৰোধাৰ্য। এক কথাত ক'বলৈ হ'লে এই লোকৰ কথাই আইন, শেষ সিদ্ধান্ত। প্ৰতিবাদৰ ভাষা তেওঁলোকে বুজি নাপায়। সেয়েহে সুযোগসন্ধানী কবিৰাজ বা লম্পট চৰিত্ৰৰ লোকসকলে সুযোগ বুজি খোচ মাৰে। স্বাৰ্থ সিদ্ধিৰ বাবে উচটনি দিয়ে তেওঁৰ প্ৰতিদ্বন্দ্বীসকলক। যিকোনো কাম হাচিল কৰিবলৈ এই লোকসকলে একাংশ লোকক এনেদৰে উচটনি দিয়ে যে মতিভ্ৰম হৈ তেওঁলোকে কবিৰাজ বা স্বয়ম্ভূ বাবাৰ কথাত ভোল গৈ নাৰকীয় হত্যাকাণ্ড সংঘটিত কৰি বন্য উল্লাস প্ৰদৰ্শন কৰে।

ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে যি নাৰকীয় হত্যাকাণ্ড সংঘটিত কৰে তেওঁলোকে কিন্তু পৰৱৰ্ত্তী সময়ত সকলোৰে চকুত ধূলি দি সমাজৰ একো একোজন গণ্য-মান্য ব্যক্তি হিচাপে জীয়াই থাকে। অৱশ্যে কেবাজনো অভিযুক্তই সম্প্ৰতি কাৰাগাৰৰ কুঠৰীত সময় অতিবাহিত কৰিবলগীয়া হৈছে।

ডাইনী সন্দেহত যিবোৰ ঘটনা সংঘটিত হৈছে তাৰ কাৰণ— ডাইনী হ'ল এটা উপলক্ষহে। মূল লক্ষ্য হ'ল ভূমি, সা-সম্পত্তি দখল কৰা। ব্যক্তিগত আখেজ পূৰণৰো অমোঘ অস্ত্ৰ হৈ পৰিছে ডাইনী সজাই হত্যা কৰাটো। ব্যক্তিগত স্বাৰ্থৰ বাবে কোনোৱে এজনক হত্যা কৰিলে পোনপটীয়াকৈ তেওঁৰ ওপৰতেই সমস্ত দোষ জাপি দিয়া হয়। কিন্তু যেতিয়া সেই কামটোকেই ৰাজহুৱাভাৱে উত্থাপন কৰি গঞা ৰাইজৰ দ্বাৰা সম্পাদন কৰা হয় তেতিয়া সেই পাপৰ বোজা আনৰ গালৈ ঠেলি দিয়াটো উজু। যিবোৰ স্থানত এনে হত্যাকাণ্ড সংঘটিত হৈছে তাৰ আনুষংগিক ঘটনাসমূহ বিশ্লেষণ কৰিলেই ছবিখন স্পষ্ট হৈ পৰিব। এই ঘটনাৰ

বলি হোৱা অধিকাংশ পৰিয়ালেই নিঃকিন। আৰ্থিকভাৱে দুৰ্বল হোৱা বাবে তেওঁলোকে মূৰ দাঙি থিয় হ'ব নোৱাৰে। হলা গছ দেখিলে সকলোৱে বাগি কুঠাৰ মৰাৰ দৰে এনে লোকক একাংশই তেওঁলোকৰ স্বাৰ্থ সিদ্ধিৰ লক্ষ্য হিচাপে বান্ধি লয়। লাহে লাহে সমাজৰ পৰা তেওঁলোকক বিচ্ছিন্ন কৰা হয়। আৰু অৱশেষত এওঁলোকক হত্যা কৰা হয় নৃশংসভাৱে।

কোনো সভ্য সমাজতে এনে হত্যাকাণ্ড গ্ৰহণযোগ্য হ'ব নোৱাৰে। মানৱতা ভূ-লণ্ঠিত হোৱাৰ এয়া এক জ্বলন্ত উদাহৰণ। কিছুদিন পূৰ্বে সোণাৰিত এগৰাকী মহিলাক গোটেই নিশা শাৰীৰিক নিৰ্যাতন চলাই জীৱন্তে জ্বলাই দিয়া হ'ল। এনে মৰ্মান্তিক কাহিনী হয়তো খুব কমেই ওলাব। আজি বঙহৰ মঙহ বঙহে খায়। হিংস্ৰ বাঘ এটাই মানুহ এজনক হত্যা কৰিলে চৌদিশে প্ৰতিক্ৰিয়া হয়। বাঘ ধৰিব লাগে। কিন্তু ডাইনীৰ অভিযোগত নিতৌ ৰাজ্যখনত হত্যাকাণ্ড চলি থকাৰ পাছতো কিন্তু কোনোৱে প্ৰতিবাদ কৰা নাই। আনকি এই ক্ষেত্ৰত বিভিন্ন সংগঠনৰ ভূমিকাও সন্দেহজনক। যিহেতু আজিলৈকে কোনোৱে ডাইনী থকা বুলি প্ৰমাণ কৰিব পৰা নাই, সেয়েহে ডাইনীৰ অভিযোগত হত্যাকাণ্ড সংঘটিত কৰাৰো কাৰো অধিকাৰ নাই।

# এশ বিশ বছৰে ছোৱালীৰ বিয়া নোহোৱা এখন গাঁও

দেৰৱা— ৰাজস্থানৰ এখন অতি পিছপৰা গাঁও। মৰুভূমিৰে আগুৰা ৰাজ্যখনৰ জয়ছালমীৰৰ পৰা ৮০ কিলোমিটাৰ দূৰৈত অৱস্থিত দেৰৱা গাঁওখন। এই গাঁওখন ইমানেই অনগ্ৰসৰ যে ইয়াত বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো সূৰ্যৰ কিৰণৰ বাহিৰে একো পৰা নাই। প্ৰকৃতি দেৱীয়ে যেন গাঁওখনৰ লোকসকলক অভিশপ্ত হ'বলৈহে এৰি দিছে। পানী নাই, নাই বিজুলী বাতি। উৰ্বৰা মাটি নাই, নাই বিদ্যালয়। আছে কেৱল হতাশা। চৰম হতাশা। এই গাঁওখনত বিগত ১২০ বছৰ ধৰি কোনো এগৰাকী ছোৱালীৰেই বিয়া হোৱা নাই। ইয়াত আছে কেৱল সন্তান বুলিবলৈ ল'ৰা। তিৰোতা থাকিলেও গাঁওখনত ১২০ বছৰে ছোৱালী এজনীও ডাঙৰ-দীঘল হোৱা নাই। কাৰণ কন্যা সন্তান জন্মিলেই কিছু সময় পাছতে হত্যা কৰে। ভূমিষ্ঠ হ'লেই কন্যা সন্তানক নিমখ, আফিং আদি খুৱাই নিৰ্মমভাৱে হত্যা কৰা হয়। কিছুমানৰ মূৰ শিলত থেঁতেলি হত্যা কৰা হয়। কি নিৰ্মম এই হত্যাকাণ্ড। অসহায় পিতৃ-মাতৃৰ সন্মুখত কোনো পথৰে বিকল্প

নাই। কাৰণ ছোৱালীক বিয়া দি শহুৰৰ ঘৰলৈ উলিয়াই দিব পৰাকৈ তেওঁলোক অসমৰ্থ। দহ মাহ, দহ দিন গৰ্ভধাৰণ কৰিও মাতৃয়ে কন্যা, সন্তানক নিজ হাতে হত্যা কৰিবলগীয়া হয় কেৱল আৰ্থিক দৈন্যৰ বাবে। গাঁওখনৰ ২৪ ঘৰ ৰাজপুত পৰিয়াল নিঃকিন। পানীৰ অভাৱত খেতিও কৰিব নোৱাৰে। বৰষুণৰ বাবে আকাশলৈ চাই আশা কৰিবলগীয়া হয়। ১৮৮৩ চনতেই গাঁওখনত শেষবাৰৰ বাবে এজনী কন্যা সন্তানৰ বিয়া হৈছিল। এই গাঁওখনত আজিও কন্যা সন্তান হত্যা কৰি থকা হৈছে সুপৰিকল্পিতভাৱে শীতল মস্তিষ্কৰে।

যিখন দেশত নাৰীক দেৱীৰ আসনত অধিষ্ঠিত কৰি পূজা কৰা হয় সেইখন দেশতেই গোপনে হত্যা কৰি থকা হৈছে কন্যা সন্তান। আইনেও হাৰ মানিছে এই হত্যাকাণ্ড প্ৰতিৰোধত। বীৰজনাৰ অমৰ কাহিনী প্ৰচাৰ কৰা হয় এইখন দেশতেই। দেৱী দুৰ্গা, স্বৰস্বতী, লক্ষ্মী দেৱীক এইখন দেশতেই পূজা কৰা হয় ভিন্ন ৰূপত। এইখন দেশতেই আকৌ হত্যা কৰি থকা হৈছে কন্যা সন্তানক। এই ক্ষেত্ৰত কিন্তু নাৰীয়েই নাৰীৰ শত্ৰু হৈ পৰিছে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে আজি বিশ্বৰ আন প্ৰান্তৰ লগতে ভাৰতবৰ্ষৰ তথা অসমতো নাৰী নিৰ্যাতন বিৰোধী ঢৌ উঠিছে। কিন্তু শেহতীয়া ঘটনাৰাজি বিশ্লেষণ কৰিলে দেখা যায় যে নিৰ্যাতন সম্পৰ্কীয় ঘটনাৰাজিৰ আঁৰত কিন্তু পুৰুষতকৈ মহিলাৰহে ভূমিকা লক্ষণীয়। যৌতুকৰ বাবে বোৱাৰী হত্যা, শাৰীৰিক- মানসিক অত্যাচাৰ, স্বামীগৃহ ত্যাগ কৰি ৰাজপথতে সন্তান প্ৰসৱ কৰা, ডাইনী হত্যা, নাৰী চক্ৰ আদি সকলোতে নাৰীয়েই জড়িত। ন-বোৱাৰীয়ে যৌতুক লগত আনিব নোৱাৰা বাবে অত্যাচাৰ চলাবলৈ পুত্ৰক উচটনি দিয়া মাতৃগৰাকী নাৰী নহয়নে? নাৰী সৰবৰাহকাৰীৰ নায়িকাও মহিলা। ডাইনী সজাই হত্যা কৰা মহিলাসকলক হত্যাৰ বাবে আঁচনি প্ৰস্তুত কৰি দিয়ে স্বয়ং মাৰূপী কোনো মহিলাই।

আমাৰ সমাজত আজিও এনে কিছু মহিলা আছে যিসকলে সমাজত তথাকথিত নাৰীমুক্তি আন্দোলনৰ নেত্ৰী ৰূপে আগ-ভাগ লৈ আছে। অথচ এই সকল মহিলাৰ অধিকাংশই কিন্তু বোৱাৰী নিৰ্যাতন, ডাইনী হত্যাৰ স'তে পৰোক্ষভাৱে জড়িত। এগৰাকী নাৰী মুক্তি আন্দোলনৰ নেত্ৰীয়ে 'নাৰী দিৱস'ৰ সভাত বক্তাৰূপে উপস্থিত থাকিব বুলি ঘৰৰ পৰা খাই বৈ সোনকালে ওলাওঁতে

যদি পলম হ'ল (ভাত ৰন্ধাত) তেন্তে তাৰ ফল ভোগ কৰিবলগীয়া হয় ঘৰৰ 'বাই' বা 'আপী' আদিয়ে। শাৰীৰিকভাবেই হওক অথবা মানসিকভাবেই হওক অত্যাচাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেওঁলোকৰ মনত এবাৰো প্ৰতিক্ৰিয়া নহয়। সভাৰ পৰা উভতি গৈ চাহ দিয়াত পলম হোৱা বাবে বোৱাৰীৰ ওপৰত চলে অযথা নিৰ্যাতন। এইবোৰ তেনেই সাধাৰণ ঘটনাত পৰিণত হৈছে।

কেৱল শ্ল'গান অথবা সভা সমিতিৰ আয়োজন কৰি সমস্যাৰ সমাধান কৰিব নোৱাৰি। যদিহে শ্ল'গান দি অথবা সভাৰ আয়োজন নকৰি সমস্যাৰ সমাধান কৰিব পৰা গ'লহেঁতেন, তেতিয়া হ'লে ৰাজস্থানৰ দেৰৱা গাঁওখনত ১২০ বছৰে ছোৱালী এজনীৰ বিয়া নোহোৱাকৈ নাথাকিলেহেঁতেন। কন্যা সন্তানক মূৰ থেঁতেলি মাৰি পেলোৱা ঘটনাৰ পুনৰাবৃত্তি হ'বলগীয়া নহ'লহেঁতেন। বছৰটোৰ ৩৬৪ দিন নিতাল মাৰি 'নাৰী দিৱস'ৰ দিনা সক্ৰিয় হোৱা নাৰী মুক্তি আন্দোলনৰ পৰিৱৰ্তে যদি প্ৰতিটো মুহূৰ্ততে সচেতন হৈ নাথাকে তেন্তে ই চিৰদিন সমস্যা হৈয়ে ৰ'ব। কিতাপৰ মাজতেই সীমাবদ্ধ হৈ থাকিব— নাৰী দেৱীতুল্য।

# স্খলিত যুৱ-মানসিকতা আৰু অলপ চিন্তা-দুশ্চিন্তা

স্খলিত যুৱ মানসিকতা আৰু অধঃপতিত নৱ প্ৰজন্ম। এয়া আজিৰ আমাৰ সমাজত সঘনে চৰ্চিত এক বিষয়। সমাজৰ জ্যেষ্ঠসকলৰ মাজৰ আলোচনাত এই বিষয়টোৱে স্থান পাইছে, বাতৰি কাকতৰ পৃষ্ঠাত বিষয়টো আলোচিত হৈছে, ইয়াকে লৈ টেলিভিছন ষ্টুডিঅ'তো বহু বিচাৰ-বিশ্লেষণ হৈ গৈছে। এই আটাইবোৰ চিন্তা-চৰ্চা, আলোচনা-বিলোচনাত সকলোৱে উদ্বেগ প্ৰকাশ কৰিছে সাম্প্ৰতিক ঘটনা প্ৰবাহক লৈ।

সঁচাকৈয়ে উদ্বেগজনক হৈ উঠিছে আজিৰ সামাজিক পৰিস্থিতি আৰু এই পৰিস্থিতিৰ মাজত যুৱ প্ৰজন্ম বা নৱপ্ৰজন্মৰ ভূমিকা। নৱপ্ৰজন্মৰ এক বৃহৎ অংশ আজি বিভিন্ন অবাঞ্ছিত কৰ্মকাণ্ডত লিপ্ত; সেয়ে তেওঁলোক সঘনে সমালোচিতও।

পিচে সমগ্ৰ ঘটনাপ্ৰবাহৰ অন্য এক চিন্তনীয় দিশ আছে বুলিও আমি ব্যক্তিগতভাৱে অনুভৱ কৰোঁ। এই দিশটো হ'ব সাধাৰণ নৈতিকতাৰ উৰ্ধ্বলৈ গৈ বাস্তৱ দৃষ্টিভংগীৰে বিষয়টো চালি জাৰি চোৱাৰ দিশ। প্ৰথমতে যদি আমি প্ৰশ্ন কৰোঁ, যুৱ প্ৰজন্ম বিপথে পৰিচালিত হয় কিয়, বা নৱ প্ৰজন্মই বাঞ্ছিত কাম এৰি অবাঞ্ছিত কাৰ্যকলাপত লিপ্ত হয় কিয়, তেতিয়াই বহু কথা ফটফটীয়াকৈ ওলাই পৰে।

যুৱ প্ৰজন্ম বা নৱ প্ৰজন্মৰ অৰ্থই হৈছে প্ৰথম যৌৱন। আৰু প্ৰথম যৌৱনৰ অৰ্থ হৈছে অফুৰন্ত শক্তিৰ ভঁৰাল। মানৱ জীৱনৰ এইছোৱা সময়ত শক্তি আৰু সাহসে সৰ্বোচ্চ সীমা স্পৰ্শ কৰে। এই শক্তি আৰু সাহসক কিবা কামত নিয়োজিত কৰিবলৈ যুৱপ্ৰজন্ম বা নৱপ্ৰজন্ম উদ্ধাউল হৈ থাকে। এনে অৱস্থাত সমাজে যদি ভাল কামৰ পৰিৱেশ তথা উদাহৰণ দাঙি ধৰিব পাৰে, তেনেহ'লে নৱ প্ৰজন্মৰদ্বাৰা ভাল কাম সম্পাদিত হ'ব আৰু অন্যথাই নৱপ্ৰজন্মৰদ্বাৰা অবাঞ্ছিত কৰ্মকাণ্ড সংঘটিত হ'ব। দুই এক ব্যতিক্ৰম সদায় সকলো বিষয়তে থাকে আৰু এই ক্ষেত্ৰতো নিশ্চয় থাকিব। কিন্তু সাধাৰণভাৱে এই কথা সত্য বুলিয়েই আমি নিশ্চয় মানি ল'ব লাগিব।

এতিয়া আহোঁ মূল প্ৰশ্নলৈ— নৱপ্ৰজন্মৰ অফুৰন্ত শক্তিৰ সদ্ব্যৱহাৰ হ'ব পৰা পৰিৱেশ আমি সমাজত দিব পাৰিছোনে? যদি আমি গুৱাহাটী মহানগখনকেই উদাহৰণ হিচাপে লওঁ, তেনেহ'লে কি দেখিবলৈ পাওঁ?

নৱপ্ৰজন্ম বা যুৱপ্ৰজন্মৰ উশৃংখলতা আৰু উদ্ভণ্ডালিৰ থলী হিচাপে আজিৰ গুৱাহাটী মহানগৰী বিশেষভাৱে পৰিচিত। ঐতিহ্যমণ্ডিত এই মহানগৰীৰ পৰিৱেশ এচাম যুৱক-যুৱতীয়ে কদৰ্য কৰি তোলা বুলি সততে বিভিন্ন ভদ্ৰলোকে অভিযোগ তোলে। নৱপ্ৰজন্ম বা যুৱপ্ৰজন্মৰ উদ্ভণ্ডালিৰ বাবেই মহানগৰীখনৰ পৰিৱেশ নিৰাপত্তাহীন হৈ পৰা বুলি উত্থাপিত অভিযোগৰো বোধহয় সত্যতা আছে। কিন্তু বিছ লাখ মানুহৰ এই অপৰিকল্পিত, অপৰিচ্ছন্ন, জনাকীৰ্ণ মহানগৰীখনত সুস্থ যুৱ মানসিকতা গঢ়ি উঠাৰ পৰিৱেশ আমি দিছোনে? গুৱাহাটী মহানগৰীৰ অলিয়ে-গলিয়ে আজি অগণন চৰকাৰ-প্ৰশাসন অনুমোদিত মদৰ দোকান আৰু বীয়েৰ বাৰ। কিন্তু ইয়াৰ বিপৰীতে মহানগৰীখনত ৰাজহুৱা উদ্যান কিমান? এখন ভাল উদ্যানৰ পৰিৱেশ পাবলৈ আজি গুৱাহাটী মহানগৰীৰ ইমূৰৰপৰা

নাগৰিক ঢপলিয়াব লগা হয় মহানগৰীখনৰ সিটো মূৰলৈ। যিখন মহানগৰীতে অকণমান পৰিচ্ছন্ন পৰিৱেশ, মুকলি বতাহ আৰু খোজ কঢ়াৰ পৰিৱেশৰ ইমান অভাৱ, সেইখন মহানগৰী বা সেইখন সমাজত সুস্থ যুৱ মানসিকতাই গঢ় লৈ উঠাটো সম্ভৱনে? সম্ভৱনে নৱপ্ৰজন্মই সঠিক বাটেৰে বাট বুলাতো?

সেইদৰে ক্ৰীড়াৰ সা-সুবিধা বা আন্তঃগাঁথনিৰ দিশটোলৈ চালেও যথেষ্ট। নিৰাশাজনক ছবি এখন পৰিস্ফুট হয়। মানুহৰ দেহৰ লগতে মন ভালে ৰাখিবলৈকো খেল-ধেমালিক অপৰিহাৰ্য বুলি ধৰা হয়। এক স্পৰ্শকাতৰ বয়সৰ অধিকাৰী যুৱপ্ৰজন্ম বা নৱপ্ৰজন্মৰ ক্ষেত্ৰত এই কথা অধিক সত্য। কিন্তু গুৱাহাটীৰ নিচিনা জনাকীৰ্ণ মহানগৰীখনত আছেনে পৰ্যাপ্ত সুলভ ক্ৰীড়াকেন্দ্ৰ, য'ত বিশেষ মাচুল দিব নলগাকৈয়ে আমাৰ কিশোৰ-কিশোৰী, যুৱক-যুৱতীসকলে খেল-ধেমালিত নিজকে ব্যস্ত ৰাখিব পাৰে? উত্তৰ সকলোৰেই জানে। অথচ প্ৰকৃতিয়ে গুৱাহাটীক অকৃপণভাৱে সকলো দিছে। গুৱাহাটীৰ ভিতৰৰ আৰু উপকণ্ঠৰ প্ৰাকৃতিক আৰ্দ্ৰভূমিসমূহ ধ্বংস হৈ যাবলৈ নিদি সেইবোৰৰ বিকাশ সাধন কৰিলেই জলক্ৰীড়াৰ বিপুল সুবিধা হ'লহেঁতেন। তেনেদৰে পৰ্বতসমূহ ধ্বংস হৈ যাবলৈ নিদি সৃষ্টি কৰিব পৰা গ'লহেঁতেন এডভেঞ্চাৰ স্পৰ্টছৰ চহকী আন্তঃগাঁথনি। ভৰলু, বশিষ্ঠ আৰু ব্ৰহ্মপুত্ৰ নদীক লৈও ভাবিব পাৰি জলক্ৰীড়াৰ সুবিধা বিকশাই তোলাৰ কথা। কিন্তু সেইবোৰ একো কৰা নহ'ল; অন্ততঃ এইপৰ্যন্ত হোৱা নাই।

সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল এই যে গুৱাহাটী মহানগৰীৰ নিচিনা মহানগৰ এখনত আজি পৰ্যন্ত পৰ্যাপ্তসংখ্যক ৰাজহুৱা পুথিভঁৰাল স্থাপন নহ'ল। যিখন মহানগৰীৰ সঠিক মানসিক আৰু বৌদ্ধিক বিকাশত সহায় হ'ব লাগিছিল, সেইখন মহানগৰীৰ মাত্ৰ এটা কোণত দুটামান ৰাজহুৱা পুথিভঁৰালে মূৰ দাঙি আছে। ইয়াৰ পিছতো আমি কেনেকৈ আশা কৰিম যে আমাৰ যুৱ মানসিকতাৰ অধঃপতন নঘটিব বা আমাৰ নৱপ্ৰজন্মৰ স্খলন নঘটিব। এই লেখাত আমি গুৱাহাটী মহানগৰীক উদাহৰণ হিচাপে লৈছো যদিও অসমৰ সকলো প্ৰান্তৰ বাবেই আমাৰ অনুভৱ প্ৰযোজ্য বুলি ভাবো।

# সন্মোহনী শক্তি
# আৰু ড° ভূপেন হাজৰিকা

এক সন্মোহনী শক্তি আছিল ড° ভূপেন হাজৰিকাৰ। হয়তো সেইবাবে তেওঁ আজি মৰিও অমৰ। সম্ভৱতঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ মৃত্যুৰ পাছত অন্যতম চৰ্চিত ব্যক্তি হিচাপে পৰিগণিত হৈছে তেওঁ। প্ৰত্যেক মানুহৰে একোটা গুণ থাকে। সেই গুণটোৰ বাবে ব্যক্তিগৰাকীয়ে কিছুমানৰ মনত সাঁচ বহুৱায়। আন কিছুমানে আকৌ তেনে গুণ বেয়াও পায়। সৰ্বগ্ৰহণযোগ্য গুণ থকা লোক ইহ সংসাৰত বিৰল। সকলোৰে মনত সাঁচ বহুওৱা, আকৰ্ষণ কৰা, চৰ্চিত হোৱা, গৱেষণাৰ বিষয়বস্তু হৈ পৰা আদি গুণবোৰ যেতিয়া এগৰাকী ব্যক্তিৰ গাত থাকে তেনে ব্যক্তি নিশ্চয় সৰ্বগ্ৰহণযোগ্য হ'ব। ইয়াকে কয় সন্মোহনী শক্তি। যাৰ কথাত যাদু আছে, যাৰ সৃষ্টিত যাদু আছে, যাৰ খোজে প্ৰতি পদুম ফুলে, যিজনে কথা ক'লে আনে সেয়া নিৰ্বিবাদে গ্ৰহণ কৰে তেওঁৰ কি বিশেষ গুণ থাকিব পাৰে তাক লৈ প্ৰশ্ন নকৰাই ভাল। সকলোৰে কাম কৰে; কিন্তু তেওঁহে স্বীকৃতি লাভ কৰে যিয়ে অনুপম সৃষ্টি কৰে। দৰাচলতে মহৎ ব্যক্তিসকলে যি কাম কৰে আমিও সেই কামেই কৰো। কিন্তু পাৰ্থক্য এইখিনিতে যে মহাপুৰুষসকলে সকলোবোৰ কাৰ্য ব্যতিক্ৰমী প্ৰক্ৰিয়াৰে সম্পাদন কৰে।

মানুহে জন্মিলে হাঁহে আৰু মৃত্যু হ'লে কান্দে। এয়া এক মানুহৰ সহজাত প্ৰবৃত্তি। শিশুটিয়ে জন্মাৰ সময়ত কান্দে আৰু শিশুটিৰ আশে-পাশে থকা লোকসকলে হাঁহে কিন্তু তেওঁ সমাজত এনে কিছু কাম কৰি থৈ যাব লাগে যাতে তেওঁৰ মৃত্যুৰ পাছত বিশ্বই কান্দে। ড° হাজৰিকাৰ ক্ষেত্ৰতো তেনেই এখন প্ৰতিচ্ছবি ফুটি উঠিল। জীৱিত কালত কোনোৱে ভবা নাছিল শিল্পীগৰাকীয়ে মৃত্যুৰ পাছত ইমান সন্মান পাব বুলি। আনকি ড° হাজৰিকায়ো এগৰাকী বিখ্যাত সাংবাদিকক সুধিছিল— 'মই মৰিলে কোনোবাই কান্দিব জানো?' কিন্তু শিল্পীগৰাকীয়েটো নাজানিলে তেওঁক কিমান মানুহে ভাল পাইছিল। তেওঁক জজ ফিল্ডত শ্ৰদ্ধা জনাবলৈ লাখ লাখ মানুহে ভীৰ কৰা দৃশ্য বিৰল। বোকোচাত পানী কেঁচুৱা লৈ পাঁচ-ছয় ঘণ্টা পথৰ ওপৰত ৰৈ থকা দৃশ্য হয়তো আমি জীৱিত কালত দেখা নাপাম। সন্মোহনী শক্তিসম্পন্ন লোকৰ জন্ম কেবাশ বছৰ পাছতহে হয়।

কোনো লোকে জন্মতে সন্মোহনী শক্তিৰ অধিকাৰী হৈ নাহে। তেওঁৰ কৃতকৰ্মৰ দ্বাৰাহে তেনে গুণৰ অধিকাৰী হোৱা সম্ভৱ। কিছুমান গুণ অৰ্জনৰ বাবে সাধনাৰো প্ৰয়োজন। সাধনা অবিহনে কোনোৱে সম্পূৰ্ণৰূপে কৃতকাৰ্য হ'ব নোৱাৰে। কৃতকাৰ্যতাৰ বাবে যিবোৰ গুণৰ প্ৰয়োজন সেয়া লাভ কৰিব পাৰি সাধনাৰ দ্বাৰা। ড° হাজৰিকাৰ জীৱন পৰিক্ৰমা ফঁহিয়াই চালেও একেই প্ৰতিচ্ছবি ফুটি উঠে। সন্মোহনী গুণৰ বাবেই প্ৰায়ভাগ সমালোচকেও সময়ে সময়ে তেওঁৰ ওচৰত ধৰাশায়ী হ'বলগীয়া হৈছিল। আনকি যিসকলৰ স'তে অতি নিবিড় সম্পৰ্ক আছিল তেওঁলোকেও কেতিয়াবা ড° হাজৰিকাৰ সৃষ্টিৰ আগত অসহায় হৈ পৰিছিল। বহুতে আকৌ সমালোচনা কৰিবলৈয়ে বাদ দিছিল।

এজন লোকৰ সন্মোহনী গুণ তেতিয়াহে থাকিব যেতিয়া তেওঁ ব্যক্তিকেন্দ্ৰিক হোৱাৰ পৰিৱৰ্তে সমাজপ্ৰিয় হয়। খাওঁতে, বাহোতে, শোওঁতে কেৱল ৰাইজক লৈয়ে চিন্তা। এই চিন্তাৰ বহিঃপ্ৰকাশ ঘটে গানৰ মাজেদি। শ্ৰোতাই গানৰ মাজত বিচাৰি পায় জীৱনৰ অৰ্থ। জীৱন যুঁজত জয়ী হোৱাৰ মূলমন্ত্ৰ বিচাৰি পায়। এই মূল্য ধন-সোণেৰে জুখিব নোৱাৰি। সেয়েহে তেওঁৰ সৃষ্টিৰ আঁৰতে লুকাই আছে সন্মোহনী শক্তি। এইগৰাকী মহান শিল্পীক আমি পাহৰিব খুজিলেও জানো পাহৰিব পাৰিম। নিশ্চয় নোৱাৰো। কোনো বিবেকসম্পন্ন

লোকে পাহৰিব নোৱাৰে। কাৰণ তেওঁ আছিল একক আৰু অনন্য। জীৱনৰ স'তে একাত্মবোধ কৰিব পৰা শক্তি আছিল বাবে শিল্পীগৰাকীক কোনোৱে পাহৰিব নোৱাৰে। দৰাচলতে ব্যক্তিত্বৰ স'তে সন্মোহনী জড়িত হৈ আছে। ব্যক্তিত্বসম্পন্ন লোকৰ প্ৰতিটো কথাতে বা দিশতে একোটি সুকীয়া বৈশিষ্ট্য ফুটি উঠে। সাধাৰণতে আন দহজনৰ দৃষ্টিত যিবোৰ বিষয়ে ধৰা নপৰে সেইবোৰ এওঁলোকৰ লক্ষ্য হৈ পৰে। এই ক্ষেত্ৰত ব্যতিক্ৰম নাছিল ড° হাজৰিকা। সমাজক এক নতুন মাত্ৰা দিয়াৰ বাবে কি কৰা নাছিল শিল্পীগৰাকীয়ে। তিনি দশক পূৰ্বে গানৰ মাজেৰে যিবোৰ কথা সকীয়াই দিছিল সেইবোৰ এতিয়া আখৰে আখৰে ফলিয়াবলৈ ধৰিছে। বিধানসভাৰ মজিয়াত দাঙি ধৰা বিষয়বোৰ এতিয়াও উপলব্ধি কৰে সচেতন মহলে। 'যিমানেই বিলাবা, সিমানেই মহান হ'বা' দৰাচলতে এই বাক্যশাৰী সৰোগত কৰিয়েই ড° হাজৰিকাই আগবাঢ়িছিল কৰ্মক্ষেত্ৰত এয়াই আছিল শিল্পীগৰাকীৰ সন্মোহনী শক্তিৰ আঁৰৰ কাহিনী।

# বিশ্বাস হেৰাল বিশ্বাসৰ ঃ ভাস্কৰ্য শিল্পীৰ অব্যক্ত বেদনা

নৰেশ বিশ্বাস। ভাস্কৰ্য শিল্পী হ'লেও তেওঁ কিন্তু সকলোৰে মাজত পৰিচিত এগৰাকী মিস্ত্ৰী হিচাপে। জীৱনৰ অধিকাংশ সময় শিল্প-ভাস্কৰ্যৰ স'তে ওতপ্ৰোতভাৱে জড়িত বিশ্বাসক সমাজে স্বীকৃতি দিয়া নাই ভাস্কৰ্য্য শিল্পী হিচাপে তাকে লৈ তেওঁৰ কোনো খেদ নাই। নীৰৱে কেৱল সৃষ্টি কৰিয়ে আছে কত দেৱ-দেৱীৰ মূৰ্ত্তি। নিষ্প্ৰাণ শৰীৰে যেন প্ৰাণ পাই উঠে বিশ্বাসৰ হাতৰ পৰশত। তেওঁ শিলত হাত থ'লে শিলেও কথা কয়। শিল এডোখৰক জীৱন্ত ৰূপ দিব পৰা শিল্পীগৰাকীয়ে কিন্তু আনৰ পৰা প্ৰশংসা বুটলিবলৈ সুদূৰ পশ্চিমবংগৰ পৰা অসমলৈ অহা নাই। জীৱিকা নিৰ্বাহৰ বাবে পিতৃৰ স'তে অসমলৈ আহি মৰিগাঁৱত নিগাজিকৈ বসবাস কৰা বিশ্বাসৰ হাততে প্ৰাণৱন্ত হৈছে অসমৰ কেবাটাও ঐতিহাসিক মন্দিৰ।

উৰুখা পঁজাৰ তলত বহি দিন কটাইছে বিশ্বাসে। শাৰীৰিকভাৱে অক্ষম এগৰাকী ছোৱালী উপযুক্ত চিকিৎসা কৰিবলৈ হাতত নাই ধন। বজাৰত জুই-ছাই দামত আন দহজনৰ লেখীয়াকৈ কোঙা হৈ পৰিছে। দৈনিক কাম কৰি লাভ কৰা তিনিশ টকাৰে পৰিয়ালটোক ভৰণ-পোষণ দিয়াটো কঠিন হৈ পৰিছে। বহল পথাৰ এখনৰ এমূৰত বাস কৰিলেও খেতি কৰিবলৈ এবিঘা মাটি নাই। পথাৰত যেতিয়া সোণালী শস্যই হাঁহি থাকে তেতিয়াও বিশ্বাসৰ ভঁৰালত নাথাকে এমুঠি ধান। অভাৱ-অনাটনেই লগৰী তেওঁৰ এনে এগৰাকী শিল্পীয়ে বৰ্তমানলৈকে বঞ্চিত হৈ আছে শিল্পী পেঞ্চনৰ পৰা। যি সময়ত চৰকাৰে শিল্পীসকলৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা বুলি জাহিৰ কৰি ফুৰিছে তেনেসময়তে

এইগৰাকী শিল্পীয়ে জীয়াই থাকিবলৈ সংগ্ৰাম কৰাটো পৰিতাপৰ বিষয়। চৰকাৰে এনে শিল্পীৰ বাবে কেনেকুৱা আঁচনি গ্ৰহণ কৰিছে সেয়া এইসকল শিল্পীৰ জ্ঞাত নহয়।

পশ্চিমবংগৰ চৌব্বিশ পৰগনা জিলাৰ বনগাঁৱত ১৯৫৩ চনত জন্মগ্ৰহণ কৰা বিশ্বাসে স্কুলীয়া শিক্ষা লাভ কৰে নিজ গাঁওখনৰে এখন বিদ্যালয়ত। ১৯৬৯ চনত প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। আৰ্থিক দৈন্যৰ বাবে উচ্চ শিক্ষা লাভ কৰিব নোৱাৰিলে। ১৯৭১ চনত তেওঁ কলকাতাৰ শান্তি নিকেতনত তিনি বছৰ শিল্পকলা বিষয়ত শিক্ষা লাভ কৰে। সেই সময়তে তেওঁৰ শিল্পকলাৰ নিপুনতা দেখি কেইগৰাকীমান বিশিষ্ট ব্যক্তিয়ে বিশ্বাসক আমেৰিকা যুক্তৰাষ্ট্ৰলৈ পঠিয়াবলৈ চেষ্টা চলাইছিল। তেওঁলোকে লোভনীয় প্ৰস্তাৱ দিছিল শিল্পীগৰাকীক। কিন্তু তেওঁ তালৈ যাবলৈ মান্তি নহ'ল। দেশত শিক্ষা লাভ কৰি বিদেশত সেৱা আগ বঢ়াবলৈ তেওঁ কোনোপধ্যে মান্তি হোৱা নাছিল। যদি সেই সময়তে তেওঁ কলকাতালৈ গ'লহেঁতেন তেনেহ'লে বহু কিবাকিবি কৰিব পাৰিলেহেঁতেন। আজি তেওঁ আৰ্থিক দৈন্যত পেটৰ ভাত মুঠিৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছে। তথাপি কোনো খেদ নাই। ১৯৭৫ৰ পৰা মৰিগাঁৱত বাস কৰা বিশ্বাসে ইতিমধ্যে কামৰূপ জিলাৰ ৰামছাৰনী মৌজাৰ গড়ল গাঁৱৰ ভট্টাপাৰত প্ৰখ্যাত জাগ্ৰত ৰাণী চাপৰি শ্ৰীশ্ৰী মনসা মন্দিৰৰ উপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ মূল তোৰণ, মায়ঙৰ হৰি মন্দিৰ, বিষ্ণু মন্দিৰ, উৰাবড়ী মিকিৰ ভেটাৰ ৰাম মন্দিৰ, মৰিগাঁৱৰ গীতাশ্ৰম তোৰণ, শ্ৰীশ্ৰী কৃষ্ণনন্দ ব্ৰহ্মচাৰী, গণেশগুৰিৰ গণেশ মন্দিৰ, ধৰমতোলাৰ বিষ্ণু মন্দিৰ আদি হ'ল শিল্পীগৰাকীৰ সৃষ্টিৰাজিৰ নিদৰ্শন।

নৰেশ মিস্ত্ৰী। হয়, এই শব্দটোৱে তেওঁৰ বুকুত বৰ আঘাত হানে। সাধাৰণ লোকৰ দৃষ্টিত মিস্ত্ৰীজনে যে আমেৰিকাৰ দৰে দেশ এখনলৈ যোৱাৰ সুযোগ লাভ কৰাৰ পাছতো স্বদেশৰ মোহ এৰি যাব পৰা নাছিল সেই বিষয়ে কিন্তু কোনোৱে নাজানে। তেৱোঁ কিন্তু এই বিষয়ে আনৰ আগত কৈ ফুৰিব নোখোজে প্ৰকৃত শিল্পীৰ পৰিচয় ইয়াতেই ফুটি উঠিছে। শিল্পীয়ে কোনোদিন স্বীকৃতি নিবিচাৰে। পুৱা উঠাৰে পৰা নিশা শোৱালৈকে কেৱল সৃষ্টিশীল কামতে নিমজ্জিত হৈ থাকে। স্বীকৃতি তেওঁৰ বাবে মুখ্য বিষয় নহয়, লক্ষ্য শিল্পক প্ৰাণ দিয়া। আমি এনেবোৰ শিল্পীক কিয় সন্মান দিব নোৱাৰো? এনে শিল্পীসকলক

আমি অপমান কৰি থকা নাই জানো? আমি যিমানেই যান্ত্রিক হৈছো সিমানেই এই শিল্পীসকল মূল্যহীন হৈ পৰিছে। বোকোচাৰটো এৰি বোকাৰটো তুলি লোৱাৰ দৰে আমি বহিঃৰাজ্যৰ শিল্পীসকলৰ প্ৰশংসাত পঞ্চমুখ হৈছো। বাঃ বাঃ দিছো। কিন্তু ঘৰৰ মজিয়াতে থকা শিল্পীগৰাকীক সম্বোধিছো 'মিস্ত্ৰী' বুলি। এয়া আমি শিল্পীগৰাকীৰ প্ৰতি চৰম অন্যায় কৰা নাইনে?

মহানগৰীৰ গণেশগুৰিৰ গণেশ মন্দিৰটোৰ গাত লাগি থকা মূৰ্তিবোৰ কোনে দেখা নাই। নিতৌ মন্দিৰটোৰ সন্মুখেদি হেজাৰ হেজাৰ লোকে অহা যোৱা কৰে। কিমান ভক্তৰ সমাৱেশ হয় সেয়া সকলোৰে জ্ঞাত। সকলোৱে মন্দিৰটোৰ সন্মুখেদি গ'লে এবাৰ হ'লেও মূৰ্ত্তিবোৰ লক্ষ্য কৰে। কিন্তু কোনোৱে জানিব নোখোজে মূৰ্তিবোৰ কোনে সাজিছে। মন্ত্ৰী-বিধায়কসকলেও সেইফালেদি অহা-যোৱা কৰে। মন্ত্ৰী-বিধায়কৰ আৱাসৰ গাতে লাগি থকা মন্দিৰটোৰ মূৰ্ত্তিবোৰ কোনে সাজিছে সেয়া কোনোবাই জ্ঞাত নে? নহয়, তেওঁলোকৰ এইবোৰ জানিবলৈও প্ৰয়োজন নাই। এনেদৰে ক'ত কিমান শিল্পীয়ে নীৰৱেই এই পৃথিৱীৰ পৰা বিদায় মাগিলে তাৰ হিচাপ নাই। নৰেশ বিশ্বাসেও এদিন এই পৃথিৱীৰ বুকুৰ পৰা বিদায় ল'ব। যুগমীয়া হৈ থাকিব কৰ্মৰাজি। কিন্তু স্বীকৃতি? স্বীকৃতি নোপোৱাকৈয়ে থাকিব নৰেশ।

এইগৰাকী শিল্পী সাধকে ৰদ, চিমেণ্ট, বালিৰে মূৰ্তি সাজে। নিখুঁত মূৰ্তি সাজে। তেওঁৰ তুলিকাত প্ৰাণ পাই ছবিয়ে। বলিউডৰ ছুপাৰষ্টাৰ ৰাজেশ খান্নাৰ ছবি এখন আঁকিছে নৰেশে। তথাপি বঞ্চিত শিল্পী পেঞ্চনৰ পৰা। পোৱা নাই এটা ইন্দিৰা আৱাস, অনাময় আঁচনিৰ শৌচালয়। এইগৰাকী শিল্পীক চৰকাৰে আৰ্থিক সাহায্য আগবঢ়ালে নিশ্চয় আৰু এখোজ আগুৱাই গৈ অসমৰ সন্মান বৃদ্ধি কৰিব পাৰিলেহেঁতেন। ভাস্কৰ্য শিল্পী হৈয়ো তেওঁ যে 'মিস্ত্ৰী' শব্দটো সদায় শুনি থাকিবলগীয়া হৈছে তাকে লৈ আক্ষেপ কৰি ক'লে— 'মোক মিস্ত্ৰী বুলি মাতিলে মনত বৰ বেজাৰ লাগে। আনৰ ঘৰ সাজো। কত মন্দিৰ সাজিলো। কিন্তু আজিলৈকে এটা ভাল ঘৰ সাজিব নোৱাৰিলো।' কথাখিনি কওঁতে তেওঁ খুব আৱেগিক হৈছিল। বহু সময় তেওঁৰ স'তে কথা-বতৰা হ'লো। এনেকৈয়ে নোপোৱাৰ বেদনা লৈ নিৰ্মাণ কৰি থাকিব মন্দিৰ, তোৰণ ইত্যাদি ইত্যাদি— কেৱল মিস্ত্ৰী (!) হৈয়ে।

# পাঠশালা সাহিত্য সভা আৰু অলপ চিন্তা-দুশ্চিন্তা

আজিৰ পাঠশালা নামনি অসমৰ এক অন্যতম দ্ৰুত বিকাশশীল চহৰ। ইয়াৰ পৰিৱৰ্তন, প্ৰগতি আৰু দুৰ্গতি আটাইবোৰেই চমকলগা। শেহতীয়া এটা যুগৰ ভিতৰত হঠাৎ পাঠশালাই অভুতপূৰ্বভাৱে মোট সলাইছে। চহৰখনৰ জনসংখ্যা অভুতপূৰ্বভাৱে বৃদ্ধি পাইছে। অৱধাৰিতভাৱে ইয়াৰ লগত বৃদ্ধি পাইছে ন-ন যান-বাহন। দোকান-পোহাৰ আৰু অন্যান্য বাণিজ্যিক প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধিও ঘটিছে চমকলগা গতিত। আধুনিক নগৰীয়া জীৱনৰ সকলো মনোৰঞ্জনমূলক উপাদান আজি পাঠশালাত সুলভ। একেদৰে চৰকাৰী-বেচৰকাৰী কাৰ্যালয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধিৰ হাৰো চমকলগা। একাধিক বেচৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠান স্থাপিত হৈছে; এইবোৰে প্ৰদৰ্শন কৰিছে অসম ৰজনজনাই যোৰা ফলাফল।

পাঠশালাৰ এই দ্ৰুত ৰূপান্তৰ, নগৰীকৰণ আৰু বাণিজ্যকৰণৰ কুফলসমূহো হৈছে চকুত লগা। বিস্ফোৰিত জনসংখ্যা আৰু বাহনৰ সংখ্যাই পাঠশালাৰ নিৰিবিলি পৰিৱেশ ধ্বংস কৰি পেলাইছে। শব্দ প্ৰদূষণ, বায়ু প্ৰদূষণৰ প্ৰকোপ বাঢ়িছে; বাঢ়িছে আৱৰ্জনা। নগৰখনৰ প্ৰধান পথসমূহত চলা-ফিৰা কৰাটো

অশান্তিকৰ আৰু অসুবিধাজনক হৈ উঠিছে। কৃত্রিম বানপানীৰ নিচিনা মহানগৰীয়া সমস্যাসমূহেও দেখা দিবলৈ আৰম্ভ কৰিছে। পাঠশালাৰ আভ্যন্তৰ আৰু উপকণ্ঠৰ কৃষিভূমি ধ্বংস হৈছে; এইবোৰত বাঢ়ি আহিছে লোকালয়। পাঠশালা নগৰৰ চৌপাশৰ গাঁওসমূহৰ পৰিৱেশৰ ওপৰতো পাঠশালাৰ দ্রুত বাণিজ্যকৰণৰ প্রভাৱ পৰিছে। সামগ্রিকভাৱে চহৰ-গাঁও উভয়তে সেউজীয়া কমি গৈছে। এই নগৰীয়া সম্প্রসাৰণ আৰু বাণিজ্যিকৰণে মানুহৰ মনবোৰৰ ওপৰতো প্রভাৱ পেলাইছে। হয়তো কিছু পৰিমাণে সন্তুলন হেৰুৱাইছে ইয়াৰ সামাজিক পৰিৱেশে। সাংস্কৃতিক কাৰ্যকলাপ হয় কমিছে, নহয় এইবোৰৰ চৰিত্রৰ পৰিৱৰ্তন ঘটিছে। আগৰ অপেছাদাৰী প্রয়াসৰ স্থান লৈছে পেছাদাৰী তথা বাণিজ্যিক মানসিকতাই।

কিন্তু এসময়ৰ পাঠশালাৰ এইটো ৰূপ বা চৰিত্র নাছিল। তাহানিৰ পাঠশালা বুলি ক'লে আছিল এখন সৰু নগৰ। দুটা প্রধান পকী পথ আৰু কেতবোৰ শিলগুটি দিয়া ভিতৰুৱা পথ। ভিতৰুৱা পথসমূহ শেষ হৈছিলগৈ একোখন সেউজ পথাৰত। এটা সৰু ৰে'ল ষ্টেচন, এটা ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থান আৰু এটা অস্থায়ী বেচৰকাৰী বাছ আস্থান। পাতল জনবসতিৰ এখন চাফ-চিকুণ অৰ্ধনগৰীয়া, অৰ্ধগাঁৱলীয়া ঠাই। চৌপাশে সমৃদ্ধিশালী গাঁওবোৰ। এখন মহাবিদ্যালয়, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, দুখনমান হাইস্কুল, কেইখনমান মজলীয়া আৰু প্রাথমিক বিদ্যালয় আটাইবোৰেই প্রাদেশীকৃত। ব্যক্তিগত বিদ্যালয়ৰ কোনো অৱধাৰণা তেতিয়া নাই। প্রতিখন শিক্ষানুষ্ঠানৰে উজ্জ্বল ফলাফল। অটুট সামাজিক বন্ধন; অটুট মৰম-চেনেহ। বছৰৰ প্রায় প্রতিটো দিনতে শিক্ষা, শিল্প-সংস্কৃতিৰ চৰ্চা; অপেছাদাৰী চৰ্চা। এই চৰ্চাই পাঠশালাক দিছিল এক শৈক্ষিক সাংস্কৃতিক নগৰীৰ পৰিচয়। আৰু ঠাইখনৰ এনে পৰিচয় গঢ়ি তোলাত যিবোৰ অনুষ্ঠানে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল, সেইবোৰৰে অন্যতম আছিল পাঠশালা সাহিত্য সভা।

আজিৰ পৰা পায় অৰ্ধশতিকা পূৰ্বে পাঠশালাৰ নিচিনা সৰু নগৰ এখনৰ, তেতিয়াৰ দুৰ্বল আন্তগাঁথনিৰ মাজত অসম সাহিত্য সভাৰ শাখাৰূপে জন্ম লাভ কৰি পাঠশালা সাহিত্য সভাই পাঠশালাক এক শৈক্ষিক, সাংস্কৃতিক, সৃষ্টিশীল নগৰী হিচাপে গঢ় দিয়াত যি ভূমিকা গ্ৰহণ কৰিছিল সেই ভূমিকা তুলনাহীন বুলি ব্যক্তিগতভাৱে মই অনুভৱ কৰোঁ। খুব দূৰ অতীতৰ কথা ক'ব নোৱাৰোঁ; কিন্তু

আমি সৰু থকাৰপৰাই দেখি আহিছো— পাঠশালাৰ প্ৰায়বোৰ চিন্তাশীল ব্যক্তিৰ মিলনকেন্দ্ৰৰ ভূমিকা পাঠশালা সাহিত্য সভাই পালন কৰি অহা। শিক্ষা, সমাজসেৱা, সাহিত্যসেৱা আদি সকলো বৃত্তিৰে সচেতন মানুহখিনিৰ মিলনক্ষেত্ৰত পৰিণত হৈছিল পাঠশালা সাহিত্য সভা। সভাৰ উদ্যোগত সেইসময়ত অনুষ্ঠিত লেখক শিবিৰ, অন্যান্য সাহিত্যানুষ্ঠান, গ্ৰন্থ প্ৰকাশ কাৰ্যসূচী আদিয়ে পাঠশালাৰ শৈক্ষিক-সাংস্কৃতিক চৰিত্ৰ গঠনত বহুখিনি সহায় কৰিছিল বুলিও আমি ব্যক্তিগতভাৱে অনুভৱ কৰোঁ। ১৯৮৭ চনত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অধিৱেশন পাঠশালাত অনুষ্ঠিত কৰি পাঠশালা সাহিত্য সভাই নগৰখনত আন এক পৰিৱেশ সৃষ্টি কৰিছিল। মোৰ বাবে এক অন্যতম আত্মসন্তুষ্টিৰ বিষয় এয়ে যে পাঠশালা সাহিত্য সভাৰ নিচিনা অনুষ্ঠানৰ লগত কিছুপৰিমাণে ময়ো জড়িত হৈ আছো। একাধিক উপলক্ষ্যত পাঠশালা সাহিত্য সভাৰ অনুষ্ঠানলৈ মই কেবাগৰাকী বিশিষ্ট ব্যক্তিক অতিথি হিচাপে লৈ আহিছিলো। সেইসকল বৰেণ্য ব্যক্তিৰ সান্নিধ্য লাভৰ সুযোগ দিয়াৰ বাবে পাঠশালা সাহিত্য সভাৰ প্ৰতি মই কৃতজ্ঞ।

পূৰ্বেই কৈছো— আজিৰ পাঠশালা তাহানিৰ সেই পাঠশালা নহয়। অসমৰ অন্য নগৰ চহৰ-মহানগৰতকৈ অধিক দ্ৰুততগতিৰে পৰিৱৰ্তিত হ'ল এই সৰু নগৰখনি। পৰিৱৰ্তনৰ ধামখুমীয়াত হেৰাই গ'ল পাঠশালাৰ শৈক্ষিক-সাংস্কৃতিক-সাহিত্যিক পৰিচয়। এনে অৱস্থাত, যুগান্তৰৰ এই ক্ষণত পাঠশালা সাহিত্য সভাৰ নিচিনা অনষ্ঠানসমূহৰ সন্মুখত অধিক দায়িত্ব আহি পৰিছে। সোঁতৰ বিপৰীতে সাঁতুৰি পাঠশালা সাহিত্য সভাৰ নিচিনা অনুষ্ঠানসমূহেই এতিয়া পাঠশালাৰ বৌদ্ধিক পৰিচয় অক্ষুণ্ণ ৰাখিব লাগিব বা নতুনকৈ জগাই তুলিব লাগিব। বৌদ্ধিক পৰিচয়ৰ কবৰৰ ওপৰত পাঠশালাৰ এক বাণিজ্যিক পৰিচয় গঢ়ি উঠক এই কথা নগৰখনক ভালপোৱা কোনেও নিশ্চয় কামনা নকৰিব। বাণিজ্যিকভাৱে পাঠশালা আগবাঢ়ক, তাত নিশ্চয় কাৰো দ্বিমত নাই। কিন্তু এক নিষ্প্ৰাণ বা পাষাণ বাণিজ্যিক নগৰীত পাঠশালা পৰিণত হোৱাটোত নিশ্চয় বহুতৰে আপত্তি থাকিব। পাঠশালাৰ বাণিজ্যিকৰণৰ লগতে ইয়াৰ শৈক্ষিক— সাংস্কৃতিক বা সামগ্ৰিকভাৱে বৌদ্ধিক পৰিচয়, এই ক্ষেত্ৰত পূৰ্বৰ ঐতিহ্যও অক্ষুণ্ণ থাকিব লাগিব। অক্ষুণ্ণ থাকিব লাগিব অপেছাদাৰী মনোবৃত্তিৰে কাম কৰাৰ মানসিকতা। ইয়াৰ

বাবে পাঠশালা সাহিত্য সভাই অধিক সাহিত্য সম্পৰ্কীয় অনুষ্ঠান আয়োজনত গুৰুত্ব দিব লাগিব বুলি আমি অনুভৱ কৰোঁ। ইয়াৰ বাবে অকল পৰম্পৰাগত সাহিত্য অনুশীলনসমূহৰ ওপৰতেই গুৰুত্ব দি নাথাকি নাট্য সাহিত্যৰ নিচিনা দিশসমূহলৈকো পাঠশালা সাহিত্য সভাই নিজৰ কাম-কাজ সম্প্ৰসাৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়াটোও বোধহয় ভাল হ'ব। ইয়াৰ সমান্তৰালভাৱে আমি আশা কৰিম সভাৰপৰা বছৰেকত আৰু অধিক গ্ৰন্থ। সভাৰ মজিয়ালৈ তৰুণচামক টানি অনাৰ ওপৰতো সভাই আৰু অধিক গুৰুত্ব দিব লাগিব। এনেধৰণৰ কাৰ্যাৱলীৰে পাঠশালাৰ সামাজিক পৰিৱেশৰ সন্তুলন ৰক্ষা কৰাত পাঠশালা সাহিত্য সভাই নিশ্চয় বহুপৰিমাণে সহায় কৰিব পাৰিব।

এইখিনিতে আমি মনত ৰাখিব লাগিব যে এজন ব্যক্তিয়েই হওক বা এটা অনুষ্ঠানেই হওক বা এখন ঠায়েই হওক; প্ৰত্যেকৰে বিকাশ ঘটে এটা নিজস্ব চৰিত্ৰ লৈ। আৰু সেই চৰিত্ৰ হেৰুৱালে ই পৰিচয় হেৰুৱায়। পাঠশালাৰ আত্মপৰিচয় ৰক্ষাত পাঠশালা সাহিত্য সভাই অগ্ৰণী ভূমিকা গ্ৰহণ কৰক— এয়েই আমাৰ কামনা। আমাৰ অনুভৱ— পূৰ্বৰ অভিজ্ঞতা, সবল নেতৃত্ব আৰু বিৰল নিষ্ঠাৰে সমৃদ্ধ পাঠশালা সাহিত্য সভাই এই কাম কৰিবলৈ সক্ষম হ'ব।

সময় সলনি হৈছে। সলনি হৈছে পৰিৱেশ পৰিস্থিতি। বিজ্ঞান- প্ৰযুক্তিবিদ্যাৰ আশ্চৰ্যকৰ প্ৰগতিয়ে এফালে যেনেকৈ মানুহক আৰাম আৰু সুবিধা দিছে, আনফালে তেনেকৈ সৃষ্টি কৰিছে নতুন প্ৰত্যাহ্বান, নতুন চিন্তা আৰু নতুন মূল্যবোধৰ। এনে অৱস্থাত এটা সাহিত্য সংগঠনৰ কৰ্মপৰিসৰৰো সালসলনি ঘটিব পাৰে।

# কৃষি, প্ৰকৃতি, পশুধন আৰু বিহুৰ চিন্তা-দুশ্চিন্তা

বিহুৰ উৎপত্তি, ক্ৰমবিকাশ বা ইয়াৰ ঐতিহাসিক প্ৰেক্ষাপট ইত্যাদি বিভিন্ন বিষয়ত এতিয়াও পণ্ডিত সমাজৰ মাজত মতভেদ আছে। এইবোৰ এতিয়াও পণ্ডিত বা বিশেষজ্ঞসকলৰ বাবে অধ্যয়ন তথা গৱেষণাৰ বিষয়বস্তুৰেই হৈ ৰৈছে। কিন্তু বিহু সম্পৰ্কীয় এটা কথাত পণ্ডিত সমাজ একমত যে বিহু মূলতঃ এক কৃষিভিত্তিক উৎসৱ আৰু প্ৰকৃতিৰ লগত আছে বিহুৰ নিবিড় সম্পৰ্ক। অৰ্থাৎ ঋতু পৰিৱৰ্তনেই বিহুৰ কাৰক বা বিহুৰ আগমনৰ সূচক। বিহু উৎসৱৰ লগত জড়িত কপৌফুল, বৰ্হমথুৰি আদি সামগ্ৰীয়েও বিহুৰ লগত প্ৰকৃতিৰ নিবিড়তাৰ প্ৰমাণ দাঙি ধৰে। আনহাতে, খেতি পতা আৰু খেতি চপোৱাৰ সময়ৰ লগত সংগতি ৰাখি উদ্‌যাপিত বা পালিত কাতি বিহু আৰু মাঘ বিহুৱে নিশ্চিত কৰে যে বিহু এক কৃষিভিত্তিক উৎসৱো।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিহুৰ ৰূপৰো পৰিৱৰ্তন ঘটিছে। গাঁৱৰ পথাৰৰ বিহু আহি চহৰ-নগৰ পালে। গছৰ তলৰ বিহু আহি মঞ্চত উঠিল। বিহুৰ স্বতঃস্ফূৰ্ততাৰ পৰিৱৰ্তে বিহুৰ মাজলৈ আহিল সংগঠিত উদ্যম; অৰ্থাৎ বিহু প্ৰণালীবদ্ধভাৱে আয়োজনৰ পৰম্পৰা বা ব্যৱস্থা এটা গঢ় লৈ উঠিল। গাঁৱৰ ডেকা-গাভৰুৱে প্ৰকৃতিৰ আহ্বানত বিহুবলিয়া হৈ ওলাই অহাৰ দিনো উকলিল। তাৰ পৰিৱৰ্তে গাঁও-চহৰ উভয়ৰে ডেকা-গাভৰুৱে প্ৰদৰ্শন আৰু প্ৰতিযোগিতাৰ বাবে কঠোৰ অনুশীলনৰ মাজেৰেহে বিহু মঞ্চত উঠাৰ দিন আহিল। বহুক্ষেত্ৰত বিহুৰ বাণিজ্যকৰণো ঘটিল। আধুনিক যুগৰ গণমাধ্যমসমূহে অভূতপূৰ্ব পৰিৱৰ্তন আনিলে বিহুৰ স্বৰূপ আৰু চৰিত্ৰলৈ।

কিন্তু যেনেদৰে মানুহৰ বাহ্যিক ৰূপৰ পৰিৱৰ্তন ঘটিলেও আত্মাৰ পৰিৱৰ্তন নহয়। আজি বৃহত্তৰ অসমীয়া জাতিৰ যিমানেই ৰূপ বা কৃষ্টি-সংস্কৃতিৰ পৰিৱৰ্তন নঘটক কিয়, জাতিটোৰ ভিত্তি হিচাপে অসমীয়া ভাষাই সদায় থাকি যাব আৰু অসমীয়া ভাষাৰ উৎকৰ্ষ তথা সুস্বাস্থ্যহে জাতিটোৰ শক্তিৰ প্ৰতীক হৈ ৰ'ব। যদি অসমীয়া ভাষা দুৰ্ভাগ্যজনকভাৱে কোনোবাদিনা নোহোৱা হৈ যায়, সিদিনা অসমীয়া জাতিও নোহোৱা হৈ যাব। আনহাতে নিজৰ মাতৃভাষা বা প্ৰধান ধাত্ৰীভাষা হিচাপে অসমীয়া ভাষাক আঁকোৱালি লোৱা মানুহৰ সংখ্যা যিমানেই বাঢ়িব, সিমানেই জাতিটো সমৃদ্ধিশালী বা শক্তিশালী হ'ব। ইয়াত কোনো দ্বিমত নাই।

ঠিক একেদৰে সময়ৰ সোঁতত বিহুৰ যিমানেই ৰূপান্তৰ নঘটক কিয়, বিহুৰ ভিত্তি সদায় হৈ থাকিব কৃষি আৰু প্ৰকৃতি। সেয়ে এই দুই ক্ষেত্ৰ বা বিষয়ৰ অগ্ৰগতিৰ লগতহে বিহু উদ্‌যাপনৰ যথাৰ্থতা সাঙোৰ খাই থাকিব। কৃষিৰ উৎকৰ্ষ সাধন বা প্ৰকৃতিৰ পৰিপুষ্টি সাধনৰ প্ৰচেষ্টা অবিহনে বিহুৰ অনুশীলন আৰু বিহু উদ্‌যাপন হৈ ৰ'ব আন্তৰিকতাশূন্য এলানি অনুশীলন মাত্ৰ। অথচ দুৰ্ভাগ্যবশতঃ অসমত আজি সেয়াই ঘটিছে। ।

অসমত এতিয়া চৌদিশে প্ৰকৃতি ধ্বংসৰ অভিযান। সংবাদ মাধ্যমত প্ৰতিদিনে ভাহি আহে এই অভিযানৰ বতৰা। ক'ৰবাত মানুহে যদি নিৰ্বিচাৰে গছ কাটিছে, ক'ৰবাত পাহাৰ খান্দি তহিলং কৰিছে। ক'ৰবাত যদি খাল-বিল-জলাশয় পুতি ধ্বংস কৰিছে, ক'ৰবাত পৰিষ্কাৰ বোৱঁতী নদী একোখনক পৰিণত কৰিছে

গেলা নৰ্দমা একোটাত। বনাঞ্চল ধ্বংস কৰি মানুহে জনাঞ্চলত পৰিণত কৰিছে; প্লাষ্টিক আৱৰ্জনাৰে ভৰাই পেলাইছে চৌদিশ। ইয়াৰ মাজত ঋতু পৰিৱৰ্তনৰ বতৰা লৈ, ব'হাগৰ আগমনৰ বতৰা লৈ, বসন্তৰ আগমনৰ বতৰা লৈ প্ৰকৃতিয়ে ৰূপ সলায় কেনেকৈ? ধ্বংসপ্ৰাপ্ত প্ৰকৃতি আৰু বিধ্বস্ত পৰিৱেশৰ মাজত আজি স্বাভাৱিক পথেৰে বিহু বা ব'হাগ নাহে; আহে কেলেণ্ডাৰৰ পাতত, কেলেণ্ডাৰৰ মাজেৰে। এনে অৱস্থাই বিহু উদ্‌যাপন বা বিহু আয়োজনৰ ওপৰতো প্ৰত্যক্ষ প্ৰভাৱ পেলাইছে। বিহু নাচনীৰ বাবে অপৰিহাৰ্য কপৌফুল আজি এক বিৰল সামগ্ৰী। বৰ্হমথুৰি দেখিবলৈকেই নাই, চিনিও নাপায় নতুন প্ৰজন্মৰ গৰিষ্ঠসংখ্যকে। যদি গছেই নাথাকে, কপৌফুলৰ নিচিনা অৰ্কিড হ'ব ক'ৰপৰা? কপৌফুলৰ সংৰক্ষণ বা সংবৰ্ধনৰ পিনেও কাৰো মন প্ৰাণ দেখা নাযায়। অকল কপৌফুলেই নহয়, সামগ্ৰিকভাৱে সমগ্ৰ অসমৰ মানুহেই গছ ৰুবলৈ এৰা যেন লাগে। নিজৰ ঘৰৰ কোঠা এটা বঢ়াবলৈ বা নতুন ঘৰ এটা সাজিবলৈ আজি শিক্ষিত মানুহ একোজনেও চৌহদৰ বৃহৎ বৃহৎ গছ একোজোপা অকণমানো দ্বিধাগ্ৰস্ততা নোহোৱাকৈ কাটি পেলায়। তাৰ পৰিৱৰ্তে কিন্তু খুব কমেইহে নতুন গছ এজোপা ৰোৱা দেখা যায়। এনেদৰেই অসমৰ প্ৰকৃতি ধ্বংস হৈ শেষ হৈ গৈছে। পাৰিপাৰ্শ্বিকতাৰ চূড়ান্ত অধঃপতন ঘটিছে আৰু ইয়াৰ লগে লগে বিহু হৈ পৰিছে ভেটি হেৰুওৱা এক লক্ষ্য-বিচ্যুত অনুশীলন। অসমত এতিয়া এনেকুৱা হৈছে যেন প্ৰকৃতিৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বিষয়ে ভবাটো সংশ্লিষ্ট এন. জি. অ' কেইটাৰহে দায়িত্ব।

একেদৰে বিহুৰ লগত জড়িত আন এক ক্ষেত্ৰ কৃষিও ৰাজ্যখনত অন্যতম অৱহেলিত ক্ষেত্ৰ হৈ পৰা দেখা গৈছে। অসমত এনেয়েও পূৰ্বৰপৰাই কৃষিক খুব এটা মৰ্যাদাপূৰ্ণ বৃত্তি হিচাপে ধৰা হোৱা নাছিল। খেতি কৰাটো যেন গ্ৰামাঞ্চলৰ অশিক্ষিত তথাকথিত চহা মানুহখিনিৰহে কাম, এনে এক মানসিকতাই পূৰ্বৰপৰাই জাতিৰ মজ্জাত সোমাই পৰা পৰিলক্ষিত হৈছিল। শেহতীয়াভাৱে কৃষি খিলঞ্জীয়া মানুহখিনিৰ বাবে অধিক অৱহেলিত হৈ পৰা দেখা গৈছে (ব্যতিক্ৰম নিশ্চয় আছে)। বিশেষকৈ আমাৰ মানুহৰ নতুন প্ৰজন্মৰ আজি কৃষিৰ প্ৰতি কোনো ধাউতি নাই। কৃষি আৰু কৃষিৰ লগত জড়িত আনুষংগিক বৃত্তিসমূহ আজি পূৰ্ববংগীয় মূলৰ মুছলমান আৰু বাংলাদেশীৰ হাতলৈ গুচি গৈছে। মদ, ম'বাইল

আৰু মটৰচাইকেলৰ অপসংস্কৃতিয়ে আজি আমাক পংগু কৰি পেলাইছে। পৰিণতিত কৃষিজাত সামগ্ৰীৰ মূল্যই আকাশ চুইছে।

কিন্তু অসমৰ সেউজীয়া প্ৰকৃতি যদি নাথাকে, কৃষিখণ্ড যদি অসমীয়া মানুহৰ দখলত নাথাকে, তেনেহ'লে হয়তো বিহুও নাথাকিব। কিয়নো, ইতিমধ্যে আমি উল্লেখ কৰি অহাৰ নিচিনাকৈ প্ৰকৃতি আৰু কৃষিয়েই অসমীয়াৰ বাপতি সাহোন বিহুৰ ভিত্তি; নগৰৰ বিহু মঞ্চকেইখন বিহুৰ ভিত্তি নহয়।

এইখিনিতে আন এক কথাও উল্লেখযোগ্য। বিহু মানে অকল মানুহৰে বিহু নহয়। 'যত জীৱ তত শিৱ' আদৰ্শত বিশ্বাসী ভাৰতীয় সংস্কৃতিৰ অন্তৰ্গত অসমীয়া সংস্কৃতিয়ে অবোধ জীৱ-জন্তুৰ বাবেও বিহুৰ আনন্দৰ ভাগ ৰাখি থৈছে গৰুবিহুৰ মাধ্যমেৰে। কিন্তু অন্য বিভিন্ন ঐতিহ্যৰ নিচিনাকৈ অসমীয়া ঘৰ-গৃহস্থীৰপৰা দ্ৰুতগতিত পশুধনকো বিদায় দিয়া হৈছে। নগৰাঞ্চলত মানুহৰ ঘৰে ঘৰে গৰুৰ ঠাই লৈছে বিভিন্ন বিদেশী বা হাইব্ৰীড কুকুৰে। গ্ৰামাঞ্চলৰ সকলো সুবিধা থকা মানুহেও বিভিন্ন অজুহাতত গৰু পুহিবলৈ এৰিছে। ফলশ্ৰুতিত গৰু বিহুৰ পৰম্পৰাও হৈ পৰিছে নিশকতীয়া।

# ড° ভূপেন হাজৰিকাৰ কণ্ঠ, বিহুগীত ইত্যাদি

মহাসাগৰৰ ইপাৰ-সিপাৰ জুখিব নোৱাৰি। গভীৰতা কিমান সেয়া জানিব নোৱাৰি। তদুপৰি তলিৰ গভীৰতা সমান নহয়। ক'ৰবাত যদি বেছি গভীৰতা আন ক'ৰবাত আকৌ তাতকৈ কম। মহাসাগৰৰ দৰেই আছিল সুধাকণ্ঠ ড° ভূপেন হাজৰিকা। তেনে এগৰাকী শিল্পীৰ মৃত্যুৰ পাছত শুদা হৈ পৰিল অসমৰ সাংস্কৃতিক জগত। এই ৰিক্তস্থান কোনে পূৰ কৰিব সেয়া এতিয়া চৰ্চাৰ বিষয়। চাওঁতে চাওঁতে সুধাকণ্ঠৰ মৃত্যুৰ কেইবামাহো উকলিল। এনেদৰে দিন অতিবাহিত হৈ থাকিব। মৃত্যুৰ পাছত শিল্পীগৰাকীকলৈ চৰ্চা হৈছিল বিশেষকৈ তেওঁৰ সৃষ্টিৰাজি সংৰক্ষিত কৰা, পুথিভঁৰাল নিৰ্মাণ, গীতৰ সংকলন ইত্যাদি ইত্যাদি। ইতিমধ্যে অসমৰ কেবাঠাইত সুধাকণ্ঠৰ আৱক্ষ মূৰ্তি স্থাপন কৰা হৈছে। তোৰণ নিৰ্মাণ কৰা, উদ্যানৰ নামকৰণ কৰা পৰিলক্ষিত হৈছে যদিও গতি মন্থৰ এতিয়া অসমৰ কোনো এঠাইত যদি সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে সেয়া তাৰ মঞ্চ অথবা সাংস্কৃতিক সন্ধিয়া উৎসৰ্গা কৰা হৈছে সুধাকণ্ঠৰ নামত। এই প্ৰক্ৰিয়া চলি থাকিব অদূৰ ভৱিষ্যতেও। কিন্তু কথা হ'ল যিগৰাকী শিল্পীৰ মৃত্যুৰ পাছতে তেওঁৰ গীত ৰাজহুৱা স্থানত সদায় বজোৱাৰ ব্যৱস্থা কৰিবলৈ দাবী উত্থাপন কৰা হৈছিল তেনে দাবীৰ সুৰ কিন্তু পৰৱৰ্তী সময়ত দুৰ্বল হৈ পৰিল। এয়া পিছে শুভ লক্ষণ বুলি ক'ব নোৱাৰি। কিছুমানে ক'ব খোজে ড° হাজৰিকাৰ গীত সদায় বজালে গীতৰ আকৰ্ষণ লাহে লাহে হ্ৰাস পাব। কিন্তু তেনে যুক্তি মানি ল'ব নোৱাৰি। কাৰণ যিবোৰ বিষয় সৰ্বগ্ৰহণযোগ্য হয় সেইবোৰ সদায় চৰ্চা হৈ থাকিলেও তাৰ অন্ত নপৰে।

সম্প্ৰতি ড° হাজৰিকাৰ গীত একাংশ শিল্পীয়ে বিহুৰ মঞ্চত পৰিৱেশনৰ বাবে সাজু হৈছে। তেনে হোৱাতো স্বাভাৱিক। কিন্তু শিল্পীসকলে যাতে সুধাকণ্ঠৰ গীতৰ সুৰ বিকৃত নকৰে অথবা উচ্চাৰণ সঠিক ৰূপত ৰাখে তাৰ বাবে আমি অনুৰোধ জনালো। তদুপৰি কোনোৱে যাতে মঞ্চত সুধাকণ্ঠৰ প্ৰতিচ্ছবি থৈ উদ্দাম নৃত্য বা গীত পৰিৱেশন কৰিব নোৱাৰে তাৰ বাবে আয়োজকসকলে গুৰুত্ব দিব লাগিব। ৰবীন্দ্ৰ সংগীত অথবা ৰবীন্দ্ৰ নাথৰ প্ৰতিচ্ছবি সন্মুখত থাকিলে যিদৰে সস্তীয়া অনুষ্ঠান পৰিৱেশন কৰাটো নিষিদ্ধ তেনেদৰে বন্ধ কৰা হওক সস্তীয়া অনুষ্ঠান। কাৰণ কোনোৱে শিল্পীগৰাকীক অপমান কৰাৰ অধিকাৰ নাই। এই ক্ষেত্ৰত কিন্তু আয়োজকসকল সতৰ্ক হ'বই লাগিব। ড° হাজৰিকাৰ গীত যিয়ে যিমান পৰিৱেশন কৰে কৰক, আমাৰ ক'বলগীয়া একো নাই। যিমানেই তেওঁৰ গীত পৰিৱেশন কৰা হ'ব সিমানেই নৱপ্ৰজন্মৰ মনত গভীৰ সাঁচ বহিব। কিন্তু যদিহে ইয়াৰ ৰি-মিক্স বা মূল সুৰ বিকৃত কৰা হয় তেন্তে ই আকৌ বিতৰ্কৰ সূত্ৰপাত হ'ব। কোনোৱে এই বিষয়ত বিতৰ্ক হোৱাটো নিবিচাৰে। আমাৰ মাজত ভূপেনদা সদায় আপোনজন হৈয়ে থাকক।

বিহুৰ মঞ্চত পৰিৱেশন কৰিব পৰা ড° হাজৰিকাৰ গীত যথেষ্ট আছে। তেওঁৰ কণ্ঠৰ পৰা নিগৰি অহা বিহুগীতে এসময়ত অসমৰ প্ৰতিখন বিহু মঞ্চৰে কম্পন তুলিছিল। কিন্তু এনেবোৰ বিহু এতিয়া পাহৰণিৰ গৰ্ভত। ড° হাজৰিকাৰ কণ্ঠৰ বিহুগীতত প্ৰকৃতাৰ্থত মাটিৰ গোন্ধ বিচাৰি পোৱা যায়। কেঁচা মাটিৰ গোন্ধে জীপাল কৰিছিল গীতসমূহক। 'এ মাকন তোৰ ঘৰ ইপাৰত, মাকন মোৰ ঘৰ সিপাৰত' শীৰ্ষক গীতটোৱেই কেবাবছৰ আগলৈ সকলোৰে মুখে মুখে আছিল। ড° হাজৰিকাৰ আন গীতৰ ওপৰত যিমান গুৰুত্ব দিয়া হৈছে তেনেদৰে কিন্তু বিহুগীতক সমান গুৰুত্ব দিয়া হোৱা নাই। এই বিহুৰ বতৰত ড° হাজৰিকাই গোৱা বিহু অথবা বিহুসুৰীয়া গীতসমূহ শিল্পীসকলে পৰিৱেশন কৰক। আকৌ সজীৱ হৈ উঠিব সুধাকণ্ঠৰ স্মৃতি। পাহৰণিৰ গৰ্ভৰ পৰা উদ্ধাৰ হ'ব অমূল্য সম্পদ। ড° হাজৰিকাই গোৱা বিহুগীতবোৰ যদি আমি সুকীয়াকৈ সংৰক্ষণ কৰিব পাৰো তেন্তে ই ভৱিষ্যতে হ'ব মুকুতাসদৃশ। এইবাৰৰ ৰঙালী বিহুৰ সময়ৰ পৰাই আৰম্ভ হওক এই যাত্ৰা।

# সাতভনীৰ সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰোঁতা ড° ভূপেন হাজৰিকা

সাতভনীৰ মিলন সেতু গঢ়াত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই সদায় আগ-ভাগ লৈছিল। অসমৰ পৰা আৰম্ভ কৰি নাগালেণ্ড, অৰুণাচল, মেঘালয় সকলো ঠাইতে আছে শিল্পীগৰাকীৰ এখন বিশেষ স্থান। নগাপাহাৰৰ শিখৰলৈ গৈ পাহাৰীয়া জাতিটোৰ ভাই-ভনীৰ স'তে মিলিছে একাত্মভাৱে। তেওঁলোকৰ ভাষা-সংস্কৃতি আয়ত্ত কৰি গীত ৰচনাৰ সময়ত সেইবোৰ ব্যৱহাৰ কৰিছে। তেওঁলোকৰ মনোবেদনা প্ৰকাশ কৰিছে গীতৰ মাজেদি। পোৱা-নোপোৱাৰ ক্ষোভ, আশা-আকাংক্ষাৰ সমভাগী আছিল ড° ভূপেন হাজৰিকা। কেৱল নগোলেণ্ডতেইনে ? অৰুণাচলৰ মনোমুগ্ধকৰ পাহাৰীয়া স্থানত ছবিৰ শুটিঙৰ সময়ত একাত্ম হৈছিল আদি লোকসকলৰ স'তে। মনপা গাভৰু গাখীৰৰ সেন্দূৰ সনা দেহটোৰ বিষয়ে কৰা বৰ্ণনাত কিন্তু কোনো অশ্লীলতা নাই। আছে মাথোঁ শিল্পীসুলভ মানসিকতাৰ পৰিচায়ক। মেঘ-কুঁৰলী ফালি ওলাই অহা সূৰুষ দেৱতাৰ হেঙুলীয়া কিৰণত বিচাৰি পাইছিল ৰূপালী পৰ্দাৰ বাবে বিভিন্ন দৃশ্য। যেতিয়া সুধাকণ্ঠই অৰুণাচলৰ

বিভিন্ন ঠাইলৈ গৈ স্থানীয় লোকসকলৰ স'তে মত বিনিময় কৰিছিল তেওঁলোকক বুজিবলৈ। সেয়েহে পাহাৰৰ লোকসকলেও মৰমেৰে তেওঁক আদৰি লৈছিল। ভৈয়ামলৈ নামি অহাৰ পাছত ড° হাজৰিকাই সেই কথাবোৰ গানৰ আকাৰত প্ৰকাশ কৰি পাহাৰ-ভৈয়ামৰ সমন্বয় গঢ়িছিল। তেওঁৰ মনত সকলো মানুহেই স্থান পাইছিল। কেৱল সাতভনীৰ লোকসকলকেই যে একতাৰে বান্ধ খুৱাবলৈ চেষ্টা কৰিছিল তেনে নহয়, ভাৰতৰ আন ৰাজ্যৰ লোককো সমদৃষ্টিৰেই চাইছিল।

কোনোলোক হীন অথবা কোনো অস্পৃশ্য নহয়। তেওঁৰ গীততো যেন তাৰেই বহিঃপ্ৰকাশ ঘটিছে। প্ৰতিটো জনজাতি, জনগোষ্ঠীৰ মাজত সমানেই জনপ্ৰিয় শিল্পীৰ সংখ্যা খুব কমেই ওলাব। নিজ জাতিয়ে যিমান আদৰ সন্মান কৰে তাতকৈ কোনো গুণে কম নকৰে সাতভনীয়ে। সততে জনজাতীয় লোকসকলৰ পৰা আঁতৰি থকা তথা কথিত শিল্পীসকলৰ তালিকাত নাই ড° ভূপেন হাজৰিকা। মাটিৰ শিল্পীয়ে কেৱল মাটিৰ গোন্ধ বিচাৰিহে ফুৰে। কংক্ৰিটৰ অট্টালিকাতকৈ ভগা পঁজাত থাকিয়ে ভাল পায়। পাহাৰৰ শিখৰৰ দুৰ্গম ঠাইত বসবাস কৰি থকা বহিঃবিশ্বৰ পৰা বিচ্ছিন্ন কোনো নিঃকিন লোকৰ ঘৰত নিশা কটাই গীত ৰচনা কৰা শিল্পী আছিল সুধাকণ্ঠ। বিভিন্ন জনজাতীয় লোকৰ মাজত থকা ভেদাভেদৰ প্ৰাচীৰখন নোহোৰা কৰিবলৈ শিল্পীগৰাকীয়ে অহৰ্নিশে চেষ্টা চলাইছিল। য'লৈকে যায় তাতেই প্ৰচাৰ কৰিছিল ঐক্য, শান্তি আৰু মিলাপ্ৰীতিৰ বাণী। তেওঁ ভালদৰে উপলব্ধি কৰিছিল যে বাৰেচহৰীয়া সাতভনীক একতাৰ ডোলেৰে বান্ধিব পৰা একমাত্ৰ মাধ্যমটোৰেই হ'ল গীত। পৃথিৱীত কমসংখ্যক লোক আছে— যিয়ে সংগীত ভাল নাপায়। সেই বাবে এগৰাকী ভাল সাহিত্যিকতকৈ গায়ক এগৰাকীয়ে সহজেই জনসাধাৰণৰ মাজত সোমাব পাৰে। ড° হাজৰিকাই উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলকো একত্ৰিত কৰিবলৈ গীত ৰচনা কৰিছে। কেৱল ৰচনাতেই সীমাবদ্ধ নাই, ঠায়ে ঠায়ে গীতো পৰিৱেশন কৰিছে। য'তেই সুধাকণ্ঠ উপস্থিত হৈছিল তাতেই জনসমুদ্ৰ। এই জনসমুদ্ৰ দেখি তেওঁৰ মনটো অধিক সুদৃঢ় হৈছিল। সংস্কৃতিৰ বৰপথাৰত যে কোনো ভেদাভেদ নাই অথবা কোনো বিভেদকামীৰ স্থান নাই তাকেই তেওঁ প্ৰমাণ কৰি দেখুৱাইছিল।

বিপদৰ সময়ত পৰম বন্ধু হিচাপে থিয় দিছে আৰ্তজনৰ ওচৰত। গানেৰেই সকলো দুখ মোচন কৰিছে। অশান্ত পৰিস্থিতি শান্ত কৰিছে। বিভেদকামীক পৰাস্ত

কৰিছে গানেৰে। কেতিয়াবা যদি সীমান্তত উপস্থিত হৈছে আন কেতিয়াবা আকৌ নগা পাহাৰৰ শিখৰত। অৰুণাচলৰ দুৰ্গম অঞ্চলত তেওঁ বিচাৰি গৈছিল কেৱল কৃষ্টিৰ সমল, মুকুতা বিচাৰি নহয়।

সুধাকণ্ঠৰ গীতত সাধাৰণতে জনজাতীয় শব্দ তথা জনজাতীয় যুৱক-যুৱতীৰ নাম। মিজো, নগা, খাচীয়া, জয়ন্তীয়া, কাৰ্বি পাহাৰৰ ডেকা-গাভৰুৰ নাম, তেওঁলোকৰ নিভাঁজ প্ৰেমগাথা আছিল ড° হাজৰিকাৰ গীত সৃষ্টিৰ অন্যতম আধাৰ। দিচাংমুখৰ মিচিং ডেকা-গাভৰুৰ প্ৰেম কাহিনীয়ে তেওঁৰ মনত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল তাৰো বহিৰ্প্ৰকাশ ঘটিছে গীতত। এই গীত হৈ থাকিব চিৰযুগমীয়া। ইতিহাসেও চিঞৰি চিঞৰি ক'ব সুধাকণ্ঠৰ গীতৰ কাহিনী যিমান দিনলৈ সাতভনী থাকিব সিমান দিনলৈ অমৰ হৈ ৰ'ব সুধাকণ্ঠৰ অমৰ সৃষ্টি।

# বিপন্ন সময়

বিপন্ন সময়। আমি সদায় এই কথাকেই কৈ আহিছো। সময়ৰ স'তে খোজ মিলাই আকৌ সময়ৰ ওপৰতে ভেঁজা দিছো। যিসকলে সময়ৰ স'তে খোজ মিলাব পৰা নাই তেওঁলোক বালিঘৰসদৃশ হৈ পৰিছে। নিশ্চিহ্ন হৈ গৈছে সময়ৰ বুকুত। আকৌ এই সময়ৰ বুকুতেই এচামে নিজকে মৃত্যুৰ পাছতো অমৰ কৰি ৰাখিবলৈ সক্ষম হৈছো। একেই সময়। অথচ এচামে ইয়াৰ সদ্ব্যৱহাৰ কৰাৰ বিপৰীতে এচামে আকৌ ভৰিৰে মোহাৰি দিছে। তেওঁলোকৰ বাবে সময় মানে উপভোগ। সময় মূল্যহীন। জীৱনটো উপভোগ কৰা আৰু সময় অতিবাহিত কৰা।

সময়ক অতীত, বৰ্তমান আৰু ভৱিষ্যৎ হিচাপে ভাগ কৰিলেও ইয়াৰ বিভাজন সম্ভৱ জানো? নিজৰ সুবিধাৰ বাবে আমি তেনে কৰিছো। অথচ তিনিও কালত সময় একে গতিৰেই ধাৱমান। এই গতি অপ্ৰতিৰোধ্য। যাক আমি পৃথিৱীৰ আটাইতকৈ শক্তিশালী বুলি কওঁ সেই শক্তিশালী অস্ত্ৰয়ো সময়ক ৰোধিব পৰা নাই। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়ত বিজ্ঞানীসকলে মানৱ জাতিৰ বাবে সকলো যন্ত্ৰপাতি উদ্ভাৱন কৰিছে। মহাকাশৰ বুকুত উপগ্ৰহ ৰেষ্টুৰেণ্ট কৰিবলৈ পৰিকল্পনা লৈছে। শূন্যত উপগ্ৰহ লৈছে। মহাসাগৰৰ অতল গভীৰতালৈ গৈ মুকুতা বিচাৰিছে। পোহৰতকৈ বেছি গতিসম্পন্ন অস্ত্ৰ-শস্ত্ৰ উদ্ভাৱন কৰিছে। এণ্টাৰ্কটিকাৰ বৰফৰ মাজত লক্ষ লক্ষ বৰ্ষ আগৰ জীৱাশ্মৰ সন্ধান চলাই সফলো হৈছে। সকলোবোৰ কৰিলেও কিন্তু বিজ্ঞানে এটা কাম কৰিব পৰা নাই আৰু ভৱিষ্যতেও নোৱাৰে। সেয়া হ'ল সময়ক প্ৰতিৰোধ কৰাতো। সময়ৰ হাতত বিজ্ঞান পৰাজিত। সময়ৰ

স'তে বিজ্ঞানে একেলগে খোজ মিলোৱা বুলি ক'লেও সেয়া কিন্তু এক নুবুজা সাঁথৰহে।

বিপন্ন সময়। আমি সকলো কাম সময়ৰ ওপৰত ভেঁজা দি কৰো। ব্যৰ্থ হ'লে কওঁ— 'সময় কম'। কিন্তু একে সময়ৰ ভিতৰত যদি বৃহৎ সাফল্য লাভ কৰো তেতিয়া কওঁ কম সময়তো বৃহৎ সফলতা অৰ্জন কৰিব পাৰি যদিহে সময়ৰ স'তে খোজ মিলাওঁ। তেন্তে কোনটো সত্য? সময়ক জয় কৰিছো নে মানসিক দৃঢ়তাক জয় কৰিছো সেয়া এক বিচাৰ্য বিষয়।

সময় গতিশীল। এই গতিক কোনোৱে বাধা দিব নোৱাৰে। সময়ৰ আক্ষেপ নাই। অতীত হৈ যোৱাখিনিক লৈয়ে সময় ব্যস্ত নাথাকে আৰু ভৱিষ্যতক লৈয়ো ব্যস্ত নহয়। কাৰোলৈ ভ্ৰূক্ষেপ নাই। সময়ক জানিব লাগিব, সময়ক বুজিব লাগিব আৰু সময়ৰ স'তে খোজ মিলাব লাগিব। কিন্তু জানিব কেনেকৈ? বুজিব কেনেকৈ? সময় যে নিৰাকাৰ, গোন্ধহীন। সূৰ্য উদয় হওঁতেও সময়ে গতি কৰিছে আৰু নিশা চন্দ্ৰ ওলালেও গতি কৰে সময়ে। এয়াই সময়ৰ বিচিত্ৰতা।

বৰ্তমানৰ ভেটি অতীত নে ভৱিষ্যৎ? অতীতত সংঘটিত ঘটনা প্ৰবাহক বৰ্তমানে বিশ্লেষণ কৰি ভৱিষ্যতৰ নক্সা আঁকে। কোনোটোকেই মানুহে আওকাণ কৰিব নোৱাৰে। বৰ্তমানৰ বুকুত থিয় দি কোনোবাই জানো ক'ব পাৰিব আমি অতীত নোহোৱাকৈ বৰ্তমানৰ ভেটি গঢ়িছো। ভৱিষ্যৎ আমাৰ বাবে প্ৰয়োজন নাই। সন্মুখৰ ফালে চাবলৈ হ'লে ভৱিষ্যতৰ দিশে ধাৱমান হ'বই লাগিব। ধাৱিত হোৱাৰ সময়তো কিন্তু বৰ্তমান আৰু ভৱিষ্যতৰ মাজত ব্যৱধান উলিয়াব পৰা নাই। একেখিনি সময়ে এবাৰ অতীত হৈছে এবাৰ বৰ্তমান আৰু এবাৰ ভৱিষ্যৎ হৈছে।

সময় নিষ্ঠৰ। অথচ এই সময়ৰ মাজত থাকিয়ে আমি জীৱন গঢ়িছো। সৃষ্টি কৰিছো। আদৰিছো। বিদায় দিছো কিমানজনক। কেতিয়াবা যদি নিষ্ঠুৰ বুলি কৈছো আন কেতিয়াবা আকৌ নিষ্ঠুৰ সময়খিনিৰ পৰাই অমূল্য সম্পদ আহৰণ কৰিছো। সকলো বহন কৰে সময়ে নীৰৱে নিশ্চুপ হৈ সকলোকে আদৰিছো, বিদায়ো দিছো। তথাপি আমি কিন্তু সময়কে দোষাৰোপ কৰো। গতি গতিয়েই। ইয়াক বাধা দিব নোৱাৰি। ইয়াৰ স'তে মিলিব লাগিব নিয়ন্ত্ৰিত গতিৰে। সময় নিষ্ঠুৰ নহয়। আমিহে সময়ক নিষ্ঠুৰ সজাইছো।

# প্ৰতিবন্ধীৰ আৰু কিছু ধাৰণা

প্ৰতিবন্ধীসকলক লৈ আমাৰ কৰণীয় যথেষ্ট আছে। এই প্ৰতিবন্ধীসকলক লৈয়ে সমাজৰ একাংশলোকে এটা বিশেষ শ্ৰেণীৰ সৃষ্টি কৰিছে। এয়া একাংশ লোকৰ বাবে চৰ্চাৰ বিষয়। এইসকললোকৰ বাবে প্ৰতিবন্ধীসকল পুতৌৰ পাত্ৰ। শীত-তাপ নিয়ন্ত্ৰিত কোঠাত থাকি এইসকলে প্ৰতিবন্ধীসকলৰ উন্নতিৰ বাবে ব্লু-প্ৰিণ্ট ৰচনা কৰে। কিন্তু বাস্তৱত? কেতিয়াবা এনে প্ৰতিবন্ধীৰ ঘৰত খোজ পেলায়নে? দৰাচলতে প্ৰতিবন্ধীৰ বাবে আমি যি কৰিব লাগিছিল সেয়া কৰিব পাৰিছো নে নাই সেই বিষয়ে কেতিয়াও বিশ্লেষণ কৰি নাচাওঁ। বছৰেকৰ মূৰত 'বিশ্ব প্ৰতিবন্ধী' দিৱস উদ্‌যাপন কৰো। তেওঁলোকৰ প্ৰতি সেইখিনি কৰিয়েই দায়িত্ব সামৰো। তাৰ পাছত আকৌ বছৰৰ মূৰত সভা-সমিতিৰ আয়োজন কৰিবলৈ উঠিপৰি লাগো। এনেদৰেই চলিছে আৰু ভৱিষ্যতেও চলি থাকিব। অৱশ্যে ইয়াৰ মাজতো কিছুমান সংগঠন বা ব্যক্তিয়ে নীৰৱে কাম কৰি নথকাকৈয়ো নাই। তেওঁলোকে কিন্তু প্ৰচাৰ মাধ্যমৰ আঁৰত থাকিয়েই প্ৰতিবন্ধীসকলৰ বাবে নীৰৱে কাৰ্য সম্পাদন কৰি আছে।

দৰাচলতে প্ৰতিবন্ধী সম্পৰ্কে আমাৰ সমাজত যি ধাৰণা আছে সেয়া একবিংশ শতিকাতো সলনি নহ'ল। এনে বহু লোক এতিয়াও আমাৰ এইখন সমাজতেই আছে— যিসকলে কোনো শুভ কামৰ বাবে ওলালে প্ৰতিবন্ধী লোকক দেখিলে তিনি খোজ পিছুৱাই আহে। তেওঁলোকে কিন্তু এবাৰো ভাবি নাচাই শাৰীৰিকভাৱে প্ৰতিবন্ধী হ'লেও তেওঁলোকৰ অন্তৰ পবিত্ৰ হ'ব পাৰে। নিৰ্মল হৃদয়েৰে হয়তো যিজনে তেওঁক দেখি যাত্ৰাত বিঘিনি হ'ব বুলি তিনি খোজ পিছুৱাই গৈছে তেওঁৰ মংগল হোৱাৰ বাবেই ভগৱানৰ ওচৰত প্ৰাৰ্থনা

জনাইছে। যিজনৰ বাবে প্ৰাৰ্থনা জনাইছে তেওঁকেই আকৌ ঘৃণা! ইয়াতকৈ আৰু বেদনাদায়ক বিষয় কি হ'ব পাৰে।

প্ৰতিবন্ধী সকলো সমাজৰেই অংগ। ইলিয়াড-ওডিচিৰ ৰচক হোমাৰ আছিল জন্মান্ধ। বহুতেই হয়তো জ্ঞাত নহয় যে ফৰাচী বীৰ নেপোলিয়ন ব'নাপাৰ্টৰ হৃদযন্ত্ৰত ফুটা আছিল। অথচ এসময়ত ফৰাচী সৈন্যই এইগৰাকী বীৰৰ নেতৃত্বতেই তোলপাৰ লগাইছিল। ত্ৰাসিত হৈ পৰিছিল কেবাখনো শক্তিশালী ৰাষ্ট্ৰ। ৱাটাৰলু যুদ্ধত ফৰাচী সৈন্য পৰাস্ত হোৱাৰ কাৰণ কিন্তু প্ৰতিবন্ধকতা নাছিল, আছিল বিশ্বাসঘাতকতা। গতিকে প্ৰতিবন্ধী জীৱনৰ মূল্যাংকন আন দহগৰাকী লোকৰ দৰেই হোৱা উচিত। আমি আমাৰ ধ্যান-ধাৰণা সলনি কৰিবৰ হ'ল। আমি সকলোৱে মহাকাশত ৰেস্তোৰাঁ নিৰ্মাণৰ কথা কৈছো যদিও প্ৰতিবন্ধী সম্পৰ্কে থকা ধাৰণা কিন্তু সলনি কৰিব পৰা নাই। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো সীমিত পৰিষৰৰ মাজতেই আছো।

অসমৰ বিভিন্ন ঠাইত শেহতীয়াভাৱে কেইবাটাও স্বেচ্ছাসেৱী সংগঠনৰ লগতে কিছুমান ব্যক্তিয়ে নিজাববীয়াকৈ সেৱা আগবঢ়াই আছে। কিন্তু কিছু কিছু ক্ষেত্ৰত তেওঁলোক সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। সমাজৰ তথাকথিত নেতা একাংশই এওঁলোকৰ বিৰুদ্ধে কুৎসা ৰতনাত ব্যস্ত হৈ পৰে স্বাৰ্থ সিদ্ধিৰ বাবে। চাৰিওফালৰ পৰা হেঁচা প্ৰয়োগ কৰাও দেখা যায়।

প্ৰতিবন্ধীসকলক সমাজত আন দহজনলোকে জীয়াই থকাৰ দৰে থাকিবলৈ এখন উপযুক্ত ক্ষেত্ৰ আমি গঢ়ি তুলিব লাগিব। তেওঁলোকে যাতে কোনো বিষয়ক কেন্দ্ৰ কৰি হীনমন্যতাত ভুগিব নোৱাৰে তাৰ বাবে আমি তেওঁলোকক একেতা শাৰীতেই বহুৱাব লাগিব। প্ৰতিবন্ধীসকলেও অনুভৱ কৰিব নালাগিব যে তেওঁলোক সমাজৰ এটা বিশেষ শ্ৰেণী। এইসকল লোকক বাদ দি এখন সুস্থ সমাজ গঢ়াৰ পৰিকল্পনা কৰিব নোৱাৰি। সমাজৰ উন্নতিত বাধাগ্ৰস্ত হ'ব যদিহে প্ৰতিবন্ধীসকল পিছপৰি থাকে। পৃথিৱীত কোনো এখন দেশে সমাজৰ এটা বিশেষ শ্ৰেণীক আওকাণ কৰি উন্নতিৰ জখলা বগাব পৰা নাই। উন্নত দেশবোৰত প্ৰতিবন্ধীসকলৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে যদিও তাৰ তুলনাত আমি ভালেখিনি পিছপৰি আছো। সমাজৰ প্ৰতিগৰাকী লোকৰে কৰ্তব্য-আগবাঢ়ি আহিব লাগিব স্বেচ্ছাসেৱী সংগঠনসমূহো।

# এজন অচিন বন্ধুৰ কথাৰে

এদিনা মই জি. এছ. ৰোডৰ পদপথেৰে খোজ কাঢ়ি গৈ থাকোঁতে সন্মুখত দেখা পালো এজন আদবয়সীয়া মানুহ। মলিন বদন। কাপোৰ কানি অপৰিপাটি। তেওঁক দেখিলেই মনত এনে ভাব হয় যেন মানুহজন খুব মানসিক চাপৰ মাজত আছে। অত্যধিক মানসিক চাপৰ হেঁচাত তেওঁ কাবু হৈ পৰিছে। আদবয়সীয়া মানুহজনে মোৰ ফালে চাই আছে। মই লক্ষ্য কৰিলো তেওঁ বহু সময় ধৰি একেৰাহে মোলৈ চাইছে। মোৰ মনত প্ৰশ্নৰ উদয় হ'ল— মানুহজনে মোক বাৰু চিনি পাই নেকি? মনত পেলাবলৈ চেষ্টা কৰিলো। নাই, মনত নপৰিল। মস্তিষ্কৰ কচৰত কৰিও মনত পেলাব নোৱাৰিলো। দুখোজমান আগুৱাই যোৱাৰ পাছতে মানুহজনে মাত লগালে— মোক চিনি পাইছেনে? মই ক'লো— ঠিক মনত পেলাব পৰা নাই। কিয় কে'বাবছৰ আগতে যে আপোনাক লগ পাইছিলো। বহুত কথা পাতিছিলো। অৱশ্যে তেতিয়া মই এনেদৰে অহা নাছিলো। বিলাসী গাড়ীত আহিছিলো। এটা অনুষ্ঠানত আপোনাক লগ পাইছিলো। মানুহজনৰ কথাতহে মোৰ তৎ আহিল। হয়তো, কে'বাবছৰ আগতে তেওঁক লগ পাইছিলো।

কিন্তু সেইজন মানুহৰেই যে এনে অৱস্থা হৈছে! উহ, সময়ৰ কি বিচিত্ৰ ৰূপ। কিন্তু কিয় তেওঁৰ এনে অৱস্থা হ'ল। এনেদৰে ভাবিলো যদিও কথাটো সুধিবলৈ সাহস নকৰিলো।

মানুহজনক নম্ৰভাৱেৰেই সুধিলো— 'আপুনি এতিয়া কি কৰি আছে।' মই এনেদৰে সোধাৰ লগে লগে কিছুমান বিসংগতিপূৰ্ণ উত্তৰ দিলে। ময়ো আচৰিত হ'লো। কথা বতৰাৰ পৰা অনুমান কৰিব পাৰি তেওঁ মানসিক ভাৰসাম্যহীন। অৱশ্যে মই তেওঁক এই বিষয়ে সোধাৰ আগতেই মানুহজনে অনৰ্গল বলকিল— 'শুনিব, মোৰ জীৱন কাহিনী। মানুহৰ জীৱনত কিমান কৰুণ কাহিনী ঘটিব পাৰে আপুনি ভাবিব পাৰে জানো? বুজিছে কঠিন। মানুহৰ জীৱনটো শিলৰ দৰে কঠিন। গোলাপৰ পাহিৰ দৰে ঠুনুকা। কেতিয়া কোনটো ৰূপ লয় সেয়া ভগৱানেও নাজানে। বিচিত্ৰ জীৱন, বিচিত্ৰ জগত।' তেওঁৰ কথাখিনি পদপথৰ ওপৰতে থিয় হৈয়ে শুনি থাকিলো। তেওঁ পুনৰ ক'লে— 'বুইছে, মোৰো এখন সংসাৰ আছিল। আছিল মানে এতিয়াও আছে। কিন্তু মোৰ সংসাৰখন থকা-নথকাৰ মাজত কোনো পাৰ্থক্য নাই। সকলো আছে; কিন্তু একোৱেই নাই। কিছুমান মানুহৰ জীৱনত ঐশ্বৰ্য-বিভূতি সকলো থাকে; কিন্তু তেওঁৰ স'তে সুখ নাথাকে। পত্নী থাকে, যদিও তেওঁ বহু দূৰৈৰ অচিন মহিলা। ল'ৰা-ছোৱালী আছে যদিও 'পিতৃ' বুলি সম্বোধন কৰিব নোখোজে। লাজ পায়। কাৰণ সিহঁতৰ দৰে সময়ৰ গতিত বিলীন হ'ব নোৱাৰো। মানে 'আউটডেটেড।' ধন থাকিলেই যে এজন মানুহে গুৰু-গোসাঁই মানিব নালাগে সেয়া যুক্তিসংগত জানো। গাঁওখনৰ হোজা মানুহখিনিৰ স'তে মিলা-মিছা কৰাতো জানো অপৰাধ হ'ব পাৰে। গাঁৱৰ পুৰণি ঘৰখনলৈ গৈ জিৰণি লোৱা, অঙহী-বঙহীৰ খবৰ লোৱা আৰু যে কিমান কাম। গাঁওখনৰ উৎসৱলৈ গৈ গঞা ৰাইজৰ স'তে মিলা-মিচা কৰিলে জানো মানুহ 'আউটডেটেড' হয়। গাঁৱৰ দুখীয়া ভাই-ককাইৰ স'তে মই সম্পৰ্ক ৰাখিব খোজো বাবেই মোৰ স'তে কাজিয়া কৰে পত্নী, ল'ৰা-ছোৱালীয়ে। একেবাৰে জান্তিপৰ দৰে ফেপেৰি পাতি ধৰে। চহৰৰ ঘৰখনলৈ ভাই-ককাই আৰু সিহঁতৰ ল'ৰা-ছোৱালী আহিলে একেবাৰে সহ্য কৰিব নোৱাৰে। কুকুৰ-মেকুৰীৰ দৰে ব্যৱহাৰ কৰে। খাবলৈ দিব খুজিলেই পত্নী, ল'ৰা-ছোৱালী কেইটাই সিহঁতৰ শৰীৰৰ মঙহ কাটি দিয়া যেন পায়। পেলনীয়াখিনিহে খাব দিয়ে।

বুজিছে, এইবোৰ দেখিলে মনত বৰ দুখ পাওঁ। সিহঁতক বুজাওঁ। কিন্তু কি হয় জানো? সিহঁতে বুজিও নুবুজাৰ ভাও ধৰে। মই গাঁৱতে ডাঙৰ-দীঘল হৈছিলো। এদিন দেউতাই চহৰৰ ছোৱালী এজনীৰ স'তে বিয়া পাতি দিলে। বিয়াৰ এবছৰমান পাছৰে পৰাই অন্তৰ্দ্বন্দ্ব আৰম্ভ হ'ল। তিনিটাকৈ ল'ৰা-ছোৱালী জন্মিল। সংসাৰো চলি থাকিল। ঠিক এটা চলি থকা চকাৰ দৰে। মাজে মাজে চলে। মাজে মাজে নচলে। কিন্তু এসময়ৰ এই চকাটো এতিয়া নচলা হৈছে। মামৰে ধৰিছে। ল'ৰা-ছোৱালীয়ে মোৰ কথা নুশুনে। নিশা দুপৰলৈকে ক'ত কাৰ লগত ঘূৰে গম নাপাওঁ। কিবা সুধিলে মুখেৰে নামাতে। পত্নীৰ কথাতো ক'বই নালাগে। এতিয়া তেওঁক দেখিলে ওচৰ-চুবুৰীয়াও ভয়তে পলায়। মুখত বিলাতী মদৰ গোন্ধ। ৰাস্তা-ঘাটে দেখিলে মোক নামাতে। স্বামী বুলি পৰিচয় দিবলৈ লাজ পায়। মই বোলে 'আউটডেটেড'। বুজিছে, সকলো মিছা। মোৰ এই কাহিনীবোৰ আনৰ আগত ক'লে চিনেমাৰ কাহিনী বুলিহে ভাবে। কাৰো আগত ক'ব নোৱাৰো। গাঁৱলৈকো যাব নোৱাৰো। ভাই-ককাইৰ সন্মুখত মুখ দেখুৱাম কেনেকৈ। মানসিকভাৱে ভাৰাক্ৰান্ত হৈ পৰিছো। এনেকৈ বাৰু জীয়াই থাকিব পাৰিনে?'

মানুহজনৰ কাহিনী শুনি মনটো সেমেকি উঠিল। তাৰ পাছত সেই মানুহজনক কেবাদিনো লগ পালো। একেই দৃশ্য। একেই কথা। এয়াই জীৱন। মানৱ জীৱন। দ্বন্দ্বৰে পাৰ কৰা এক অসহনীয় জীৱন।

# বৃদ্ধ দম্পতীৰ কথাৰে

নিঃসংগ জীৱন কিমান দুৰ্বিষহ হ'ব পাৰে তাৰ ব্যাখ্যা ভুক্তভোগীজনৰ বাহিৰে আনে দাঙি ধৰাতো দুৰূঢ়। কোনো মানুহে নিঃসংগ জীৱন কামনা নকৰে। নিৰ্জন দ্বীপত বাস কৰা লোক কেইজন ওলাব? যদিও মানুহে জন্মাৰ সময়ত অকলে আহে আৰু মৃত্যুৰ সময়তো অকলেই ইহসংসাৰ এৰে, তথাপি মাজৰ সময়ছোৱাত বিচাৰে সংগী। যেতিয়াৰে পৰা মানুহে সমাজ পাতি বাস কৰিবলৈ ধৰিলে তেতিয়াৰে পৰাই সংগী বিচৰা হ'ল। পৰিয়ালক কেন্দ্ৰ কৰিয়েই সকলো গঢ় ল'লে। এজন মানুহৰে কেতিয়াও এটা পৰিয়াল সম্পূৰ্ণ নহয়। একক পৰিয়ালৰ সময়তো পৰিয়ালসমূহত দুই-তিনিজন সদস্য থাকে। সংসাৰৰ মায়াজালৰ বন্দী হয় পতি-পত্নী, সন্তান আদিক কেন্দ্ৰ কৰি। কিন্তু যেতিয়া সন্তান পিতৃ-মাতৃৰ মাজৰ পৰা আঁতৰি যায় তেতিয়া পিতৃ-মাতৃৰ মানসিক অৱস্থা কেনেকুৱা হ'ব পাৰে এবাৰ ভাবি চাওকচোন সন্তানক নিজৰ ওচৰত ৰাখিব খোজে প্ৰতিগৰাকী পিতৃ-মাতৃয়ে। কাৰণ সন্তানক কেন্দ্ৰ কৰিয়ে জীয়াই থকাৰ সপোন দেখে। এই সপোন বাস্তৱত ৰূপায়িত হ'লে লাভ কৰে সীমাহীন আনন্দ। আৰু যদি কলিতেই মৰহি যায়, তেন্তে সেই অৱস্থাটো হৈ পৰে দুৰ্বিষহ। জীৱনটো হয় প্ৰত্যাহ্বান। নিঃসংগ বৃদ্ধ-বৃদ্ধাৰ শাৰীৰিক-মানসিক অৱস্থাৰ ভগ্ন ছবিখন। এবাৰ ভাবি চাওকচোন।

মহানগৰীৰ এটি বৃদ্ধ দম্পতী। তেওঁলোকৰ স'তে আমাৰ সম্পৰ্ক মধুৰ (অৱশ্যে নামটো উল্লেখ কৰিব নোৱাৰিলো)। ল'ৰা দুটা আৰু এগৰাকী ছোৱালী। উচ্চ শিক্ষিত পৰিয়াল। দেউতাকে অশেষ কষ্ট কৰি এজনক চিকিৎসক আৰু আনজনক ইঞ্জিনিয়াৰ বনালে। ছোৱালীজনীৰো বিয়া হ'ল। বাংগালুৰুত থাকে।

জোঁৱায়েক ভাৰত চৰকাৰৰ উচ্চপদস্থ বিষয়া। বিগত পাঁচ বছৰে পিতৃ-মাতৃয়ে অকলশৰে থাকিবলগীয়া হৈছে ছমহলীয়া অট্টালিকাত। কোঠাৰ সংখ্যা ১০ টা। এতিয়া মানুহ থাকে দুগৰাকী— পতি-পত্নী। হঠাতে সিদিনা দম্পতীটোৱে মোক ফোন কৰিলে— 'গোপাল, তুমি এবাৰ আহিব পাৰিবানে? আমাৰ অৱস্থা ভাল নহয়।' মই তেওঁলোকৰ কথা শুনি পলকতে দম্পতীটোৰ ঘৰত উপস্থিত হ'লো। ঘৰত উপস্থিত হোৱাৰ পাছতেই তেওঁলোকৰ অৱস্থা দেখি মনটো সেমেকি উঠিল। কিবা এটা সুধিম বুলিও সুধিব পৰা নাই। মনতে প্ৰশ্ন কৰিলো— কি সুধিম? সুধিবলৈ বহুতেই আছে। কেনেকৈ আৰম্ভ কৰো? যি দুগৰাকী মানুহে অনবৰতেই আনক হঁহুৱাইছিল, তেওঁলোক এতিয়া নিস্তব্ধ। হাঁহিব নোৱাৰে। হাঁহিব চেষ্টা কৰিছে, পৰা নাই। কিবা এটা গধুৰ ভাবে বুকুখনত হেঁচি আছে। সন্তানক ওচৰৰ পৰা চাবলৈ মন। কিন্তু মন গ'লেই হ'বনে? তেওঁলোকৰ তিনিটা সন্তান থাকিও আজি নিঃসংগ। আন কথাতো বাদেই ভাতকেইটাকে ৰান্ধি খাব নোৱাৰে। এগৰাকী লিগিৰী আছে। কিন্তু তায়ো আজিকালি বৃদ্ধ-বৃদ্ধাক ভালদৰে খাবলৈ নিদিয়ে।

এনেবোৰ কথাৰ মাজতে আক্ষেপেৰে তেওঁলোকে ক'লে—'বুইছা, সন্তান থাকিও আজি আমি নিঃসন্তান। দুয়োজন ল'ৰাই ডাক্তৰ-ইঞ্জিনিয়াৰ হৈ বাহিৰতে থাকে। আহিবলৈ সময় নাই। সিহঁতক ফোন কৰিলে আমনিহে পায়। কেতিয়াবা যদি দিনত দুবাৰ ফোন কৰো তেতিয়া বিৰক্তিৰে উত্তৰ দিয়ে— এতিয়া ব্যস্ত আছো। তহঁতৰ আন একো কাম নাই নেকি। দিনটোত দুই তিনিবাৰ ফোন কিয় কৰিব লাগে ইত্যাদি ইত্যাদি। সঘনাই ফোন কৰিলে কেইটামান টকা পঠিয়াই দিয়ে। টকা পঠিয়ালেই সিহঁতৰ দায়িত্ব শেষ। নিজৰ সংসাৰ থাকিলে বুলিনো পিতৃ-মাতৃক পাহৰিব লাগেনে? টকাৰে পিতৃ-মাতৃৰ ধাৰ পৰিশোধ কৰিব খোজাজন মূৰ্খ নহয়নে? সিহঁতো বুঢ়া হ'ব। বৃদ্ধা পিতৃ-মাতৃৰ দৰে সিহঁতৰ সন্তানেও যে অৱহেলা কৰিব পাৰে।' মানুহজনৰ শেষৰখিনি কথাই মোক বৰকৈ আঘাত কৰিলে। এদিন সকলো বুঢ়া হ'ব। বুঢ়া হ'ল বুলিয়ে মানুহক পেলনীয়া বস্তু বুলি ভাবিব লাগেনে? এদিন নিজেও বুঢ়া হ'ব। তেতিয়া তেওঁ সন্তানৰ মনত আৱৰ্জনা নহ'বনে? কিছু সময় তেওঁলোকৰ ঘৰত অতিবাহিত কৰি ওলাই আহিলো। বাটত এটা কথাই মনত খেলি থাকিল— নিঃসংগ জীৱন বৰ দুৰ্বিষহ।

# জেচমিনৰ কথাৰে মানৱতাৰ গান

জেচমিন আৰা আহমেদ সৰুতে আছিল এগৰাকী ৰাংঢালী ছোৱালী। আন দহ শিশুৰ দৰে ওমলিছিল। ৰজা-ৰাণী খেলাৰ সময়ত সপোন দেখিছিল ডাঙৰ হৈ বিশ্ব জয়ৰ। এয়া মানুহ মাত্রে থাকিবই। কাৰণ মানুহ আশাত বন্দী। আশাহীন কোনো লোকেই এই পৃথিৱীত জীয়াই থাকিব নোৱাৰে। নিৰাশাই আৰৰা বাবেহে মানুহে আশাৰ পাচে পাচে ঘূৰে। আশাই মানুহৰ চালিকা শক্তি। য'ত আশা নাই তাত গতিও নাই। আশাৰ সপোনবোৰ বাস্তৱত ফলিয়াবলৈকে জীয়াই আছে জেচমিন। এতিয়া তেওঁ যুৱতী হ'ল। কিন্তু জীৱনৰ সেন্দূৰীয়া বাটটো জেচমিনৰ বাবে হৈ পৰিল প্ৰত্যাহ্বান। প্ৰথম খোজতেই পিছলিল। এটি সুস্থ শৰীৰ হঠাতেই অসুস্থ হ'ল। শাৰীৰিক অসুস্থতাই প্ৰথম অৱস্থাত মানসিকভাৱে দুৰ্বল কৰিছিল যদিও পৰৱৰ্তী সময়ত জেচমিনে ৰোগক এক প্ৰত্যাহ্বানৰূপে গ্ৰহণ কৰিলে। 'চেলেঞ্জ'। জীৱন যুঁজত জয়ী হ'বলৈ 'চেলেঞ্জ' গ্ৰহণ কৰিবই লাগিব। জেচমিনে উপলব্ধি কৰিলে জীৱনটো প্ৰত্যাহ্বানৰ সমষ্টি। প্ৰতিটো খোজতেই মানুহে প্ৰত্যাহ্বানৰ সন্মুখীন হয়। যিসকলে প্ৰত্যাহ্বানৰ মুখামুখি হৈছে তেৰেঁই জীৱন যুঁজত সফল হৈছে।

জেচমিনে পঢ়া-শুনা সমাপ্ত কৰি এদিন শিক্ষয়িত্ৰী হ'ল। ছাত্ৰ-ছাত্ৰীক পঢুওৱাত মনোনিৱেশ কৰিলে। কিন্তু এইখিনিতেই কেণা লাগিল। স্নায়ৱিক ৰোগে জুৰুলা কৰিলে জেচমিনক। ঘৰৰ কোঠাৰ চাৰিবেৰৰ মাজতেই আবদ্ধ হ'ল যুৱতীগৰাকী। কিন্তু তথাপি ভাগি পৰা নাই জেচমিন। ব্যস্ত হৈ পৰিছে লেখা-মেলা, পঢ়া-শুনাত। নিজে লিখিব নোৱাৰে যদিও মুখেৰে কৈ থাকে,

আন এজনে লিখে। তথাপি হতাশ হোৱা নাই। পৰিস্থিতিৰ স'তে যুঁজিবলৈ মনত আছে অদম্য শক্তি। আন দহগৰাকী সুস্থ লোকৰ দৰেই প্ৰকাশ পাইছে জেচমিনৰ লেখা। কেৱল সেয়াই নহয়, যিসকল প্ৰতিবন্ধী তেওঁলোকৰ বাবেও হৈ পৰিছে আদৰ্শৰ প্ৰতীক। জেচমিনে প্ৰমাণ কৰিছে শাৰীৰিকভাৱে নহয় এগৰাকী ব্যক্তি মানসিকভাৱে শক্তিশালী হ'লে যিকোনো কাৰ্যই সম্পাদন কৰিব পাৰি। আজি প্ৰতিবন্ধী হৈও বহুতে অলিম্পিকত দৌৰিছে। পদক বুটলিছে। এটাৰ পাছত আন এটা সাফল্য অৰ্জন কৰিছে। জেচমিনেও লেখাৰ মাজেদিয়ে। মানসিক দৃঢ়তা প্ৰমাণ কৰিছে।

পাঠকসকলে নিশ্চয় খ্ৰীষ্ট ব্ৰাউনৰ নাম শুনিছে। তেওঁ আছিল প্ৰতিবন্ধী। কিন্তু প্ৰতিবন্ধী হ'লেও বিশ্ব বিখ্যাত হৈ পৰিছিল পেইণ্টিঙৰ জৰিয়তে। এই প্ৰসংগতে তেওঁৰ উক্তি এষাৰি উল্লেখ কৰিব খুজিছো— 'পেইণ্টিং হৈ পৰিছে মোৰ সৰ্বস্ব, মই যিমানবোৰ কথা দেখিছিলো আৰু অনুভৱ কৰিছিলো নিৰ্জন কাৰাগাৰৰ কক্ষত বন্দী হৈ থকাৰ নিচিনাকৈ মোৰ অকামিলা পংগু শৰীৰত বাস কৰি থকা মোৰ মনটোৰ মাজেদি যিমানবোৰ চিন্তাৰ সোঁত বৈ আছিল, সেই সকলোবোৰ মই প্ৰকাশ কৰিব পাৰিছিলো মোৰ পেইণ্টিঙত।' পাছত তেওঁ 'মাই লেফ্‌ট ফুট' নামৰ আত্মজীৱনীখনৰ বাবে বিখ্যাত হৈ পৰিছিল। যদিও জেচমিন ব্ৰাউনৰ সমপৰ্যায়ৰ হোৱা নাই তথাপি তেওঁৰ পদাংক অনুসৰণ কৰাত ই সকলোৰে বাবে চৰ্চাৰ বিষয় হৈ পৰিছে।

অসমত জেচমিনৰ দৰে প্ৰতিবন্ধী বহু আছে। এইসকলক আমি সমাজৰ আন দহজন লোকৰ শাৰীত বহুৱাব লাগিব। তেতিয়াহে আমি সগৌৰৱে ক'ব পাৰিম যে মানৱ জাতিৰ মাজত নাই কোনো ভিন-পৰ। জেচমিনহঁতে বুজিব নালাগিব যে তেওঁলোক অকলশৰীয়া। জীৱন যুঁজৰ এই কণ্টকময় পথত খোজ দিওঁতে তেওঁলোকক আন দহজনে সহায় কৰিবলৈ ৰৈ থকা বুলি বুজি পাব পৰা পৰিৱেশ এটিৰ আমি সৃষ্টি কৰিব লাগিব। এক জাতি, এক সমাজ এই মন্ত্ৰৰে মানৱ জাতি আগুওৱা বুলি সকলো প্ৰতিবন্ধীয়ে উপলব্ধি কৰক। এই পৃথিৱীলৈ সকলোৱে অকলশৰে আহিছে আৰু যাওঁতে অকলশৰেই যাব। সংসাৰত থকা দুদিন সেইবাবে সকলোৱে আনৰ প্ৰতি সহনশীল হোৱা উচিত। আহক আমি সকলোৱে হাতে হাত ধৰি আগবাঢ়ো।

# বৈদ্যুতিন সংবাদ মাধ্যমৰ সাংবাদিক আৰু প্ৰত্যাহ্বান

প্ৰত্যাহ্বান— বৈদ্যুতিন মাধ্যমৰ সাংবাদিকৰ ছাঁটোৰ দৰে লাগি থকা এটি শব্দ। প্ৰতিটো খোজতেই প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বান নেওচি যিজনে যুঁজত আগবাঢ়িব পাৰিছে তেৱেঁই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। যুদ্ধক্ষেত্ৰত গৈ বাতৰি সংগ্ৰহ কৰা, বিস্ফোৰণথলীলৈ গৈ সকলো তথ্য সংগ্ৰহ কৰা, অটব্য অৰণ্যৰ মাজত হিংস্ৰ জন্তুৰ স'তে মুখামুখি হৈও তথ্য সংগ্ৰহ কৰি সেইবোৰ দৰ্শকৰ আগত উপস্থাপন কৰা, প্ৰলয়ংকৰী বান, ৰ'দ, বতাহ, বৰষুণ নেওচি বাতৰি সংগ্ৰহ কৰাটোৱেই বৈদ্যুতিন মাধ্যমৰ সাংবাদিকৰ বাবে প্ৰত্যাহ্বান। কেতিয়াবা বাতৰি সংগ্ৰহৰ বাবে যোৱাৰ সময়ত জীৱন বলি দিবলগীয়া হোৱা ঘটনাও সংঘটিত হৈছে। কাৰোবাৰ বিৰুদ্ধে বাতৰি সম্প্ৰচাৰ কৰাৰ গইনা লৈ মাৰ-ধৰ বা হত্যা কৰা ঘটনাৰ বিষয়ে প্ৰায়ে শুনিবলৈ পোৱা যায়। সাংবাদিকৰ কাম সংবাদ সংগ্ৰহ কৰা। বৈদ্যুতিন মাধ্যমৰেই হওক অথবা ছপা মাধ্যমৰেই হওক— সকলো সাংবাদিকৰে লক্ষ্য প্ৰথমে সংবাদ সংগ্ৰহ কৰা। এইক্ষেত্ৰখনত

দ্ৰুত গতিত বাতৰি সংগ্ৰহ কৰিবলৈ যোৱাৰ সময়ত সন্মুখত কি বিপদ আছে তালৈ ভ্ৰূক্ষেপ নকৰি প্ৰথমতে বাতৰি পৰিৱেশন কৰিব পৰাটো প্ৰত্যেক সাংবাদিকেই কৃতিত্ব বুলি ভাবে।

সংবাদ সংগ্ৰহ কৰাটো প্ৰত্যাহ্বান যদিও ইয়াৰো আছে এক সুকীয়া আমেজ। দায়িত্বও যথেষ্ট । দৰ্শকে কোনো ঘটনা এটা টেলিভিছনৰ পৰ্দাত প্ৰত্যক্ষ কৰাৰ পাছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সাংবাদিকজনে সংগ্ৰহ কৰা বাতৰিৰ কিমান বিস্তৃত পৰিসৰ সেয়া তেওঁৰ কৰ্মৰদ্বাৰা প্ৰতিফলিত হয়। আগতেই কৈছে যে যদিও সকলো সাংবাদিকে জীৱনক তুচ্ছ জ্ঞান কৰি আগবাঢ়ে, কিন্তু কিছু কিছু ক্ষেত্ৰত বৈদ্যুতিন মাধ্যমৰ সাংবাদিকে বেছি 'ৰিস্ক' ল'বলগীয়া হয়। হাতত কেমেৰাটো লৈ পুৱাৰে পৰা নিশালৈকে যিকোনো স্থানত উপস্থিত হৈ বাতৰি সংগ্ৰহ কৰাটো কিমান কষ্টসাধ্য বা প্ৰত্যাহ্বান হ'ব পাৰে সেয়া ভুক্তভোগী এজনৰ বাহিৰে আনে বুজি পাব পাৰে বুলি মনে নধৰে। সম্প্ৰতি কলম আৰু কেমেৰাৰ যুঁজত কোন আগত আছে তাক লৈ চৰ্চাৰ অন্ত নাই।

বিভিন্ন দৃষ্টিভংগীৰে প্ৰতিটো মুহূৰ্ততেই সতৰ্ক হৈ থাকিব লাগে সাংবাদিক। এক মিনিট পলম হ'লেই হেৰুৱাব পাৰে বাতৰি। দৃশ্যসমূহ কেমেৰাত বন্দী কৰিব নোৱাৰিলে তেওঁলোকৰ বাতৰিয়ে মূল্য নাপায়। ক'ৰবাত বোমা বিস্ফোৰণ হ'ল য'তে যেনেকৈ আছিল তেনেকৈয়ে দৌৰিব লগা হয় ঘটনাস্থলীলৈকে। তাত কেনে অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয় নিশ্চয় বৰ্ণনা কৰাৰ প্ৰয়োজন। এফালে মৃত্যু বিভীষিকা, সন্মুখত আৰ্তজনৰ বৰ্ণনা দিয়া কিমান কঠিন কাৰ্য সেয়া ভুক্তভোগীৰ বাহিৰে আনে কি বুজিব! চাৰিওফালে দৌৰা-দৌৰি। তাৰ মাজতে কোনো এটা চুকত থিয় হৈ দৰ্শকক কৈ যাবলগীয়া হয় অবৰ্ণনীয় দৃশ্য। সততে এনে বৰ্ণনাৰ বাবে কোনো চিত্ৰনাট্য নাথাকে। সেয়েহে বুদ্ধিমত্তাৰ পৰিচয় দি পৰিৱেশটো বৰ্ণনা কৰিব লাগে। কিন্তু সেইগৰাকী সাংবাদিকে নাজানে যে তেওঁৰ পাছফালেই থোৱা আছে বোমা। যিটোৱে মাত্ৰ কেইছেকেণ্ডমানৰ ভিতৰতে ধ্বংসস্তূপত পৰিণত কৰিব পাৰে তেওঁৰ শৰীৰ। তথাপি তালৈ ভ্ৰূক্ষেপ নাই।

আজিকালি বৈদ্যুতিন মাধ্যমৰ সাংবাদিকৰ বাবে প্ৰধান সমস্যাটো হ'ল। দুষ্কৃতিকাৰীৰ আক্ৰমণৰ সন্মুখীন হোৱা। কাৰোবাৰ বিৰুদ্ধে বাতৰি সংগ্ৰহ কৰিবলৈ

গ'লে প্ৰাণ নাশৰ ভাবুকি লাভ কৰাৰ উপৰি বহুতে আকৌ প্ৰাণ বিসৰ্জন দিবলগীয়াও হয়। বিশেষ ৰাজনৈতিক নেতা, মাফিয়া আদিৰ বিৰুদ্ধে বাতৰি সংগ্ৰহ কৰিবলৈ যোৱাটো এক প্ৰত্যাহ্বান। তথাপি তাৰ মাজতেই সাংবাদিকসকলে কেমেৰাত বন্দী কৰি আনে দৃশ্যসমূহ। কিছুদিন পূৰ্বে নলবাৰী জিলাৰ গাঁও এখনত এটা হত্যাকাণ্ডৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱাৰ সময়ত দুষ্কৃতিকাৰীয়ে সাংবাদিক এজনক প্ৰহাৰ কৰা বাতৰিয়ে সকলোৰে চকু কপালত তুলিছিল। ডিব্ৰুগড়তো চলিল সাংবাদিক নিৰ্যাতন। তথাপি তেওঁলোকৰ গতি স্তব্ধ হোৱা নাই। কাৰণ সংবাদসেৱীৰ বাবে মূল লক্ষ্য বাতৰি সংগ্ৰহ। প্ৰত্যাহ্বানৰ স'তে সহৰস্থান কৰিয়ে আগ বাঢ়িব লাগে। এনেদৰে বাতৰি সংগ্ৰহ কৰাতো থাকে এক সুকীয়া আমেজ।

# সন্তানৰ ওপৰত অতিৰিক্ত চাপ ঃ দায়ী কোন ?

যেতিয়াই কোনো এটা বিষয়ক লৈ বিতৰ্কৰ সৃষ্টি হয় অথবা চৰ্চা হয় তেতিয়া স'তে বিষয়টোৰ মূল উৎস বিচাৰ কৰাতকৈ সমাজ ব্যৱস্থাৰ ওপৰত দোষ জাপি দিয়া হয়। সমাজ ব্যৱস্থাৰ বাবে অমুকটো হৈছে, সমাজ ব্যৱস্থাৰ বাবে তমুকটো হৈছে ইত্যাদি ইত্যাদি। মূল বিষয়টো সম্পৰ্কে আলোচনা নকৰাকৈয়ে দায় সৰা মন্তব্য আগবঢ়োৱা পলায়নবাদী মানসিকতাৰহে পৰিচায়ক। সমাজ ব্যৱস্থাক পণবন্দী কৰি লৈ আমি স্বাৰ্থ সিদ্ধিৰ বাবে এনে কিছুমান কাম কৰিছো যিয়ে পৰোক্ষভাৱে নিজৰ লগতে ক্ষতি সাধিছে সমাজৰ। আমি এইবোৰ ভাবি নাচাওঁ যদিও আমাৰ অজ্ঞাতেই সম্পাদন হৈ আছে। তেনে এক বিষয় হ'ল সন্তানৰ ওপৰত পৰা চাপ। আধুনিকতাৰ দোহাই দি সন্তানক আগুৱাই নিবলৈ যিমানেই প্ৰতিযোগিতাত দৌৰিছো সিমানেই চাপ পৰিবলৈ ধৰিছে সন্তানৰ ওপৰত।

প্ৰতিগৰাকী পিতৃ-মাতৃয়ে বিচাৰে সন্তানটি আন দহজনতকৈ আগত থাকক। সন্তান যিমানেই সফল হ'ব সিমানেই পিতৃ-মাতৃৰ সমাজত প্ৰতিপত্তি বাঢ়িব।

এনে হোৱাতো স্বাভাৱিক কথা। সন্তানৰ সাফল্যত পিতৃ-মাতৃতকৈ আন কোনোৱে ইমান সুখ অনুভৱ নকৰে। কিন্তু এনে প্ৰতিযোগিতামুখী হওঁতে আমি নিজকে ইমান ব্যস্ত কৰিছো যে খাবলৈকে সময় নাই। কেৱল প্ৰতিযোগিতা। পুৱা শুই উঠাৰে পৰা অপ্ৰয়োজনীয়ভাৱে সন্তানৰ ওপৰত জাপি দিছো বোজা। পিঠিত কিতাপৰ টোপোলাটো বান্ধি দি পিতৃ-মাতৃয়ে দিনটোৰ বাবে যেন সমৰক্ষেত্ৰলৈহে পঠিয়াই দিছে তেনে মনোভাব ফুটি উঠে। ক্লাছত প্ৰথম হ'ব লাগিব, পৰীক্ষাত ভাল ফল দেখুৱাব লাগিব ইত্যাদি মনোভাবেৰে যেতিয়া শিশুক শাসন কৰে তেতিয়া আপোনা আপুনি শিশুটিৰ মনত চাপৰ সৃষ্টি হয়। 'আদাক দেখি উঠিল গা কেতুৰীয়ে বোলে মোকে খা'ৰ দৰে হৈছে। ওচৰ-চুবুৰীয়াৰ সন্তানে ভাল ফল দেখুৱাইছে, গতিকে নিজৰ সন্তানেও তেনে ফলাফল দেখুৱাব লাগিব। তেতিয়াহে সমাজত তেওঁ উচ্চস্বৰে ক'ব পাৰিব। দৰাচলতে তেনে মানসিকতাসম্পন্ন লোকৰ সন্তান বিপথে পৰিচালিত হোৱাৰ শংকা থাকে। কাৰণ কোনো এজনে প্ৰতিযোগিতাত আগস্থান লাভ কৰিবলৈ যুঁজত নমাৰ সময়ত তেওঁৰ মনৰ পৰা ঈৰ্ষাৰ ভাব নোহোৱা হ'ব লাগিব, কাৰণ কেৰিয়াৰ গঢ়াৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ এটা সুস্থ মানসিকতাৰ অধিকাৰী হ'ব লাগিব। ঈৰ্ষাৰে কোনোৱে প্ৰতিযোগিতাত সফলতা অৰ্জন কৰিব নোৱাৰে। পিতৃ-মাতৃয়ে প্ৰথমতে ঘৰখনত এটা সুস্থ পৰিৱেশ গঢ়ি তুলিব লাগিব। তেতিয়া দেখিব সন্তানে আপোনা-আপুনি শুদ্ধ পথত খোজ দিছে। আমি প্ৰতিটো ক্ষেত্ৰতে সমাজক দোষাৰোপ কৰিলেই নহ'ব। প্ৰথমে আত্মশুদ্ধি, তাৰ পাছতহে ওলাব লাগিব সামাজিক পৰিৱেশ গঢ়াৰ বাবে।

সমাজে আপোনাক কি দিছে সেয়া বিচাৰ কৰাতকৈ সমাজক আপুনি কি দিছে সেয়াহে বিচাৰ্য বিষয়। ব্যক্তিৰ সমষ্টিয়ে সমাজ। সেয়েহে ভৱিষ্যতে এখন সুস্থ সমাজ গঢ়িবলৈ হ'লে সন্তানক সৎ পথত খোজ দিবলৈ শিকাব লাগিব। যিসকলে সামাজিক পৰিৱেশক দোষাৰোপ কৰি সন্তানক একাষৰীয়াকৈ ৰাখি ঘৰৰ ভিতৰতে গঢ় দিব খোজে তেতিয়াই আৰম্ভ হয় প্ৰজন্মৰ সংঘাত। পিতা-পুত্ৰৰ সংঘাত, মাতৃ-কন্যাৰ পৰস্পৰৰ বিৰোধী মন্তব্য। সন্তানে পৰীক্ষাত ভাল ফলাফল দেখুৱাব পাৰিলে সমাজত তেওঁলোকে আগস্থান পায়। কিন্তু ইমানতেই তেওঁৰ কৰ্তব্য শেষ নহয়। সমাজৰ প্ৰতি দায়বদ্ধতাৰ কথা তেওঁলোকক সোঁৱৰাই

দিয়াৰ নিশ্চয় প্ৰয়োজন নাই। নিজ সন্তানৰ লগতে আনৰ সন্তানেও যাতে এনে ক্ষেত্ৰ এখন লাভ কৰিব পাৰে সেইক্ষেত্ৰতো দুৱাৰ সকলোৰে বাবে সমান। তেতিয়াহে সমাজৰ পৰা আঁতৰ হ'ব বৈষম্য। তেতিয়া প্ৰতিগৰাকী পিতৃ-মাতৃয়ে উপলব্ধি কৰিব পাৰিব সন্তানৰ ওপৰত চাপ নাথাকিলে সামাজিক পৰিৱেশ কিমান সুস্থ আৰু সবল হ'ব পাৰে।

আধুনিকতাৰ নামত বহুতো পিতৃ-মাতৃয়ে চলাইছে মানসিক অত্যাচাৰ সন্তানক হেঁচা প্ৰয়োগ কৰাৰ পৰিৱৰ্তে পৰিৱৰ্তিত সময়ৰ স'তে খোজ মিলাবলৈ শিকাব লাগিব। প্ৰতিযোগিতা মানে ধ্বংসমুখী গতি নহয়। ইতিবাচক চিন্তাৰে প্ৰতিযোগিতাত আগুৱাই যাবলৈ শিকাওক। তেতিয়াহে গভীৰ পানীত মাছ মাৰিব পাৰিব। মুকলি মনেৰে কোনো এটা কাম কৰিলে যিদৰে সাফল্য অৰ্জন কৰিব পাৰি তাৰ বিপৰীতে চাপৰ মাজত থাকিলে সদায় নেতিবাচক চিন্তা-চৰ্চাইহে আলোচনাত স্থান পায়।

# বিহুগীত আৰু প্ৰাসংগিক চিন্তা

ৰঙালী বিহু অবিহনে অসমীয়া সংস্কৃতি অপূৰ্ণ। অসমীয়া সমাজ-জীৱনৰ স'তে ৰঙালী বিহু ওতপ্ৰোতভাৱে জড়িত। আনহাতে বিহুগীত অবিহনে বিহু নৃত্যয়ো পূৰ্ণতা নাপায়। বিহু আৰু বিহুগীতৰ অপূৰ্ব সমাহাৰত প্ৰাণ পাই উঠে প্ৰকৃতি। অসমীয়া ডেকা-গাভৰুৰ আনন্দত প্ৰকৃতিদেৱীও যেন চঞ্চল হৈ পৰে। বৰদৈচিলাজনী মাকৰ ঘৰলৈ যোৱাৰ সময়ত যি তাণ্ডৱৰ সৃষ্টি কৰে, সেই তাণ্ডৱেও বিহুৰ উছাহ ম্লান পেলাব নোৱাৰে। বিহুগীতৰ সুৰত উৰ্বৰ হয় প্ৰকৃতি। অতীতৰে পৰা পৰম্পৰাগতভাৱে গোৱা বিহুনীত এতিয়া নৱপ্ৰজন্মৰ হাতত বিকৃত হৈছে। ই অশুভ লক্ষণ। কেছেট আদিত যিবোৰ বিহুগীত পৰিৱেশন কৰা হৈছে সেইবোৰ শুনিলে মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাতো স্বাভাৱিক। পৰম্পৰাগত বিহুগীতৰ স'তে এইবোৰ তুলনাই নহয়। প্ৰতিফলিত হৈছে আকাশ-পাতাল পাৰ্থক্য। দৰাচলতে বৰ্তমানৰ কেছেটৰ বিহু শুনিলে সেয়া বিহুগীতেই নে আধুনিক গীত নিৰ্ণয় কৰাটো কঠিন হৈ পৰে। কেৱল বাণিজ্যিক দিশটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিয়ে কেছেটসমূহ উলিওৱা হয়। কেছেট উলিয়ালে বাণিজ্যিক দিশটোৰ ওপৰত গুৰুত্ব দিয়াটো স্বাভাৱিক বিষয়। কিন্তু ব্যৱসায়ৰ

নামত বিহুগীত বিকৃত কৰাটো কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে। পৰম্পৰাক বিকৃত কৰাৰ কাৰো অধিকাৰ নাই। যিসময়ত সমগ্ৰ বিশ্বতে আপুৰুগীয়া সম্পদ, সংস্কৃতি সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়া হৈছে সেই সময়ত কিন্তু আমি বিহুগীত আদিৰ বিকৃত ৰূপ দেখিও নীৰৱে আছো। জোঁৰ পুৰি হাত পালেহি। তথাপি আমি আগবঢ়া নাই। মাজে-সময়ে যি প্ৰতিবাদ হৈছে সেয়া যথেষ্ট নহয়।

পৰিৱৰ্তন সময়ৰ আহ্বান। পৰিৱৰ্তন সকলোৱে মানি ল'ব লাগিব। কিন্তু পৰিৱৰ্তন মানে পৰম্পৰাক বিসৰ্জন দিয়াটোও নুসূচায়। যদি আমি পৰম্পৰাক বাদ দিওঁ তেনেহ'লে অস্তিত্বৰ সংকট হ'ব। সেয়েহে পৰিৱৰ্তনৰ নামত কোনোৱে যাতে পশ্চিমীয়া সংস্কৃতি আদৰি লোৱাটোৱে হ'ব নোৱাৰে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে এখন দেশৰ সংস্কৃতি আন এখন দেশৰ সংস্কৃতিৰ স'তে বিনিময় হোৱাটো স্বাভাৱিক বিষয়। কিন্তু এনে বিনিময়ৰ সময়ত মূল ধাৰাটোৰ পৰিৱৰ্তন হ'ব নোৱাৰে। আজি যদি আমি ইংলেণ্ড, আমেৰিকা, ছুইডেন, নৰ'ৱে আদি দেশত বিহু নৃত্য পৰিৱেশন কৰো অথবা বিহুগীত পৰিৱেশন কৰো তেন্তে তাত বৰ্তমান অসমত চলি থকা বিহুগীত বা ভিচিডিৰ বিহু নৃত্য পৰিৱেশন কৰিলে সেই দেশৰ সংস্কৃতিপ্ৰেমী লোকে বিহুৰ স্বকীয় ৰূপটো প্ৰত্যক্ষ কৰিব পাৰি জানো? আনহে নালাগে বৰ্তমান আন দেশৰ লোকক দেখুৱাবলৈ লাজেই লগা হৈছে। লংপেণ্ট-চাৰ্ট, মিনি স্কাৰ্ট আদি পিন্ধি বিহু নৃত্যত অংশ লোৱা যুৱক-যুৱতীৰ বাৰু বিহু সম্পৰ্কে সম্যক জ্ঞানখিনিও নাইনে? চিডিসমূহ চোৱাৰ পাছত পৰিচালক অথবা প্ৰযোজকসকলৰ বিহু সম্পৰ্কে ন্যূনতম জ্ঞানকণো নথকা যেন অনুভৱ হয়। বাণিজ্যিকৰণৰ নামত এটা জাতিৰ পৰিচয়ক বিকৃত কৰাৰ অধিকাৰ তেওঁলোকে ক'ৰ পৰা পালে? বিহুৰ চিডি ওলোৱাত কোনো কথা নাই। এখন কিয় বছৰত হেজাৰখন ওলালেও কথা নাই— কিন্তু বিহুৰ নামত বিকৃত-বিজতৰীয়া সংস্কৃতি হ'ব নোৱাৰে। দৰকাৰ হ'লে এনে ভিচিডি বা বিহুগীতৰ কেছেট এখনো নোলাওক। ক্ষতি নহ'ব অসমীয়া সংস্কৃতিৰ।

বিহুগীত বা নৃত্যত যৌনতাই সম্প্ৰতি যি হাৰত স্থান লাভ কৰিছে সেয়াই মূল বিষয়টোৰ পৰিৱৰ্তে অন্য ৰূপ এটাহে দাঙি ধৰিছে। বিহুগীত বা নৃত্যত যি যৌনতা প্ৰকাশ পাই আহিছে সেয়া প্ৰকৃতিৰ স'তে সাঙুৰিহে স্থান পাইছিল।

যৌনতা মানৱ জীৱনৰে অংগ। সেয়েহে বসন্ত উৎসৱটোত গীত-নৃত্যই অতীতৰে পৰা স্থান পাই আহিছে। ডেকা-গাভৰুৰ প্ৰাণোচ্ছল যৌৱনৰ বহিৰ্প্ৰকাশ ঘটিছিল বিহুগীত আৰু নৃত্যত। কিন্তু সম্প্ৰতি বিহুগীত আৰু নৃত্যত যৌনতাক বিকৃত ৰূপত দাঙি ধৰা হৈছে। কিছুমান ভিচিডিৰ নৃত্য দেখিলে মনত এনে ভাব হয় যেন বিহুগীত বা নৃত্যসমূহ কেৱল জীৱনৰ যৌন ৰূপটোহে দাঙি ধৰিবলৈ ৰচনা কৰা হৈছে। এনে দৃশ্যসমূহে বিহুনৃত্যক পণ্য কৰা নাইনে?

এতিয়া এংলো বিহুগীতৰ চিডি, ভিচিডিৰে বজাৰ ভৰি পৰিছে। কিছুমান বিহুগীতত ব্যৱহাৰ কৰা ইংৰাজী শব্দবোৰ শুনিলে মনত এনে ভাব হয় যেন সেইবোৰ কোনো নতুনকৈ অসমীয়া শিকিবলৈ লোৱা বিদেশী লোকৰ ৰচনা। বিদেশী লোকে বিহুগীত ৰচনা কৰিলে আমাৰ ক'বলগীয়া একো নাথাকিলহেঁতেন। কিন্তু যিকেইজনে এই গীতসমূহ ৰচনা কৰিছে তেওঁলোক সম্পূৰ্ণৰূপে অসমীয়া। হাড়ে-হিমজুৰে অসমীয়া বুলি কোৱাসকলেই যদি ইংৰাজী শব্দৰ প্ৰয়োগ কৰি বিহুগীত ৰচনা কৰে তেন্তে ইয়াতকৈ হাস্যাস্পদ কথা কি হ'ব পাৰে? আমি এনে বিহু শুনিব নোখোজো। ময়ূৰক দেখি কাউৰীয়ে পেখম ধৰাৰ লেখীয়াকৈ কোনোবা গীতিকাৰে আধুনিক গীত ৰচনা কৰিবলৈ ইংৰাজী শব্দ প্ৰয়োগ কৰিলে বুলিয়ে বিহুগীতত ব্যৱহাৰ কৰাৰ যুক্তি থাকিব নোৱাৰে। বিহুগীত ৰচনা কৰাসকলে মনত ৰখা উচিত এনে গীত ৰচনাৰ সময়ত যাতে পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা শব্দসমূহেহে স্থান পায়। ইংৰাজী শব্দ প্ৰয়োগ কৰিলে এটা গীত সৰ্বগ্ৰহণযোগ্য হ'ব নোৱাৰে। অসমীয়াই যাক লৈ গৌৰৱ কৰিব পাৰে তাৰ অন্যতম বিহু। গতিকে সকলোৱে বিহুক সন্মান জনোৱা উচিত। বিজতৰীয়া সংস্কৃতিৰ অৱসান হওক।

# চুম্বকীয় গুণসম্পন্ন এগৰাকী কবিৰ কথাৰে

এগৰাকী কবি। ঠিক কবি বুলি কলে ভুল হ'ব। মানুহৰ মনৰ ভাব বুজি পোৱা এগৰাকী ব্যক্তি। এইগৰাকী ব্যক্তিৰ কলমেৰে নিগৰিছিল শব্দ। মানুহক ভাল পোৱাৰ শব্দ। প্ৰকৃতিৰ কথা, প্ৰেম ভালপোৱাৰ কথা আৰু যে কত কিমান কথা। এইগৰাকী কবি আজি আমাৰ মাজৰ পৰা গুচি গ'ল চিৰদিনৰ বাবে— অজান দেশলৈ। আমাক সকলোকে কন্দুৱাই চিৰদিনৰ বাবে গুচি যোৱা এইগৰাকী মহান কবি হ'ল হীৰেন ভট্টাচাৰ্য। সকলোৱে তেখেতক মৰমতে 'হীৰুদা' বুলিয়ে মাতিছিল।

প্ৰত্যেক লোকৰে ব্যক্তিত্ব পৃথক। তেনে হোৱাটো স্বাভাৱিক। সমাজত সকলোৱে সকলোকে সমানে ভাল নাপায়। কিন্তু তাৰ মাজতে এনে কিছু লোক আছে যাক সকলোৱে ভাল পায়। মৰম কৰে। শ্ৰদ্ধা জনায়। বিপদৰ বন্ধু। সুখৰ দিনতকৈ দুখৰ দিনত মাতষাৰ লগোৱাতো এইসকল ব্যক্তিৰ এটা সুকীয়া বৈশিষ্ট্য। আনে 'ভাল বুলি কওক' তেনে কথালৈ কৰ্ণপাত নকৰে। আনে ভাল বুলি কোৱাৰ পৰিৱৰ্তে আনৰ ভাল কাম কৰি ভাল পোৱা মানুহ আছিল হীৰুদা। অসমৰ প্ৰতিটো প্ৰান্ততে আজি তেওঁৰ অগণন গুণমুগ্ধ। তেওঁৰ কবিতা পঢ়িয়েই যে ভাল পায় তেনে নহয়, তেওঁৰ ব্যক্তিত্বৰ প্ৰতিও মানুহে সমানেই আকৰ্ষিত। নাছিল কথা আৰু কামৰ মাজত পাৰ্থক্য। যি কয় তাকে কৰে। যিটো কৰিব তাক কোনোৱে বাধা দিব নোৱাৰে। কাৰণ সমাজৰ দহজনৰ মংগলৰ বাবেহে তেওঁ খোজ পেলাইছিল।

কবিতা লিখিলেই কবি হ'ব পাৰি জানো? নিতৌ কতজনে কবিতা লিখে।

প্ৰকাশো কৰে। কিন্তু তেনে কবিতাত সমাজখনৰ চিত্ৰ, প্ৰকৃতিৰ চিত্ৰ, মানুহৰ দুখ-বেদনা প্ৰতিফলিত হোৱাত আসোঁৱাহ থাকে। এই ছবিখন যিসকলৰ কবিতাত স্পষ্ট হৈ পৰে তেওঁলোকেহে পাঠকৰ মনত সাঁচ বহুৱাবলৈ সক্ষম হয়। এওঁলোকে পিছে সদায় কবিতা নিলিখে। কেতিয়াবা মন গ'লে কবিতা ৰচে। তাৰ বাবে তেওঁলোকক উপযুক্ত পৰিৱেশৰ প্ৰয়োজন। পিচে হীৰুদাই আজিলৈকে যিমানবোৰ কবিতা লিখিছে আটাইবোৰকে পাঠকে গ্ৰহণ কৰিছে।

সহজ-সৰল হীৰুদা আছিল সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ মাজত জনপ্ৰিয় কবি। তেওঁৰ কবিতাবোৰে অধিক প্ৰাণ পাই উঠে যেতিয়া ই গানৰ ৰূপ লয়। জুবিনৰ পৰা আদি কৰি কেবাজনো নৱ প্ৰজন্মৰ গায়কে হীৰুদাৰ কবিতাক ৰূপ দিছে গানলৈ। শব্দচয়ন, ভাষাৰ লালিত্য, চিত্ৰকল্প আদি আছিল হীৰুদাৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। শব্দবোৰ শব্দ নাছিল, আছিল একো একোপাট কাঁড়। এই কাঁড়ে শৰবিদ্ধ কৰিছে বহুতৰ হৃদয়। কবিসকলক অধিক আৱেগপ্ৰৱণ বুলি কয়। য'ত আৱেগ নাথাকে তেনে কবিতাই প্ৰাণ নাপায়। কিন্তু আৱেগতকৈ সময়ৰ গতিকহে তেওঁ অধিক প্ৰাধান্য দিছিল। সেইবাবেই হয়তো হীৰুদাৰ কবিতা আছিল চিৰসেউজ, মাটিৰ মানুহ, মাটিৰ গোন্ধ থকা কবিতা। হীৰুদাৰ জীৱন চক্ৰৰ এয়াই আছিল ব্যতিক্ৰমী চৰিত্ৰ। তেওঁক এবাৰ লগ পালে পাহৰাতো খুবেই কঠিন। কাৰণ তেওঁৰ স'তে এবাৰ কথা পাতিলে কোনোৱে পাহৰিব নোৱাৰে। সহজ অৰ্থত ক'বলৈ হ'লে তেওঁৰ আছিল এক চুম্বকীয় গুণ। এই চুম্বকীয় পৰিসৰৰ ভিতৰলৈ যিয়ে আহিছিল তেওঁ তেনে গুণসম্পন্ন হৈ পৰিছিল। কিন্তু এতিয়া আৰু কোনোদিনেই হীৰুদা আমাৰ মাজলৈ ঘূৰি নাহে।

হীৰুদা, তুমি আমাক এৰি গুচি গ'লা। কিন্তু তোমাৰ কবিতাই আমাৰ মাজত সদায় তোমাক জীয়াই ৰাখিব। কোনোৱে মচিব নোৱাৰে তোমাৰ স্মৃতি। নিয়ৰসনা গধূলি শেৱালিৰ সুবাসত তোমাৰ স্মৃতিয়ে আমাক সকলোকে আমনি কৰিব। স্নিগ্ধ জোনাক নিশা কোনোবাই গাব— 'গানে কি আনে সুৰৰ সোপানে সোপানে'। নিৰিবিলি গধূলি কোনোবা বাঁহীবাদকৰ সুৰত বাজি উঠিব— হীৰুদাৰ কবিতাৰ শব্দবোৰ। হীৰুদা আমাৰ মাজত কেৱল এগৰাকী জনপ্ৰিয় কবি হিচাপে জীয়াই নাথাকে— থাকিব এগৰাকী সহজ-সৰলমনা মাটিৰ মানুহৰূপে। তুমি অমৰ হোৱা— এয়ে আমাৰ কামনা।...

# ড° ভূপেন হাজৰিকা
# এটি মহান অনুষ্ঠান, ব্যক্তি নহয়

ড° ভূপেন হাজৰিকা আছিল এক অনুষ্ঠান। এই অনুষ্ঠানৰ পৰিচিতি বিশ্বজুৰি অসমীয়া জাতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰা ব্যক্তিসকলৰ ভিতৰত অন্যতম বৰেণ্য শিল্পীগৰাকী। এই বিশ্ববন্দিত শিল্পীগৰাকীৰ সান্নিধ্য লাভৰ বাবে সকলো আছিল উদগ্ৰীৱ। একেবাৰে ওচৰৰ পৰা পোৱাজনে যিদৰে তেওঁক বুজি পাইছিল তাতোকৈ কোনোগুণে কম বুজি পোৱা নাছিল শ্ৰোতাই। বিশ্ববন্দিত শিল্পীগৰাকীৰ মুখৰ পৰা নিগৰিত প্ৰতিটো শব্দই যেন এক ইন্দ্ৰজাল। এই ইন্দ্ৰজালৰ যাদুকৰী শক্তিৰে মন্ত্ৰমুগ্ধ সাপৰ দৰে শ্ৰোতাসকল মুগ্ধ। ড° হাজৰিকাৰ গীতেই হওক বা কথাই হওক অথবা আবৃত্তিয়ে হওক সকলোবোৰৰ মাজত প্ৰত্যেকেই বিচাৰি পায় জীৱনৰ কোনো নহয় কোনো এটি দিশ। জীৱনৰ কোনটো দিশ ফুটি উঠা নাই তেওঁৰ সৃষ্টিৰাজিত? আগতেই কৈছো এজন ব্যক্তি নাছিল, আছিল এক অনুষ্ঠান। এই অনুষ্ঠানটোৰ পৰিসৰ সাগৰসম। গভীৰতা আছিল প্ৰশান্ত মহাসাগৰৰ দৰে। যাযাবৰী ভূপেন হাজৰিকাৰ বাবে সমগ্ৰ বিশ্বখনেই আছিল আপোন ঘৰ। তেওঁৰ ঠিকনা কাক সুধিব? যাৰ ঠিকনাই সকলোৰে মনত স্থায়ীৰূপ লৈছে তেওঁৰ আকৌ ঠিকনাৰ প্ৰয়োজন আছে জানো? জ্যোতিতে বিলীন শিল্পীগৰাকীৰ ঠিকনা। আকাশে-বতাহেও কয় প্ৰিয় শিল্পীগৰাকীৰ ঠিকনা।

শিল্পী এগৰাকী তেতিয়া মহান হয় যেতিয়া তেওঁৰ ভেটি সমাজে গ্ৰহণ কৰে। সমাজৰ প্ৰতিটো স্তৰতে তেওঁৰ অস্তিত্ব বিচাৰি পোৱা যায়। সকলো শিল্পীয়ে মহান হ'ব নোৱাৰে। বিশ্ব ভাবনাৰ সৃষ্টি কৰিব পৰাজনেহে এই বিৰল

সন্মানৰ গৰাকী হ’ব পাৰে। বিংশ শতিকাত থাকিও একৈশ শতিকাৰ দৃশ্যপট আঁকিছিল। পল ৰবচনক লগ পোৱাৰ পাছত যিদৰে জীৱনৰ দৃশ্যপট সলনি হৈছিল তেনেদৰে মানুহৰ মাজতো সোমাই পৰিছিল। গণসংযোগ অবিহনে যে এগৰাকী শিল্পী বিশ্ববন্দিত হ’ব নোৱাৰে সেই কথা তেওঁ উপলব্ধি নকৰাকৈ থকা নাছিল। সময়ৰ সোঁতত দৌৰিছিল। কাৰণ যিজনে সময়ৰ সোঁতত খোজ মিলাই আগবাঢ়িব নোৱাৰে, তেওঁৰ সৃষ্টিৰাজি এটা নিৰ্দিষ্ট পৰিসীমাৰ মাজতেই আবদ্ধ হৈ পৰে। সময়ৰ স’তে খোজ মিলাওঁতে তেওঁ কেতিয়াবা উজুটি খাইছিল। আঘাত পাইছিল। কিন্তু এই আঘাতেও তেওঁৰ গতিপথ স্তব্ধ কৰিব পৰা নাছিল। লক্ষ্য অৰ্জুনৰ দৰে। স্থিতপ্ৰজ্ঞ ভীষ্মৰ দৰে। বিলাব পাৰিছিল কৰ্ণৰ দৰে। জীৱনৰ সকলোখিনি বিশ্ববাসীক বিলাই দি ভালপোৱা ভূপেন হাজৰিকাই বিচৰা নাছিল ৰাজপ্ৰসাদ। দুৰ্গম অঞ্চলত উপস্থিত হৈও থিয় দিছিল আৰ্তজনৰ ওচৰত।

এনে এগৰাকী মহান শিল্পীৰ সান্নিধ্য লাভ কৰাৰ কেবাবাৰো সৌভাগ্য হৈছিল। মহান শিল্পীগৰাকীৰ জীৱনক লৈ বহুতো সৃষ্টি হৈছে। ২০০৯ বৰ্ষত তেওঁক কেন্দ্ৰ কৰি নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যই ৰচনা কৰিছিল ‘ভুল নুবুজিবা ভূপেনদা’ নাটখনি আৱাহন থিয়েটাৰৰ পৰিয়ালৰ এজন সদস্য হিচাপে মই তেওঁক নাটখন চাবলৈ অনুৰোধ জনাইছিলো। বৰাগাঁৱত বিগত বৰ্ষত তেওঁ নাটকখন চাবলৈ আহোতে শেষবাৰৰ বাবে লগ পাইছিলো। নাটখন চাই কৈছিল— ‘অপূব’, মঞ্চত এখন জীৱন্ত ছবি ফুটি উঠিছে, অনুপ্ৰেৰণা যোগাইছিল তেওঁৰ কথাই। আমাৰ পৰিয়ালটোৰ স’তেও ভূপেন হাজৰিকাৰ মধুৰ সম্পৰ্ক আছিল। পাঠশালাৰ ঘৰত কেবাবাৰো আহিছিল। পাঠশালাৰ ফালে আহিলেই পিতৃ প্ৰয়াত বাসুদেৱ জালানক লগ ধৰিছিল। আমাৰ ঘৰত উপস্থিত হোৱা মুহূৰ্তবোৰ সদায় সজীৱ হৈ থাকিব। মাজে-সময়ে মোক লগ পালেই সুধিছিল— ‘কিহে গোপাল, কিতাপখন ওলালনে?’ হয়, তেওঁৰ জীৱনপঞ্জী সামৰি এখন গ্ৰন্থ প্ৰয়নৰ বাবে বৰ হেঁপাহ আছিল। পাঁচ বছৰমান পূৰ্বে এখন কিতাপ সংকলন কৰিছিলো— ‘বিশ্ব নাগৰিক ভূপেন হাজৰিকা’। এদিন কিতাপখন তেওঁ নিজৰাপাৰলৈ অহাৰ সময়ত দিছিলো। তেওঁৰ আনন্দ দেখি মই অভিভূত হৈ পৰিছিলো। আনন্দতে বাগৰি আহিছিল দুচকুৰে দুধাৰি চকুলো। সেয়া আছিল আনন্দৰ চকুলো। কিন্তু আজি তেওঁৰ মৃত্যুৱে দুখৰ চকুলো বোৱালে।

# অম্লান হাঁহিৰ মহিলাগৰাকী

অসমীয়া ভাষাৰ যিবোৰ পুথি আন ভাষালৈ অনূদিত হৈছে সেইবোৰৰ ভিতৰত মামণি ৰয়ছম গোস্বামীৰ লেখা সৰ্বাধিক অনূদিত হৈছে। জ্ঞানপীঠৰ পৰা আৰম্ভ কৰি ফৰাচী সাহিত্যৰ উল্লেখযোগ্য পুৰস্কাৰলৈকে সকলোবোৰেই লাভ কৰিছে তেওঁ। তথাপি নাই গৰ্ব। 'মামৰে ধৰা তৰোৱাল', 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', 'আধালেখা দস্তাবেজ' কি লিখা নাছিল তেওঁ। মহান সৃষ্টিৰ বাবেই যেন জন্মগ্ৰহণ কৰিছিল মামণি বাইদেৱে। তেওঁ আজি আমাৰ মাজত নাই। কিন্তু প্ৰতিটো মুহূৰ্ততে অনুভৱ হৈ আছে তেওঁ যেন আমাৰ মাজতে আছে ক'ৰবাত। মামণি বাইদেউ আছিল প্ৰশান্ত মহাসাগৰৰ দৰে এটি মনৰ অধিকাৰী। মহাসাগৰৰ দৰে বহল মনৰ দুৱাৰ আছিল সকলোৰে বাবে খোলা। হিন্দু, মুছলমান, খ্ৰীষ্টান, শিখ সকলোৰে বাবে দুৱাৰ খোলা। জীৱনত পোৱা ঘাত-প্ৰতিঘাতক একাষৰীয়া কৰি হাঁহিমুখে সকলোকে আঁকোৱালি ল'ব পৰা গুণৰ বাবে তেওঁ চিৰদিন আমাৰ মানসপটত সাঁচ বহুৱাই থাকিব। আলহীক সেৱা-শুশ্ৰূষা কৰাটো মামণি বাইদেউৰ বাবে আছিল চখ। নিজ হাতে চাহ কাপ আনি নিদিলে যেন তেওঁ মনত শান্তি নাপাইছিল। জানোচা আলহীয়ে বেয়াই পায়। ধনী-দুখীয়া

সকলোৰে বাবে তেওঁৰ মন্দিৰৰ দুৱাৰ খোলা। বাধাহীনভাৱে সোমাব পাৰিছিল সকলোৱে। ঘাত-প্ৰতিঘাত সকলোৰে জীৱনত থাকে। কিন্তু মামণি বাইদেৱে যিমান গভীৰ আঘাত পাইছিল হয়তো তেনে আঘাতৰ পাছত আন বহুতেই আত্মহত্যাৰ পথ বাচি ল'লেহেঁতেন। মামণি বাইদেৱে এনে ঘাত-প্ৰতিঘাতক প্ৰত্যাহ্বানস্বৰূপেহে গ্ৰহণ কৰিলে। সেইবাবে সৃষ্টি হ'ল কেইবাখনো অমৰ গ্ৰন্থ। মনত সৃষ্টি হোৱা ঢৌবোৰে সময়ে সময়ে জোৱাৰভাটাৰ সৃষ্টি কৰিলেও মনৰ পাৰ ভাঙিব নোৱাৰিলে। সকলোকে সহজভাৱে ল'ব পৰা গুণ তেওঁৰহে থাকিব পাৰে যিগৰাকীৰ মনত নাথাকে কপটতা, ঈৰ্ষা। তেওঁৰ ওচৰলৈ যিয়ে সহায় বিচাৰি যায় বিফল মনোৰথেৰে উভতিবলগীয়া নহয়। কাৰণ তেওঁৰ মৰমৰ পৰা কোনোৱে বঞ্চিত হ'বলগীয়া হোৱা নাছিল। মৰমৰ টোপোলা এটি লৈ তেওঁৰ ওচৰৰ পৰা উভতি আহি পোৱা আনন্দ, অনুভূতি হয়তো আন দহজনে বুজিব নোৱাৰিব। তেওঁৰ মৰম আছিল অক্ষয় ভাণ্ডাৰ। সেইবাবেই তেওঁৰ মৃত্যুত আজি সকলোৱে হিয়া ঢাকুৰি কান্দিছে, সৃষ্টিৰ সৌৰভ বিলোৱা মহিলাগৰাকীৰ শোকত ম্ৰিয়মাণ গুণমুগ্ধই বিশ্বাস কৰিব খোজা নাই মামণি ৰয়ছমৰ মৃত্যু হৈছে। মৃত্যু চিৰন্তন। ২৯ নৱেম্বৰৰ পুৱা মামণি ৰয়ছমৰ মৃত্যু হোৱা বুলি বৈধ দৃষ্টিকোণৰ পৰা চিকিৎসকে ঘোষণা কৰে যদিও তেওঁৰ দীৰ্ঘদিন ধৰি গভীৰ ক'মাত উপনীত হোৱাৰ সময়তে মৃত্যু হোৱা বুলি ক'ব পাৰি। মাথোঁ অপেক্ষা আছিল ঘোষণাৰ। কেতিয়া ঘোষণা হ'ব... এনে উৎসুকতাৰ সমাপ্ত হ'ল। শাৰীৰিকভাৱে মৃত বুলি ঘোষণা নকৰিলেও মস্তিষ্ক হৈ পৰিছিল অকামিলা। বোধশক্তি কালে কাঢ়ি নিয়াৰ পিছত এজন লোক জীয়াই থকা কিম্বা মৃত্যু একেই বিষয় হৈ পৰে। মহীয়সী মামণিৰো একেই দশা হ'ল। লক্ষ লক্ষ গুণমুগ্ধ তেওঁৰ ওচৰত থকা সত্ত্বেও অনুভৱ কৰিব পৰা নাছিল।

দিল্লীত থকা সময়তো অসমৰ পৰা যোৱা যিকোনো লোককে মাতষাৰ লগাবলৈ পাহৰা নাছিল। সকলোৱে প্ৰথম সাক্ষাততে অনুভৱ হৈছিল যেন মহিলাগৰাকী দীৰ্ঘদিনৰ চিনাকি-আপোন। একেবাৰেই আপোন। এয়াই আছিল মামণি ৰয়ছম গোস্বামীৰ ব্যক্তিত্বৰ ব্যতিক্ৰমী চৰিত্ৰ।

# জ্ঞান উৎসৱ মেলা
# ড° ভূপেন হাজৰিকাৰ সংগ্ৰহালয়

আমাৰ সমাজত এনে বহুতো লোক আছে যিসকলে নীৰৱে জড়িত হৈ থাকে সৃষ্টি কৰ্মৰাজিৰ সৈতে। তেওঁলোকৰ বাবে সৃষ্টি মুখ্য বিষয়, প্ৰচাৰ গৌণ। তাকে লৈ আক্ষেপো নাথাকে। কিন্তু এইসকল লোকক যদি প্ৰচাৰৰ আওতালৈ অনা নহয় তেন্তে বহুতো আপুৰুগীয়া সম্পদ বা সৃষ্টি চিৰদিনৰ বাবে বিলুপ্ত হৈ যাব। তেনে এটা কথাই অনুভৱ হ'ল কিছুদিন আগতে। যোৱা ১৮ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈ তিনিচুকীয়া জিলাত আয়োজিত জ্ঞান উৎসৱ মেলাৰ এখন সভাত অংশগ্ৰহণৰ বাবে সুযোগ লাভ কৰিছিলো। এই মেলাস্থলীত উপস্থিত হৈ এক সুকীয়া ভাব অনুভৱ হৈছিল। কাৰণ উক্ত মেলাত আন অনুষ্ঠানসমূহৰ উপৰি সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল ভূপেন হাজৰিকাৰ অমৰ সৃষ্টিসমূহ। সুধাকণ্ঠৰ গীতসমূহৰ ৰেকৰ্ডিং নিৰৱচ্ছিন্নভৱে বজোৱা হৈছিল। ইখনৰ পিছত সিখন বাজিছে। কেৱল ভূপেন্দ্ৰ সংগীত। এই গীতসমূহৰ পুৰণি ৰেকৰ্ডসমূহ সংগ্ৰহ কৰিছে উমানন্দ দুৱৰাই। জিলা প্ৰশাসন, কেবাটাও ছাত্ৰ সংগঠন আৰু তিনিচুকীয়া জিলাৰ উন্নয়ন প্ৰাধিকৰণৰ উদ্যোগত আয়োজিত পাঁচ দিনীয়া জ্ঞান মেলাত উমানন্দ দুৱৰাৰ সংগ্ৰহালয়টোত কি নাছিল। ১৯২৪ চনতে বাণীবদ্ধ

হোৱা প্ৰথম অসমীয়া গীতৰ আচল গ্ৰামোফোন ৰেকৰ্ডখনৰ পৰা আৰম্ভ কৰি অন্তিম কেছেটখনলৈকে সকলোৱে আছে।

উমানন্দ দুৱৰাই বিশ্ববন্দিত শিল্পীগৰাকীৰ ৰেকৰ্ডসমূহ সংগ্ৰহ কৰি ইতিমধ্যে মৰাণহাটৰ শান্তিপুৰত স্থাপন কৰিছে গ্ৰামোফোন ৰেকৰ্ড সংগ্ৰহালয়। সুধাকণ্ঠৰ গীতৰ ৰেকৰ্ডসমূহ সংগ্ৰহৰ কাম আৰম্ভ কৰে ১৯৯৩ চনৰ পৰা ২০০৩ চনলৈ প্ৰতিটো এলবামেই ইয়াত সংৰক্ষণ কৰা হৈছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ কণ্ঠত নাটকৰ সংলাপ, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ কণ্ঠত বাণীবদ্ধ হোৱা গীতসমূহ, ফণী শৰ্মাৰ নাটকৰ সংলাপ আদিকে ধৰি সকলোবোৰেই আছে।

জ্ঞান উৎসৱ মেলাতো এই গীতসমূহ অহৰ্নিশে বজোৱাত এক সুকীয়া অনুভৱ হৈছিল। তদুপৰি তিনিচুকীয়াৰ দৰে ঠাই এখনত এনেধৰণৰ মেলাৰ আয়োজন কৰাটো নিঃসন্দেহে প্ৰশংসনীয়। জিলা প্ৰশাসন আৰু ছাত্ৰ সংগঠনসমূহক আমি ধন্যবাদ জ্ঞাপন কৰিবই লাগিব। এইক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছে তিনিচুকীয়া জিলা প্ৰাধিকৰণে। ড° ভূপেন হাজৰিকা আৰু মামণি ৰয়ছম গোস্বামীৰ স্মৃতিত উৎসৰ্গিত তোৰণৰ পৰা মঞ্চলৈকে সকলোতে ফুটি উঠিছে স্বকীয় বৈশিষ্ট্য। তিনিচুকীয়াৰ দৰে ঠাইত ড° ভূপেন হাজৰিকাৰ গীতসমূহ সংগ্ৰহ কৰিছে অকল এজন লোকে। তেওঁ ২০০৩ত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এইবোৰ প্ৰদৰ্শন কৰিছিল যদিও শেহতীয়াভাৱে জ্ঞান উৎসৱ মেলাত অধিক প্ৰসাৰ লাভ কৰে। জিলা উপায়ুক্ত এছ.এছ. মীনাক্ষী সুন্দৰম, তিনিচুকীয়া জিলা উন্নয়ন প্ৰাধিকৰণৰ সভাপতি প্ৰণৱ বৰুৱা, জিলা অতিৰিক্ত উপায়ুক্ত যোগেশ বৰুৱা উপস্থিত থকা উক্ত অনুষ্ঠানটোত অংশগ্ৰহণ কৰি অনুভৱ হৈছিল গুৱাহাটী মহানগৰীত এনেধৰণৰ মেলাৰ আয়োজন কৰা নহয় কিয়? আন্তৰ্জাতিক বাণিজ্য মেলাৰ পৰা আৰম্ভ কৰি গ্ৰন্থমেলালৈকে সকলো অনুষ্ঠিত হৈ আছে। ই আদৰণীয় বিষয়। কিন্তু এনেবোৰৰ মাজত জ্ঞান উৎসৱ মেলাৰ দৰে এখন মেলাৰ আয়োজনৰ বাবে আমি কিন্তু চিন্তা-চৰ্চা কৰা নাই। উমানন্দ বৰুৱাৰ দৰে গ্ৰামোফোন ৰেকৰ্ড সংগ্ৰহ কৰি সংগ্ৰহালয় স্থাপন কৰা লোক হয়তো মহানগৰীৰ বুকুত নোলাব। সৰু সৰু ঠাইবোৰত এনেধৰণৰ মেলাৰ আয়োজনৰ জৰিয়তে অসমৰ চুকে কোণে সিঁচৰতি হৈ থকা নীৰৱ সাধকসকলক ৰাইজৰ মাজলৈ উলিয়াই অনাতো সম্ভৱ। এই জয়যাত্ৰা তিনিচুকীয়াৰ পৰাই আৰম্ভ হওক।

# দিল্লীত এখন অসমীয়া বিয়াৰ অনুভৱ

২৩ ফেব্ৰুৱাৰীৰ দুপৰীয়া বিমানযোগে দিল্লীত উপস্থিত হ'লো এখন বিয়াত অংশগ্ৰহণৰ উদ্দেশ্যে। মই গৈছিলো অসমৰ ভ্ৰাম্যমাণ জগতৰ অন্যতম হোতা কৃষ্ণ ৰয়ৰ পুত্ৰৰ বিয়াৰ বাবে। তেওঁলোকৰ পৰিয়ালটোৰ স'তেই ময়ো গৈছিলো। এক বজাত হোটেলত উপস্থিত হ'লো। তিনি বজাত আমি থকা হোটেলখনত উপস্থিত হ'ল ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া পি চি হালদাৰ। অসমবাসীৰ বাবে হালদাৰ এটি তেনেই চিনাকি নাম। কাৰণ বিগত কেবাবছৰ ধৰি তেওঁৰ নেতৃত্বতেই কেন্দ্ৰীয় চৰকাৰ আৰু আলফাৰ মাজত শান্তি চুক্তি সম্পৰ্কে আলোচনা প্ৰক্ৰিয়া চলি আছে। হালদাৰৰ কন্যা মেঘনাৰ স'তে কৃষ্ণৰ ৰয়ৰ পুত্ৰ বিভাষৰ বিবাহ। ৭.৩০ বজাত হোটেলখনৰ ওচৰতে আমোলাৰ জিৰণি চ'ৰা এটাত জোৰোণ পৰ্ব। জোৰোণলৈ গৈ এনে অনুভৱ হ'ল যেন আমি অসমতেই আছো। জোৰোণ পিন্ধোৱাৰ পাছত কইনাই পিন্ধিলে সম্পূৰ্ণ অসমীয়া সাজ-পাৰ। অসমীয়া-বাঙালী দুয়োটা পদ্ধতিৰে মাংগলিক পৰ্ব সমাপ্ত হ'ল। নিশা ১০ বজালৈ তাত থাকিলো। বিয়াগীত, জোৰোণৰ গীত গালে আমাৰ লগত যোৱা মহিলাকেইগৰাকীয়ে। বিয়াগীত শুনি আপ্লুত হ'ল উপস্থিত লোকসকল। আনকি দুই-এগৰাকী তেওঁলোকৰ মহিলায়ো বিয়াগীতত সুৰ মিলাবলৈ চেষ্টা কৰিলে।

পিছদিনা বিয়া। আমাৰ লগত যোৱা পুৰোহিত দীপুৰে লগত সকলো যোগাৰ নিছে। পুৱাই আৰম্ভ হ'ল মাংগলিক পৰ্ব। 'পানী তোলা' অসমীয়া বিবাহৰ এটি অবিচ্ছেদ্য অংগ। কিন্তু পানী তোলে ক'ত? ওচৰতে থকা ফ্লেট এটাত পানী তোলাৰ ব্যৱস্থা কৰা হ'ল। আয়তীসকলে গীত গাই গাই পানী তুলি আনিলে। অপূৰ্ব দৃশ্য হোটেলখনৰ ওপৰৰ ছাদতে শ্ৰাদ্ধ আদি সম্পন্ন কৰা হ'ল। আবেলি ৫-৩০ বজাত আমি দৰাপক্ষ হৈ কইনাঘৰৰ বিবাহস্থলীত উপস্থিত হ'লো। ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানকোঠৰ সন্মুখতে থকা এটা অতিথিশালা। তিনি ঘণ্টা সময় বিয়া চলিল। দুয়োপক্ষৰ পুৰোহিতে মন্ত্ৰোচ্চাৰণ কৰিলে। বিবাহৰ পদ্ধতিও আছিল অসমীয়া-বাঙালী পদ্ধতিৰ মিশ্ৰণ। তথাপি কোনো সমস্যাৰ সৃষ্টি নহ'ল। পৰম্পৰাগতভাৱে বিবাহ কাৰ্য সম্পন্ন হ'ল। উৰুলী, বিয়াগীতৰ মাজতে হোমযজ্ঞ সম্পাদন কৰা হ'ল। কন্যাদান কৰিলে পিতৃ হালদাৰে। ৮.৩০ বজাত বিবাহ সম্পন্ন হ'ল। বিয়াত থকা সময়খিনিত কোনো এটি মুহূৰ্ততে অনুভৱ নহ'ল দিল্লীৰ অতিথিশালাত আয়োজিত বিয়া বুলি। অসমীয়া সংস্কৃতি প্ৰতিফলিত হ'ল বিয়াত। বিয়াৰ মাজতে লগ পালো বিভিন্নজনক। নিশা দুপৰলৈ চলিল আপ্যায়ন। বিবাহস্থলীৰ গেটত থাকিল কৃষ্ণ ৰয় আৰু পি চি হালদাৰ। দুয়ো অতিথিসকলক আপ্যায়নত ব্যস্ত হৈ থাকিল।

২৮ ফেব্ৰুৱাৰীত কৃষ্ণ ৰয়ৰ পাঠশালাৰ ঘৰত আয়োজন কৰা হ'ল অভ্যৰ্থনা। হালদাৰ দম্পতীৰ উপৰিও কইনাপক্ষৰ ১১ জন মানুহে আহি অংশ ল'লে। তেওঁলোকে পাঠশালাত উপস্থিত হৈয়ে পৰিৱেশ দেখি আপ্লুত হ'ল। অসমীয়া খাদ্য সম্ভাৰেও তেওঁলোকৰ জিভাত জুতি লগালে। এজন অসমীয়া ল'ৰালৈ ছোৱালী দিবলৈ পাই গৌৰৱবোধ কৰিলে হালদাৰে।

# কামৰূপীয়া ঢোলৰ মহীৰূহ কৰুণাকান্ত দাস

এটা ঢোল। হয়, এই ঢোলটোকেই জীৱন-যুঁজৰ সাৰথি কৰিছে। পৰিয়ালক পোহপাল দিছে। জীয়াই থাকিবলৈ দৈন্যৰ স'তে যুঁজিছে, তথাপি হাৰ মনা নাই। কাৰণ তেওঁৰ বাবে ঢোলটো জীৱিকা উপাৰ্জনৰ আহিলা নহয়, সৃষ্টিৰহে উৎস। জীৱনৰ বিয়লি বেলাতো ঢোলটোকেই বুকুৰ মাজত আঁকোৱালি লৈ আছে। এইগৰাকী ঢুলীয়া শিল্পীৰ নাম কৰুণাকান্ত দাস। নলবাৰী জিলাৰ গোবৰাদলৰ শিল্পীগৰাকীক কামৰূপীয়া ঢুলীয়া কৃষ্টিৰ মহীৰূহ বুলি আখ্যা দিলেও অত্যুক্তি কৰা নহ'ব। জীৱনৰ ৮৩টা বসন্ত অতিক্ৰমৰ পাছতো নীৰৱে ব্যস্ত হৈ আছে কৰ্মৰাজিত। সৃষ্টিৰ বাবে এতিয়াও কান্ধত তুলি লয় ঢোলটো। এসময়ত সমগ্ৰ অসমতে খলকনি তোলা শিল্পীগৰাকী আজি শাৰীৰিকভাৱে ক্লান্ত। কিন্তু মনৰ অদম্য হেঁপাহে তেওঁক কাবু কৰিব পৰা নাই। পাঁচটাকৈ ঢোল ডিঙিত আঁৰি লৈ অনুষ্ঠান পৰিৱেশন কৰা কৰুণাকান্ত দাসক নামনি অসমত সংস্কৃতিৱান লোকসকলে ভালদৰেই চিনি পায়। 'গোবৰাদল মিলন ঢুলীয়া দল'ৰ নেতৃত্ব দিয়া কৰুণাকান্ত দাসক ঢোলৰ ওজা বুলিয়ে কোৱা হয়। য'লৈকে যায় তাতেই জনতাৰ ভিৰ। এই ঢুলীয়া দলটোৱে আজিও কামৰূপীয়া ঢুলীয়া সংস্কৃতিৰ ঐতিহ্য বহন কৰি আহিছে। এই ঢুলীয়া দলটোত আছে ১৭৩৭ চনৰে এটি ঢোল।

এই পুৰণি ঢোলটো সম্পৰ্কে শিল্পীগৰাকীয়ে এনেদৰে মন্তব্য আগবঢ়ালে— 'এইটো আমাৰ আজোককাৰ দিনৰ ঢোল। তেতিয়াৰে পৰাই আমি ব্যৱহাৰ কৰি আহিছো। পুৰণিক বাদ দি নতুনৰ সৃষ্টি হ'ব নোৱাৰে। আমাৰ বাবে এয়াই সৃষ্টিৰ উৎস। এয়াই জীৱন। ইয়াতেই আমাৰ সপোন দিঠকত পৰিণত হয়। লোকশিল্পৰ সাধনাৰ উৎসক আমি বাদ দিব নোৱাৰো।'

সদায় প্ৰচাৰ মাধ্যমৰপৰা আঁতৰত থকা শিল্পীগৰাকীয়ে অটল বিহাৰী বাজপেয়ী প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়তে গণৰাজ্য দিৱসত অশোকচক্ৰ গ্ৰহণ কৰিছিল। গণৰাজ্য দিৱসলৈ গোবৰাদলৰ ঢুলীয়া দলটো আমন্ত্ৰিত হৈছিল। এই দলটোৰ নেতৃত্ব বহন কৰিছিল শিল্পীগৰাকীয়ে। শিল্পীগৰাকীৰ প্ৰদৰ্শনত আপ্লুত হৈ বাজপেয়ীয়ে তেওঁক প্ৰশংসা কৰিছিল।

এইগৰাকী শিল্পীক অলপতে 'শিল্পী সাহায্য নিধি' আৰু 'প্ৰয়াস' নামৰ স্বেচ্ছাসেৱী সংগঠন দুটাই গোবৰাদলৰ বাসগৃহত সম্বৰ্ধনা জনায়। অনুষ্ঠান দুটাই শিল্পীগৰাকীক ২৫ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ উপৰি এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে শিল্পী সাহায্য নিধিৰ হৈ সম্পাদক মৃণালকান্তি দাস, সদস্য গোপাল জালান, প্ৰয়াসৰ হিতেশ ডেকা, হৃষিকেশ গোস্বামী, ডাঃ হিতেশ বৰুৱা, ৰঞ্জিত নাৰায়ণ ডেকা, হৃষিকেশ বৰঠাকুৰ, মন মৰমী মহন্ত, দিলীপ দাস, প্ৰণৱ বৰ্মন, সঞ্জীৱ শৰ্মা, সাংবাদিক দীপক কুমাৰ শৰ্মা আৰু নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি হিমান বৰ্মন। আৰ্থিক সাহায্য গ্ৰহণৰ পিছত শিল্পীগৰাকীয়ে কাৰো বিৰুদ্ধে ক্ষোভ নকৰাকৈ মাথোঁ ক'লে— 'শিল্পী জীয়াই থাকে মানুহৰ মৰমৰ বাবে, ধন-দৌলতৰ বাবে নহয়। মানুহৰ মৰমেই শিল্পীৰ জীৱন-যুঁজৰ উৎস।' এনে এগৰাকী শিল্পীয়ে কিন্তু আজিলৈকে শিল্পী পেঞ্চন পোৱা নাই। নাই পোৱা চৰকাৰী সাহায্য। কেৱল ঢোল বাদন প্ৰদৰ্শন কৰিয়েই সাতজনীয়া পৰিয়ালটোৰ পোহপাল দিবলৈ যথেষ্ট সমস্যাৰ সন্মুখীন হোৱা শিল্পীগৰাকীয়ে কেবাবাৰো চৰকাৰৰ ওচৰত আৱেদন জনাইছে। ইমানৰ পাছতো নাপালে শিল্পী পেঞ্চন অথবা চৰকাৰী সাহায্য। যি সময়ত এগৰাকী গায়কক অনুষ্ঠান পৰিৱেশনৰ বাবদ লাখ লাখ টকা ব্যয় কৰি থকা হৈছে, সেই সময়তো কৰুণাকান্ত দাসৰ দৰে শিল্পী সদায় অৱহেলিত, অনাদৃত হৈয়ে আছে। চৰকাৰে কেতিয়া শিল্পীগৰাকীলৈ আগবঢ়াব শিল্পী পেঞ্চন।

# মানৱতা ক'ত হেৰাল!

পুৱা শুই উঠি বাতৰি কাকতখন হাতত লৈ চকু ফুৰালেই অনুভৱ হয় মানৱতাৰ অৱক্ষয়। প্ৰমূল্যবোধ যেন আজি মানুহৰ মাজৰ পৰা হেৰাই গৈছে। সন্তানে পিতৃ-মাতৃক ঘৰৰ পৰা উলিয়াই দিছে, বৃদ্ধা মাতৃক ৰাজপথত ভিক্ষা কৰিবলৈ পুত্ৰই এৰি আহিছে, পুত্ৰ আৰু নাতি-নাতিনীয়ে আইতাকৰ ঘৰৰ পৰা বহু আঁতৰত অসহায় অৱস্থাত মাজনিশা এৰি আহি এবাৰো ভবা নাই তেওঁৰ কথা। ইত্যাদি ইত্যাদি। ভ্ৰাতৃয়ে হত্যা কৰিছে ভ্ৰাতৃক, পিতৃৰ হাতত পুত্ৰ নিহত, পুত্ৰৰ প্ৰহাৰত পিতৃৰ মৃত্যু, আশী বছৰীয়া বৃদ্ধৰ হাতত ধৰ্ষিতা হৈছে নাতিনীৰ বয়সৰ ছোৱালী এনেবোৰ ঘটনা আমাৰ চাৰিওফালে দিনে-নিশাই সংঘটিত হৈয়ে আছে। টিভিটো খোলাৰ লগে লগে লোমহৰ্ষক হত্যাকাণ্ড, বৰ্বৰোচিত কাৰ্য প্ৰত্যক্ষ কৰাত কিছু সময়ৰ বাবে মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'লেও টিভিটো বন্ধ কৰাৰ পাছতে পাহৰি যায়। তেনে ঘটনাক লৈ কোনো ভ্ৰূক্ষেপ নাই।

প্ৰতিটো ক্ৰিয়াৰে একোটা প্ৰতিক্ৰিয়া থাকে। তাল দুপাটৰ ঘৰ্ষণ হ'লে শব্দ হয়। ই তাৰ প্ৰতিক্ৰিয়া। নিউটনৰ গতিৰ তৃতীয় সূত্ৰত একেই কথাকে প্ৰকাশ কৰি আহিছে। কিন্তু সাম্প্ৰতিক ঘটনাৱলীৰ প্ৰতিক্ৰিয়া দুৰ্বল হোৱাহে পৰিলক্ষিত হয়। মানুহৰ মনত এনে ঘটনাসমূহে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱৰাটোৱে বাৰু মানৱতাৰ প্ৰমূল্যবোধৰ অৱক্ষয়ৰ কথাকে সোঁৱৰাই দিয়া নাই জানো? প্ৰতিক্ৰিয়াহীন মানৱ জীৱন। যান্ত্ৰিকতাৰ মাজত যেন লাহে লাহে হেৰাই যাবলৈ ধৰিলে। কোনোৱে কাৰো কথা ভাবিবলৈ আহৰি নাই। মানৱ অধিকাৰ ৰক্ষাৰ বাবে চেষ্টা চলাই থকা সংগঠন, ব্যক্তি আদিৰ ভূমিকায়ো কেতিয়াবা সন্দিহান কৰি তোলে। এওঁলোকে দৰাচলতে কাৰ পক্ষ লৈছে। লিবিয়াৰ স্বেচ্ছাচাৰী শাসক মোৱাম্মাৰ গাড্ডাফিৰ পতনক লৈ চৌদিশে চৰ্চিত হৈছে ৪২ বছৰ এখন দেশ শাসন কৰা যিকোনো শাসকৰ মৃত্যু দেশখনৰ একাংশ লোকৰ বাবে কাম্য। এসময়ত গাড্ডাফিয়ে তেওঁৰ বিৰুদ্ধাচৰণ কৰাসকলক কুকুৰ-মেকুৰীৰ দৰে গুলীয়াই মাৰিছিল। প্ৰতাপী শাসকজনৰো একেই দশা হ'ল। কিন্তু দেশখনৰ বিদ্ৰোহীসকলে গাড্ডাফিৰ মৃতদেহৰ ওপতৰ যি অত্যাচাৰ চলালে সেয়া কিন্তু কোনো সুস্থ মানুহে সমৰ্থন কৰিব নোৱাৰে। কাৰণ আন্তৰ্জাতিক বিধি অনুসৰি কোনোৱে 'মৃতদেহ'ক অসন্মান প্ৰদৰ্শন কৰিব নোৱাৰে। লিবিয়াৰ ৰাজপথত গাড্ডাফিৰ মৃতদেহটো লথিওৱা কাৰ্যৰ পৰা অনুমান কৰিব পাৰি মানৱতা ভূ-লুণ্ঠিত হোৱা স্বৰূপটো। কোনো এজন লোক যিমানেই দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী নহওক কিয়— তেওঁৰ মৃতদেহক অসন্মান কৰাৰ কাৰোৰেই অধিকাৰ নাই। এয়া মাথোঁ এটা উদাহৰণহে। মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় ৰোধৰ বাবে সকলোৱে কথাৰহে ফুলজাৰি মাৰি আছে, বাস্তৱত হ'লে কোনো নাই। সন্ত্ৰাসবাদীৰ হাতত নিহত অথবা বোমা বিস্ফোৰণত নিহত বা আহতৰ পৰিয়ালক কেইটিমান টকা দিয়ে যেন শান্ত কৰাৰ চেষ্টা চলিছে। মানৱতাক দোহাই দি বহুতে সংঘটিত কৰি আহিছে জঘন্য কাৰ্য। মানুহবোৰ অধিক আত্মকেন্দ্ৰিক হোৱা বাবেই যেন মানৱতাৰ প্ৰমূল্যবোধৰ অৱক্ষয় ঘটিবলৈ ধৰিছে। প্ৰতিখন দেশেই নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰিবলৈ গৈ নিৰীহ লোকৰ ওপৰত গুলীবৰ্ষণ কৰিছে। কত নিৰীহে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হ'ল তাৰ কোনো হিচাপ নাই। এফালে ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধানে বিভিন্ন দেশৰ মাজত শান্তি প্ৰতিষ্ঠাৰ বাবে চেষ্টা চলাইছে আৰু

আনফালে 'নাটো'ৱে স্বাৰ্থসিদ্ধিৰ বাবে মানৱতাক দোহাই দি বিদ্ৰোহী সংগঠনৰ সৈতে হাত মিলাই সংগোপনে চলাইছে ধ্বংসযজ্ঞ। আজি মানৱতা ভূ-লুণ্ঠিত। ৰাস্তাৰ দাঁতিত কোনো এজন লোক অসহায়ভাৱে পৰি থাকিলেও কোনোৱে আগবাঢ়ি নাহে সহায়ৰ বাবে। দুৰ্ঘটনাত পতিত হৈ মৃত্যুৰ কোলাত ছটফটাই থকা লোকজনৰ পৰাও মূল্যৱান বস্তু কাঢ়ি নিবলৈ কুণ্ঠাবোধ নকৰা লোকৰো এতিয়া অভাৱ নাই। বিপদৰ সময়ত আৰ্তজনক সহায় কৰাৰ পৰিৱৰ্তে বাগী কুঠাৰ মাৰিবলৈহে আগুৱাই আহে।

চোতালত আইতাৰ মুখৰ পৰা সাধু শুনা নাতি-নাতিনীৰ অভাৱ। ইজনে সিজনক বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাৰ মানসিকতা নাই। পিতৃ-মাতৃৰ কথা নাভাবে সন্তানে। স্বেচ্ছাচাৰিতাৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে সেই বিষয়ে ভবা লোকৰ সংখ্যা নগণ্য। দুখীয়াৰ পেটৰ ভাত কাঢ়ি খোৱা লোকেৰেই ভৰি পৰিছে বিশ্ব। মিথ্যাচাৰৰ আস্ফালনত লুঠিত হৈছে মানৱতা। কেঁচুৱাৰ কান্দোনেও হৃদয় গলাব নোৱাৰে মানৱতাৰ জয়গান গোৱাসকলক। এতিয়া যদি কোনোবাই প্ৰশ্ন কৰে মানৱতা ক'ত?

# শিল্পী পেঞ্চন লাগে
# পেটৰ বাবে, স্বীকৃতিৰ বাবে নহয়

যিসকল শিল্পীসত্তাই অশেষ কষ্টেৰে অসমৰ যাত্ৰা দলক সমৃদ্ধ কৰিলে অথবা ইয়াৰ ক্ৰমোন্নতিত বিশিষ্ট অৰিহণা যোগালে সেইসকলৰ ভিতৰত অন্যতম হ'ল বজালী মহকুমাৰ দক্ষিণ বজালীৰ ডুবি গাঁৱৰ টেপাৰট্টাৰী চুবাৰ দুগ্ধ মালাকাৰ। দুগ্ধ মালাকাৰৰ দৰে শিল্পীসকলৰ নিৰন্তৰ শ্ৰম এটা সময়ত অসমৰ ঐতিহ্যপূৰ্ণ যাত্ৰা দলসমূহৰ প্ৰাণশক্তি আছিল। দুগ্ধ মালাকাৰ এনে এগৰাকী শিল্পী যিয়ে চামৰাৰ সকলো বাদ্যতে পাৰ্গত। এইগৰাকী অশীতিপৰ শিল্পীৰ সাম্প্ৰতিক দুৰ্দশাই এনে ৰূপ লৈছে যে এতিয়া তেওঁৰ ভাতমুঠিৰেই চিন্তা। অথচ এনে এটা সময় আছিল যেতিয়া এইগৰাকী বাদক শিল্পীৰ বাজনাৰ ছেৱত যাত্ৰাদলৰ প্ৰেক্ষাগৃহ ৰজনজনাই গৈছিল। জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পৰিছিল। নিজৰ নৈপুণ্যত দৰ্শকে বজোৱা হাত চাপৰিৰ শব্দত তেওঁৰ মন-প্ৰাণ ওফন্দি উঠিছিল। এইবোৰ কথা ভাবিলেই আজি তেওঁ বিপৰ্যস্ত হৈ পৰে। ক'ব নোৱাৰাকৈয়ে তেওঁৰ চকুলো বাগৰে। এইগৰাকী প্ৰখ্যাত শিল্পীয়ে ১৩ বছৰ বয়সতে কটাকুছিৰ যাত্ৰা দলত ভৰ্তি হৈ পৰৱৰ্তী পৰ্যায়ত আৰু উভতি চাবলগা হোৱা নাই। প্ৰখ্যাত বাদক হিচাপে মালাকাৰে মালিপাৰা যাত্ৰাদল, মুগকুছি যাত্ৰাদল, নটবাণী অপেৰা, নটৰাজ অপেৰাত বহু বছৰ কাম কৰাৰ পাছত যাত্ৰাদল ত্যাগ কৰি থিয়েটাৰৰ মঞ্চলৈ প্ৰত্যাৱৰ্তন কৰে। নটৰাজ থিয়েটাৰ, পূৰ্বজ্যোতি থিয়েটাৰ, সুৰদেৱী থিয়েটাৰ আৰু ভাগ্যদেৱী থিয়েটাৰত কে'বাবছৰ বাদক সংগীত শিল্পী হিচাপে

সেৰা আগবঢ়াই মালাকাৰে পুতলা থিয়েটাৰত তিনি বছৰ কাম কৰি বৰ্ণময় সাংস্কৃতিক জগতৰ পৰা অব্যাহতি লয়। জীৱনকালত শিল্পীসত্তা দৃষ্টিনন্দন চমকেৰে অনেকজনক হঁহুৱালে যদিও নিজৰ জীৱনত তেওঁ একোৱেই নাপালে। জীৱনৰ শেষ সময়ত তেওঁ উপলব্ধি কৰিছে যে ৰাইজৰ হাত চাপৰিৰে পেটৰ ভোক নুগুচে। আজি তেওঁ একেবাৰে নিঃস্ব। জুপুৰি ঘৰত দিন-ৰাতি একাকাৰ কৰি তেওঁ এতিয়া ভাতমুঠিৰ বাবেই সংগ্ৰাম কৰিব লাগে। চৰকাৰৰ বিয়াগোম সাংস্কৃতিক পৰিক্ৰমা বিভাগটোৱে এই শিল্পীগৰাকীলৈ এবাৰো ভুমুকিয়াই নাচালে। বহুবাৰ আৱেদন-নিবেদন কৰিও তেওঁ শিল্পী পেঞ্চনটো নাপালে। আজিলৈকে মালাকাৰে চৰকাৰৰ ঘৰৰ পৰা ফুটাকড়ি এটাও নাপালে। কাৰোৰে আহৰি নাই ৰুগ্ন, শীৰ্ণ এই শিল্পীগৰাকীক এষাৰ মাত দিবলৈ। এনেদৰেই তেওঁ অভাৱৰ যন্ত্ৰণাত এতিয়া দিন পাৰ কৰিছে। এইগৰাকী শিল্পীকে যোৱা ২০১২ চনৰ ৮ এপ্ৰিলত শিল্পী সাহায্য নিধি ঃ অসম আৰু স্বৰাঞ্জলিয়ে তেওঁৰ টেপাৰট্টাৰিৰ বাসগৃহত নগদ ২৫ হেজাৰ টকা আৰু চেলেং, জাপিৰে সম্বৰ্ধনা জনালে। এই অনুষ্ঠানত উপস্থিত থাকে সাংস্কৃতিক কৰ্মী প্ৰণৱ বৰ্মন, দিলীপ দাস, সাংবাদিক মৰম কুমাৰ, প্ৰশান্ত মেনা, দীপক কুমাৰ বৰ্মন, ফটো সাংবাদিক মনমৰমী মহন্ত আদি। আৱাহন থিয়েটাৰৰ প্ৰযোজক কৃষ্ণ ৰয়ো কাৰ্যসূচীত উপস্থিত থাকে। পুলু কুমাৰ শৰ্মাই আঁত ধৰা এই অনুষ্ঠানত বক্তব্য আগবঢ়ায় শিল্পী সাহায্য নিধিৰ সম্পাদক মৃণালকান্ত দাস আৰু স্বৰাঞ্জলিৰ সম্পাদক ঋষিকেশ বৰঠাকুৰে। সম্বৰ্ধনা গ্ৰহণ কৰি অশীতিপৰ মালাকাৰে দুয়োটা অনুষ্ঠানকেই ধন্যবাদ জ্ঞাপন কৰি কয় যে তেওঁৰ দৰে শিল্পীসকলৰ বাবে এনে অনুষ্ঠান ত্ৰাণকৰ্তাস্বৰূপ। দৰিদ্ৰতাৰ গ্ৰাসত পৰি মালাকাৰৰ চকুৰ জ্যোতি কমি যোৱাৰ লগতে হাত-ভৰি পৰ্যন্ত এতিয়া কঁপে। তৎসত্ত্বেও তেওঁ এতিয়াও বাদ্য বজাবলৈ উদ্যত। সৌ সিদিনালৈকে দপ্‌দপাই থকা দুগ্ধ মালাকাৰ আজি একেবাৰে নিঃস্ব। জীৱনৰ শেষ সময়ত কৰি অহা কামৰ স্বীকৃতিৰ বাবে নহ'লেও পেটৰ ভোকৰ ভাতমুঠিৰ কাৰণেই তেওঁক শিল্পী পেঞ্চনটো লাগে। একেই কথা ক'লে আৱাহন থিয়েটাৰৰ প্ৰযোজক কৃষ্ণ ৰয়েও। চৰকাৰৰ সময় হ'বনে এবাৰ ভুমুকিয়াই চাবলৈ এই দুৰ্গত ৰুগ্ন শিল্পীগৰাকীলৈ। জীৱনৰ অন্তিম পথত মানুহজনেও আশাৰে বাট চাইছে তেওঁ যেন ভাতমুঠিৰ বাবেই পেঞ্চনটো পায়।

# শতাব্দীৰ সাক্ষী
# পাঠশালাৰ মজলীয়া বিদ্যালয়

সমাজ গঠনত দেশৰ বিশ্ববিদ্যালয়সমূহৰ ভূমিকালৈ বিভিন্ন পক্ষ সততে সচেষ্ট হৈ থকা দেখা যায়। সুনাগৰিক তথা বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ ব্যক্তিসকলৰ জন্মদাতা হিচাপে এই বিশ্ববিদ্যালয়সমূহে সংশ্লিষ্ট সকলো বিভাগৰ পৰা যথেষ্ট গুৰুত্বও লাভ কৰে। কিন্তু একেবাৰে প্ৰাথমিক স্তৰত শিশুসকলক শিক্ষাদান কৰি তেওঁলোকৰ ভৱিষ্যৎ জীৱনৰ বাবে ভেটি তৈয়াৰ কৰা প্ৰাথমিক বা নিম্ন বুনিয়াদী বিদ্যালয়সমূহে এইখন দেশত বিশেষ গুৰত্ব লাভ কৰা দেখা নাযায়। তৎসত্ত্বেও তেনে বহু বিদ্যালয় স্বমহিমাৰে সদায় জিলিকি থাকে। অত্যন্ত সীমিত সা-সুবিধাৰ মাজতো শিক্ষক-কৰ্মচাৰীসকলৰ নিষ্ঠা, পৰিশ্ৰম, সততা, দায়বদ্ধতা আদিয়ে এই বিদ্যালয়সমূহক জিলিকাই তোলে। এনে বিদ্যালয়ৰ বহু শিক্ষাৰ্থী ভৱিষ্যৎ জীৱনত সমাজৰ ভোটাতৰাৰ ৰূপত জ্যোতিষ্মান হৈ থাকে। মানুহ গঢ়াৰ কমাৰশালস্বৰূপ তেনে এখন বিদ্যালয়েই হৈছে মোৰ শৈশৱৰ বিদ্যালয়খন। যিখনৰ নাম পাঠশালা মজলীয়া বিদ্যালয় যদিও পাঠশালা এম ভি স্কুল নামেৰেহে অধিক প্ৰসিদ্ধ, যাক মানুহে মৰমতে মাতে বুঢ়া এম ভি বুলি। ১৯০৯ চনত স্থাপিত এই বুঢ়া এম ভি বা পাঠশালা মজলীয়া বিদ্যালয়ে শতবৰ্ষ গৰকাতো ইয়াৰ অন্য হেজাৰজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ নিচিনাকৈ মোৰ বাবেও এক গৌৰৱ

তথা পুলকিত হ'বলগীয়া বাতৰি। যোৱা এবছৰ ধৰি বিদ্যালয়খনে শতবৰ্ষৰ কাৰ্যসূচী পালন কৰি ইয়াৰ শতাব্দীজোৰা স্মৃতি ৰোমন্থন কৰিছে। ইতিমধ্যে ইয়াৰ শতবৰ্ষ উদ্‌যাপনৰ সামৰণি অনুষ্ঠানো অনুষ্ঠিত হৈ আছে। শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত ৰাজ্যৰ ভিতৰতে এখন অগ্ৰণী স্থান পাঠশালাৰ বৌদ্ধিক সৌন্দৰ্য বঢ়াইছে এই স্কুলখনে অসমৰ অন্যতম মেধাভাণ্ডাৰ পাঠশালা নগৰ তথা ইয়াৰ উপকণ্ঠত শিক্ষানুষ্ঠানৰ অভাৱ নাই। চৰকাৰী-বেচৰকাৰী অজস্ৰ শিক্ষানুষ্ঠানেৰে সমৃদ্ধ হৈ আছে এই পাঠশালা। তাৰ মাজতো কিন্তু বিশেষ এক সৌন্দৰ্য লৈ সগৌৰৱে থিয় হৈ আছে পাঠশালা মজলীয়া বিদ্যালয় নামৰ এই সৰু স্কুলখন। যোৱাটো শতিকাৰ আৰম্ভণিতে বৃহত্তৰ বজালী অঞ্চলৰ একাংশ বিদ্যোৎসাহী ব্যক্তিৰ আন্তৰিক চেষ্টাৰ ফলশ্ৰুতি হিচাপে পাঠশালা মজলীয়া বিদ্যালয়ে জন্মগ্ৰহণ কৰিছিল। জন্মৰ পাছৰ পৰাই স্কুলখনে লাভ কৰি আহিছে সুযোগ্য নেতৃত্ব আৰু নিঃস্বাৰ্থ সেৱা। আৰম্ভণিৰ পৰা আজিলৈকে এই বিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে যি নিষ্ঠা আৰু পৰিশ্ৰমেৰে অনুষ্ঠানটো গঢ়াত আত্মনিয়োগ কৰি আহিছে তাৰ তুলনা পাবলৈ নাই। বিদ্যালয়খনৰ ক্ষেত্ৰত আন এটা লক্ষ্যণীয় বিষয় হৈছে পাঠশালাৰ বৃহত্তৰ সমাজখনে বিদ্যালয়খনৰ লগত অনুভৱ কৰা একাত্মতা। বিদ্যালয়ৰ কোনো শিক্ষাৰ্থীৰ অভিভাৱক হওক বা নহওক, প্ৰতিগৰাকী পাঠশালাবাসীয়েই পাঠশালা মজলীয়া বিদ্যালয়ৰ ভাল-বেয়াৰ প্ৰতি উদ্বিগ্ন তথা মনোযোগী। হয়তো এনে সামূহিক প্ৰচেষ্টাৰ ফলতেই এইখন বিদ্যালয়ৰ বহু প্ৰাক্তন ছাত্ৰ আজি সমাজৰ বিভিন্ন ক্ষেত্ৰৰ অতি উচ্চস্তৰত উপনীত হ'বলৈ সক্ষম হৈছে। এইখন বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আজি কৰ্মৰত পৃথিৱীৰ প্ৰায় প্ৰতিখন মহাদেশতে। উজ্জ্বল পৰম্পৰা অক্ষুণ্ণ ৰাখি বিদ্যালয়খনৰ বৰ্তমানৰ নেতৃত্বয়ো যথেষ্ট নিষ্ঠা আৰু পৰিশ্ৰমেৰে অনুষ্ঠানটো সঠিক দিশত আগবঢ়াই নি আছে। কিন্তু পৰিৱৰ্তিত পৰিস্থিতিত বিদ্যালয়খনে সমাজ আৰু চৰকাৰৰ পৰা অধিক মনোযোগ লাভ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলি আমি অনুভৱ কৰিছো। বিশেষকৈ যিহেতু সামাজিক বন্ধন আজিকালি আগতকৈ সোলোক-ঢোলোক হৈছে, গতিকে বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো বৰ্তমান মাউখে উটাৰ সুযোগ কমি আহিছে। পাঠশালা মজলীয়া বিদ্যালয় চৌহদতো দেখা গৈছে এই পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতিফলন।

# কাম কৰা ছোৱালী আৰু নাৰী দিৱস

সমগ্ৰ বিশ্বতে নাৰী দিৱসৰ দিনা বিভিন্ন আলোচনা চক্ৰৰ আয়োজন কৰা হয়। নাৰী আন্দোলনৰ নেতা-নেত্ৰীসকলে ডাঙৰ ডাঙৰ ভাষণ দিয়ে। মহিলাৰ সৱলীকৰণৰ ওপৰত তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। বহুতৰ ভাষণ শুনিলে মনত এনে ভাব হয় যে এনিশাতেই মহিলাসকল শোষণমুক্ত হ'ব। নাৰীয়ে নাৰী মূল্যবোধ উপলব্ধি কৰিব পাৰিব। একেটা ছাতিৰ তলতে বহি মহিলাসকলে জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো বিষয় সমাধান কৰিব। এগৰাকীয়ে আন এগৰাকীক বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়াব। কোনোৱে চকুপানী মচিব নালাগে। শ্ৰমিকসকলে তেওঁলোকৰ কামৰ মজুৰি পাব। পুৰুষ-মহিলাৰ মাজত পাৰিশ্ৰমিকৰ ক্ষেত্ৰত কোনো বৈষম্য নাথাকিব। মহিলাসকল হ'ব একগোট। কিন্তু আন্তৰ্জাতিক নাৰী দিৱসৰ দিনা যিবোৰ বিষয় আলোচনা কৰা হয় স্বাভাৱিকতে সেয়া সেই

বিশেষ দিনটোৰ পাছত ৩৬৪ দিনৰ বাবে গৌণ হৈ পৰে। আকৌ পাছৰ বছৰ এই দিৱসটো আহিলে সকলো সাজু হয় ভাষণ দিবলৈ। তেজ গৰম কৰা ভাষণ দিয়া মানেই এটা সমস্যা সমাধান হোৱা নুসূচায়। এই দিৱসত কোনে কিমান উদাত্ত ভাষণ দিব পাৰে তাৰেই যেন প্ৰতিযোগিতা একাংশ নেতা-নেত্ৰীয়ে আকৌ সংবাদ মাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ কিছুমান বিশেষ পৰিকল্পনাৰ কথা ঘোষণা কৰে। একোটা তেনেই পিছপৰা অঞ্চললৈ গৈ সভা-সমিতি পাতি দায়িত্ব সামৰে। তেওঁলোকৰ বাবে মহিলা সবলীকৰণৰ গতি সিমানতেই আবদ্ধ। কিন্তু এই বিশেষ দিনটোৰ পাছত এইসকল নেতা-নেত্ৰীয়ে মহিলা শ্ৰমিকসকলৰ পাৰিশ্ৰমিক সম্পৰ্কে মাত মতা পৰিলক্ষিত নহয়।

ঘৰে ঘৰে কাম কৰি ফুৰা 'বাই', 'আপী', 'কাম কৰা মানুহজনী' আদি শব্দৰে দৰাচলতে কেইজনৰ শ্ৰৱণেন্দ্ৰিয়ত আঘাত কৰে। মহিলাৰ পাৰিশ্ৰমিক মানে কেৱল কাৰ্যালয়ত কাম কৰা মহিলাসকলৰ দৈনিক বা মাহিলি মজুৰিকে নুবুজায়। তথাকথিত যিবোৰ শব্দ ব্যৱহাৰ কৰে বিশেষকৈ 'বাই', 'আপী'হঁতৰ মজুৰিৰ হকে কেইজনে মাত মাতিছে। দিনৰ দিনটো কাম কৰি থাকিলেও এইসকল মহিলাই কিন্তু উপযুক্ত মজুৰি নাপায়। ঘৰুৱা কাম-বন কৰিলে কষ্ট নহয় নেকি? হাতৰ মুঠিত ধমকেৰে সামান্য পইচা দিয়া লোকসকলৰ বিৰুদ্ধে মাত মাতিব পৰা শক্তি তেওঁলোকৰ নাই। এইসকল মহিলাই তথাকথিত মালিকসকলৰ ৰঙা চকুৰ আগত লেউ-সেউ হয়। কাৰণ 'বাই', 'আপী' শব্দবোৰৰ অভিশাপ লৈও আনৰ ঘৰত কাম নকৰিলে ঘৰত লঘোন পৰিব। কিছু সংখ্যকৰ বাহিৰে অধিকাংশ লোকৰেই কিন্তু একেই দৃষ্টিভংগী, একেই মন্তব্য।

চাহ শ্ৰমিকৰূপে নিয়োজিত মহিলাসকলৰ স্বাৰ্থৰ হকে মাত দিয়া লোকৰ অভাৱ। এইসকল মহিলা যে কেৱল পাৰিশ্ৰমিকৰ ক্ষেত্ৰতেই বঞ্চনাৰ বলি হ'ব লগা হৈছে তেনে নহয়, সামাজিক ক্ষেত্ৰতো একেই দশা। নাৰীক দেৱীৰ আসনত বহুওৱা এই ভাৰতবৰ্ষত আজিও এওঁলোকে আৰ্থ-সামাজিক ক্ষেত্ৰতো শোষণৰ বলি হৈ থাকিবলগীয়া হৈছে। মহিলাসকলৰ প্ৰতিবাদৰ ভাষা গৰাকীয়ে বুজি নাপায়। আনকি পৰিয়ালৰ আন লোকসকলেও বুজিবলৈ চেষ্টা নকৰে। এই মহিলাসকলে কাহিলি পুৱাতে উঠি ঘৰৰ কাম-বন কৰি ওলাই আহে বাগানলৈ। ৰ'দ, বৰষুণ নেওচি দিনটোৰ ভিতৰত বেলিটো মূৰত লৈ কাম কৰে। আবেলি ঘৰলৈ ওভতে সুদা

হাতে। সপ্তাহত যিকেইটা পইচা পায় তাৰে পৰিয়ালটো পোহপাল দিয়া সম্ভৱ নহয়। মাতাল স্বামীৰ অত্যাচাৰ, ওপৰৱালা বিষয়াৰ গালি-গালাজ, হাড়ভঙা পৰিশ্ৰমৰ বাবেই যেন তেওঁলোকৰ জন্ম। স্বাধীনতা লাভৰ ছটা দশকৰ পাছতো ভাৰতৰ অধিকাংশ মহিলাই উপযুক্ত পাৰিশ্ৰমিক লাভ কৰিব পৰা নাই। একে কাম কৰিলেও পুৰুষ-মহিলাৰ পাৰিশ্ৰমিকৰ ক্ষেত্ৰত বৈষম্য পৰিলক্ষিত হয়।

নাৰী দিৱসৰ চিন্তা-চৰ্চাৰ সলনি কৰাৰ সময় আহি পৰিছে। আমি কেৱল শ্ল'গান আওৰাই থাকিলে নহ'ব। এই বিশেষ দিনটোত বেনাৰ, ফেষ্টুন লৈ সমদল উলিয়াই শ্ল'গান দিয়া, আলোচনা চক্ৰৰ আয়োজন কৰাতকৈ সকলো শ্ৰমিকক সংগঠিত কৰিব লাগিব। তেওঁলোকৰ ঘৰলৈ যাব লাগিব। শীত-তাপ নিয়ন্ত্ৰণ কোঠাত বহি মহিলা শ্ৰমিকৰ শোষণৰ কথা চিঞৰি থাকিলে নহ'ব। এনে কৰিলে বঞ্চনাৰ বলি হৈ মহিলা আৰু আন্দোলনকাৰী নেতা-নেত্ৰীৰ মাজত ব্যৱধান থাকিব। যেতিয়ালৈকে এই ব্যৱধান নোহোৱা নহয় তেতিয়ালৈকে ই এক জ্বলন্ত সমস্যা হৈ ৰ'ব।

# য়েছে দৰজে ঠংচিক
# অসম সাহিত্য সভাৰ সভাপতি পাতক

শেহতীয়াভাৱে অসম সাহিত্য সভাৰ মজিয়াত ওলাইছে সভাৰ পৰৱৰ্তী সভাপতি হিচাপে অৰুণাচলৰ প্ৰসিদ্ধ সাহিত্যিক 'য়েছে দৰজে ঠংচি'ক মনোনীত কৰাৰ কথা সুদীৰ্ঘ দিন ধৰি অসমীয়া ভাষাত সাহিত্য-চৰ্চা অব্যাহত ৰখা এইগৰাকী অৰুণাচলী সাহিত্যিকৰ প্ৰতি কৃতজ্ঞ অসমীয়া জাতিৰ ইয়াতকৈ ডাঙৰ সন্মান আৰু স্বীকৃতি নিশ্চয় আন একোৱেই হ'ব নোৱাৰে। কিন্তু আমাৰ দৃষ্টিত 'য়েছে দৰজে ঠংচি'ক অসম সাহিত্য সভাৰ সভাপতিৰ আসনত উপৱিষ্ট কৰিলে অসমীয়া জাতিয়ে তেওঁক দেখুওৱা সন্মান বা তেওঁৰ প্ৰতি প্ৰদান কৰা স্বীকৃতিতকৈও ই হ'ব সমন্বয় বা সেতুবন্ধনৰ এক অতি ফলপ্ৰসূ প্ৰয়াস। এই সেতুবন্ধন হ'ব অসম আৰু অৰুণাচলৰ মাজত সেতুবন্ধন, এই সেতুবন্ধন হ'ব অসমীয়া আৰু অৰুণাচলীৰ মাজত সেতুবন্ধন।

সুদীৰ্ঘ দিন ধৰি সমন্বয়, সহযোগিতা আৰু বন্ধুত্বৰ এক বিৰল নিদৰ্শন দাঙি ধৰি আহিছিল অসম আৰু অৰুণাচলে। আজিৰ অৰুণাচল তাহানিৰ 'নেফা' হৈ থকা দিনবোৰতে অসম-অৰুণাচলৰ মাজত বিৰাজ কৰিছিল উদাহৰণ সৃষ্টিকাৰী

বন্ধুত্ব। এই বন্ধুত্ব সৃষ্টিৰ ক্ষেত্ৰত এক অন্যতম অনুঘটকৰ ভূমিকা পালন কৰিছিল অসমীয়া ভাষাই। বিভিন্ন উপজাতিৰ সংমিশ্ৰম অৰুণাচলত অসমীয়া ভাষাই পালন কৰিছিল সংযোগী ভাষাৰো দায়িত্ব। বেলেগ বেলেগ মাতৃভাষাৰ অৰুণাচলী উপজাতিসমূহে নিজৰ নিজৰ প্ৰধান ধাত্ৰী ভাষা হিচাপে অসমীয়া ভাষাকে আঁকোৱালি লৈছিল আৰু পৰিণতিত অসমীয়া ভাষা হৈ উঠিছিল ৰাজ্যখনৰ সংযোগী ভাষা। অসমীয়া ভাষা সেই সময়ত আছিল বহিৰ্বিশ্বৰ বাবেও অৰুণাচলৰ খিৰিকী।

দেশে স্বাধীনতা লাভ কৰাৰ পিছত এটা সময়ত যেতিয়া অৰুণাচলত শিক্ষা বিস্তাৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ল, সেই প্ৰক্ৰিয়াতো আগভাগ ল'লে এচাম শিক্ষিত অসমীয়া যুৱক-যুৱতীয়ে। বিলাতৰ উচ্চশিক্ষাৰে শিক্ষিত বিদুষী মহিলা ইন্দিৰা মিৰিৰ নেতৃত্বত এইচাম অসমীয়া ডেকা-গাভৰুৱে যৌৱনৰ শ্ৰেষ্ঠতম সময়খিনি বিসৰ্জন দিছিল সেই সময়ত ভালদৰে যান্ত্ৰিক সভ্যতাৰ পোহৰ নপৰা অৰুণাচলৰ সেউজ পাহাৰ আৰু গভীৰ অৰণ্যৰ মাজত। শিক্ষা আৰু সভ্যতাৰ পোহৰেৰে অৰুণাচলক আলোকিত কৰিবলৈ সেইচাম অসমীয়া ডেকা-গাভৰু উঠিপৰি লাগিছিল। ভগ্নীৰাজ্য অৰুণাচলক আগবঢ়াই নিবই লাগিব— এয়াই আছিল সেই সময়ত সেইচাম অসমীয়া ডেকা-গাভৰুৰ জীৱনৰ পণ। অৰুণাচলৰ প্ৰতিগৰাকী ব্যক্তিৰে নিত্য-ব্যৱহাৰ্য, অতিকে চিনাকি, অতিকে আপোন প্ৰধান ধাত্ৰীভাষা অসমীয়াৰ মাধ্যমেৰেই শিক্ষা বিস্তাৰৰ কাম কৰিছিল তেতিয়া আৰু পৰিচিত কৰা এটাই শিল্পৰ মাধ্যম হৈ উঠাৰ পৰিপ্ৰেক্ষিতত শিক্ষা বিস্তাৰ অভিযানো হৈছিল অতিকে সফল। অসম আৰু অৰুণাচল, অসমীয়া আৰু অৰুণাচলী— দুই পৃথক সত্তা বুলি কোনেও অনুভৱ কৰা নাছিল সেই সময়ত।

কিন্তু লাহে লাহে পৰিস্থিতি জটিল হ'ল। জটিল হ'ল সময়, জটিল হ'ল মানুহৰ মন। অৰুণাচলৰ শিক্ষা বিস্তাৰৰ নামত অন্য কিছুমান সমীকৰণেও পাক খাবলৈ ল'লে দিল্লীৰ নীতি-নিৰ্ধাৰকসকলৰ মাজত। আৰু এই সকলোবোৰৰ পৰিণতি হ'ল অৰুণাচলৰ পৰা অসমীয়া ভাষাৰ বিতাড়ন আৰু ৰাজ্যখনৰ শিক্ষাৰ মাধ্যমৰূপে হিন্দী ভাষাৰ অবাঞ্ছিত আগমন।

অৰুণাচলত শিক্ষাৰ নতুন মাধ্যম হ'ল হিন্দী ভাষা। কোনোদিন কোনো পৰিচিতি নথকা ভাষা এটা শিক্ষাৰ মাধ্যম হৈ পৰাত ৰাজ্যখনৰ সৰ্বসাধাৰণে

শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত যি এটা আঘাত পালে, সেই আঘাতৰ ঘা আজিও ভালদৰে শুকুওৱা নাই। পিছে হিন্দী ভাষাই অকল যে শিক্ষাৰ ক্ষেত্ৰতেই অৰুণাচলক পিছলৈ ঠেলিলে তেনে নহয়; ৰাজ্যখনৰ পৰা অসমীয়া ভাষাক বিতাড়ন কৰি ই অসম-অৰুণাচলৰ মাজতো বিভেদৰ বীজ সিঁচিলে। অসমীয়া ভাষা অৰুণাচলৰ শিক্ষানুষ্ঠানৰ পৰা আঁতৰি পৰাৰ লগে লগে যেন গৰিষ্ঠসংখ্যক অৰুণাচলীৰ হৃদয়ৰ পৰাও এই ভাষা আঁতৰি গ'ল। হ্ৰাস পাবলৈ বাধ্য হ'ল অসমীয়া আৰু অৰুণাচলীৰ মাজত ভাব বিনিময়। এনে পৰিস্থিতিত অৱধাৰিতভাৱে সম্প্ৰীতি আৰু সমন্বয়ৰ স্থান ল'লে সংঘাত আৰু সন্দেহে। অসম-অৰুণাচলৰ মাজৰ সীমা সমস্যাৰ নিচিনা কাহানিও নথকা সমস্যাবোৰো আহি পৰিল।

অথচ এনে এক জটিল আৰু নেতিবাচক পৰিৱেশৰ মাজতো য়েছে দৰজে ঠংচিৰ নিচিনা মহৎপ্ৰাণ অৰুণাচলীসকলে নীৰৱে অসমীয়া ভাষাকেই বুকুত সাবটি লৈ অবিৰত গতিত চলাই থাকিল অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা। অকল চলাই থকাই নহয়, তেওঁ প্ৰতিষ্ঠা লাভ কৰিলে এগৰাকী অগ্ৰণী অসমীয়া সাহিত্যিক হিচাপে। এনে এক প্ৰেক্ষাপটত অসম সাহিত্য সভাৰ সভাপতিৰ আসনখন ঠংচিলৈ আগবঢ়োৱাটোৱেই নিঃসন্দেহে সৰ্বাধিক যুগোপযোগী কাম। ইয়ে নিঃসন্দেহে আজিৰ অৰুণাচলৰ ভিতৰচ'ৰাত বৈ থকা অসমীয়া বিদ্বেষৰ বতাহজাকো স্তিমিত কৰিব। উভয় ৰাজ্যৰ মাজত সমন্বয়ৰ নতুন যুগ এটা আৰম্ভ কৰিব। সৰ্বোপৰি মুকলি কৰিব অৰুণাচলত অসমীয়া ভাষাই স্থান পোৱাৰ সম্ভাৱনীয়তাৰ নতুন এখন দুৱাৰ।

ৰংবং তেৰাং অসম সাহিত্য সভাৰ সভাপতি হিচাপে মনোনীত হোৱাৰ লগে লগে অসমত সমন্বয়ৰ নতুন এক উচাহ লক্ষ্য কৰা হৈছিল। য়েছে দৰজে ঠংচি অসম সাহিত্য সভাৰ সভাপতি মনোনীত হ'লে এইবাৰ নিশ্চয় সমগ্ৰ পূৰ্বোত্তৰজুৰি উচাহৰ এক নতুন বতাহ ব'ব— যিজাক বতাহে কঢ়িয়াই আনিব সমন্বয়ৰ বাৰ্তা।

# শৰ্মিষ্ঠা প্ৰীতম আৰু এক অনুভৱ

প্ৰতিবন্ধী সৃষ্টিৰ অন্তৰায় হ'ব নোৱাৰে। ষ্টিফেন হকিন্সে হুইল চকীত বহিয়েই বিশ্বব্ৰহ্মাণ্ডৰ তৰাগ্ৰহৰ, কৃষ্ণগহ্বৰৰ ওপৰত গৱেষণা চলাই আছে। ফৰাচী সেনাপতি নেপোলিয়ন বোনাপাৰ্টৰ হৃদযন্ত্ৰত ফুটা থকা সত্বেও বিপৰীত সৈন্যৰ ওপৰত জঁপিয়াই পৰিছিল। কেৱল সেয়াই নহয়, প্ৰতিবন্ধী হৈয়ে অলিম্পিকত দৌৰাৰ নজিৰ আছে। আমাৰ সমাজতো এনে কিছু প্ৰতিবন্ধী লোক আছে, যিয়ে সদায় শাৰীৰিক-মানসিক প্ৰত্যাহ্বানক নেওচি ব্যস্ত হৈ আছে সৃষ্টিৰ স'তে। তেনে এগৰাকী যুৱতী শৰ্মিষ্ঠা প্ৰীতম। অলপতে নগাঁৱত তেওঁৰ 'আত্মকথা' নামৰ গ্ৰন্থ এখন উন্মোচিত হ'ল। সেই সভাত ময়ো অংশগ্ৰহণৰ সুযোগ পাইছিলো। শৰ্মিষ্ঠাৰ মনোবল, সাহস দেখি মোৰ মনত হেমিংৱেৰ বিখ্যাত কথাষাৰ মনত পৰিল— 'এজন মানুহক হত্যা কৰিব পাৰি, কিন্তু পৰাস্ত কৰিব নোৱাৰি।' যুৱতীগৰাকীৰ গ্ৰন্থখনত প্ৰতিবন্ধীৰ মনৰ আৱেগ— অনুভূতিবোৰ প্ৰকাশ পাইছে। হুইল চেয়াৰত চিৰবন্দিনী বিদুষী তৰুণী শৰ্মিষ্ঠাই জীৱনৰ অৰ্থ বিচাৰি পাইছে গল্প, কবিতা, আত্মজীৱনীৰ মাজত। জীৱনত কিবা এটা কৰিবলৈ হ'লে তেওঁ আত্মবিশ্বাসী হ'বই লাগিব। আত্মবিশ্বাস অবিহনে কোনোৱে জীৱন যুঁজত জয়ী

হ'ব নোৱাৰে। আমাৰ সমাজত ধনী লোকৰ অভাৱ নাই। অট্টালিকাত ৰাজসুখত থকা লোকসকল সুস্থ হ'লেও তেওঁলোকক চুবুৰীয়াৰ বাহিৰে আন কেইজনে জানে? কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰা, ড° ভূপেন হাজৰিকাৰ গীত গোৱা অন্ধ গায়কজন, চলচ্চিত্ৰ পৰিচালকজন, শৰ্মিষ্ঠাৰ দৰে তৰুণীয়ে প্ৰমাণ কৰি দেখুৱালে প্ৰতিবন্ধীজনেও মানুহৰ হৃদয় জয় কৰিব পাৰে। সমাজৰ আন দহজন লোকৰ দৰে জীয়াই থাকিব পৰা শক্তি তেওঁলোকৰ আছে। তেওঁলোক পৰাজিত হ'বৰ বাবে জন্ম হোৱা নাই।

সময়ৰ সলনিৰ লগে লগে মানুহৰ ধ্যান-ধাৰণাৰো পৰিৱৰ্তন হ'বলৈ ধৰিলে। কিছু বছৰ আগলৈকে মানুহে যিটো শ্ৰেণীক খুব এটা ভাল দৃষ্টিভংগীৰে চোৱা নাছিল, তেওঁলোকে কিন্তু পৰৱৰ্তী সময়ত প্ৰমাণ কৰি দেখুৱালে যে সমাজত অক্ষম ব্যক্তি বুলি কোনো নাই। অন্ধজনে শীৰ্ষস্থান আৰোহণ কৰিলে। শাৰীৰিকভাৱে অক্ষম হ'লেও মানসিকভাৱে শক্তিশালী লৈ মহাকাশৰ বুকুৰ কৃষ্ণগহ্বৰৰ সম্ভেদ দিলে হকিন্সে। ৰবীন্দ্ৰ জৈনৰ কণ্ঠৰ পৰা নিগৰা গান, সুধা চন্দ্ৰনৰ নৃত্যত আপ্লুত হোৱা লোকৰ সংখ্যা জানো কম। শৰ্মিষ্ঠা প্ৰীতমকো আমি আন দহজনতকৈ কোনোগুণে কম গুণসম্পন্ন বুলি ক'ব নোৱাৰো। এই প্ৰসংগত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিৰ এষাৰ কথা উল্লেখ কৰিব পাৰো— 'সন্দেহাতীত প্ৰতিভাৰ অধিকাৰিণী শৰ্মিষ্ঠাই তেওঁৰ ভিন্ন লেখা, বিশেষকৈ আত্মজীৱনীৰ যোগেদি প্ৰমাণ কৰি দেখুৱালে যে পৰাজিত হ'বৰ কাৰণে জন্ম হোৱা নাই মানুহৰ।' ফুলনিত বহুতো ধুনীয়া ফুল ফুলি থাকে। কিছুমানৰ ঘ্ৰাণ, কিছুমানৰ ৰং আৰু কিছুমান সামগ্ৰিকভাৱে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হয়। একেদৰে আমাৰ সমাজত এনে বহু লোক আছে, যিসকল সুন্দৰ-সুঠাম দেহৰ অধিকাৰী। কিন্তু তেওঁলোকৰ জীৱনৰ সাফল্যৰ খতিয়ান বিশ্লেষণ কৰিলে সেই ঘৰত থাকে কেৱল এটা মহাশূন্য। জীৱনৰ বিয়লিবেলালৈকে কেৱল সুখে-সন্তোষে খাই-বৈয়ে জীয়াই থাকে। অথচ শৰ্মিষ্ঠা আদিৰ দৰে প্ৰতিভাৱান তৰুণীয়ে শাৰীৰিক-মানসিক প্ৰতিবন্ধী হ'লেও মনৰ অদম্য শক্তিৰ বাবে জিনিব পাৰে সহস্ৰজনৰ হৃদয়।

# এখন ফটোৰ মূল্য ঊনত্ৰিছ কোটি

শিৰোনামটো দেখি আপুনিও ভাবিছে চাগে’ ফটো এখন তুলিবলৈ অনুমতি বিচৰাৰ বাবে কোনোবাই ২৯ কোটি টকা ব্যয় কৰিবনে? ফটোখন তুলি কাকতত প্ৰকাশ কৰিবলৈ অনুমতি বিচাৰোতেই ইমান বিপুল পৰিমাণৰ অৰ্থ ব্যয় কৰোঁতাজন আকৌ সেই ছবিখন প্ৰকাশ কৰি কিমান লাভান্বিত হ’ব সেয়া সহজেই অনুমেয়। অভিষেক বচ্চন-ঐশ্বৰ্য ৰায়ৰ কন্যা সন্তানটিৰ প্ৰথম ছবিখন তুলিবলৈ বৃটিছ টেবলয়ডত ‘নেচনেল এনেক্টবাইৰৰ’— এ বচ্চন পৰিয়ালক ১৫ লাখ ডলাৰ যাচিছিল। অৱশ্যে বচ্চন পৰিয়ালে বৃটিছ টেবলয়ডৰ প্ৰস্তাৱ গ্ৰহণ নকৰিলে। বলিউডৰ জনপ্ৰিয় অভিনেতা-অভিনেত্ৰীৰ ফটো তুলিবলৈ ইয়াৰ পূৰ্বে কোনোৱে এই পৰিমাণৰ অৰ্থ আগবঢ়োৱাৰ নজিৰ নাই। অৱশ্যে হলিউডৰ কথা সুকীয়া। হলিউডত এখন সুকীয়া প্ৰতিচ্ছবি দেখা যায়।

বৰ্তমানলৈকে হলিউডৰ অভিনেতা-অভিনেত্ৰীৰ সন্তানৰ ফটো এখন তুলিবলৈ যি পৰিমাণৰ অৰ্থ আগবঢ়োৱা হৈছে, সেই অৰ্থৰে দুই-তিনিখন হিন্দী

ছবি নিৰ্মাণ কৰিব পাৰি। এঞ্জেলিনা জ’লী-বেড পীটৰ সন্তানৰ এখন ফটোৰ বাবে পশ্চিমীয়া সংবাদপত্ৰই আগবঢ়োৱা ২৯ কোটি টকা। এখন ফটোৰ বাবে এই বৃহৎ কিবা লাভ আছে জানো? সাধাৰণ দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে নিশ্চয় নাই। কিন্তু ফটোগ্ৰাফীৰ দিশৰ পৰা ইয়াৰ মূল্য অপৰিসীম।

এইখিনিতে এখন ফটোৰ বিষয়ে উল্লেখ কৰিব খুজিছো— যিখন ফটো বিক্ৰী কৰি এজন ফটোগ্ৰাফাৰে নিশাটোৰ ভিতৰতে কোটিপতি হৈছিল। প্ৰায় ২৪ বছৰৰ আগৰ কাহিনী। শচীন তেণ্ডুলকাৰ তেতিয়া স্কুলীয়া ছাত্ৰ। ঠিক সেই সময়তে তেণ্ডুলকাৰে মুম্বাইৰ হৈ ৰঞ্জী খেলাৰ সুযোগ পায়। অভিষেক মেচতে চমক। তেণ্ডুলকাৰে যেতিয়া ৰঞ্জী খেলত আত্মপ্ৰকাশৰ বাবে ৱাংখেড়ে ষ্টেডিয়ামত অনুশীলনত ব্যস্ত আছিল, সেই সময়ত ষ্টেডিয়ামত উপস্থিত আছিল ভেংচৰকাৰ। এজন ফটোগ্ৰাফাৰ আহি ভেংচৰকাৰৰ ফটো তোলাত ব্যস্ত হৈ পৰিল, তেতিয়া ভেংচৰকাৰে ফটোগ্ৰাফাৰজনক উদ্দেশ্যি কৈছিল— তুমি মোৰ ফটো তোলাতকৈ অনুশীলনত ব্যস্ত কিশোৰজনৰ ফটো তোলা। ভৱিষ্যতে লাভ হ’ব। হয়, ভেংচৰকাৰৰ অনুমানেই ঠিক আছিল। পৰৱৰ্তী সময়ত যেতিয়া তেণ্ডুলকাৰ এগৰাকী মহান খেলুৱৈৰ শাৰীত উপনীত হ’ল, তেতিয়া সেই ফটোখন হৈ পৰিল অমূল্য সম্পদ। ফটোখনৰ বাবে লাভ কৰিলে লাখ লাখ টকা। সেই সময়ত ভেংচৰকাৰে কোৱা কথাখিনি হয়তো ফটোগ্ৰাফাৰজনে বিশেষ গুৰুত্ব দিয়া নাছিল। কিন্তু এতিয়া চাগে’ ভাবিছে ভেংচৰকাৰৰ উপদেশে তেওঁৰ ভাগ্য উদয় কৰিলে।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত আৰু ভিয়েটনামৰ যুদ্ধৰ দুখন ছবিয়ে আজিও সেই সময়ৰ ভীতিগ্ৰস্ত লোকৰ মনৰ অৱস্থা সজীৱ কৰি তোলে। ভিয়েটনামৰ যুদ্ধৰ সময়ত এজাক ভীতিগ্ৰস্ত শিশুৱে ৰাজপথেদি দৌৰাৰ দৃশ্য জানো কোনোবাই পাহৰিব পাৰিব? সেইখনৰ মূল্য কিমান হ’ব জানে? অমূল্য। ই হ’ল অমূল্য সম্পদ।

# নেপোলিয়ন বোনাপাৰ্টৰ বিশ্বস্ত সেনানায়কজনক মনত পৰেনে?

১৫ আগষ্ট, ১৭৬৯ খ্ৰীষ্টাব্দ। ফ্ৰান্সৰ উপকূলৰ পৰা এশ মাইল দূৰত্বত ভূমধ্য সাগৰৰ মাজত থকা এটা দ্বীপ— কৰ্ছিকা।। এই দ্বীপটোতে সেই দিনটোত এজন মহান সেনাপতিৰ জন্ম হৈছিল। তেতিয়া কৰ্ছিকা দ্বীপটো আছিল ফ্ৰান্সৰ অধীনত। মাত্ৰ দুবছৰ পূৰ্বে ফ্ৰান্সে এই দ্বীপটো ইটালিৰ দখলৰ পৰা নিজৰ আয়ত্তলৈ আনিছে। এই দ্বীপটোত বাস কৰিছিল চাৰ্লছ বোনাপাৰ্ট নামৰ এজন অধিবক্তাই। এই অধিবক্তাজনৰ পত্নীৰ নাম লেটিছিয়া। তেওঁৰ গৰ্ভতে স্থিতি লোৱা সন্তানটোৰ জন্ম হৈছিল ১৫ আগষ্টত। পৰৱৰ্তী সময়ত তেৱেঁই নেপোলিয়ন বোনাপাৰ্ট। চাৰ্লছৰ ১১টা সন্তানৰ ভিতৰত নেপোলিয়ন আছিল দ্বিতীয়। এদিন-দুদিনকৈ নোপোলিয়ন ডাঙৰ হ'বলৈ ধৰিছে। ঠিক সেই সময়তে তেওঁৰ পিতৃ চাৰ্লছৰ মৃত্যু হয়। পৰিয়ালটোলৈ আহিল সংকট। মাতৃ লেটিছিয়াই অশেষ কষ্ট কৰি দ্বীপটোৰ শাসনকৰ্তা কাউণ্ট মাধোৰ পৰা অৰ্থসাহায্য লাভ কৰে। এইজন শাসনকৰ্তাৰ অনুগ্ৰহতে নেপোলিয়নক অধ্যয়নৰ বাবে পঠিওৱা হয় পেৰিছৰ ব্ৰায়ান মিলিটাৰী স্কুললৈ।

১৭৮৪ খ্ৰীষ্টাব্দৰ কোনো এটি দিনত সংঘটিত হৈছিল এক ঘটনা— যিটোৱে পৰৱৰ্তী সময়ত তেওঁৰ সহযোদ্ধা নিৰ্বাচন কৰাত সহায়ক হৈছিল। নেপোলিয়নে ফৰাচী ভাষা ভালদৰে নজনা বাবে লগৰ সমনীয়াই ঠাট্টা-মস্কৰা কৰিছিল। প্ৰথম অৱস্থাত নেপোলিয়নে সকলো সহ্য কৰিছিল যদিও তেওঁৰ মনৰ ভিতৰত জ্বলি আছিল ক্ষোভৰ জুই। সেই ক্ষোভৰ উদ্‌গিৰণ হ'বলৈ বেছিদিনৰ প্ৰয়োজন নহ'ল। যিহেতু সৰুৰে পৰাই নেপোলিয়নে সকলোৰে আগত দৌৰিব বিচাৰিছিল, সেয়েহে সকলোবোৰ লগৰীয়াক তেওঁৰ নিৰ্দেশ মানিবলৈ বাধ্য কৰাইছিল। সাহসী নেপোলিয়নৰ বিৰুদ্ধে কোনোৱে মাত মাতিবলৈ সাহস গোটাব পৰা নাছিল। এনেদৰে দিন বাগৰি থাকোতে এদিন সকলোৰে সন্মুখত ঘটি গ'ল ঘটনাটো। সেই বছৰটোত পেৰিছত প্ৰচণ্ড শীত পৰিছিল। কেউফালে মাথোঁ বৰফ। দূৰৈৰ পৰা চালে চহৰখন বৰফেৰে ঢকাহে দেখিবলৈ পোৱা যায়। কোনোৱে ক'তো যাব নোৱাৰা অৱস্থা। ইতিমধ্যে প্ৰায়ভাগ স্কুল বন্ধ হৈছে। নেপোলিয়নে কিন্তু তেওঁৰ স্কুলৰ ছাত্ৰসকলক হাত সাবটি বহি থাকিবলৈ নিদিলে। সকলাকে যুদ্ধ যুদ্ধ খেলিবলৈ উচটনি দিলে। সঁচাকৈয়ে সকলোৱে যুদ্ধ যুদ্ধ খেলি শৰীৰ গৰম কৰিলে। সেয়েহে সকলোৰে মাজত জনপ্ৰিয় এক পৰিকল্পনা কৰিছে। তেওঁ স্কুল কৰ্তৃপক্ষক অনুৰোধ জনালে ছাত্ৰসকলক বৰফৰ ওপৰত যুদ্ধ কৰিবলৈ অনুমতি দিবলৈ। স্কুল কৰ্তৃপক্ষয়ো নেপোলিয়নৰ প্ৰস্তাৱক সন্মতি জনালে।

বৰফৰ পাহাৰত ছাত্ৰসকলক দুভাগ কৰি যুদ্ধৰ বাবে সাজু কৰি তোলা হ'ল। দুৰ্গৰ তলফালে থকা সৈন্য দলৰ নেতৃত্ব দিলে স্বয়ং নেপোলিয়নে। প্ৰচণ্ড শীতৰ মাজতো দুয়োদল সৈন্যই যুদ্ধ আৰম্ভ কৰিলে। দৰ্শক হ'ল বিদ্যালয়ৰ শিক্ষক তথা আন ছাত্ৰসকল। যুদ্ধ যুদ্ধ খেলা খেলবিধ উপভোগ্য হৈ পৰিল। কিন্তু সেই সময়তে এটি অঘটন ঘটিল। নেপোলিয়নে যিটো দলক নেতৃত্ব প্ৰদান কৰিছিল, সেই দলটোৰ সৈন্য এজনে সেনাপতি নেপোলিয়নৰ নিৰ্দেশ অমান্য কৰাত তেওঁ সৈন্যজনৰ কপালত বৰফৰ টুকুৰাৰে তেজ উলিয়াই দিলে। উপস্থিত দৰ্শকসকল অবাক। ধেমালিৰ মাজতো কঠোৰ নিৰ্দেশ। কিন্তু কোনোৱে নেপোলিয়নৰ বিৰুদ্ধে মুখ খুলিবলৈ সাহস নকৰিলে। পৰৱৰ্তী সময়ত সেইজন সৈন্যই হৈছিল মহাপৰাক্ৰমী। নেপোলিয়নৰ বিশ্বস্ত সেনানায়ক। তেওঁৰ নাম মাৰ্শ্বেল নেক।

নেপোলিয়নে যিমান যুদ্ধ কৰিছিল প্ৰতিখন যুদ্ধতে নেপোলিয়নৰ সংগী হৈছিল মাৰ্শ্বেল। ১৮০৪ খ্ৰীষ্টাব্দৰ ২ ডিচেম্বৰত ফ্ৰান্সৰ সিংহাসনত উঠে নেপোলিয়ন। তেতিয়া তেওঁৰ বয়স মাত্ৰ ৩৫ বছৰ। সেনানায়কৰ পৰা সম্ৰাট হ'ল যদিও সিংহাসনত অধিষ্ঠিত হোৱাৰ পাছৰে পৰাই যুদ্ধ-বিগ্ৰহতে ব্যস্ত থাকিবলগীয়া হ'ল। কিয়নো ইংলেণ্ডে সেই সময়ত ফ্ৰান্সৰ পৰিস্থিতি অস্থিৰ কৰি ৰাখিবলৈ ষড়যন্ত্ৰ ৰচিছিল। সেয়েহে ইংলেণ্ডে গোপনে উত্তেজিত কৰিলে ৰাছিয়া আৰু অষ্টিয়াক। সেইবাবে ১৮০৫ খ্ৰীষ্টাব্দৰ ৩ ডিচেম্বৰত তেওঁ মুখামুখি হ'বলগীয়া হ'ল ৰাছিয়া আৰু অষ্ট্ৰিয়াৰ সন্মিলিত বাহিনীৰ। আৰম্ভ হ'ল অষ্টাৰলিজৰ যুদ্ধ। দুয়োপক্ষৰ মাজত চলিল ভয়ংকৰ যুদ্ধ। অৱশ্যে যুদ্ধত বিজয়ৰ শেষ হাঁহিটি মাৰিবলৈ সক্ষম হ'ল নেপোলিয়নে। সেই যুদ্ধত নেপোলিয়নৰ ছাঁটোৰ দৰে আছিল মাৰ্শ্বেল।

ইয়াৰ পাছতে পোলেণ্ডৰ শাসনভাৰ কাঢ়ি ল'বৰ বাবে ফ্ৰাস আৰু ৰাছিয়াই আৰম্ভ কৰে শীতল যুদ্ধ। স্পেইন অধিকাৰ কৰি এইবাৰ নেপোলিয়ন বাহিনী আগবাঢ়িল পোলেণ্ড অভিমুখে। ১৮১২ খ্ৰীষ্টাব্দত চাৰি লাখ বিশ হেজাৰ সৈন্য লৈ নেপোলিয়ন অগ্ৰসৰ হ'ল ভানজিগ অভিমুখে। নেপোলিয়নে এই বৃহৎ সেনাবাহিনীক নেতৃত্ব দিবলৈ ১৩ জন সেনানায়কৰ ওপৰত দায়িত্ব অৰ্পণ কৰে। এই সেনানায়ককেইজনৰ ভিতৰত অন্যতম আছিল মাৰ্শ্বেল। পোলেণ্ড দখল কৰিলে ফৰাচী সম্ৰাটে। ইখনৰ পিছত সিখন দেশ জয় কৰি নেপোলিয়ন হৈ পৰিল অপ্ৰতিৰোধ্য সম্ৰাট। কিন্তু লালসাই পতনৰ কাৰণ হ'ল তেওঁৰ বাবে।

পোলেণ্ড দখলৰ পাছত এইবাৰ নেপোলিয়নৰ চকু পৰিল ৰাছিয়াৰ ওপৰত। ৰাছিয়াৰ সম্ৰাটক এশিকনি দিবলৈ অগ্ৰসৰ হ'ল মস্কো অভিমুখে। এইখিনিতে ভুল কৰিলে ফৰাচী সম্ৰাটে। এই অভিযানত সম্পূৰ্ণৰূপে বিধ্বস্ত হ'ল সেনাবাহিনী। লিপজিগৰ যুদ্ধত পৰাজিত হোৱাৰ পিছত নেপোলিয়ন নিৰ্বাসিত হৈছিল ভূমধ্য সাগৰৰ মাজত থকা এলাবা দ্বীপটোলৈ। কিন্তু বিপৰীত পক্ষই তেওঁক বেছিদিন বন্দী কৰি ৰাখিব নোৱাৰিলে। সেই দ্বীপটোৰ পৰা আহি পুনৰ দখল কৰিলে ফ্ৰান্সৰ সিংহাসন। মানুহৰ জীৱনলৈ বিপদ একেলগে অহাৰ দৰে নেপোলিয়নৰো সেই একে দশা হ'ল। ৰাছিয়াৰ স'তে যুদ্ধ কৰোতে যিদৰে বিশাল

সৈন্যবাহিনী ছেদেলি-ভেদেলি হৈ পৰিছিল তেনেদৰে তেওঁ সেনাপতিসকলৰ পৰাও আস্থা হেৰুৱাইছিল।

১৮১৫ খ্ৰীষ্টাব্দৰ ১৩ জুন। ইউৰোপৰ সন্মিলিত শক্তিৰ বিৰুদ্ধে তেওঁ অগ্ৰসৰ হ'ল। কিন্তু এই আগ্ৰাসনৰ সময়তে ঘৰ শত্ৰু ৰাৱণ বধৰ দৰে তেওঁৰ দলৰেই তিনিজন সেনাপতিয়ে বিশ্বাসঘাতকতা কৰিলে। নেপোলিয়নৰ সেনানায়কৰ অন্যতম বাৰমণ্টে এই অভিযানৰ বিষয়ে প্ৰ'ছিয়াৰ সেনাপতি ব্লুকাৰক আগতীয়াকৈ জনাই দিলে। ১৫ জুনত নেপোলিয়নে তেওঁৰ বিশ্বস্ত সেনানায়ক মাৰ্শ্বেল নেক চল্লিশ হেজাৰ সৈন্য লগত দি কোৱাটাৰ ব্ৰাছ দখল কৰিবলৈ পঠিয়াই দিলে। আনহাতে ব্লুকাৰে যাতে ইংলেণ্ডৰ সেনাপতি ডিউক অব্ ৱেলিংটনৰ স'তে যোগ দিব নোৱাৰে তাৰ বাবে চেষ্টা চলালে মাৰ্শ্বেল নে। কিন্তু ইয়াৰ পূৰ্বে সুবিধাজনক স্থানত অৱস্থান লৈছিল ব্লুকাৰে। আনহাতে, নেপোলিয়নে সেনাপতি মাৰ্শ্বেল গ্ৰেচিক পঠিয়াইছিল পিছফালৰ পৰা ব্লুকাৰক আক্ৰমণ কৰাৰ পৰিৱৰ্তে হাত সাবটিহে বহি থাকিল। গ্ৰেচিকে ৱাটাৰ লুৰ দিশে অগ্ৰসৰ নহ'ল নোপোলিয়নক শলঠেকত পেলাবলৈ। ১৮ জুনত ৱাটাৰ লুত পৰাজিত হ'ল শক্তিশালী সম্ৰাট নেপোলিয়ন বোনাপাৰ্ট। এই যুদ্ধৰ পাছত ডিউক অব্ ৱেলিংটনে বন্দুকৰ গুলীৰে হত্যা কৰিছিল নেপোলিয়নৰ বিশ্বস্ত সেনানায়ক মাৰ্শ্বেল নেক। এনেকৈয়ে কৰুণভাৱে সমাপ্তি ঘটিছিল দুই বন্ধুৰ জীৱন।

# সমন্বয়ৰ সেতু
# হৃদয়ানন্দ আগৰৱালা

অসমৰ বাহিৰৰ পৰা এই ৰাজ্যলৈ প্ৰব্ৰজন কৰি, লুইতৰ দুয়োপাৰকে আপোন কৰি, ইয়াতেই জীৱন-জীৱিকা বিচাৰি লোৱা মানুহখিনিৰ সংশ্লেষিত অসমীয়া সংস্কৃতিলৈ অৱদান কম নহয়। এইসকলৰ এক বৃহৎ অংশ বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ মাজত সোমাই গৈছে আৰু অসম-অসমীয়াক সমৃদ্ধ কৰিছে। সুখৰ বিষয় যে এই অসমক আপোন কৰি লোৱা প্ৰব্ৰজিত মানুহখিনিৰ মাজৰ পৰা এনেকুৱা কিছুসংখ্যক লোক ওলাই আহিছে, যিসকলে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত জাতিটোক নেতৃত্ব দিয়াৰ সক্ষমতাও প্ৰদৰ্শন কৰিছে। তেনে এগৰাকী ব্যক্তিয়েই আছিল প্ৰয়াত হৃদয়ানন্দ আগৰৱালা। হৃদয়ানন্দ আগৰৱালাক যদিও ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কনিষ্ঠ ভাতৃ হিচাপে উল্লেখ কৰা হয়, তথাপি এইটো কথাও সন্দেহাতীতভাৱে সত্য যে ৰূপকোঁৱৰৰ প্ৰসংগ অবিহনেও নিজৰ পৰিচয়

আছে হৃদয়ানন্দ আগৰৱালাৰ। চলচ্চিত্ৰ প্ৰযোজক আৰু সমাজসেৱক হিচাপে হৃদয়ানন্দ আগৰৱালাই যি এক নিজস্ব পৰিচয় তথা ভাবমূৰ্তি গঢ়ি তুলিছিল, সেয়া অনাগত বহুদিনলৈ অম্লান হৈ থাকিব। তাৰ প্ৰমাণ পোৱা যায় যোৱা ১০ ডিচেম্বৰত তেওঁৰ মৃত্যুৰ লগে লগে সমগ্ৰ অসমবাসীয়ে প্ৰকাশ কৰা শোকাকুল আৱেগৰ মাজত। ড° হীৰেন গোহাঁইৰ নিচিনা বিশিষ্ট বুদ্ধিজীৱীয়েও হৃদয়ানন্দ আগৰৱালাৰ মৃত্যুত শোক প্ৰকাশ কৰি লিখিছে— 'তেখেতৰ ওচৰত প্ৰতিজন অসমীয়া চিৰকৃতজ্ঞ।'

১৯১৭ চনৰ ২১ জুলাইত ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত জন্মগ্ৰহণ কৰিছিল হৃদয়ানন্দ আগৰৱালাই । বিটিছ আমোলৰ সেই যুগৰ চাহ বাগিচা বুলিলে আজিও নিশ্চয় আমাৰ মনলৈ আহে এখন বেলেগ ছবি। বাহিৰৰ পৃথিৱীৰ পৰা বিচ্ছিন্ন এখন স্বতন্ত্ৰ জগত, এক স্বতন্ত্ৰ প্ৰশাসন, সুকীয়া পৰিৱেশ। মালিক-শ্ৰমিকৰ দ্বন্দ্ব, শোষণ-বঞ্চনা আৰু বহুতো। পিছে তেনে পৰিৱেশৰ মাজত থাকিয়েই হৃদয়ানন্দ আগৰৱালাৰ শিল্পী মনটো প্ৰস্ফুটিত হৈছিল। তদুপৰি বাল্যকালৰ পৰাই তেওঁ পাইছিল জ্যোতিপ্ৰসাদ আগৰৱালাৰ নিচিনা মনীষীৰ সান্নিধ্য। এই নিজৰ শিল্পী মন আৰু ৰূপকোঁৱৰৰ সান্নিধ্য— হৃদয়ানন্দৰ বাবে হৈছিল মণিকাঞ্চন সংযোগৰ নিচিনা। হৃদয়ানন্দ আগৰৱালা আছিল এগৰাকী তীক্ষ্ণ মেধাসম্পন্ন লোক আৰু এই মেধাৰ পৰিচয় দিছিল ছাত্ৰ অৱস্থাৰ পৰাই। পৰমানন্দ আগৰৱালা আৰু কিৰণময়ী আগৰৱালাৰ কনিষ্ঠতম সন্তান হৃদয়ানন্দৰ আছিল ছগৰাকী ভাতৃ-ভগ্নী। এনে অৱস্থাত সৌ তাহানিতেই হৃদয়ানন্দই কলকাতাৰ পৰা সুখ্যাতিৰে বি এছ চি পাছ কৰি নিজৰ মেধাৰ পৰিচয় দিছিল। অৱশ্যে সেই মেধাক তেওঁ নিজৰ কেৰিয়াৰ গঢ়াৰ নিচিনা সংকীৰ্ণ কামত লগোৱা নাছিল; তেওঁ জঁপিয়াই পৰিছিল দেশৰ স্বাধীনতা সংগ্ৰামত। সমান্তৰালভাৱে তেওঁ হৈছিল জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক কাৰ্যক্ৰমণিকাৰ যোগ্য সংগী। জ্যোতিপ্ৰসাদ আগৰৱালাই ১৯৩৭ চনত তেজপুৰত স্থাপন কৰা চলচ্চিত্ৰগৃহ 'জোনাকী' আৰু ১৯৪৮ চনত নগাঁৱত স্থাপন কৰা চলচ্চিত্ৰগৃহত 'জয়শ্ৰী' শেষলৈকে হৃদয়ানন্দ আগৰৱালাই যি সংগ্ৰামৰ মাজেৰে চলাই ৰাখিছিল। তাতেই তেওঁৰ সাংস্কৃতিক দায়বদ্ধতাৰ পৰিচয় পোৱা যায়। বিভিন্ন ঘাত-প্ৰতিঘাত, লাভ-লোকচানৰ মাজেৰে দুয়োটা

চলচ্চিত্ৰই জীয়াই ৰাখি হৃদয়ানন্দ আগৰৱালাই কাৰ্যতঃ ৰূপকোঁৱৰৰ সপোনকে জীয়াই ৰাখিছিল।

১৯৪৫ চনৰ ১৫ জুলাইত হৃদয়ানন্দ আগৰৱালাৰ বিবাহ সম্পন্ন হৈছিল গুৱাহাটীৰ জীয়ৰী পদ্মা আগৰৱালাৰ সৈতে। পদ্মা নিজেও আছিল এক সম্ভ্ৰান্ত পৰিয়ালৰ কন্যা। তেওঁলোকৰ দাম্পত্য জীৱন আছিল একপ্ৰকাৰ নিজঞ্জাল। জ্যোতিপ্ৰসসাদ আগৰৱালাৰ উপৰি হৃদয়ানন্দই অন্য দুই বিশেষ মনীষীৰ সান্নিধ্য লাভ কৰিছিল। সেই দুগৰাকী সাংস্কৃতিক জগতৰ পুৰোধা ব্যক্তি আছিল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু নটসূৰ্য ফণী শৰ্মা। এই ত্ৰিমূৰ্তিয়েই বাস্তৱিকতে প্ৰযোজক হিচাপে হৃদয়ানন্দ আগৰৱালাক গঢ় দিছিল। ১৯৫৭ চনত হৃদয়ানন্দ আগৰৱালাই শোণিতপুৰ পিকচাৰ্ছ লিমিটেডৰ বেনাৰত ফণী শৰ্মাৰ ‘ধুমুহা’ নামৰ চলচ্চিত্ৰখনৰ প্ৰযোজনা কৰে। তাৰ পাছতেই তেওঁৰ প্ৰযোজনাত নিৰ্মিত হয় ‘কেঁচা সোণ’ নামৰ চলচ্চিত্ৰখন । আনহাতে, ১৯৭৫ চনত ‘ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু জয়মতী’ নামৰ প্ৰসিদ্ধ তথ্যচিত্ৰখন প্ৰযোজনা কৰি হৃদয়ানন্দ আগৰৱালাই তথ্যচিত্ৰ নিৰ্মাতা হিচাপেও সুখ্যাতি লাভ কৰিছিল। উল্লেখ্য যে এই তথ্যচিত্ৰখন স্বয়ং ড° ভূপেন হাজৰিকাই পৰিচালনা কৰিছিল। এই তথ্যচিত্ৰখন আজিও অসমৰ সাংস্কৃতিক ইতিহাসৰ এক অন্যতম গুৰুত্বপূৰ্ণ সমল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিৰাজিক জীয়াই ৰখা, জ্যোতিৰ আদৰ্শক দীপ্ত কৰি ৰখা আৰু এইবোৰ নতুন প্ৰজন্মৰ মাজত বিলাই দিয়াটোৱেই যেন আছিল হৃদয়ানন্দ আগৰৱালাৰ জীৱনৰ মূল অভিলাষ। সেয়ে পত্নীৰ সহযোগত তেওঁ স্থাপন কৰিছিল পদ্মা-হৃদয়ানন্দ সাংস্কৃতিক সংগ্ৰহালয়। এই সংগ্ৰহালয়ৰ জৰিয়তে দুয়ো জ্যোতিয়ে ব্যৱহাৰ কৰা আৰু জ্যোতিয়ে প্ৰাণ দিয়া সামগ্ৰীসমূহৰ সংৰক্ষণ আৰু এইবোৰৰ সংবৰ্ধন তথা সম্প্ৰচাৰৰ কাৰণে আপ্ৰাণ চেষ্টা চলাইছিল। এই সংগ্ৰহালয়ৰ কৰ্মৰাজিৰ অংশ হিচাপেই ১৯৫৩ চনত জ্যোতিপ্ৰসাদে নিৰ্মাণ কৰা জয়মতীৰ প্ৰায় নষ্ট হৈ যোৱা প্ৰিণ্ট ১৯৭৫ চনত হৃদয়ানন্দ আগৰৱালাই নিজে কলকাতালৈ লৈ গৈ ইয়াৰ ৰি-প্ৰিণ্ট কৰাইছিল। এই সংগ্ৰহালয়ৰ জৰিয়তেই ১৯৯২ চনত জ্যোতিপ্ৰসাদৰ জীৱন আৰু কৰ্মৰাজিৰ লগত জড়িত ভালেমান সামগ্ৰী হৃদয়ানন্দই দিল্লীৰ সংগ্ৰহালয়ত জমা দিছিল। এই উপলক্ষে দিল্লীৰ ত্ৰিমূৰ্তি

ভৱনত এখন বিশেষ সভা অনুষ্ঠিত হৈছিল। উক্ত সভাত উপস্থিত থাকি মামণি ৰয়ছম গোস্বামী আৰু নগেন শইকীয়াৰ নিচিনা ব্যক্তিয়েও হৃদয়ানন্দ আগৰৱালাৰ ভূয়সী প্ৰশংসা কৰিছিল। অৱশ্যে এইখিনিতে কোনোবাই হয়তো প্ৰশ্ন তুলিব পাৰে, হৃদয়ানন্দ আগৰৱালাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ আদৰ্শ আৰু দৰ্শন বিলাই ফুৰিছিল নে এই আদৰ্শ আৰু দৰ্শনৰ প্ৰতিফলন তেওঁৰ নিজৰ জীৱনতো ঘটাইছিল? যিসকল লোকে হৃদয়ানন্দ আগৰৱালাক অলপ ওচৰৰ পৰা পাইছে, তেওঁলোকৰ কাৰণে এনে প্ৰশ্ন আৰু ইয়াৰ উত্তৰ দুয়োটাই অপ্ৰাসংগিক। দৰাচলতে সময়ৰ বিশাল সেতুখনৰ এটা মূৰ যদি আছিল জ্যোতিপ্ৰসাদ আগৰৱালা, আনটো মূৰ আছিল হৃদয়ানন্দ আগৰৱালা। জ্যোতিপ্ৰসাদৰ নিচিনাকৈ হৃদয়ানন্দ আগৰৱালায়ো উপলব্ধি কৰিছিল প্ৰব্ৰজিত বহিৰাগত মানুহখিনিৰ বৃহত্তৰ অসমীয়া সমাজখনৰ লগত মিলি যোৱাৰ প্ৰয়োজনীয়তা। এনে প্ৰয়োজনীয়তাৰ উপলব্ধিৰে হৃদয়ানন্দই নিজৰ সমস্ত সত্তাৰে এজন অসমীয়া হৈ পৰিছিল। অসমীয়া হৈ পৰিছিল তেওঁৰ সম্পূৰ্ণ পৰিয়ালটোও। সমন্বয় আৰু সহযোগিতাত বিশ্বাসী হৃদয়ানন্দই কেতিয়াও সংঘাত আৰু প্ৰতিযোগিতাৰ পথ লোৱা নাছিল। এইটো যুগৰ তেওঁ আছিল প্ৰকৃতাৰ্থতেই এগৰাকী সমন্বয়ৰ সাধক।

# ভ্ৰাম্যমাণ জগতৰপৰা আহিছে এটা ভাল খবৰ

শেহতীয়াভাৱে অকণমান ভাল খবৰ আহিছে অসমৰ সাংস্কৃতিক জগতৰ বাবে। এই ভাল খবৰ আহিছে ভ্ৰাম্যমাণৰ মাধ্যমেৰে। এইখিনিতে হয়তো বহুতৰে মনত প্ৰশ্ন জাগিব পাৰে, অসমৰ সংস্কৃতিতো আজিৰ দিনৰ ভ্ৰাম্যমাণেই একপ্ৰকাৰ সৰ্বাধিক চহকী কৰিছে। ইয়াৰ পিছতনো অসমৰ সাংস্কৃতিক জগতৰ বাবে ভ্ৰাম্যমাণৰ মাধ্যমেৰে কি নতুন ভাল খবৰ আহিল। এনে প্ৰশ্ন উত্থাপিত হোৱাটোৱেই স্বাভাৱিক আৰু প্ৰাসংগিক। কিয়নো যি সময়ত অসমৰ সাংস্কৃতিক উপাদানসমূহ এটা এটাকৈ নিঃস্বতাৰ কবলত পৰিছে, সেই সময়তে নিতৌ উজ্জ্বলৰ পৰা উজ্জ্বলতৰ হৈ উঠিছে অসমৰ ভ্ৰাম্যমাণ জগত। একেদৰে এইখন জগত অধিকৰ পৰা অধিকতৰ সমৃদ্ধিশালীও হৈ গৈ আছে।

কিন্তু সকলো বিকাশেই স্বাস্থ্যসন্মত নহয়। আজি কেইবছৰমান আগতে হঠাৎ এবাৰ উল্কাৰ দৰে উজলি উঠিছিল অসমৰ চলচ্চিত্ৰ জগত। অসমীয়া চলচ্চিত্ৰৰ বাজেট হৈ উঠিছিল কোটিটকীয়া। তাৰকাই লাভ কৰিছিল অভাৱনীয় পাৰিশ্ৰমিক। মানুহে অসমীয়া চলচ্চিত্ৰ চাবলৈ প্ৰেক্ষাগৃহৰ টিকট কাউণ্টাৰৰ ওচৰত হেতা-ওপৰা লগাইছিল। তেতিয়াও কিন্তু অসমীয়া চলচ্চিত্ৰৰ মৌলিক উন্নতি

একো ঘটা নাছিল। আৰু ইয়াকে দেখি সচেতন মহলে মন্তব্য কৰিছিল যে অসমীয়া চলচ্চিত্ৰৰ এই সুদিন দীৰ্ঘস্থায়ী নহ'ব। আৰু প্ৰকৃততে সেয়াই ঘটিছিল। উল্কাৰ দৰে উজলি উঠি উল্কাৰ দৰেই নুমাই গৈছিল অসমীয়া চলচ্চিত্ৰ উদ্যোগ। এই উদ্যোগ আজিপৰ্যন্ত ভালদৰে গা দাঙিব পৰা নাই।

বিপদ আহিব লৈছিল অসমীয়া ভ্ৰাম্যমাণ উদ্যোগৰ বাবেও। কিয়নো ভ্ৰাম্যমাণৰ আকস্মিক সমৃদ্ধি আৰু উজ্জ্বলতাই লাহে লাহে বহন কৰিব লৈছিল কেতবোৰ অশনি সংকেত। প্ৰকৃততে অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ দুৰ্দিনৰ মাজেৰেই অসমৰ ভ্ৰাম্যমাণ উদ্যোগ জগতলৈ সুদিন আহিছিল। চলচ্চিত্ৰ তাৰকাসকলে ভ্ৰাম্যমাণ জগতত প্ৰৱেশ কৰিছিল আৰু ইয়াৰ লগে লগে সলনি হৈছিল ভ্ৰাম্যমাণৰ সম্পূৰ্ণ পৰিৱেশ। চলচ্চিত্ৰ তাৰকাসকলৰ চৰিত্ৰৰ লগত খাপ খোৱাকৈ নাটকৰ চৰিত্ৰও সলনি হ'বলৈ বাধ্য হৈছিল। চলচ্চিত্ৰত দেখা পোৱা নিজৰ প্ৰিয় অভিনেতা-অভিনেত্ৰীসকলক মঞ্চত সোঁশৰীৰে দেখা পাবলৈ উথপথপ লগাইছিল। কিন্তু চলচ্চিত্ৰ তাৰকাৰ উচ্চ পাৰিশ্ৰমিকৰ বোজা বহন কৰিব লগা হৈছিল শেষপৰ্যন্ত থিয়েটাৰ কমিটীসমূহে। একোখন থিয়েটাৰৰ একোটা দৰ্শনীৰ মূল্যই নব্বৈ হেজাৰ টকালৈকে উঠিছিল আৰু পৰিণতিত বিগত কেইবছৰমানৰ পৰা বিভিন্ন ঠাইত কমিটীসমূহে থিয়েটাৰ আমন্ত্ৰণ জনাবলৈ এৰি পেলাব লগা হৈছিল। কিয়নো, একোখন থিয়েটাৰৰ একোটা দৰ্শনীৰ সিমান উচ্চ নিৰিখৰ বোজা আমাৰ সৰ্বসাধাৰণ দৰ্শকে ব'ব নোৱাৰে। সেয়ে কাৰ্যতঃ বহু ঠাইত অনিমন্ত্ৰিত হৈ ৰৈছিল বিভিন্ন আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল।

এনে এক শংকাজনক পৰিৱেশৰ মাজতেই আহিছে আমি পূৰ্বে উল্লেখ কৰা ভাল খবৰটো। জানিব পৰামতে শেহতীয়াভাৱে অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদলসমূহে সন্মিলিতভাৱে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। উক্ত সিদ্ধান্ত অনুসৰি এতিয়াৰ পৰা এই ভ্ৰাম্যমাণ নাট্যদলসমূহে প্ৰতি দৰ্শনীৰ বাবে বাসত্তৰ হেজাৰ টকাকৈহে বিচাৰিব বা ল'ব। আপাতঃ দৃষ্টিত এই খবৰটোৱে খুব এটা গুৰুত্ব নাপালেও এয়া অসমৰ সাংস্কৃতিক জগতৰ বাবে এটা গুৰুত্বপূৰ্ণ খবৰ হিচাপেই সংশ্লিষ্ট মহলসমূহত চৰ্চিত হৈছে। কিয়নো উক্ত সিদ্ধান্তৰ ভালেকেইটা গুৰুত্বপূৰ্ণ আৰু সুদূৰপ্ৰসাৰী ফল আছে। এই সিদ্ধান্তৰ বাবেই এতিয়া পূৰ্বে আৰ্থিক দিশেৰে ঢুকি পাব নোৱাৰা বহু থিয়েটাৰ গোষ্ঠীক এতিয়া আয়োজক কমিটীসমূহে

ঢুকি পাব পাৰিব। ফলশ্ৰুতিত সংশ্লিষ্ট সেই নাট্যদলসমূহে এতিয়া ৰাইজৰো সংস্পৰ্শলৈ আহিব পাৰিব। এটা কথা প্ৰণিধানযোগ্য যে কোনো ভ্ৰাম্যমাণ নাট্যদল যিমানেই উন্নত বা সমৃদ্ধিশালী নহওক কিয়, জনসম্পৰ্ক বা জনসংস্পৰ্শটোহে এই নাট্যদলটোৰ মূল সম্পদ। কাৰণ মানুহক লৈয়েই তেওঁলোকৰ অনুশীলন, মানুহক লৈয়েই আশা তথা পৰিকল্পনা আৰু মানুহক লৈয়েই অস্তিত্ব। এনে অৱস্থাত জনসাধাৰণ আৰু ভ্ৰাম্যমাণৰ মাজত টকাই প্ৰাচীৰ এখন থিয় কৰোৱাটো নিশ্চয় সমৰ্থনযোগ্য বা গ্ৰহণযোগ্য কথা হ'ব নোৱাৰে। অথচ বিগত কেইটামান বছৰৰ ভিতৰত সেয়াই হ'বলৈ গৈ আছিল। সেয়ে এনে অৱস্থাত ৰাজ্যৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যগোষ্ঠীসমূহৰ প্ৰতি দৰ্শনীৰ মূল্য কমোৱাৰ সিদ্ধান্ত নিশ্চয় এক আশাব্যঞ্জক বতৰা।

অসমীয়া সংস্কৃতিৰ মূল উপাদানসমূহৰ এতিয়া সৰ্বত্ৰ দুৰৱস্থা। আমি পূৰ্বে উল্লেখ কৰাৰ নিচিনাকৈ ইতিমধ্যে আকৌ এবাৰলৈ নিশকতীয়া হৈ পৰিছে অসমীয়া চলচ্চিত্ৰ উদ্যোগ। অপেছাদাৰী নাট্যগোষ্ঠীসমূহৰ আৰ্থিক দিশটো আজিও শক্তিশালী নহয় আমাৰ ৰাজ্যত। এনে অৱস্থাত আমাৰ সাংস্কৃতিক বিশেষত্ব অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে ভ্ৰাম্যমাণ নাট্যগোষ্ঠীসমূহে। সেয়ে এই নাট্যগোষ্ঠীসমূহৰ আৰ্থিক স্বচ্ছলতা সকলোৰে কাম্য। কিন্তু অধিক আৰ্থিক স্বচ্ছলতা বা তাৰকাৰ উপস্থিতি বিচাৰিবলৈ গৈ তেওঁলোক গণবিচ্ছিন্ন হৈ পৰক, এয়া কাৰো কাম্য নহয়। অৱশ্যে শেহতীয়া সিদ্ধান্তটোৰ পৰিণতিস্বৰূপে হয়তো ভ্ৰাম্যমাণ নাট্যগোষ্ঠীসমূহে ব্যয়বহুল তাৰকাক ৰখাত কিছু অসুবিধাত পৰিব পাৰে। কিন্তু অসমৰ ভ্ৰাম্যমাণৰ ইতিহাসে স্পষ্টভাৱে দেখুৱাই থৈছে যে আমাৰ দৰ্শকে ভাল অভিনেতাহে বিচাৰে, তাৰকা অভিনেতা নহয়।

# ভাল নাটকেহে স্থায়ী কৰিব ভ্ৰাম্যমাণৰ অস্তিত্ব

অসমত ভ্ৰাম্যমাণ থিয়েটাৰ সদায়েই এক চৰ্চাৰ বিষয়। অসমৰ সাংস্কৃতিক জগতখনৰ ভিতৰৰ সবাতোকৈ সমৃদ্ধিশালী এই উদ্যোগটোৰ শক্তি, বৈচিত্ৰ্য, ইয়াৰ লগত জড়িত মানৰশক্তি, জনপ্ৰিয়তা আদি বিভিন্ন কাৰকে অসমৰ ভ্ৰাম্যমাণক বিগত বহু বছৰ ধৰি চৰ্চাৰ বিষয় কৰি আহিছে।

শেহতীয়াভাৱে অন্য এক কাৰণে চৰ্চাৰ শীৰ্ষলৈ আনিছে অসমৰ ভ্ৰাম্যমাণক। ৰাজ্যৰ আগশাৰীৰ প্ৰায়কেইটা ভ্ৰাম্যমাণ নাট্যগোষ্ঠীৰ প্ৰযোজক, স্বত্বাধিকাৰসকলে তেওঁলোকৰ প্ৰতি দৰ্শনীৰ পাৰিশ্ৰমিক বাসত্তৰ হেজাৰ টকালৈ হ্ৰাস কৰা সিদ্ধান্ত গ্ৰহণ কৰিছে। নিঃসন্দেহে এয়া এক ইতিবাচক খবৰ। এনে সিদ্ধান্তই অসমৰ ভ্ৰাম্যমাণক জনগণৰ অধিক ওচৰ চাপি যোৱাত সহায় কৰিব।

প্ৰাক স্বাধীনতা কালতেই নাট্য-চৰ্চাৰ ঐতিহ্যমণ্ডিত থলী অসমত আধুনিক নাট্যধাৰাই জন্মলাভ কৰিছিল। ব্ৰজনাথ শৰ্মাৰ দৰে বিপ্লৱী শিল্পীৰ হাতৰ পৰশত ঠন ধৰি উঠিছিল এই নাট্যধাৰা। পৰৱৰ্তী দিনবোৰত জীৱন শিল্পী অচ্যুত লহকৰে নটৰাজ থিয়েটাৰ গঠন কৰি আধুনিক ভ্ৰাম্যমাণ নাট্য উদ্যোগৰ শুভাৰম্ভ ঘটাইছিল। তাৰ পিছত আৰু এই উদ্যোগ, এই কৰ্মযজ্ঞ, এই সাংস্কৃতিক ধাৰাই

উভতি চাবলগা হোৱা নাই। অসমীয়া সমাজৰ দাপোণস্বৰূপে সুন্দৰভাৱে কাম কৰি আছে অসমৰ ভ্ৰাম্যমাণে। বাস্তৱিকতে দীৰ্ঘদিন ধৰি প্ৰকৃত গণমাধ্যমৰ ভূমিকা পালন কৰি আহিছে ভ্ৰাম্যমাণে। এইখিনিতে লক্ষণীয় যে আমাৰ জাতীয় জীৱনৰ এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণত অসমত ভ্ৰাম্যমাণ থিয়েটাৰ উদ্যোগ প্ৰায় পূৰ্ণভাৱে বিকশিত হৈছিল। নটৰাজ থিয়েটাৰৰ পিছত কহিনুৰ, আৰাধনা, আৱাহন আৰু অন্য ভালেকেইটা বৃহৎ ভ্ৰাম্যমাণ নাট্যগোষ্ঠীয়ে জন্মলাভ কৰিছিল। এই নাট্যগোষ্ঠীসমূহৰ মঞ্চই তুলি ধৰিছিল আমাৰ সভ্যতা, আমাৰ সংস্কৃতি, আমাৰ ইতিহাস, আমাৰ সমাজ জীৱন, আমাৰ বিভিন্ন সমস্যা আৰু এইবোৰৰ সম্ভাব্য সমাধানসূত্ৰ। সকলো স্তৰৰ ৰাইজ হিলদল ভাঙি আহিছিল ভ্ৰাম্যমাণৰ নাটক চাবলৈ, এই নাট্য আন্দোলনৰ লগত একাত্ম অনুভৱ কৰিবলৈ। কাৰণ ভ্ৰাম্যমাণৰ মঞ্চত তেওঁলোকে নিজক বিচাৰি পাইছিল; বিচাৰি পাইছিল নিজৰ সমাজখনক, নিজৰ ঐতিহ্যক। শ'ৰাগুৰি চাপৰি, মণিকূট, নীলকণ্ঠ আদিৰ নিচিনা নাটক চাবলৈ প্ৰেক্ষাগৃহৰ ভিতৰত জনসমুদ্ৰৰ সৃষ্টি হৈছিল। অকল এয়াই নহয়, ভ্ৰাম্যমাণৰ খিৰিকীৰে অসমৰ ৰাইজে বিশ্ব দৰবাৰলৈ ভুমুকি মাৰি চাবলৈও সক্ষম হৈছিল। নেপোলিয়ন বোনাপাৰ্ট, ক্লিওপেট্ৰা আদিৰ নিচিনা চৰিত্ৰসমূহে দেখা দিছিল অসমৰ ভ্ৰাম্যমাণৰ মঞ্চত। এনে অৱস্থাত ভ্ৰাম্যমাণ হৈ উঠিছিল সৰ্বাধিক শক্তিশালী গণমাধ্যম। কিন্তু অৱস্থাৰ চকুত লগা পৰিৱৰ্তন ঘটিবলৈ যেন আৰম্ভ কৰিলে যোৱা শতিকাৰ নব্বৈৰ দশকৰ পৰা। ভ্ৰাম্যমাণৰ মঞ্চত নাটকৰ গভীৰতাতকৈ উক্ত সময়ছোৱাত কাৰিকৰী চমৎকাৰিত্বই অধিক প্ৰাধান্য পাবলৈ আৰম্ভ কৰিলে। টাইটানিকৰ পতন, লেডী ডায়েনাৰ গাড়ীৰ দুৰ্ঘটনা, হেলিকপ্টাৰ, ফ্লাইঅ'ভাৰ আদি দৃশ্যৰ প্ৰদৰ্শনে পাবলৈ ল'লে অধিক গুৰুত্ব। মঞ্চত 'চলচ্চিত্ৰ' চাবলৈ দৰ্শকসকলো উত্ৰাৱল হৈ উঠিল। ইয়াৰ সমান্তৰালভাৱে ঘটিল আন এক গুৰুত্বপূৰ্ণ পৰিঘটনা। এক বিশেষ পৰিস্থিতিত অসমৰ চলচ্চিত্ৰ আৰু ভিচিডি তাৰকাসকলৰ ভ্ৰাম্যমাণলৈ আগমন ঘটাৰ এক প্ৰক্ৰিয়া আৰম্ভ হ'ল। এইটো প্ৰক্ৰিয়াৰ ভ্ৰাম্যমাণৰ মঞ্চত 'চলচ্চিত্ৰ' উপস্থাপন হোৱা প্ৰক্ৰিয়াটোতেই সোণত সুৱগা চৰালে। এই নতুন পৰিৱেশত, নতুন তাৰকাসকললৈ নতুন ধৰণৰ নাটক গ্ৰহণ কৰিবলৈ প্ৰযোজকসকলো বাধ্য হৈ পৰিল, যি নাটকৰ কাহিনীয়ে দিবলগা হ'ল ভিচিডি বা ৰূপালী পৰ্দাৰ তাৰকাসকলক নৃত্য-গীত আৰু চলচ্চিত্ৰ সদৃশ অভিনয়ৰ সুযোগ।

নাটকৰ পৰা গভীৰতা কমি গ'ল। বিপৰীতে বাঢ়ি আহিল ব্যয়বহুলতা। আৰু পৰিণতিত ভ্ৰাম্যমাণৰ প্ৰযোজকসকলে তেওঁলোকৰ প্ৰতি দৰ্শনীৰ মূল্য অভাৱনীয়ভাৱে বৃদ্ধি কৰিবলৈ বাধ্য হ'ল আৰু থিয়েটাৰ আয়োজক কমিটীসমূহে একেধৰণে বাধ্য হ'ল টিকটৰ মূল্যবৃদ্ধি ঘটাবলৈ।

কিন্তু এনে পৰিস্থিতি সদায় চলি থকা সম্ভৱ নাছিল। সেয়ে বিগত প্ৰায় দুটা বছৰ বিভিন্ন ঠাইত বিভিন্ন ভ্ৰাম্যমাণ নাট্যগোষ্ঠী অনিমন্ত্ৰিত হৈ ৰৈছিল। হয়তো তাৰেই পৰিণতিত সম্প্ৰতি গৃহীত হৈছে আমি পূৰ্বে উল্লেখ কৰা ভ্ৰাম্যমাণৰ প্ৰযোজকগোষ্ঠীৰ প্ৰতি দৰ্শনীৰ মূল্য হ্ৰাস কৰাৰ সিদ্ধান্ত। এনে সিদ্ধান্তই হয়তো থিয়েটাৰ আয়োজক বা আমন্ত্ৰণকাৰী সমিতিসমূহক কিছু সকাহ দিব। হয়তো সকাহ দিব দৰ্শককো। কিন্তু ইয়েই যথেষ্ট হ'বনে? টিকটৰ সামান্য মূল্য হ্ৰাসে স্থায়ী কৰিবনে ভ্ৰাম্যমাণৰ অস্তিত্ব? নিশ্চয় নকৰে। অসমত ভ্ৰাম্যমাণৰ অস্তিত্ব স্থায়ী হ'বলৈ হ'লে যি চৰিত্ৰৰে ইয়াৰ প্ৰাথমিক বিকাশ লাভ হৈছিল, সেই চৰিত্ৰলৈ ই উভতি যাব লাগিব। আমি এইখিনিতে মনত ৰখা ভাল যে এজন ব্যক্তিয়ে হওক বা এটা অনুষ্ঠানেই হওক বা এটা উদ্যোগেই হওক, তাৰ সামাজিক গ্ৰহণযোগ্যতাৰ সৃষ্টি হয় এটা বিশেষ চৰিত্ৰকলৈ। অসমত ভ্ৰাম্যমাণ থিয়েটাৰ উদ্যোগৰ গ্ৰহণযোগ্যতা সৃষ্টি হৈছিল ইয়াৰ সমাজ সচেতনমূলক গণমাধ্যম চৰিত্ৰটোক লৈ। আৰু এই চৰিত্ৰটোক লৈয়েই ই জীয়াই থাকিব লাগিব আৰু তাৰ বাবে লাগিব ভাল নাটক। টাইটানিক, লেডী ডায়েনা, হেলিকপ্টাৰ, ফ্লাইঅ'ভাৰ বা ৰে'লপথ ভিচিডি তাৰকাৰ নৃত্য-গীত চাবলৈ সামাজিকভাৱে হয়তো জনসমুদ্ৰৰ সৃষ্টি হ'ব পাৰে, কিন্তু ই স্থায়ী পৰিঘটনা হ'ব নোৱাৰে। এনে পৰিঘটনাৰ কুফল ইতিমধ্যে সকলোৰে চকুত পৰিছে, যাৰ বাবে ভ্ৰাম্যমাণৰ প্ৰয়োজকে প্ৰতি দৰ্শনীৰ মূল্যও কমাবলৈ বাধ্য হৈছে। সেয়ে সংশ্লিষ্ট সকলোৱে ইয়াৰ পৰা শিক্ষা ল'ব লাগিব। কাৰিকৰী চমৎকাৰিত্ব আৰু তাৰকাৰ সমাৱেশেৰে জীয়াই থকাৰ সলনি অসমৰ ভ্ৰাম্যমাণে পূৰ্বৰ দৰে ভাল নাটকেৰে জীয়াই থকাৰ চেষ্টা কৰিব লাগিব। ভ্ৰাম্যমাণৰ এনে জীৱনহে স্থায়ী হ'ব। অসমৰ ভ্ৰাম্যমাণৰ মঞ্চত আকৌ আমাৰ ইতিহাস, আমাৰ ঐতিহ্য প্ৰতিফলিত হ'ব লাগিব। মানুহে ভ্ৰাম্যমাণৰ মঞ্চত নিজক, নিজৰ সমাজক বিচাৰি পাব লাগিব। ইয়াৰ অন্যথা এই বিশাল সাংস্কৃতিক উদ্যোগটোৰ কোনো ভৱিষ্যৎ নাই যেন আমাৰ ধাৰণা হয়।

# পাঠশালাৰ ভ্ৰাম্যমাণ থিয়েটাৰ

'নামনি অসমৰ বৰপেটা জিলাৰ এখন তুলনামূলকভাৱে সৰু নগৰ পাঠশালা। জিলাখনৰ বজালী মহকুমাৰ সদৰ স্থান হ'লেও ভৌগোলিক বিস্তৃতিৰ ফালৰ পৰা যথেষ্ট সৰু পাঠশালা। তথাপি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সকলোৱে পাঠশালাক চিনি পায়, পাঠশালাক জানে; পাঠশালাক জানে মূলতঃ ইয়াৰ সাংস্কৃতিক পৰিচিতিৰ বাবে, এখন সাংস্কৃতিক নগৰী হিচাপে। আৰু সিটো উপাদানে পাঠশালাক অসমৰ বাহিৰে-ভিতৰে এখন সাংস্কৃতিক নগৰীৰ পৰিচিতি প্ৰদান কৰিছে সেই উপাদানটোৱেই হৈছে ভ্ৰাম্যমাণ থিয়েটাৰ।

ভ্ৰাম্যমাণ থিয়েটাৰ নগৰী হিচাপে পাঠশালাৰ ইতিহাস বিচাৰিবলৈ গ'লৈ আমি উভতি যাব লাগিব প্ৰাক স্বাধীন কাললৈ। সেই যুগতে পাঠশালা নগৰৰ নিকটৱৰ্তী জালিখাটা গাঁৱৰ সাংস্কৃতিক মনৰ ব্যক্তি খৰ্গেশ্বৰ শৰ্মাই বাঁহৰ জোঁৰ জ্বলাই খোলা গানৰ ৰূপত একধৰণৰ নাট্য আন্দোলনৰ পাতনি মেলিছিল। তাৰ পাছত সন্তৰাম চৌধুৰীৰ নিচিনা ব্যক্তিয়ে এই আন্দোলন আগবঢ়াই নিছিল। ব্ৰজনাথ শৰ্মাৰ নাট্য আন্দোলনৰ প্ৰভাৱো পৰিছিল পাঠশালাৰ ওপৰত।

এই সকলোবোৰৰ পৰিণতিত ১৯৬৩ চনত পাঠশালাত প্ৰথটো ভ্ৰাম্যমাণ নাট্যগোষ্ঠী ‘নটৰাজ থিয়েটা’ৰে জন্মলাভ কৰে। অচ্যুত লহকৰৰ বলিষ্ঠ নেতৃত্বত জন্মলাভ কৰা এই নাট্যগোষ্ঠীটোৱে বিভিন্ন ক্ষেত্ৰত একাধিক বলিষ্ঠ পদক্ষেপো গ্ৰহণ কৰিছিল। অসমৰ বাহিৰলৈ গৈয়ো সৰ্বভাৰতীয় প্ৰেক্ষাপটত নাট মঞ্চস্থ কৰিছিল নটৰাজ থিয়েটাৰে। তদুপৰি মঞ্চত পৰ্দা টানি নাটকৰ মাজত চলচ্চিত্ৰৰ প্ৰাসংগিক দৃশ্য সংযোজন কৰি চিনে থিয়েটাৰৰ অৱধাৰণাও সৃষ্টি কৰিছিল নটৰাজ থিয়েটাৰে।

নটৰাজ থিয়েটাৰৰ পিছতেই পাঠশালাত গঠিত হোৱা বৃহত্তম ভ্ৰাম্যমাণ নাট্যগোষ্ঠীটো হৈছে ‘কহিনুৰ থিয়েটাৰ’। প্ৰথমতে ৰতন লহকৰ আৰু কৃষ্ণ ৰয়ৰ যৌথ প্ৰযোজনাত জন্মলাভ কৰা কহিনুৰ থিয়েটাৰ পিছলৈ ৰতন লহকৰৰ একক প্ৰযোজনাৰ অধীনলৈ আহে। কহিনুৰ থিয়েটাৰে অসমৰ ভ্ৰাম্যমাণক এক আন্তঃৰাষ্ট্ৰীয় পৰিচিতি প্ৰদান কৰে। এলানি সুস্থ, ৰুচিপূৰ্ণ নাটক মঞ্চস্থ কৰিছিল। বেনহুৰ, ক্লিওপেট্ৰা, ইলিয়াচ, ওডিচি আদিৰ নিচিনা নাটকেৰে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰা— কহিনুৰ থিয়েটাৰে জনপ্ৰিয়তাৰ সকলো অভিলেখ ভংগ কৰিছিল টাইটানিকৰ নাট্য ৰূপান্তৰেৰে। ৰামায়ণ, মহাভাৰতৰ নিচিনা কাহিনীক মঞ্চলৈ লৈ অহা কহিনুৰ থিয়েটাৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ নিচিনা চৰিত্বকো মঞ্চত থিয় কৰাবলৈ সক্ষম হৈছে।

কহিনুৰ থিয়েটাৰৰ যৌথ মালিকানাৰ পৰা ওলাই আহি কৃষ্ণ ৰয়ে গঠন কৰে এক নতুন ভাম্যমাণ নাট্যগৌষ্ঠী ‘আৱাহন থিয়েটাৰ’। ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ এলানি ব্যতিক্ৰমধৰ্মী নাটকৰ নিয়মিত উপস্থাপনেৰে আৱাহন থিয়েটাৰে ভ্ৰাম্যমাণৰ নাটকৰ এক নতুন ধাৰা সৃষ্টি কৰিবলৈ সক্ষম হৈছে। আৱাহন থিয়েটাৰৰ মঞ্চত মঞ্চস্থ হোৱা ‘দীনবন্ধু’ নাটকৰ ওপৰত ভিত্তি কৰি নিৰ্মিত একে নামৰ চলচ্চিত্ৰই ইতিমধ্যে ৰাষ্টীয় পুৰস্কাৰ বুটলিবলৈকো সক্ষম হৈছে। আৱাহন থিয়েটাৰৰ মঞ্চত মঞ্চস্থ হোৱা ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নাটক ‘নীলকণ্ঠ’ৰ কথা আজিও নাট্যপ্ৰেমী ৰাইজে আলোচনা কৰে।

আবাহন থিয়েটাৰৰ পূৰ্বে পাঠশালাত জন্মলাভ কৰা আন এক বিশিষ্ট নাট্যগোষ্ঠী আছিল ‘আৰাধনা থিয়েটাৰ’। আজি সেই নাট্যগোষ্ঠীটো নাই যদিও পৃথিৱীৰ প্ৰেম নাটকৰ জৰিয়তে ৰাষ্ট্ৰীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা অসমৰ

একমাত্ৰ নাট্যদল হিচাপে আৰাধনা থিয়েটাৰৰ কৃতিত্ব আজিও অব্যাহত আছে। আৰাহনৰ পিছত পাঠশালাত জন্মলাভ কৰা আন এক প্ৰধান ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠী হৈছে 'অনিৰ্বাণ থিয়েটাৰ'। এই ভ্ৰাম্যমাণ নাট্যগোষ্ঠীসমূহৰ উপৰি বিষ্ণুজ্যোতি, শ্ৰীশ্ৰী পৰিহৰেশ্বৰ আদি একাধিক ভ্ৰাম্যমাণ গোষ্ঠীৰে পাঠশালাৰ বুকুত বা পাঠশালাক কেন্দ্ৰ কৰি জন্মলাভ কৰিছিল।

এই থিয়েটাৰ গোষ্ঠীসমূহৰ স্থানীয় আৰু সৰ্বজনীন প্ৰভাৱ আৰু অৱদানো অপৰিসীম। প্ৰথম কথা হ'ল, এই ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠীসমূহে অবিৰতভাৱে অসমীয়া সংস্কৃতিক চহকী কৰিছে। সম্পূৰ্ণ অসমীয়া নাটক উপস্থাপনেৰে চলি থকা ভ্ৰাম্যমাণ নাট্যগোষ্ঠীসমূহে নতুন নতুন নাট্যকাৰো ধাৰাবাহিকভাৱে সৃষ্টি কৰি আহিছে। ইয়াৰ লগতে সৃষ্টি কৰিছে নাটক সন্দৰ্ভত নতুন নতুন পৰীক্ষণ-নিৰীক্ষণৰ সুযোগো। এনে সুযোগৰ সদ্ব্যৱহাৰৰ ফলশ্ৰুতিতেই অসমৰ ভ্ৰাম্যমাণ বিশ্বৰ দৰবাৰত উপস্থিত হোৱাৰ সুবিধা আহিছে। পাঠশালা নগৰৰ সাংস্কৃতিক বাতাৱৰণ সুৰুচিপূৰ্ণ কৰি ৰখাতো বিপুল অৱদান আগবঢ়াইছে ভ্ৰাম্যমাণ নাট্যগোষ্ঠীসমূহে। পাঠশালাত ভ্ৰাম্যমাণ নাট্য দলসমূহৰ নাটক চলি থকাকেইদিন মানুহে যেনেদৰে হিলদল ভাঙি নাটক চাবলৈ ওলাই আহে, সেয়া নেদেখিলে বিশ্বাস কৰিব নোৱাৰি। এনে পৰিৱেশৰ সামাজিক প্ৰভাৱো যথেষ্ট। ৰাজ্যত যেতিয়া সাংস্কৃতিক বাতাৱৰণ শক্তিশালী হয়, মানুহৰ মন সংস্কৃতিমুখী হৈ থাকে, তেতিয়া বহু সামাজিক অসূয়া-অশান্তি আপোনা-আপুনি আঁতৰি থাকে। পাঠশালা নগৰৰ ক্ষেত্ৰত স্থানীয়ভাৱেও এই ঘটনা ঘটিছে। দেশজোৰা বা ৰাজ্যজোৰা বিভিন্ন অশান্তিৰ মাজতো পাঠশালাৰ সামাজিক বাতাৱৰণ সদায় সুস্থ-সুস্থিৰ হৈ থকা দেখা গৈছিল। যুৱ মানসিকতাৰ ওপৰতো স্থানীয়ভাৱে বহু সুস্থ প্ৰভাৱ পেলাইছে পাঠশালাৰ ভ্ৰাম্যমাণ নাট্যগোষ্ঠীসমূহে।

কিন্তু সামাজিক প্ৰভাৱতকৈও পাঠশালাৰ ভ্ৰাম্যমাণ উদ্যোগৰ অৰ্থনৈতিক প্ৰভাৱহে বোধহয় অধিক শক্তিশালী; সামগ্ৰিকভাৱেও, স্থানীয়ভাৱেও। পাঠশালাৰ আটাইবোৰ ভ্ৰাম্যমাণ নাট্যগোষ্ঠীয়ে ৰাজ্যৰ বহু হাজাৰ স্থানীয় নিবনুৱাক কৰ্মসংস্থাপন দিছে। তদুপৰি নাটক অনুষ্ঠিত হোৱা দিনকেইটাত প্ৰতিটো ভ্ৰাম্যমাণ নাট্যদলে প্ৰতিখন ঠাইতে বহুজনক দিয়ে প্ৰত্যক্ষ আৰু পৰোক্ষ উপাৰ্জনৰ সুযোগ। স্থানীয়ভাৱে পাঠশালাত এক স্থায়ী কৰ্ম-সংস্কৃতিৰো সৃষ্টি কৰিছে ভ্ৰাম্যমাণ

নাট্যগোষ্ঠীসমূহে। সৰু চহৰখনৰ প্ৰায় প্ৰতিটো পৰিয়ালৰে উৎসুকতা থাকে, অথবা কোনটো নাট্যদলত কি নাটক মঞ্চস্থ হ'ব সেই কথা জানিবলৈ।

দৰাচলতে পাঠশালাৰ প্ৰায় প্ৰতিটো পৰিয়াল আৱেগিকভাৱে জড়িত ভ্ৰাম্যমাণ নাট্য আন্দোলনৰ লগত। বাস্তৱিকতে এই আৱেগ অপ্ৰয়োজনীয় যেন লাগিব পাৰে বাহিৰৰ কোনো মানুহৰ বাবে। কিন্তু পাঠশালাবাসীৰ বাবে এই আৱেগ প্ৰয়োজনীয়। চাবলৈ গ'লে ভ্ৰাম্যমাণ থিয়েটাৰ এক ব্যক্তিগত উদ্যোগ। এই উদ্যোগৰ লাভ-লোকচানক লৈ দৰাচলতে সংশ্লিষ্ট মালিক পক্ষৰ বাহিৰে আন কোনো ব্যক্তি বা পক্ষ উদ্বিগ্ন হোৱাৰ কোনো কাৰণ বা যুক্তি নাথাকে। কিন্তু পাঠশালাৰ মানুহ উদ্বিগ্ন হয়। কোনোবা এটা বৰ্ষত কোনোবা এটা নাট্যদল আৰ্থিক দিশত লোকচানৰ সন্মুখীন হোৱা বুলি শুনিলে পাঠশালাৰ মানুহ উদ্বিগ্ন হয়, দুখী হয়। কোনোবা এটা নাট্যদল অসমৰ বিভিন্ন প্ৰান্তত সফল হোৱা বুলি শুনিলে পাঠশালাবাসী সুখী হয়, আনন্দিত হয়। এনেকুৱাই আত্মিক সম্পৰ্ক পাঠশালাবাসী আৰু স্থানীয় ভ্ৰাম্যমাণ উদ্যোগৰ মাজত। এই সম্পৰ্কৰ স্পৰ্শকাতৰতা নিজে তেনে সম্পৰ্কৰ দ্বাৰা আৱদ্ধ নহ'লে সহজে বুজিব নোৱাৰি। এজন পাঠশালাবাসী হিচাপে আমাৰ অনুৰোধ, অসমবাসীয়ে যেন সদায় মৰমৰ দৃষ্টিৰে চায় অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ উদ্যোগক, ঠিক এতিয়া যেনেকৈ চাইছে তেনেকৈয়ে।

# মাৰোৱাৰী মানেই ব্যৱসায়ী নহয়

মাৰোৱাৰীয়ে অসমখন লুটি-পুতি খালে ঐ', 'ৰাজস্থানৰ পৰা অসমক লুটিবলৈ আহিছে', 'মাৰোৱাৰীৰ বাবেই আজি অমুক হ'ল, মাৰোৱাৰীৰ বাবেই তমুক হ'ল' এনেবোৰ কথাৰে সততে অসমত বাস কৰি থকা মাৰোৱাৰী সম্প্ৰদায়ৰ লোকসকলক দীৰ্ঘদিন ধৰি তাচ্ছিল্য কৰি অহা হৈছে। যেতিয়াই মূল্যবৃদ্ধিৰ বিষয়টো উত্থাপিত হয় তেতিয়াই সমস্ত দোষ জাপি দিয়া হয় মাৰোৱাৰী ব্যৱসায়ীসকলৰ ওপৰত। বাজেটত বস্তুৰ দাম বাঢ়িলে তাতো মাৰোৱাৰীক জগৰীয়া কৰা হৈছে। বজাৰত বস্তু পাবলৈ নাই তাতো মাৰোৱাৰী দায়ী— মাৰোৱাৰীয়ে নোহোৱা কৰিছে। মুঠতে যত দোষ নন্দ ঘোষৰ নিচিনা যিকোনো ব্যৱসায়িক দিশতে একপক্ষীয়ভাৱে দীৰ্ঘদিন ধৰি মাৰোৱাৰীসকলক জগৰীয়া কৰি অহা হৈছে। ব্যৱসায় সম্পৰ্কীয় যিকোনো বিষয়তে মাৰোৱাৰীসকল জড়িত থকা অথবা নিয়ন্ত্ৰিত কৰা বুলি ভ্ৰান্ত ধাৰণা আজিও বৰ্তি আছে। কিন্তু আমি কেতিয়াবা এবাৰ ভাবি চাইছোনে কেৱল যিকোনো ব্যৱসায়ীক ঘটনাৰ স'তে মাৰোৱাৰীসকল জড়িত হয় নে নহয়? সকলো চৰায়ে মাছ খায়, কিন্তু মাছৰোকাৰ নাম হোৱাৰ দৰে আনে ব্যৱসায়ৰ নামত লুণ্ঠন চলালেও শেষত নামটো ওলায়

মাৰোৱাৰীৰে। এনেবোৰ বিষয়ে যে মাৰোৱাৰীসকলৰ অন্তৰত আঘাত হানিব পাৰে, সেয়া ভাবি চাবলৈ কাৰো আহৰি নাই। অৱশ্যে কাৰোবাৰ মনত প্ৰশ্ন উত্থাপিত হ'লেও তথাকথিত জাতীয়তাবাদী সংগঠনসমূহৰ বাবে মুখ খুলিব নোৱাৰে। বিষয়টো কিন্তু চৰ্চা হোৱা উচিত।

মাৰোৱাৰীসকলে অসমত ব্যৱসায় কৰে সঁচা, কেৱল অসমতেই যে ব্যৱসায় কৰিব আহিছে তেনে নহয়। ভাৰতৰ আন ৰাজ্যতো ব্যৱসায়ী কম নহয়। সুদূৰ ৰাজস্থানৰ পৰা আহি অসমত নিগাজিকৈ বসবাস কৰা অধিকাংশ মাৰোৱাৰী সম্প্ৰদায়ৰ লোকে কিন্তু ইতিমধ্যে অসমীয়া সংস্কৃতিৰ সৈতে একাত্ম হৈ পৰিছে। তেওঁলোকৰ বহুতো ল'ৰা-ছোৱালীয়ে আজিলৈকে ৰাজস্থানত গৈ পোৱা নাই। পূজা, বিহুকে আদি কৰি আন আন উৎসৱ-পাৰ্বণত আন দহগৰাকী অসমীয়াৰ স'তে একেলগে উপভোগ কৰে। এওঁলোকে অসমীয়া সংস্কৃতি, সমাজখনৰ স'তে একাত্ম হৈ পৰাৰ পাছতো কিন্তু তেওঁলোকক বহিঃৰাগত ব্যৱসায়ী হিচাপেহে গণ্য কৰে। এয়া পৰিতাপৰ বিষয়।

অসমৰ প্ৰাতঃস্মৰণীয় ব্যক্তিসকলৰ ভিতৰত নিঃসন্দেহে অন্যতম জ্যোতিপ্ৰসাদ আগৰৱালা। এই মহান শিল্পীগৰাকীৰ পূৰ্বপুৰুষ ক'ৰ পৰা অহা সেইটো সকলোৰে জ্ঞাত। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত এনে এটি দিশ নাই য'ত জ্যোতিপ্ৰসাদৰ অৱদান জিলিকি নথকাকৈ আছে। জ্যোতিপ্ৰসাদৰ পূৰ্বপুৰুষ ৰাজস্থানৰ পৰা আহিলেও তেওঁলোকে কিন্তু ব্যৱসায় কৰাতো মুখ্য উদ্দেশ্য নাছিল। অসমীয়া সংস্কৃতিৰ স'তে একাত্ম হৈ জাতি গঢ়াতহে গুৰুত্ব দিছিল ৰূপকোঁৱৰে। তেওঁৰ অসমীয়া সাহিত্যত যি দখল আছে সেয়া বৰ্ণনাতীত। কেৱল জ্যোতিপ্ৰসাদেই নহয় আৰু বহুতো লোক আছে যাৰ পূৰ্বপুৰুষ ৰাজস্থানৰ পৰা অহা হ'লেও অসমীয়া বুলি পৰিচয় দি গৌৰৱবোধ কৰে। আমি মহান শিল্পীগৰাকীৰ প্ৰসংগ এইবাবেই টানি আনিব খুজিছো যে যিসকলে সততে মাৰোৱাৰীসকলক ব্যৱসায়ী বুলিহে ভাবে তেওঁলোকে বুজা উচিত যে সকলো মাৰোৱাৰীয়ে ব্যৱসায় নকৰে। সাহিত্য-সংস্কৃতিৰ স'তেও ওতঃপ্ৰোতভাৱে জড়িত।

অসমৰ ব্যৱসায়িক ক্ষেত্ৰখন মাৰোৱাৰীৰদ্বাৰা নিয়ন্ত্ৰিত হয় বুলিও দুৰ্নাম আছে। কিন্তু অসমৰ সকলোবোৰ সামগ্ৰীয়ে জানো মাৰোৱাৰীয়ে ক্ৰয় অথবা

বিক্ৰী কৰে। শাক-পাচলি, ফল-মূল, তামোল-পাণ, ধান, মাছৰ বজাৰ কেইজন মাৰোৱাৰীয়ে নিয়ন্ত্ৰণ কৰে। এই নিত্য ব্যৱহাৰ্য সামগ্ৰীসমূহৰ আশী শতাংশই অসমীয়াই নিয়ন্ত্ৰণ কৰে। এইবোৰৰ দাম জানো বৃদ্ধি পোৱা নাই। আজি এখন অসমীয়া তামোল-পাণৰ দাম দুটকা। ১ কিলোগ্ৰাম চজিনাৰ দাম ১৫০ টকা, বন্ধা কবিৰ দাম ৬০ টকা। এবাৰ ভাবকচোন এই বস্তুসমূহত কাৰ দপদপনি চলি আছে। মধ্যভোগীসকল কোন, তাক বিশ্লেষণ নকৰাকৈ কেৱল মাৰোৱাৰীসকলৰ ওপৰত দোষ জাপি দিবলৈ একাংশ লোকে সাজু হৈ থাকে। বজাৰত মূল্যবৃদ্ধি হ'লেও জগৰ লাগে মাৰোৱাৰীৰ। সূক্ষ্ম দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে দেখা যাব যে এনেধৰণৰ বজাৰত স্থানীয় লোকক স্থানীয় লোকেই শোষণ কৰি আছে। অসমীয়াৰ ঐতিহ্যৰ বাহক শুৱালকুছিৰ পাট-মুগা, এড়ী কাপোৰৰ বজাৰখনক লৈ ইমানদিনে সকলোৱে গৰ্ববোধ কৰিছে। কিন্তু লাহে লাহে বজাৰখনত বহিঃৰাজ্যৰ লোক সোমাল। বহিঃৰাজ্যৰ পৰা অহা একাংশ ব্যৱসায়ীয়ে পাট-মুগা প্ৰস্তুতৰ কৌশল আয়ত্ব কৰি সেইবোৰৰ ক্ষতি সাধন কৰিছে। তাত কেইজন মাৰোৱাৰী আছে? একাংশ মধ্যভোগীয়ে ধ্বংস কৰা নাইনে?

একাংশ মাৰোৱাৰীয়ে ব্যৱসায় কৰিলেও তেওঁলোকে যে কেৱল ধন আহৰণ কৰি চন্দুকতেই ভৰাই থৈছে তেনে নহয়। দান-বৰঙনি আদি আগবঢ়োৱাতো পিছ হোহকা নাই। মঠ-মন্দিৰৰ পৰা আৰম্ভ কৰি বিভিন্ন ঠাইত স্কুল-কলেজ, পুথিভঁৰাল আদি স্থাপনতো বৰঙণি আগবঢ়ায়। কোনো এখন বিহু মঞ্চত এজন মাৰোৱাৰী লোকক মঞ্চ উদ্বোধনৰ বাবে থিয় কৰালে হৈ-চৈ লাগে। বিতৰ্কৰ সৃষ্টি হয়। অথচ অসমৰ বিভিন্ন ঠাইত আয়োজিত বিহুত কিন্তু মাৰোৱাৰীৰ পৰাই বেছি চান্দা সংগ্ৰহ কৰে। চান্দা সংগ্ৰহৰ বাধা নাই। কেৱল মঞ্চত উঠিলেহে বিতৰ্ক যদি এজন মাৰোৱাৰীৰ পৰা সংগ্ৰহ কৰা ধনেৰে উৎসৱ এটি উদ্‌যাপন কৰিব পাৰি তেনেহ'লে এজন মাৰোৱাৰীয়ে মঞ্চ উদ্বোধন কৰিলে কোনখন মহাভাৰত অশুদ্ধ হ'ব।

দৰাচলতে, এনে মানসিকতা সলনিৰ সময় সমাগত। যেতিয়ালৈকে এনে মানসিকতা লৈ মাৰোৱাৰীৰ বিৰুদ্ধে তীৰ্যক মন্তব্য কৰা হৈ থাকিব তেতিয়ালৈকে ব্যৱধান বৃদ্ধি হৈ থাকিব। বিশ্বায়নৰ যুগৰ কথা কৈ থাকি আমি এনে মানসিকতাৰ চিকাৰ হৈ থাকো তেনেহ'লে সংঘাত অনিবাৰ্য। আমি সকলোৱে মনত ৰখা

উচিত যে মাৰোৱাৰী মানেই ব্যৱসায়ী নহয়, মাৰোৱাৰী মানেই ধনী নহয়। বহু মাৰোৱাৰী আছে যি পথৰ ভিক্ষাৰী হৈ আছে। মাৰোৱাৰীৰ দোকানত কাম কৰা অধিকাংশ ল'ৰাই মাৰোৱাৰী। যিসকলে মাৰোৱাৰীক কেৱল 'বেপাৰী' বুলি তীৰ্যক মন্তব্য, আগবঢ়াই আহিছে, তেওঁলোকে কেতিয়াবা দোকানত কাম কৰা লোকসকলৰ কথা ভাবি চাইছেনে? বহুতেই দুবেলা দুমুঠি খাবলৈ নাপায়, কিছুমানে বিদ্যালয়ত ভৰি দিয়েই পোৱা নাই। আন কিছুমানে আকৌ ছোৱালীজনীক বিয়া দিবলৈ পৈতৃক ভেটি বিক্ৰী কৰিবলগীয়া হৈছে। পথৰ ভিক্ষাৰী হৈ ঘূৰা-ফুৰা কৰা লোকসকলক কোনোবাই দেখিছেনে? এইবোৰ কথা বিশ্লেষণ কৰাৰ সময় আহি পৰিছে। মানৱীয় দৃষ্টিভংগীৰে বিষয়সমূহ বিশ্লেষণ কৰিলে সকলো সমস্যাৰ সমাধান হ'ব।

মূল্যবৃদ্ধিৰ উৎস ক'ত? সেই বিষয়টো যদি পুংখানুপুংখভাৱে বিশ্লেষণ কৰি চাওঁ তেন্তে ইয়াৰ আঁৰত বিভিন্ন কাৰণ স্পষ্ট হৈ পৰে। সন্ত্ৰাস জৰ্জৰিত ৰাজ্য এখনত ব্যৱসায়ীসকলে প্ৰাণৰ ভয়ত উগ্ৰপন্থীসকলক মাহিলীয়ে হওক বা বছৰতে হওক টকা দিব লাগে। কিছুমান সংগঠনে আকৌ অসমত ব্যৱসায় কৰি থাকিবলৈ হ'লে তেওঁলোকৰ ধন আদায় দি থাকিব লাগে বুলিও দাবী কৰে। এইবোৰ সকলোৰে জ্ঞাত বিষয়। কিন্তু যিসকলে এই কাৰ্য কৰিছে তেওঁলোক অসমীয়া নহয় জানো? মূল্যবৃদ্ধিৰ প্ৰতিবাদ জনাবলৈ যিবোৰ প্ৰতিবাদী কাৰ্যসূচী হাতত লয় তাৰেই বহুতে পিছদুৱাৰেদি আহি প্ৰতিবাদী কাৰ্যসূচীৰ জয়ৰ বাবে মাৰোৱাৰীৰ পৰা ধন নিয়ে, বুট-মাহ নিয়ে। (অৱশ্যে সকলোবোৰ সংগঠনে নহয়, কিছুমানহে এইক্ষেত্ৰত আগ্ৰহী) একাংশই আকৌ দুয়োফালে তাল-মান ৰক্ষা কৰে। এফালে মাৰোৱাৰীৰ বিৰুদ্ধে উচটনি দিয়ে আৰু আনফালে ভিতৰি ভিতৰি মাৰোৱাৰী সংগঠনসমূহৰ স'তে সু-সম্পৰ্ক ৰক্ষা কৰে। এনে সুবিধাবাদী লোকৰ দুমুখীয়া স্থিতিৰ বাবে কেতিয়াবা কেতিয়াবা সংঘাতৰো সূত্ৰপাত হয়। গতিকে কোনো ধৰণৰ সংঘাতৰ যাতে সৃষ্টি হ'ব নোৱাৰে তাৰ বাবে সকলোৱে সতৰ্ক হোৱা উচিত। মাৰোৱাৰী লোকসকলকো অসমীয়া জাতিৰ অংগ কৰি লওক। মাৰোৱাৰীসকল কেৱল ব্যৱসায় কৰিবলৈ অসমলৈ অহা নাই, অসমৰ বায়ু-পানী খাই অসমীয়া জাতিৰ সুখে-দুখে সমভাগী হ'বলৈ সুযোগ দিয়ক। ভ্ৰাতৃত্ববোধেৰে আমি এনে এখন সমাজ গঢ়াৰ সংকল্প লওঁ— য'ত নাথাকিব বিদ্বেষ।

# ভ্ৰাম্যমাণ ৫০ ঃ কৃষ্ণ ৰয় ৫০

অসমত ভ্ৰাম্যমাণ নাট্য আন্দোলন গঢ়ি তোলাৰ ক্ষেত্ৰত যিকেইগৰাকী ব্যক্তিয়ে অশেষ ত্যাগ স্বীকাৰ কৰিছে, তেওঁলোকৰ ভিতৰত অন্যতম হ'ল কৃষ্ণ ৰয়। ভ্ৰাম্যমাণ থিয়েটাৰক উদ্যোগ হিচাপে প্ৰতিষ্ঠা কৰি স্বকীয় বৈশিষ্ট্যৰে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাসকলৰ মাজৰেই এজন হ'ল কৃষ্ণ ৰয়। ভ্ৰাম্যমাণৰ বহুতো উত্থান-পতনৰ সাক্ষী এইগৰাকী বৃক্তিয়ে সুদীৰ্ঘ ৫০ বছৰীয়া পৰিক্ৰমা অতিক্ৰমী আজি স্বৰ্ণজয়ন্তীত ভৰি দিলে। নটৰাজ থিয়েটাৰত আত্মপ্ৰকাশ কৰা কৃষ্ণ ৰয়ৰ ভ্ৰাম্যমাণ জীৱনৰ ৫০ বছৰ অতিক্ৰম কৰাটো নিঃসন্দেহে অসমৰ সাংস্কৃতিক জগতৰ এক উল্লেখযোগ্য ঘটনা। নীৰৱচ্ছিন্নভাৱে ভ্ৰাম্যমাণৰ স'তে জড়িত হৈ থকা ৰয়ৰ ভ্ৰাম্যমাণ জীৱনৰ পৰিক্ৰমা জানিবলৈ হ'লে আমি উভতি যাব লাগিব ৫০ বছৰ আগৰ সেই স্মৰণীয় দিনটোলৈ।

১৯৬৩ চনৰ ২ অক্টোবৰ। এই ঐতিহাসিক দিনটোতেই আত্মপ্ৰকাশ কৰিছিল

নটৰাজ থিয়েটাৰে। তাৰ আগলৈকে ভ্ৰাম্যমাণ থিয়েটাৰ সম্পৰ্কে কোনো লোকৰে ধাৰণা নাছিল। ভ্ৰাম্যমাণৰ পিতামহ অচ্যুত লহকৰে জন্ম দিছিল ভ্ৰাম্যমাণ নাট্যদলটোৰ। এই দলটোৰ সম্পাদক আছিল এজন যুৱক। আৰ্থিক দীনতাৰ স'তে যুঁজ দিয়া যুৱকজনে চিঠি-পত্ৰৰ আদান-প্ৰদান আৰু হিচাপ ৰাখিছিল। এনে কাৰ্য সম্পাদনৰ মাজতে তেওঁ অভিনয়ো কৰিছিল। প্ৰথম বৰ্ষত নটৰাজ থিয়েটাৰে মঞ্চস্থ কৰা নাটকেইখন আছিল— 'ভোগজৰা', 'জেৰেঙাৰ সতী' আৰু হাইদৰ আলি'। 'ভোগজৰা' আৰু 'হাইদৰ আলি' নাটক দুখনত দুটা ভিন্ন চৰিত্ৰত অভিনয় কৰিবলৈ সুযোগ লাভ কৰে ৰয়ে। দ্বিতীয় বৰ্ষত তেওঁ লাইটমেনৰূপে কাৰ্য সম্পাদন কৰে। এয়াই আছিল আজিৰ কৃষ্ণ ৰয়ৰ ভ্ৰাম্যমাণ জীৱনৰ আৰম্ভণি। অৱশ্যে প্ৰথম দুবছৰ ভ্ৰাম্যমাণত কাম কৰাৰ পাছত তেওঁ কলেজত নামভৰ্তি কৰে। এফালে ভ্ৰাম্যমাণৰ প্ৰতি দুৰ্বাৰ আকৰ্ষণ আৰু আনফালে পেটৰ তাড়না। ১৯৬৬ চনত তেওঁ পুনৰ ভ্ৰাম্যমাণলৈ উভতি আহে। এইবাৰ পূৰ্বজ্যোতি থিয়েটাৰত যোগ দিলে। সুদীৰ্ঘ সাত বছৰ পূৰ্বজ্যোতিত সম্পাদক তথা পোহৰৰ দায়িত্ব সম্পাদন কৰে। এনেদৰে এখোজ-দুখোজকৈ আগবাঢ়িল ভ্ৰাম্যমাণৰ জীৱনচক্ৰ। লাহে লাহে ৰাইজৰ মাজত স্থান পালে ভ্ৰাম্যমাণে। পৰিসৰ বৃদ্ধি হ'ল। কেবাখনো থিয়েটাৰে নাট প্ৰদৰ্শন কৰিবলৈ ধৰিলে। এই তালিকাত সংযোজিত হ'ল ৰূপকোঁৱৰ থিয়েটাৰ, কহিনুৰ থিয়েটাৰ। ১৯৭৪ চনত ৰূপকোঁৱৰ থিয়েটাৰত কাম কৰি ১৯৭৫ চনৰ পৰা একেৰাহে তিনি বছৰ ৰতন লহকৰৰ লগত যুটীয়া প্ৰযোজক হিচাপে কহিনুৰ থিয়েটাৰত থাকে। ১৯৮০ চনত কৃষ্ণ ৰয়ে জন্ম দিলে আৱাহন থিয়েটাৰ। তেতিয়াৰে পৰা সফলতাৰ বাবে তেওঁ কেতিয়াও পিছলৈ উভতি চাবলগীয়া হোৱা নাই। প্ৰথম বৰ্ষত আৱাহন থিয়েটাৰে প্ৰদৰ্শন কৰা নাটসমূহ আছিল— প্ৰফুল্ল বৰাৰ 'কাজিৰঙাৰ বাঘ', 'স্নেহবন্ধন', 'অগ্নিকন্যা' আৰু আব্দুল মজিদৰ 'জীৱন-মৃত্যু'। ভ্ৰাম্যমাণক আজিৰ এই পৰ্যায়লৈ উপনীত কৰাত ভ্ৰাম্যমাণৰ পিতামহ অচ্যুত লহকৰ, ৰতন লহকৰ আৰু কৃষ্ণ ৰয়ক কিন্তু আজিলৈকে আমি যি স্বীকৃতি দিব লাগিছিল সেয়া দিয়া নাই। বহুতো পৰীক্ষা-নিৰীক্ষাৰ মাজেদি ভ্ৰাম্যমাণৰ জয়যাত্ৰাৰ পথ সুচল কৰা এইকেইগৰাকী ব্যক্তি চিৰদিন অসমৰ সাংস্কৃতিক জগতত উজলি থাকিব। ভ্ৰাম্যমাণ থিয়েটাৰক বাদ দি বৰ্তমান অসমীয়া সংস্কৃতিৰ নক্সা আঁকিব নোৱাৰি। ই অসম্ভৱ বুলি ক'লেও

অত্যুক্তি কৰা নহ'ব। ভ্ৰাম্যমাণ থিয়েটাৰ উদ্যোগ হিচাপে প্ৰতিষ্ঠা হোৱাৰ পাছতো কিন্তু চৰকাৰে আজিলৈকে 'উদ্যোগ' হিচাপে স্বীকৃতি দিয়া নাই। এই প্ৰসংগত কৃষ্ণ ৰয়ক সোধোতে তেওঁ ক্ষোভেৰে ক'লে— 'ভ্ৰাম্যমাণে বিশ্ব দৰবাৰত স্থান পালে। সুদূৰ ইংলেণ্ডৰ পৰা আহিও ভ্ৰাম্যমাণৰ নাট উপভোগ কৰিলে বিদেশী পৰ্যটকে। ভ্ৰাম্যমাণৰ কাৰু-কাৰ্য দেখি বিস্মিত হ'ল বি বি চিৰ সাংবাদিকৰ দল। আজি গৱেষণাৰ বিষয়বস্তু হৈ পৰিছে ভ্ৰাম্যমাণ থিয়েটাৰ। সহস্ৰাধিক স্থানীয় লোকে জীৱিকা নিৰ্বাহৰ সুযোগ লাভ কৰিছে। শিল্পী, কলা-কুশলীৰ জীৱন-নিৰ্বাহৰ লগতে আন বহুতেই ব্যৱসায়ৰ সুযোগ লাভ কৰা সত্ত্বেও চৰকাৰে আজি পৰ্যন্ত উদ্যোগ হিচাপে ঘোষণা নকৰাটো হতাশৰ বিষয়। নৱ-প্ৰজন্মক ভ্ৰাম্যমাণৰ প্ৰতি আকৰ্ষিত কৰিবলৈ চৰকাৰে শীঘ্ৰে ইয়াক 'উদ্যোগ' হিচাপে ঘোষণা কৰিব বুলি আশা কৰিছো।' এইগৰাকী নাট্যকৰ্মী, প্ৰযোজক, অভিনেতা, সংগঠকৰ ৫০ বছৰীয়া জীৱনৰ অবিস্মৰণীয় মুহূৰ্তত যাচিছো শুভেচ্ছা। এই যাত্ৰা অব্যাহত থাকক। ভ্ৰাম্যমাণ থিয়েটাৰক আৰু এখোজ আগুৱাই নিয়ক। শতায়ু হোৱাৰ কামনাৰে...।